# বি, এইচ্, বি, মহাবিদ্যালয় আলোচনী



সম্পাদিকা

জুলী তালুকদাৰ






B.H.B. College, Sarupeta

# বি, এইচ্, বি, মহাবিদ্যালয় আলোচনী

## শিক্ষাবৰ্ষ ঃ ২০০৪-০৫

(২৬তম সংখ্যা)




B.H.B. College, Sarupeta

বি, এইচ্, বি, মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

২০০৪-০৫ শিক্ষাবৰ্ষ

বি, এইচ্, বি, মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত

সম্পাদিকা — জুলী তালুকদাৰ

তত্বাবধায়িকা — ড°অমিয়া মহন্ত

# বি, এইচ্, বি, মহাবিদ্যালয় আলোচনী

বি, এইচ্, বি, মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ
২০০৪-০৫ শিক্ষাবৰ্ষ

## সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| তত্ত্বাৱধায়িকা | ঃ | ড° অমিয়া মহন্ত |
| সম্পাদিকা | ঃ | জুলী তালুকদাৰ |
| সদস্য | ঃ | শ্ৰীযুত বীৰেণ কলিতা<br>শ্ৰীযুত ফণীধৰ তালুকদাৰ<br>শ্ৰীযুত যুগোল কিশোৰ ওজা |
| বেটুপাত | ঃ | শশাংক গগৈ |
| স্থিৰ চিত্ৰ | ঃ | ষ্টুডিঅ' বিউটি |
| গ্ৰাফিক্‌চ্ ডিজাইন | ঃ | মনজিৎ গোস্বামী |
| অংগসজ্জা/অলংকৰণ | ঃ | বিপ্লৱ মহন্ত, বৰুণ তালুকদাৰ |
| অক্ষৰ বিন্যাস/মুদ্ৰণ | ঃ | যাত্ৰা প্ৰকাশন<br>ৰাজগড় ৰোড, গুৱাহাটী-৩<br>দূৰভাষ - ৯৯৫৪৩ - ২৫৫৬০ |

B.H.B. College, Sarupeta

## উৎসৰ্গা

জীৱনক প্ৰতিমুহূৰ্তত আৰ্কষণীয়, সুন্দৰ কৰিবলৈ প্ৰয়াস কৰিব খোজা প্ৰতিজন সপোন পিয়াসী মানৱ দৰদী বি, এইচ, বিয়ান সুহৃদৰ হাতত...

প্ৰেমিক, যোদ্ধা, স্বপ্নাতুৰ মানুহৰ হাতত এই সংখ্যাৰ আলোচনী উৎসৰ্গিত।


B.H.B. College Sarupeta

# — শ্ৰদ্ধাঞ্জলি —

*"...মৃত্যুওটো এটা শিল্প,*
*জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য..."*

যিসকলৰ কৰ্ম তথা আদৰ্শ
আমাৰ মাজত চিৰভাস্বৰ হৈ ৰ'ব,
সেই সকলো পৰলোকগামী ব্যক্তিলৈ
যাঁচিছো আমাৰ বেদনাসিক্ত শ্ৰদ্ধাঞ্জলী।

B.H.B. College, Sarupeta



## কৃতজ্ঞতা

**বি, এইচ্‌, বি, মহাবিদ্যালয়ৰ**
**সমূহ শিক্ষাগুৰু আৰু**
**কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভা**
**আৰু ছাত্ৰ-ছাত্ৰীলৈ**

B.H.B. College, Sarupeta

Prof. Indira Goswami has won several National and International Awards which includes Bharatiya Jnanpith award, Sahitya Academy award, Bharat Nirman award, K.K. Foundation National award, Assam Sahitya Sabha award, International Tulsi award, Katha award etc. Film based on her novel also received National and International awards. She has been honoured with D.Litt degree from Rabindra Bharati University. She has been honoured by several Universities and Institutions. She is a member of many National and International bodies.

ASSAM :

House No. 23,
Uma Kanta Goswami
Gandhi Basti,
North Sarania Bylane
Guwahati - 781 003
Ph. : 0361-2664266
0361-2668314
9811888759

PROF. INDIRA GOSWAMI M.A. Ph.D.
(MAMONI RAISOM GOSWAMI)

# শুভেচ্ছা বাণী

"বি এইচ্ বি মহাবিদ্যালয়"ৰ (সৰুপেটা) বছৰেকীয়া মুখপত্ৰখনৰ বাবে মই মোৰ অভিনন্দন জনালো। মোৰ দৃঢ় বিশ্বাস এই মুখপত্ৰই সৰুপেটা অঞ্চলৰ অনেক কথা পোহৰলৈ আনিব পাৰিব। ছাত্ৰ-ছাত্ৰী আৰু আন আন সকলো লোকক উৎসাহিত কৰিব পাৰিব।

এই আলোচনীখনৰ সুদীৰ্ঘ সফল জীৱন মই কামনা কৰিলো।

ড° মামণি ৰয়ছম গোস্বামী
17. 1. 07

B.H.B. College, Sarupeta

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১ ☐ ☎(০৩৭৬) ২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১ ☐ ☎(০৩৬১) ২৫২১৮৩০
ডিব্ৰু কাৰ্যালয় ঃ বাংছিলা ভৱন, ডিব্ৰু-৭৮২৪৬০ ☐ ☎(০৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১ ☐ ☎(০৩৬৬২) ২৩২৫২৮

কনকসেন ডেকা
সভাপতি

## শুভ-কামনা

ঐতিহ্যমণ্ডিত বি এইচ্ বি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত বাৰ্ষিক মুখপত্ৰখনি অলপতে প্ৰকাশ পাব বুলি জানিব পাৰি সুখী হ'লো। বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনীসমূহৰ গুৰুত্ব অপৰিসীম; কিয়নো এই আলোচনীৰ পাতত ছাত্ৰ-ছাত্ৰীৰ সাহিত্য সৃষ্টিৰ অংকুৰণ ঘটে। পৰৱৰ্তী সময়ত এইসকলৰে কিছু সংখ্যকক সফল কবি-সাহিত্যিক হোৱা দেখা যায়। এই মহাবিদ্যালয়ে ইতিমধ্যে কেঁবাগৰাকী যশস্বী কবি-সাহিত্যিক উলিয়াবলৈ সক্ষম হৈছে। ভৱিষ্যতে এই পৰম্পৰা অধিক শক্তিশালী হ'ব বুলি আশা কৰিছো। শব্দৰ মৃত্যু কাহানিও হ'ব নোৱাৰে। পুথিত লিপিবদ্ধ হোৱা কিছুমান শব্দৰ জৰিয়তেই সমাজ, দেশ ঐক্যবদ্ধ হৈ থাকে আৰু সেই শব্দবোৰেই যুগে যুগে পথ প্ৰদৰ্শকৰ ভূমিকা লৈ আহিছে। সেইবাবেই শব্দৰ সুচিন্তিত ব্যৱহাৰৰ ওপৰতেই সমাজৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে বুলি কোৱা হয়।

যুৱ-ছাত্ৰ শক্তিৰ সঠিক ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়াটো বাঞ্ছনীয়। এই যুৱ শক্তিৰ সদ্ব্যৱহাৰ সম্ভৱ হ'ব পাৰে যদিহে তেওঁলোকক নিজ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে সজাগ কৰি তোলা হয়। এই ক্ষেত্ৰত বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনীয়ে বিশেষ ভূমিকা ল'ব পাৰে। মহাবিদ্যালয়ৰ মুখপত্ৰখনিত অঞ্চলটোৰ বাবে বহনীয়া আৰ্থ-সামাজিক দিশসমূহৰ কিছু প্ৰতিফলন ঘটাব পাৰিলে সোণত সুৱগা চৰোৱাৰ দেখীয়া হ'ব।

মুখপত্ৰখনি সৰ্বাঙ্গসুন্দৰ হৈ প্ৰকাশ পাওক— এয়ে কামনা।

(signature)
৭/১২/'০১

B.H.B College Sarupeta

## শুভেচ্ছা

সৰুপেটাৰ বি এইচ্ বি কলেজৰ বাৰ্ষিক আলোচনীখনলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। প্ৰত্যেক শিক্ষানুস্থানৰে জ্ঞান-প্ৰজ্ঞানৰ কিৰিযণাত এনে একোখন আলোচনীয়ে মন-চিন্তা-বুদ্ধিৰ শইচৰ কাম কৰি থাকিব পাৰে বুলি মোৰ ধাৰণা। আত্ম-বিকাশৰ বীজ প্ৰত্যেকৰে জন্মজ প্ৰাপ্তি। ক্ষেত্ৰইহে তাৰ গুণজ মান নিৰ্ধাৰণ কৰিব পাৰে। মোৰ বিশ্বাস, কলেজখনৰ নিজা আলোচনীখনে ছাত্ৰ-ছাত্ৰী সকলৰ বিকাশমুখী প্ৰতিভাক যিদৰে উত্তৰিত কৰিব, সেইদৰে বিকাশোন্মুখ তথা সুপ্ত সম্ভাবনাৰ থলীবোৰকো উজ্জীবিত কৰাত সফলতা লাভ কৰিব।

B.H.B. College, Sarupeta

সম্পাদকীয়



# মানৱ জাতিৰ পথ প্ৰদৰ্শক শিক্ষা

## "EDUCATION IS THE BEACON OF HUMAN BEING"

— শিক্ষাই মানৱ জাতিৰ পথ প্ৰদৰ্শক। প্ৰাচীন ভাৰতীয় সমাজত গুৰুকুলৰ শিক্ষা ব্যৱস্থাৰ পৰা আজিৰ অত্যাধুনিক আনুষ্ঠানিক শিক্ষা ব্যৱস্থালৈকে এই সত্যটো মানৱ জাতিৰ সৈতে অঙ্গাঙ্গীভাৱে জড়িত হৈ আহিছে। শিক্ষাৰ এই আলোকতে অনুষ্ঠানবোৰৰ জৰিয়তে অধ্যয়নৰ এক অভিযাত্ৰা চলি আহিছে যুগ যুগ ধৰি। অধ্যয়নে আনি দিছে মানৱ জাতিক সৃজনশীলতা। এই সৃজনশীলতাই অধ্যৱসায়ী প্ৰতিশ্ৰুতিবান ছাত্ৰ-ছাত্ৰীৰ মনলৈ আনি দিয়ে সৃষ্টিশীলতা। আৰু এই সৃষ্টিশীলতাৰ মাজেৰেই বিভিন্ন উপাদানত শিক্ষানুষ্ঠানবোৰৰ বাৰ্ষিক আলোচনীবোৰ গঢ় লৈ উঠে। সেইবাবেই প্ৰয়োজন হৈ পৰে প্ৰতিখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীল ৰূপত গঢ়ি তুলিবলৈ বাৰ্ষিক আলোচনীখনৰ। এক কথাত ক'বলৈ গ'লে অধ্যয়নৰ স্পৃহা গঢ়ি তোলা আৰু অধ্যয়নৰ মাজেৰে সৃজনশীল মনটোৰ পৰা কিবা এটা সৃষ্টি কৰিবলৈ মূল ভেটিটোৱেই হৈছে এই আলোচনীখন।

৩৪ টা বছৰ পূৰ্বে অসমৰ শৈক্ষিক ক্ষেত্ৰৰ পীঠস্থান বৰপেটা জিলাৰ এই সৰুপেটা অঞ্চলত কেবাগৰাকীও অগ্ৰণী তথা সমাজ সচেতন ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত বি এইচ্ বি মহাবিদ্যালয়ৰ জন্ম হৈছিল। জন্মলগ্নৰ পৰা এই মহাবিদ্যালয়ে সমাজ গঠনৰ ক্ষেত্ৰত, সুসভ্য, সাংস্কৃতিক ব্যক্তিক গঢ় দিয়াৰ দায়িত্ব সঠিকভাৱে পালন কৰি আহিছে। এই মহাবিদ্যালয়ৰ পৰাই সৃষ্টি হৈছে ৰাজ্য তথা দেশত সুনাম সৃষ্টি কৰা বহুসংখ্যক ব্যক্তি। এই মহাবিদ্যালয় এতিয়া হৈ পৰিছে বৃহৎ অঞ্চলটোৰ শৈক্ষিক বাতাবৰণ সৃষ্টিৰ প্ৰাণকেন্দ্ৰ। সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত মহাবিদ্যালয়ৰ কে'বাগৰাকী শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীয়ে প্ৰভূতঃ বৰঙণি আগবঢ়াই আহিছে। এই সকলোবোৰ ক্ষেত্ৰত শেষ বিশ্লেষণত এটা কথাই স্পষ্ট হয় যে আলোচনীখন হৈছে লঙ্গৰ। এনে বিশ্লেষণৰ পৰাই আমি ক'ব পাৰো, যদি আলোচনীখন লঙ্গৰ হয় তেন্তে শিক্ষা হৈছে সেই লঙ্গৰ সংলগ্ন জাহাজখন আৰু সমাজ জীৱন হৈছে এই জাহাজখন চালিত হ'বলৈ প্ৰয়োজনীয় সাগৰ। অৰ্থাৎ এই বিশ্লেষণটোৱে প্ৰতিপন্ন কৰে যে শিক্ষা আৰু সমাজ জীৱন এক ওতঃপ্ৰোতভাৱে জড়িত বিষয়।

বিগত দিনবোৰলৈ যদি আমি উভতি চাওঁ, দেখা পাম যে দশক দশক জুৰি এক ভুৱা আৰু প্ৰতিক্ৰিয়াশীল শিক্ষাহে আনুষ্ঠানিক শিক্ষাৰ নামত ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰি অহা হৈছে যাৰ ব্যৱহাৰিক জীৱনটোৰ সৈতে কোনোধৰণৰ সম্পৰ্কই নাই; যি শিক্ষাই সমাজ জীৱনলৈ কোনো বৰঙণি যোগোৱাৰ বাবে উৎসাহ দিয়াটোও কোনো প্ৰশ্নই নুঠে। সাম্প্ৰতিক শিক্ষাদানৰ ছবিখন হৈছে এনেভাৱে শ্ৰেণী বিভাজিত যে সমাজখনত যিদৰে অৰ্থনৈতিক ভিত্তিগত উচ্চ বিত্ত, মধ্যবিত্ত আৰু নিম্নবিত্ত তিনিটা মুখ্য শ্ৰেণী আছে, সেইদৰে শিক্ষাদানকো এক গভীৰ ষড়যন্ত্ৰৰ জৰিয়তে শ্ৰেণী বিভাজিত কৰা হৈছে। সম্প্ৰতি নিম্ন আৰু মধ্য পৰ্যায়ৰ

B.H.B. College, Sarupeta

চৰকাৰী শিক্ষানুষ্ঠানসমূহত সেই আওঁপুৰণি শিক্ষাকেই দান কৰি অহা হৈছে যিয়ে কোনোধৰণে ছাত্ৰ-ছাত্ৰীক উপকৃত নকৰে। আনফালে উচ্চ পৰ্যায়ৰ চৰকাৰী শিক্ষানুষ্ঠানসমূহত শিক্ষাদানৰ নামত একেই ভেকোঁভাওনাকেই চলি আছে। এইফালে ব্যক্তিগত খণ্ডৰ নিম্ন, মধ্য বা উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠানসমূহত সমাজৰ মধ্য বা নিম্নবিত্ত শ্ৰেণীৰ লোকৰ সন্তান সকলে শিক্ষা লাভৰ বাবে অৰ্থনৈতিক অসামৰ্থতাৰ হেতু কোনো সুযোগেই নাই। আকৌ ব্যক্তিগত খণ্ডৰ উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠানসমূহৰ ছবিখন এনেকুৱা— ধৰা হ'ল এজন ছাত্ৰই ভাৰতবৰ্ষৰ আটাইতকৈ ভাল আৰু নিয়োগ সম্ভাৱনা থকা শিক্ষানুষ্ঠানটোত এম বি এ পাঠ্যক্ৰম কৰিবলৈ বিচাৰিছে। এতিয়া ছাত্ৰজনে উক্ত এম বি এ পাঠ্যক্ৰমত নামভৰ্ত্তি কৰিবলৈ এটা প্ৰবেশ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ লগতে শিক্ষানুষ্ঠানটোৰ ভাষাত এক বৃজন পৰিমাণৰ 'ড'নেশ্যন' দিবলৈ সাজু থাকিব লাগিব। ন্যূনতম পঞ্চাশ শতাংশ নম্বৰ লৈ স্নাতক ডিগ্ৰী সমাপ্ত কৰা যিকোনো ছাত্ৰই উপৰ্যুক্ত চৰ্তটো পূৰণ কৰিবলৈ পাৰিলেই এজন এম বি এ ডিগ্ৰী অৰ্জনকাৰী হ'ব পাৰিব। এতিয়া কোনোবা ধনীৰ দুলালৰ বাবে হয়তো শিক্ষানুষ্ঠানটোক নিৰ্দিষ্ট পৰিমাণৰ 'ড'নেশ্যন' আদায় দিয়াত কোনো অসুবিধাৰ সৃষ্টি নহ'ব। অত্যন্ত ব্যৱসায়িক চৰিত্ৰৰ মুনাফাখোৰ ভাৰত চৰকাৰৰ অধীন বেংকবোৰে আজিকালি উচ্চ শিক্ষা লাভৰ বাবে ছাত্ৰ-ছাত্ৰীক ধন দিয়াৰ ব্যৱস্থা কৰিছে। গতিকে মধ্যবিত্ত শ্ৰেণীৰ ছাত্ৰ এজনে বেংকৰ চৰ্তসমূহ মানি লৈ সেই পাঠ্যক্ৰমটো সমাপ্ত কৰিব পাৰে। এই গোটেই প্ৰক্ৰিয়াটো ছাত্ৰজনৰ দক্ষতা বা প্ৰতিভাত লাগি থকা নাই, লাগি আছে ছাত্ৰজনে শিক্ষানুষ্ঠানটোক আদায় দিবলগীয়া মোটা 'ড'নেশ্যন'টোত। এতিয়া আমি চাওঁ ভদ্ৰ ভাষাত 'ড'নেশ্যন' বোলা বস্তুটো আচলতে ক'ত কেনেদৰে বিলি হয়। যিহেতু শিক্ষানুষ্ঠানটোৱে নিয়োগ নিশ্চয়তা চৰ্ত পূৰাবই লাগিব গতিকে ছাত্ৰজনৰ পৰা 'ড'নেশ্যন'টো লওঁতেই তাৰ এক অংশ কোনো এক কোম্পানীত ছাত্ৰজনৰ নিয়োগ নিশ্চিত কৰি শিক্ষানুষ্ঠানটোৱে নিজৰ নামত 'শ্বেয়াৰ' কিনে আৰু অন্য এক অংশ শিক্ষানুষ্ঠানটোৰ উন্নয়ন তথা ব্যৱস্থাপনাত খৰছ কৰে। ইয়াৰ একাংশ লাভ কৰে শিক্ষানুষ্ঠানটোলৈ ছাত্ৰজনক লৈ অহা দালালজনেও। গতিকে এয়া হৈছে সম্প্ৰতি প্ৰচলিত শিক্ষাৰ ছবিখন। এনেদৰেই ক্ৰমবৰ্দ্ধিত উপভোক্তাবাদৰ জগতখনত শিক্ষাকো এক ব্যৱসায়িক পণ্যলৈ ৰূপান্তৰিত কৰি পেলোৱা হৈছে। তাৰোপৰি ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহৰ অসমীয়া ভাষা শিক্ষা গ্ৰহণ কৰাৰ ক্ষেত্ৰতো এক প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। আচলতে প্ৰচলিত শিক্ষাধাৰাৰ আমূল সংস্কাৰ সাধন কৰি শিক্ষা ব্যৱস্থাটোৰ সামগ্ৰিক পৰিবৰ্তন ঘটাব পাৰিলেহে এই পৰিস্থিতিৰ পৰা

> ...জীৱিকাকো নিশ্চিত কৰিব পৰা কি ধৰণৰ বিজ্ঞানসন্মত শিক্ষা ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰাটো উচিত সেই সম্পৰ্কে উচিত সিদ্ধান্ত ল'ব লাগে...

উপশম পাব পৰা যাব। গতিকে আজি আমাৰ সমুখত এই দিনটো আহি পৰিছে, আচলতে ব্যৱহাৰিক জীৱনটোৰ লগতে জীৱিকাকো নিশ্চিত কৰিব পৰা কি ধৰণৰ বিজ্ঞানসন্মত শিক্ষা ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰাটো উচিত সেই সম্পৰ্কে উচিত সিদ্ধান্ত ল'ব লাগে। লগতে জটিল পৃথিৱীখনত প্ৰতিজন ছাত্ৰই নিজৰ ভৱিষ্যত লক্ষ্যটোও স্থিৰ কৰি লোৱাটোও অত্যন্ত জৰুৰী। এই লক্ষ্য কেৱল এজন চিকিৎসক, শিক্ষক, অভিযন্তা, অধিবক্তাই হ'ব নোৱাৰে; ই হ'ব পাৰে সমাজখনক সঁচা অৰ্থত এক উচিত দিগ্‌দৰ্শন

কৰিব পৰা এগৰাকী অগ্
প্ৰতিভাশালী ৰাজনীতিকৰ
কোনোদিনেই একোৱেই
সিদ্ধান্তৰে এগৰাকী সাংবাদিক
এগৰাকী সমাজ পৰিবৰ্তনকাৰী
মাত্ৰ এই সকলোবোৰৰে প্ৰথম
মানুহৰ প্ৰতি অপৰিসীম ভাল

ৰাজ্যখনৰ অৰ্থনৈতিক অন
আন্তঃগাঁথনি, সম্পদৰ অসম
মাহীমাই সদৃশ দৃষ্টিৰে কৰা
ৰাজ্যখনৰ জনসাধাৰণক বি
অসন্তুষ্ট কৰি তুলিছে। শিক্ষানুষ্ঠ
অৰ্হতাসহ উত্তীৰ্ণ হোৱা ছাত্
চাকৰি-বাকৰি পোৱাৰ ক্ষেত্ৰত
ফলত হতাশগ্ৰস্ত যুৱচামে হাত
বাধ্য হৈ পৰিছে। বিচ্ছিন্নতাবাদী
উঠিছে সৰ্বত্ৰ। চাৰিওফালে হাঁ
অৰাজকতাৰ পৰিৱেশ। এটা
ভাৰতৰ ৰাজনৈতিক দলবোৰ পু
সাৰতাকৈ দুৰ্নীতিগ্ৰস্ত দলৰূপে
ভাৰতীয়সকলৰ বাবে ইয়াত
অপমানৰ কথা কি থাকিব
ৰাজনৈতিক জগত আজি মু
পয়োভৰেৰে উদুলি-মুদুলি।
দৌৰে সুদৃশ্য গাড়ীৰ মিছিল। যা
পাৰ্টিৰ খৰছেৰে প্ৰাণ বচাব প
কেৰাশ অনাহাৰীৰ।

সামগ্ৰিক প্ৰেক্ষাপটৰ পৰা চা
লাগিব যে এতিয়া সৰ্বত্ৰ
পৰিসংশোধনৰ প্ৰয়োজন হৈ প
পৰা সমগ্ৰ ব্যৱস্থাটোকেই পুনৰ
এয়াই উপযুক্ত সময় বুলি বিবে

B.H.B. College, Sarupeta

# সূচীপত্ৰ

## প্ৰবন্ধ





| | | |
|---|---|---|
| অপৰাধ প্ৰৱণতা আৰু ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা | : উপেন্দ্ৰ নাথ বৰ্মন | : ১৩ |
| আদি দশম : শঙ্কৰদেৱৰ এক অনন্য অনুবাদকৃতি | : ড° বিভা ভৰালী | : ১৫ |
| চল্লিশৰ দশকৰ অসমীয়া কবিতাত প্ৰগতিশীল ভাবাদৰ্শ | : কল্লু বৈশ্য | : ১৭ |
| জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক— এটি আলোচনা | : অনুস্মিতা তালুকদাৰ | : ২৪ |
| শিক্ষাৰ আধাৰ আধুনিক পুথিভঁৰাল | : বিজন শালৈ তালুকদাৰ | : ২৬ |
| মৰাণ জনগোষ্ঠীৰ উদ্ভৱ | : বন্তি তালুকদাৰ | : ২৮ |
| উচ্ছৃংখল যুৱ মানসিকতা আৰু আমি | : দীপ্তি কলিতা | : ৩০ |
| জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাট্যকৃতি 'কাৰেঙৰ লিগিৰী' | : পিংকু তালুকদাৰ | : ৩২ |
| অসমীয়া সাহিত্য-সংস্কৃতিৰ বিকাশৰ থেৰণি | : মিণ্টু ডেকা | : ৩৬ |







## কবিতা





| | | |
|---|---|---|
| মোক আস্থাশীল কৰি তোলা | : মৃদুল দাস | : ৩৮ |
| সৰাপাত | : নিবেদিতা তালুকদাৰ | : ৩৮ |
| জীৱন | : নিভা দাস | : ৩৯ |
| শূন্যতা | : গীতুমণি দাস | : ৩৯ |
| সপোনহঁত বৃষ্টি | : বিতুমণি দাস | : ৩৯ |
| অনুভৱৰ পাঁচটা স্তৱক | : টুটুমণি ডেকা | : ৪০ |
| পাঁচটা বছৰৰ এপিটাফ | : দিগন্ত বৈশ্য | : ৪১ |





## নাটক




| | | |
|---|---|---|
| এখন আকাশ | : ফণীধৰ তালুকদাৰ | : ৪২ |




B.H.B. College, Sarupeta

## গল্প





| | | |
|---|---|---|
| অব্যক্ত বেদনা | ঃ সঞ্জয় ডেকা | ঃ ৪৫ |
| কয়দী | ঃ কল্পনা বৈশ্য | ঃ ৪৯ |
| মোৰ জন্মদিন দুটা | ঃ কুলজিৎ কলিতা | ঃ ৫১ |
| অপেক্ষাৰ শেষ দিনটো | ঃ জয়ন্ত কলিতা | ঃ ৫৩ |
| তেওঁৰ মা | ঃ নমিতা দাস গুৰুং | ঃ ৫৬ |





## অন্যান্য





| | | |
|---|---|---|
| হৃদয়-সংবাদ | ঃ জুমি দাস | ঃ ৪৮ |
| মতামত | ঃ | ঃ ৬১ |
| সাক্ষাৎকাৰ (অভিনেত্ৰী গায়ত্ৰী মহন্তৰ সৈতে) | ঃ | ঃ ৬৩ |


## ENGLISH SECTION





| | | |
|---|---|---|
| Signs and Sights of the unusual kind | : C. Densing | ঃ ৬৫ |
| Shattering of dream (poem) | : Satyen Choudhury | ঃ ৬৭ |
| Human Resource Development as a Catalyst for Economic Development – An Empirical Analysis | : Dr. Gayatri Medhi | ঃ ৬৮ |


B.H.B. College, Sarupeta

## অতিথিৰ কলমেৰে





| | | |
|---|---|---|
| হেলনীয়া মানুহ হেলনীয়া মহানগৰ (গল্প) | ঃ অজয় কুমাৰ ৰায় | ঃ ৭৩ |
| গাৰ্ল-ফ্ৰেইণ্ড (কবিতা) | ঃ সৌৰভ শইকীয়া | ঃ ৭৬ |
| ৰাচেল সমীপেষু (কবিতা) | ঃ প্ৰণৱ কুমাৰ বৰ্মন | ঃ ৭৭ |
| যুদ্ধপুৰাণ (কবিতা) | ঃ ধ্ৰুবাৰ্ক চৌধুৰী | ঃ ৭৮ |
| কাৰ্টুন | ঃ নিতুপৰ্ণ ৰাজবংশী | ঃ ৭৯ |






| | |
|---|---|
| বিভাগীয় সম্পাদকৰ প্ৰতিবেদন | ঃ ৮১ |



# অপৰাধপ্ৰৱণতা আৰু ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা

উপেন্দ্ৰ নাথ বৰ্মন

অপৰাধপ্ৰৱণতা হৈছে এক অসামাজিক ক্ৰিয়া প্ৰৱণতা, যাৰ ফলত ব্যক্তিৰ মনত সমাজৰ প্ৰচলিত নীতি-নিয়ম ভংগ কৰা বা তাৰ বিৰোধিতা কৰাৰ মনোভাব জাগি উঠা। এক অসুস্থ প্ৰৱণতাৰ যোগেদি ব্যক্তিয়ে তেওঁৰ মনৰ অৱদমিত আৱেগ-অনুভূতিসমূহ বাহ্যিক আচৰণৰ যোগেদি পৰোক্ষভাৱে প্ৰকাশ কৰে। অপৰাধপ্ৰৱণতা হৈছে মনৰ এক অসুস্থ অৱস্থা, যাৰ যোগেদি সমাজৰ প্ৰচলিত নীতি-নিয়মৰ বিৰুদ্ধাচৰণ কৰি অসামাজিক আৰু অনৈতিক জীৱন যাপন কৰা হয়।

অপৰাধপ্ৰৱণতা সচৰাচৰ কৈশোৰ কালত দেখিবলৈ পোৱা যায়। এই সময়ৰ ভিন্নমুখী দেহ-মনৰ প্ৰয়োজনবোৰ আশানুৰূপভাৱে পূৰণ কৰিব নোৱাৰা অৱস্থাই কিশোৰ-কিশোৰীসকলৰ মনত এক বিদ্ৰোহৰ ভাব সৃষ্টি কৰে। ফলত সি কৈশোৰ অপৰাধপ্ৰৱণ (Juvenile delinquency) স্বৰূপে আত্মপ্ৰকাশ কৰি উঠে। তেওঁলোকৰ অপৰাধমূলক ক্ৰিয়া-কলাপবোৰ হৈছে চুৰ কৰা, ডকাইতি কৰা, জেপ লুকা, দৈহিক আক্ৰমণ কৰা, চিগাৰেট, মদ, ভাং সেৱন কৰা, যৌন অপৰাধমূলক ক্ৰিয়া কৰা। এই অপৰাধপ্ৰৱণ মনৰ ল'ৰা-ছোৱালীয়ে অৱসৰৰ সময় কেতবোৰ অসুস্থ আৰু অসামাজিক ক্ৰিয়াৰ যোগেদি কটাবলৈ বিচাৰে। ইয়াৰ ভিতৰত ধূমপান কৰা, জুৱা খেলা, সঘনে অপৰাধমূলক কথাছবি চোৱা আৰু অপৰাধমূলক ক্ৰিয়া সংঘটিত কৰা দলৰ লগ লোৱা আদি উল্লেখযোগ্য।

**অপৰাধপ্ৰৱণতাৰ লক্ষণ (Nature of delinquency) :-** অপৰাধপ্ৰৱণতাৰ লক্ষণবোৰ তলত সংক্ষেপে আলোচনা কৰা হ'ল।

(১) সাধাৰণতে অপৰাধপ্ৰৱণ ল'ৰা-ছোৱালীৰ বুদ্ধ্যাংক গড় নিম্নমানৰ হয় যদিও কোনো কোনো ক্ষেত্ৰত গড়ৰ উচ্চমানৰ ব্যক্তিও অপৰাধপ্ৰৱণ হৈ উঠিব পাৰে।

(২) এইসকল ছাত্ৰ-ছাত্ৰী লিখা-পঢ়া কৰিব নোৱাৰা নহয় যদিও এনে কাম কৰিবলৈ তেওঁলোকে সমূলি ভাল নাপায়।

(৩) তেওঁলোকে শব্দৰ প্ৰয়োগ আৰু দৃষ্টি সম্বন্ধীয় চিহ্ন প্ৰয়োগৰ (visual symbol) ক্ষেত্ৰত নিজ অক্ষমতা প্ৰকাশ কৰে।

(৪) তেওঁলোকৰ সামাজিক মনোভাব আৰু দৃষ্টিভংগী হৈছে অগণতান্ত্ৰিক আৰু ধ্বংসাত্মকবিধৰ।

(৫) অপৰাধপ্ৰৱণ ছাত্ৰ-ছাত্ৰী আৱেগিকভাৱে অপসমাযোজিত, ব্যৰ্থকাম, অনাদৃত আৰু পৰিত্যক্ত মনোভাবৰ (rejected) হয়।

(৬) তেওঁলোকে নিজ গৃহ আৰু শৈক্ষিক পৰিৱেশত আৱেগিক নিৰাপত্তা অনুভৱ কৰি উঠিব নোৱাৰে।

(৭) তেওঁলোকৰ ব্যক্তিত্বত মৰ্ষকাম (sadistic tendency), সন্দেহপৰায়ণতা আৰু প্ৰতিশোধপৰায়ণতাৰ লক্ষণ পৰিলক্ষিত হয়।

(৮) অৱসৰ সময় কটোৱাৰ বেলিকা তেওঁলোকৰ প্ৰিয় কামবোৰ (hobby) অসুস্থ আৰু অসামাজিকবিধৰ হোৱা দেখা যায়।

(৯) অপৰাধপ্ৰৱণ ছাত্ৰ-ছাত্ৰী সচৰাচৰ চিন্তাবিহীন, উদ্ধত আৰু গোঁৱাৰ প্ৰকৃতিৰ হৈ উঠে।

(১০) এইসকল ছাত্ৰ-ছাত্ৰীৰ প্ৰবৃত্তিমূলক প্ৰৱণতাসমূহ হৈছে অধিক শক্তিশালী, কিন্তু আত্মিক শক্তি হৈছে অত্যন্ত দুৰ্বল।

**অপৰাধপ্ৰৱণতাৰ কাৰণ (Causes of delinquency)**

পৰিৱেশৰ অসুস্থ পৰিস্থিতিয়ে যে শিশুক অপৰাধপ্ৰৱণ কৰি তোলে এই সম্পৰ্কে তলত উল্লেখ কৰা কাৰণসমূহলৈ আঙুলিয়াব পাৰি।

(১) ঘৰুৱা পৰিৱেশত শিশুৱে মাক-দেউতাকৰ মৰম-চেনেহ, আদৰ-যত্নৰ পৰা বঞ্চিত হোৱাটো অপৰাধপ্ৰৱণতাৰ প্ৰধান কাৰণ বুলিব পাৰি।

(২) গৃহ পৰিৱেশৰ অনুশাসন ব্যৱস্থা অতি কঠোৰ আৰু কটকটীয়াবিধৰ হ'লে অথবা এনে ব্যৱস্থা অতি শিথিল হৈ পৰিলে ল'ৰা-ছোৱালী অপৰাধপ্ৰৱণ হৈ পৰিব পাৰে।

(৩) পৰিয়ালৰ লোকৰ কেতবোৰ অসুস্থ ব্যৱস্থা, যেনে— অপৰিকল্পিত পৰিয়াল ব্যৱস্থা, মাক-দেউতাকৰ সুৰাপান, তেওঁলোকৰ মাজত সঘনে বিবাদ আৰু বিচ্ছেদ, বেয়া ভাষাৰ ব্যৱহাৰ, এজনে আনজনক দোষাৰোপ কৰা, পৰিয়ালৰ মাজত আত্মসন্মানৰ অভাৱ আদি অৱস্থাই শিশুৰ মনত অপৰাধপ্ৰৱণতাৰ জন্ম দিয়ে।

(৪) অসুস্থ শৈক্ষিক পৰিৱেশেও ছাত্ৰ-ছাত্ৰীৰ মনত অপৰাধপ্ৰৱণতাৰ মনোভাব গঢ়ি তোলে। ইয়াৰ ভিতৰত তত্ত্বপ্ৰধান আৰু কৰ্মবিমুখ পাঠ্যক্ৰম, খেলা-ধূলা আৰু নৃত্য-গীত আদি সহ-পাঠ্যক্ৰম কাৰ্যসূচীৰ অভাৱ, দমনমূলক অনুশাসন ব্যৱস্থা আদি উল্লেখযোগ্য।

B.H.B. College Sarupeta



**ক্ৰমবৰ্ধিত সামাজিক জীবনৰ জটিলতাই মানুহৰ মৌলিক প্ৰয়োজনবোৰ স্বাভাৱিকভাৱে পূৰণত ব্যৰ্থ হৈ অপৰাধপ্ৰৱণতাৰ ভাব আৰু আচৰণ ক্ৰমে বৃদ্ধি কৰি তুলিছে।**

(৫) শিক্ষকৰ উদাসীনতা, অমনোযোগিতা, তেওঁৰ ব্যক্তিগত আগ্ৰহ আৰু আদৰ-যত্নৰ অভাৱ, অনিয়ন্ত্ৰিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আদি অৱস্থাই ছাত্ৰ-ছাত্ৰীক অপৰাধপ্ৰৱণতাৰ অৱস্থালৈ ঠেলি দিয়ে।

(৬) বৰ্তমান সময়ত অসুস্থ সামাজিক পৰিস্থিতিয়ে অপৰাধপ্ৰৱণতা বৃদ্ধি কৰি তুলিছে। মহানগৰবোৰত দ্ৰুতভাৱে গঢ়ি উঠা শিল্পকেন্দ্ৰ, অৰ্থনৈতিকভাৱে নিম্নমানৰ পৰিয়ালবোৰে বসবাস কৰা কদৰ্য অঞ্চল (slum areas) আদি উল্লেখযোগ্য।

(৭) সমাজৰ প্ৰাপ্তবয়স্কসকলৰ মাজত অপৰাধমূলক ক্ৰিয়া আচৰণ বৃদ্ধি, যৌন অপৰাধমূলক আৰু হিংসাত্মক কথাছবি প্ৰদৰ্শন আদিয়ে কিশোৰ-কিশোৰীৰ মন অপৰাধপ্ৰৱণ কৰি তোলে।

(৮) বৰ্তমান সময়ত থকা জটিল নিবনুৱা সমস্যা, ক'লা ধন আৰু সহজলভ্য ধনৰ প্ৰভাৱ, সামাজিক জীৱনৰ নৈতিক মানহীনতা আদি অৱস্থাই অপৰাধপ্ৰৱণ মন আৰু পৰিৱেশ গঢ়ি তুলিছে।

(৯) গাঁও আৰু নগৰ অঞ্চলত কিশোৰ-কিশোৰীসকলৰ বাবে অৱসৰ সময়ৰ সমস্যা আৰু এই সম্বন্ধে চৰকাৰৰ উদাসীনতা, দমন-পীড়নমূলক প্ৰশাসনীয় নীতি আৰু ক'লা আইনৰ প্ৰয়োগ আদিয়ে স্বাভাৱিকতেই অপৰাধপ্ৰৱণতাৰ পৰিৱেশ গঢ়ি তোলে।

(১০) ৰাজনৈতিক অস্থিৰতা, ক্ষমতাৰ দৌৰ, সাম্প্ৰদায়িক সংঘৰ্ষ, বিচ্ছিন্নতাবাদী মনোভাব, আতংকবাদ, অদৃষ্টবাদ (Fatalism) আদি অসুস্থ সামাজিক মনোভাৱে অপৰাধপ্ৰৱণতাত দুগুণে ইন্ধন যোগায়।

**অপৰাধপ্ৰৱণতা সমস্যাৰ সমাধান (Solving the problem of delinquency) ঃ**

অপৰাধপ্ৰৱণতা হৈছে এক সামাজিক ব্যাধি। ই সমাজৰ বিভিন্ন দিশৰ লগত জড়িত। বিশেষজ্ঞসকলে মতপোষণ কৰে— 'অপৰাধপ্ৰৱণতাৰ চিকিৎসা বা প্ৰতিষেধক ব্যৱস্থা গ্ৰহণ কৰাতকৈ অপৰাধপ্ৰৱণতা যাতে শিশু ব্যক্তিত্বত গঢ় লৈ উঠিব নোৱাৰে, তাৰ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণৰ মত পোষণ কৰে। এই প্ৰসংগত নিম্ন উল্লিখিত ব্যৱস্থাসমূহৰ বিষয়ে চিন্তা কৰা আমাৰ সকলোৰে দায়িত্ব।

(১) গৃহ পৰিৱেশত পিতৃ-মাতৃয়ে সন্তানৰ বাবে এক আৱেগমধুৰ পৰিৱেশ গঢ়ি তুলিব লাগে। সন্তানৰ ব্যক্তিত্বৰ প্ৰতি তেওঁলোকে সন্মানজনক আৰু আন্তৰিকতাপূৰ্ণ আচৰণ প্ৰদৰ্শন কৰিব লাগে।

(২) নিজ সন্তানক তেওঁলোকে অধিক সময়ৰ বাবে সংগ দিব লাগে আৰু কোনো পৰিস্থিতিতেই অকলশৰীয়া অনুভৱ কৰিবলৈ দিব নালাগে। সন্তানে তেওঁলোকৰ অধীনত আৱেগিক নিৰাপত্তা অনুভৱ কৰিব পৰালৈ দৃষ্টি ৰাখিব লাগে।

(৩) ল'ৰা-ছোৱালীৰ সুস্থ ব্যক্তিত্ব গঠনৰ কেতবোৰ কাৰ্যকৰী ব্যৱস্থা পৰিচালিত থাকিব লাগে। শিশুৰ জন্মদিন পালন কৰা, উৎসৱ-পাৰ্বণ আদিত শুভেচ্ছা আৰু আশীৰ্বাদ প্ৰদান কৰা, পৰিয়ালৰ সকলোৰে মিলি বনভোজ খোৱা, দূৰ ঠাই ভ্ৰমণ কৰা আদি কাৰ্যসূচী উল্লেখযোগ্য।

(৪) মাক-দেউতাকে ল'ৰা-ছোৱালীক সমাজৰ গ্ৰহণযোগ্য নীতি-নিয়মৰ প্ৰতি আস্থা, নিষ্ঠা, বিশ্বাস আৰু আনুগত্যৰ মনোভাব গ্ৰহণ কৰিবলৈ শিকাব লাগে।

(৫) স্কুলৰ পৰিৱেশত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত সমস্যাসমূহৰ প্ৰতি সহানুভূতিশীলতাৰ মনোভাব প্ৰদৰ্শন কৰিব লাগে আৰু সেইসমূহৰ সমাধানৰ প্ৰয়োজনীয় নিৰ্দেশনা দিব লাগে।

(৬) অপৰাধপ্ৰৱণ মনৰ ছাত্ৰ-ছাত্ৰীক শিক্ষকে স্কুলৰ লিখা-পঢ়াৰ গধুৰ বোজা জাপি দিব নালাগে। এনে ছাত্ৰ-ছাত্ৰীৰ মনত সহ-পাঠ্যক্ৰম কাৰ্যসূচীসমূহৰ প্ৰতিহে আগ্ৰহ সৃষ্টি কৰিব লাগে।

(৭) স্কুলত যৌন শিক্ষা, নৈ
বৃত্তিমূলক বিষয়ৰ শিক্ষাৰ ব্যৱ
ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মা
প্ৰতি দৃষ্টি ৰাখিব লাগে।

(৮) চৰকাৰ আৰু সমাজৰ স
যুৱক-যুৱতীসকলৰ অৱসৰ স
গঠনাত্মক প্ৰয়োগৰ সুবিধা প্ৰদান

(৯) সমাজৰ কৰ্মসংস্থান আৰু
সা-সুবিধা বৃদ্ধি কৰি তুলিব ল
কিশোৰীসকলৰ মনত এক কৰ্ম-স
ৱ গঢ়ি তুলিব লাগে।

(১০) সমাজৰ এক শ্ৰেণী লে
কেতবোৰ অসুস্থ ৰুচিবোধ, যে
জুৱা খেলা, নিচাযুক্ত দ্ৰব্য সেৱন
অভ্যাস গুচাবৰ বাবে চৰকাৰে প্ৰ
প্ৰণয়ন আৰু তাক কাৰ্যকৰীকৰ
লাগে।

(১১) সমাজৰ নৈতিক চৰি
বাবে ক'লা ধনৰ প্ৰয়োগ আৰু স
সকলোবোৰ অসুস্থ ব্যৱস্থা বন্ধ ক

(১২) ৰাজনৈতিক নেতা, প্ৰ
আৰু সমাজসেৱকসকলে একবে
আৰ্থ-সামাজিক আৰু ৰাজনৈতি
কৰিবৰ বাবে ব্যাপক আঁচনি গ্ৰহণ

অপৰাধপ্ৰৱণতা হৈছে বৰ্তমা
সামাজিক জীৱনৰ এক দুখদায়
ক্ৰমবৰ্ধিত সামাজিক জীৱনৰ জটি
মৌলিক প্ৰয়োজনবোৰ স্বাভাৱিব
ব্যৰ্থ হৈ অপৰাধপ্ৰৱণতাৰ ভাব আৰ
বৃদ্ধি কৰি তুলিছে। এই সমস্যা
সামাজিক জীৱনৰ লগত গভীৰভ
আছে। ইয়াৰ সমাধানো সমাজৰ ম
সমাজৰ পটভূমিতেই বিচাৰি উ
সমাজক বাদ দি এই সমস্যাৰ স
এক পক্ষীয়ভাৱে কৰাটো স
নোৱাৰে।••

*(লেখক মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰ*

B.H.B. College, Sarupeta

প্ৰবন্ধ

# আদি দশম ঃ শঙ্কৰদেৱৰ এক অনন্য অনুবাদকৃতি



ড° বিভা ভৰালী

শ্ৰীমদ্ভাগৱতপুৰাণৰ অন্তৰ্গত আটাইকেইটা স্কন্ধৰ ভিতৰত দশম স্কন্ধই দীৰ্ঘাবয়ৱ কলেবৰ পুষ্ট স্কন্ধ। দশম স্কন্ধত ৰূপায়িত হৈছে পৰম পুৰুষ শ্ৰীকৃষ্ণৰ জীৱন-লীলাৰ সম্পূৰ্ণ প্ৰতিচ্ছবি। এই স্কন্ধৰ আদিভাগত শ্ৰীকৃষ্ণৰ গোকুল লীলা, মধ্যভাগত মথুৰা লীলা আৰু অন্তভাগত দ্বাৰকা লীলা বৰ্ণনা কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে মূল দশম স্কন্ধৰ আৰম্ভণিৰ পৰা ৪৭শ অধ্যায়ৰ 'উদ্ধৱৰ মথুৰালৈ প্ৰত্যাগমন'লৈকে অৰ্থাৎ আদ্য দশমছোৱাহে অনুবাদ কৰিছে। 'কথা-গুৰু-চৰিত'ত উল্লেখ আছে অনন্ত কন্দলিয়ে শঙ্কৰদেৱৰ ওচৰত 'অৱশেষ' প্ৰাৰ্থনা কৰোঁতে শঙ্কৰদেৱে কন্দলিক এইদৰে কৈছিল ঃ "বোলে আমি আদ্য কৰিম, মধ্য, শেষ কৰিব খুজিছিলো, তুমিযে প্ৰাৰ্থনা কৰা গৈছে।" ইয়াৰ পৰা অনুমান কৰিব পাৰি যে শঙ্কৰদেৱে হয়তো সম্পূৰ্ণ দশম স্কন্ধ অনুবাদ কৰিবলৈ মনস্থ কৰিছিল, কিন্তু কন্দলিয়ে তেওঁৰ ওচৰত 'অৱশেষ' প্ৰাৰ্থনা কৰা হেতু আদ্য দশমৰ ৪৮শ অধ্যায়ৰপৰা বাকীবোৰ অধ্যায় কন্দলিক অনুবাদ কৰিবলৈ দিয়ে। ৪৭শ অধ্যায়ৰ সামৰণিও শঙ্কৰদেৱে উল্লেখ কৰিছে ঃ

*'নমো নমো কৃষ্ণ দেৱ দয়াশীল*
*তুমি মোৰ পূৰ্ণকাম।*
*কৃষ্ণৰ চৰণ হৃদয়ে ধৰিয়া*
*ডাকি বোলা ৰাম ৰাম।।'*

*(ভাগৱত পদ, ২৪৬৪)*

আদ্য দশম মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্যিক আৰু আধ্যাত্মিক জীৱনৰ বিশিষ্ট অৱদান। দশম অনুবাদ কৰোঁতে শঙ্কৰদেৱে প্ৰথিতযশা টীকাকাৰ শ্ৰীধৰ স্বামীৰ 'ভাগৱত-ভাৱাৰ্থ-দীপিকা'ৰ সহায় লৈছে। এই ক্ষেত্ৰত তেওঁ কেতিয়াবা মূলৰ শ্লোকৰ হুবহু অনুবাদ কৰিছে। উদাহৰণ স্বৰূপে ঃ

মূল ঃ

"বহৱো হিংসিতা ভ্ৰাতঃ শিশৱঃ পাবকোপমাঃ।
ত্বয়া দৈৱনিসৃষ্টেন পুত্ৰিকৈকা প্ৰদীয়তাম্।।"

*(ভাগৱত মহাপুৰাণ— ১০/৪/৫)*

অনুবাদ ঃ

*"মাৰিলি অনেক পোক কন্যাখানি দিয়ো মোক*
*হেনৱা মই সন্তাপ পাসৰো।*
*একে আছো দগ্ধ হই দুনাই নজ্বলিবি জুই*
*দাদা তোৰ চৰণ ধৰো।।"*

*(ভাগৱত পদ— ১১৫)*


বহুতো ক্ষেত্ৰত মহাপুৰুষজনাই মূল দশমৰ বিষয়বস্তু বহলভাৱে ব্যাখ্যা কৰিছে। অনেক ক্ষেত্ৰত আকৌ মূলৰ বিস্তৃত আৰু জটিল বৰ্ণনাক সংক্ষেপভাৱে অনুবাদ কৰিছে। কেতিয়াবা ভাঙনি কৰোঁতে মূলৰ দাৰ্শনিক তত্ত্বমূলক বৰ্ণনাবোৰ পৰিহাৰ কৰি সৰ্বসাধাৰণৰ হৃদয়গ্ৰাহ্য হোৱাকৈ মূল বৰ্ণনাৰ সমপৰ্যায়ৰ কিছুমান বৰ্ণনা স্বকীয়ভাৱে সংযোজন কৰিছে।

শঙ্কৰদেৱৰ আদি দশমৰ অনুবাদত ভক্তিধৰ্মৰ তত্ত্ব আৰু তাৎপৰ্য স্পষ্টভাৱে প্ৰকাশ পাইছে। ভক্তিধৰ্ম মতে ভক্তি জ্ঞানতকৈ শ্ৰেষ্ঠ। বৈষ্ণৱ সম্প্ৰদায়ৰ দৃষ্টিত বিষ্ণু হ'ল পৰম ব্ৰহ্ম। ভূমিৰ ভাৰ খণ্ডন কৰাৰ উদ্দেশ্যেৰে পৰম ব্ৰহ্ম স্বৰূপ বিষ্ণুৱেই শ্ৰীকৃষ্ণ ৰূপেৰে অৱতাৰ গ্ৰহণ কৰিছে। শ্ৰৱণ-কীৰ্তনৰ দ্বাৰাই শ্ৰীকৃষ্ণক ভকতি কৰি সাধাৰণ মনুষ্যই মোক্ষ লাভ কৰিব পাৰে। সেয়ে মোক্ষ লাভৰ বাবে ভক্তিৰ বাহিৰে বিবিধ যোগ অভ্যাসৰ প্ৰয়োজন নাই। 'ব্ৰহ্মমোহন' অধ্যায়ত আছে—

*'মুকুতিকো এৰৈ তোমাৰ ভকতি*
*তাক এৰি হোৱৈ নাশ।*
*জ্ঞানতেসে মোক্ষ পাইবো বুলি কৰৈ*
*বিবিধ যোগ অভ্যাস।।'*

*(ভাগৱত/পদ, ৪৯১)*

B.H.B. College, Sarupeta



**আদি দশমত সন্নিবেশিত হোৱা বৰ্ষা আৰু শৰৎ ঋতুৰ বৰ্ণনা কবিৰ স্বকীয় কবি প্ৰতিভাৰ অপূৰ্ব নিদৰ্শন। এই ক্ষেত্ৰত সাদৃশ্যমূলক অলংকাৰ প্ৰয়োগেৰে শঙ্কৰদেৱে নৈসৰ্গিক চিত্ৰ অংকনৰ অন্তৰালত ভক্তিতত্ত্বৰ গূঢ়াৰ্থ প্ৰতিপাদন কৰিছে।**

ঈশ্বৰ বা কৃষ্ণই বিশ্বজগতৰ একমাত্ৰ পৰমতত্ত্ব যি পৰমতত্ত্বই ব্ৰহ্ম, পৰমাত্মা আৰু ভগৱানৰূপে পৰিচিত। আদ্য দশমত বৈষ্ণৱ ধৰ্মৰ প্ৰাধান্য উপাস্য দেৱতা 'কৃষ্ণস্তু ভগবান্ স্বয়ম্'ৰ লীলা-মাহাত্ম্য সুন্দৰকৈ প্ৰকাশ পাইছে।

জগতত বাস কৰা জীৱবোৰ পৰম ব্ৰহ্মৰ অংশ স্বৰূপ যদিও জগতখনৰ কোনো পাৰমাৰ্থিক সত্যতা নাই। 'গোপী-উদ্ধৱ সংবাদ' অধ্যায়ত শ্ৰীকৃষ্ণই উদ্ধৱৰ উক্তিৰ যোগেদি গোপীসকলক মায়াময় জগতৰ অস্থায়ীত্ব সম্পৰ্কে সচেতন কৰাই কৈছে—

*"জাগন সোপন নিৰ্ভৰ নিদ্ৰাত*
*ই তিনি মনৰ বৃত্তি।*
*মনৰ নিৰোধে তিনিয়ো গুচয়*
*আত্মাত মিছা প্ৰকৃতি।।"*

*(ভাগৱত/পদ- ২৩৯০)*

মায়াময় জগতৰ স্বৰূপ উপলব্ধি কৰি কামনাৰহিত হৈ যেতিয়া জীৱাত্মাই পৰমাত্মাৰ লগত একীভূত হৈ যায়, তেতিয়াই জীৱই মুক্তি লাভ কৰে আৰু শঙ্কৰদেৱৰ দৰ্শনত জীৱৰ মুক্তি লাভৰ উত্তম পথ হৈছে ভক্তি। মহাপুৰুষ জনাই দশমত আদিকে ধৰি ব্ৰহ্মতত্ত্ব, জগত আৰু ব্ৰহ্মৰ সম্পৰ্ক, জীৱ-মুক্তি আদিকে ধৰি ভক্তিৰ গূঢ় ৰহস্য সহজ-সৰল ভাষাৰে প্ৰকাশ কৰিছে।

শঙ্কৰদেৱৰ দশমৰ কলাসুলভ অনুবাদ ৰীতিৰ বৈশিষ্ট্য প্ৰকাশ পাইছে ভক্তিৰ আলম্বন বিভাৱৰূপী নৈসৰ্গিক চিত্ৰায়নত। আদি দশমত ৰূপায়িত হোৱা প্ৰাকৃতিক চিত্ৰণ মূলানুগ হ'লেও তাত অসমৰ প্ৰকৃতিৰ ৰূপ-ৰস, বৰ্ণ-বৈচিত্ৰ্যৰ অনুপম সৌন্দৰ্যৰ হৃদয়স্পৰ্শী বৰ্ণনাই স্থান পাইছে। প্ৰকাশভঙ্গীৰ চাতুৰ্য, চিত্ৰকল্পৰ মাধুৰ্য, ছন্দ-অলংকাৰৰ সুষম প্ৰয়োগেৰে শঙ্কৰদেৱৰ প্ৰকৃতি চিত্ৰণ আকৰ্ষণীয় আৰু সংবেদনশীল। আদি দশমত সন্নিবেশিত হোৱা বৰ্ষা আৰু শৰৎ ঋতুৰ বৰ্ণনা কবিৰ স্বকীয় কবি প্ৰতিভাৰ অপূৰ্ব নিদৰ্শন। এই ক্ষেত্ৰত সাদৃশ্যমূলক অলংকাৰ প্ৰয়োগেৰে শঙ্কৰদেৱে নৈসৰ্গিক চিত্ৰ অংকনৰ অন্তৰালত ভক্তিতত্ত্বৰ গূঢ়াৰ্থ প্ৰতিপাদন কৰিছে। উদাহৰণস্বৰূপে শৰৎ বৰ্ণনাত আছে—

*"মেঘগণে জল সৰ্ব্বস্ব এৰিয়া*
*শুক্ল কৰিলেক গাৱ।*
*যেন মুনিসবে বিত্ত লোভ তেজি*
*ভৈল মহা শুদ্ধভাৱ।।"*

*(ভাগৱত/পদ- ৮২৭)*

ৰূপকাত্মক প্ৰতীকৰ প্ৰয়োগেৰেও কবিয়ে প্ৰা
কৰি আদি দশমৰ ধৰ্মতত্ত্ব সৰস কৰি তুলিছে—

*"সুগন্ধ শীতল বায়ুৰ*
*খণ্ডে মহা ৰৌদ্ৰ দুঃখ।*
*যেন গোপীগণে কৃষ্ণ আলিঙ্গনে*
*পাৱে মনে মহাসুখ।।"*

*(ভাগৱত/প*

মহাপুৰুষৰ আদি 'দশম'ত নৈসৰ্গিক প্ৰকৃতিৰ বৰ্ণনা
হৈ থকা ভক্তিতত্ত্বৰ আধ্যাত্মিক তাৎপৰ্যই 'দশম'খন
প্ৰদান কৰিছে। উপযুক্ত কাব্যিক শব্দ চয়ন, যথাৰ্থ অ
অলংকাৰৰ প্ৰয়োগে গ্ৰন্থখনিক কাব্যিক সৌষ্ঠৱ দান ক
বৰ্ষা বৰ্ণনত দেখা যায়—

*"পঞ্চবৰ্ণে ৰচিত নিৰ্গুণ ইন্দ্ৰধনু।*
*গুণৱন্ত মেঘত প্ৰকাশৈ পুনু পুনু।।*
*যেন তিনি গুণময় জগত যতেক।*
*নিৰ্গুণ পুৰুষ তাত প্ৰকাশৈ প্ৰত্যেক*

*(ভাগৱত/প*

"যেন জলবায়ু পৃথিৱী অ
ব্যাপি আছে চৰাচৰ।
সেহিমতে ময়ো মন বুদ্ধি প্ৰাণ
ব্যাপি আছো সমস্তৰ।।"

*(গোপী উদ্ধৱ সংবাদ, প*

মহাপুৰুষজনাই আদি 'দশম'ত লোক জীৱনত প্ৰচলি
পৰিৱেশ সুপ্ৰয়োগেৰে বিষয়বস্তুৰ কাব্যিক আবেদন বৃ

*'মাসৌলৰ আগে ডড়িকাৰ উড়ুফালি*
*সিংহৰ আগত যেন মুষে মাৰে টালি*
*'প্ৰচণ্ড বায়ুক জোৰৈ শিমলুৰ তুলা।*
*মেৰু পৰ্বতৰ আগে যেন উই ছুলা।।*

*(পদ— ৫৫৪, ৫৫*

'আদি দশম'ত দাস্য, বাৎসল্য, অদ্ভুত, শান্ত, হাস্য
সমাৱেশ ঘটিছে। শঙ্কৰদেৱে বিভিন্ন অৱস্থাৰ বৰ্ণনা আৰ
ক্ৰিয়া-প্ৰতিক্ৰিয়া প্ৰকাশত বিভিন্ন ৰসৰ ফল্গুধাৰাৰে বিষ
নিজৰ কাব্যিক দক্ষতাৰ পৰিচয় দিছে। অৱশেষত স
ভক্তিৰসলৈ পৰ্যৱসিত হৈ ভক্তিকাব্যৰ মাহাত্ম্য প্ৰদৰ্শন

ভক্তি প্ৰধান গ্ৰন্থ হিচাপে 'আদি দশম'ৰ মাজেৰে স
অৱতাৰ শ্ৰীকৃষ্ণৰ মাহাত্ম্য ঘোষণা কৰা হৈছে। মহাপুৰুষ
দশম' অনুবাদ গ্ৰন্থ হ'লেও গ্ৰন্থখনৰ প্ৰকাশভংগীৰ ঋজুত
সমাহাৰ, ছন্দ-অলংকাৰৰ যথাযথ প্ৰয়োগ আৰু কবি
সংযোগ আদিয়ে দশমক বিশুদ্ধ মৌলিক সাহিত্যলৈ ৰ
বুলি সমালোচকসকলে মন্তব্য দিছে। **

*(লেখিকা মহাবি*

B.H.B. College Sarupeta

এক বিশেষ মুহূর্তত মহাবিদ্যালয়ৰ
ভাৱপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুতচন্দ্ৰকান্ত তালুকদাৰদেৱ



B.H.B. College, Sarupeta

## সম্পাদনা সমিতি



ড০ অমিয়া মহন্ত, তত্বাবধায়িকা



জুলী তালুকদাৰ, সম্পাদিকা



শ্ৰীযুত বীৰেণ কলিতা, সদস্য



শ্ৰীযুত ফণীধৰ তালুকদাৰ, সদস্য



শ্ৰীযুত যুগল কিশোৰ গুপ্তা, সদস্য

B.H.B College, Sarupeta



**জ্যোতিপ্ৰসাদৰ হাতত পূৰ্বপ্ৰচলিত ছন্দৰ পেটাৰ্ন বহুখিনি পৰিৱৰ্তন লাভ কৰি নতুন শক্তি সঞ্চয় কৰে। তেওঁ ছন্দৰ পৰ্ব, পৰ্বাঙ্গ আৰু যতি নতুন পদ্ধতিৰে সংস্থাপন কৰি গতিচঞ্চল আৰু ধ্বনি-লয়প্ৰধান কৰি তোলে**

বিষয়বস্তু সম্পূৰ্ণৰূপে অসমীয়া সমাজৰ পৰা আহৰণ কৰা। 'কাৰেঙৰ লিগিৰী'ৰ ৰাজকাৰেঙৰ শোৱনীকোঠা, সোণ খটোৱা ছালপীৰা, ৰূপৰ নাঙেল, সোণৰ শৰাই, শলিতাৰ বন্তি, বৰপীৰা, বাঁহৰ দুৱাৰ, ফুলকটা বস্তুৰ বৰ্ণনা, মুৰৰ পাগ অসমীয়া সমাজৰেই বস্তু। অৱশ্যে 'কাৰেঙৰ লিগিৰী'ত পৰিস্ফুট অসমীয়া সমাজখন মধ্যযুগীয় অসমীয়া সমাজ।

'কাৰেঙৰ লিগিৰী'ৰ মুখ্য উপাদান চৰিত্ৰই গ্ৰহণ কৰিছে যদিও চৰিত্ৰৰ জৰিয়তে জীৱন ৰহস্য প্ৰতিভাত হোৱা নাই। সেই ফালৰ পৰা 'কাৰেঙৰ লিগিৰী'ক 'সমস্যামূলক নাটক'ৰ শ্ৰেণীত পেলাব পাৰি।

মঞ্চ চৰিত্ৰ হিচাপে 'কাৰেঙৰ লিগিৰী' নাটকৰ আটাইকেইটা চৰিত্ৰ অংকনত সফল হৈছে। মুখ্য চৰিত্ৰ সুন্দৰ কোঁৱৰ অন্তৰ্দ্বন্দ্বৰ সন্মুখীন হৈছে। কাঞ্চনমতীৰো এটা মানসিক দ্বন্দ্ব আছে। এটা সংঘাতপূৰ্ণ জীৱন অতিবাহিত কৰিব নোৱাৰি শেৱালিয়ে অৱশেষত আত্মহত্যা কৰিছে।

'ৰূপালীম' জ্যোতিপ্ৰসাদ আগৰৱালাৰ আন এখন সফল নাটক। ১৯৩৬ চনত এই নাটকখন ৰচনা কৰে। ১৯৩৭ চনত নাটকখন তেজপুৰ 'বাণ ৰংগমঞ্চ'ত প্ৰথমবাৰৰ বাবে মঞ্চস্থ কৰা হৈছিল। মেটাৰলিংকৰ 'মন্নাভন্না' নাটকৰ ছাঁ লৈ ৰচনা কৰা হ'লেও নাটকখনৰ চৰিত্ৰ আৰু ঘটনা কাল্পনিক। ৰুক্মী নামৰ এখন কাল্পনিক ৰাজ্যৰ এহাল ডেকা-গাভৰুৰ মায়াৰ আৰু ৰূপালীমৰ প্ৰেমৰ আদৰ্শই নাটকখনত বিশেষ গুৰুত্ব লাভ কৰিছে। নাটখনত ৰাজকুমাৰী ইতিভেনৰো বীৰত্ব আৰু ঈৰ্ষাপৰায়ণতাৰ স্বভাৱ সুন্দৰকৈ প্ৰকাশ পাইছে।

জ্যোতিপ্ৰসাদে ইতিহাসৰ বুকুতে দেখিবলৈ পাইছিল যুগে যুগে বলীয়ে দুৰ্বলীৰ ওপৰত সদায় অত্যাচাৰ কৰি আহিছে। 'ৰূপালীম' নাটকত সুন্দৰ পৰিৱেশ আৰু ঘটনাৰ সৃষ্টি কৰিছে— জুনাফাগু শক্তিৰ অধিকাৰ! শক্তিৰ অধিকাৰ!! এৰা শক্তিৰেই অধিকাৰ বলীৰেই অখণ্ড প্ৰতাপ। (২য় অংক)

জ্যোতিপ্ৰসাদৰ 'নিমাতী কন্যা' এখন কাব্যধৰ্মী নাটক বুলি ড° সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে। অৱশ্যে নাটকখন ৰূপকধৰ্মীও। 'নিমাতী কইনা'ৰ বিষয়বস্তু এনেধৰণৰ— ৰতনপুৰৰ ৰজা সাবিতাপ্ৰিয়। তেওঁৰ জীয়েক নিমাতী কইনা। তেওঁ মুখেৰে মাত নামাতে। দেশ-বিদেশৰ বহুতো লোক আহি নিমাতী কইনাৰ মুখৰ মাত উলিয়াবলৈ যত্ন কৰিছে। কিন্তু সকলোৱে ব্যৰ্থ হৈছে।

জ্যোতিপ্ৰসাদৰ 'সোণ পখিলী' এখন কাব্য নাটিকা। শিক্ষা উপযোগী নাট হ'লেও সোণ পখিলী ৰূপকধৰ্মী ৰচনা। নাটিকাখনিৰ অন্তৰ্নিহিত ভাবাৰ্থৰ সৈতে 'নিমাতী কইনা'ৰ ভাবাৰ্থৰ লগত সাদৃশ্য পৰিলক্ষিত হয়। 'সোণপখিলী'ত কবিতা কুমাৰে সোণপখিলীজনীক বিচাৰি ফুৰিছে। 'সোণপখিলী'জনী সৌন্দৰ্য আৰু আনন্দৰ প্ৰতীক। কলা সাধনাৰ জৰিয়তে কেনেদৰে চৰম আনন্দ লাভ কৰিব পাৰি সেই কথা 'সোণপখিলী' নাটিকাৰ জৰিয়তে জ্যোতিপ্ৰসাদে দেখুৱাবলৈ যত্ন কৰিছে। শিল্পী সুলভ দৃষ্টিভংগীৰে শিল্পীয়ে জীৱনটো গঢ় দি সকলোতে সুন্দৰৰ প্ৰকাশ কৰা— এয়াই আছিল জ্যোতিপ্ৰসাদৰ চিন্তাৰ মূল বিষয়। 'সোণপখিলী'ৰ সংলাপ ছন্দোবদ্ধ। বেছিভাগ ক্ষেত্ৰত তেওঁ 'ৰাইম' পদ্ধতি গ্ৰহণ কৰিছে যদিও জ্যোতিপ্ৰসাদৰ ছন্দৰ এটা নিজস্ব ৰূপ আছে। এই প্ৰসংগত ড° সত্যেন্দ্ৰনাথ শৰ্মাই কৈছে—

'জ্যোতিপ্ৰসাদৰ হাতত পূৰ্বপ্ৰচলিত ছন্দৰ পেটাৰ্ন বহুখিনি পৰিৱৰ্তন লাভ কৰি নতুন শক্তি সঞ্চয় কৰে। তেওঁ ছন্দৰ পৰ্ব, পৰ্বাঙ্গ আৰু যতি নতুন পদ্ধতিৰে সংস্থাপন কৰি গতিচঞ্চল আৰু ধ্বনি-লয়প্ৰধান কৰি তোলে।'


'লভিতা' জ্যোতিপ্ৰসাদ আগৰৱালাৰ এখন সামাজিক নাট। নাটকখন স্বাধীনতাৰ কাৰণে অসমবাসীয়ে কৰা অহিংস আন্দোলনৰ পটভূমিত ৰচনা কৰিছে। উনৈশ শতিকাৰ পঞ্চাশৰ দশকৰো আগতে নাটখন ৰচনা কৰিছিল। নাটখনিৰ পাতনিত নাট্যকাৰে এনেদৰে কৈছে— 'লভিতা' নাটক আকাৰে ৰংগমঞ্চৰ কাৰণেই লিখা হৈছে, তথাপি ই গতানুগতিক নাটকৰ শাৰীত নপৰে। ইয়াত সচৰাচৰ যেনেকৈ নাটকত আখ্যান, প্লট, চৰিত্ৰাংকন থাকে, সেইবোৰ ইয়াত দিয়া হোৱা নাই। ...নায়ক-নায়িকা হিচাপে ইয়াত চৰিত্ৰ নাই। ইয়াৰ নায়ক গোটেই অসমীয়া ৰাইজ।'

নাটকীয় কাৰিকৰীৰ গতানুগতিক বান্ধ ভাঙি দিয়াই হ'ল এণ্টি নাটকৰ মূল লক্ষণ। সেইফালৰ পৰা 'লভিতা'ক এণ্টি নাটক বুলি কোনো কোনো সমালোচকে ক'ব খোজে।

জ্যোতিপ্ৰসাদ আগৰৱালাই নাটকৰ জৰিয়তে জাতীয় জীৱনৰ সমস্যা উত্থাপন কৰিছিল। তেওঁ জাতীয় জীৱনক গঢ় দিবলৈও যত্ন কৰিছিল। তেখেতৰ এই চেষ্টা সকলো শিল্পী-সাহিত্যিকৰে অনুকৰণীয় হোৱা উচিত। জ্যোতিপ্ৰসাদৰ আন এখন পাৰিবাৰিক নাটক হ'ল 'খনিকৰ'। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই পাৰিবাৰিক নাটক সম্পৰ্কত এনেদৰে মন্তব্য দিছে— 'সমাজৰ প্ৰত্যক্ষ প্ৰভাব যি নাটকত নাই, বৰং পাৰিবাৰিক স্বাৰ্থ, সংঘাত আৰু পৰিয়ালৰ বিভিন্ন ব্যক্তিৰ মাজত ঈৰ্ষা-অসূয়া, সুখ-দুখ, স্নেহ-প্ৰীতিৰ দ্বন্দ্বাত্মক চিত্ৰক ভেটি কৰি যি নাটক গঢ়ি উঠে, সেই নাটক পূৰ্ণমাত্ৰাই পাৰিবাৰিক নাটক।'

জ্যোতিপ্ৰসাদৰ প্ৰথম পৰিচয় আছিল এগৰাকী মহান শিল্পী হিচাপে। তেওঁৰ জীৱনজোৰা প্ৰচেষ্টা আছিল অসমীয়া কলা-কৃষ্টিক পোহৰলৈ অনা, প্ৰতিষ্ঠা কৰা— কেৱল অসমতে নহয়, ভাৰত তথা বিশ্বতে। অসমৰ ভাস্কৰ্যক আসন দিবলৈ 'খনিকৰ' নাট ৰচনা কৰিছিল। ১৯৫১ চনত এইগৰাকী মনীষীয়ে মৃত্যুক আঁকোৱালি ল'ব লগা হয়।


এনেদৰে জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ নাট্য প্ৰতিভাৰ জৰিয়তে অসমীয়া সাহিত্য জগতৰ উঁৱাল চহকী কৰি এখন উচ্চ আসন দখল কৰিবলৈ সমৰ্থ হৈছে। বৰ্তমান সময়ত এনেধৰণৰ নাটকে ন-লেখক সকলক অনুপ্ৰেৰণা যোগাব।**



*(লেখিকা মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী)*

B.H.B. College, Sarupeta

# শিক্ষাৰ আধাৰ আধুনিক পুথিভঁৰাল



বিজন শালৈ

প্ৰকৃত শিক্ষা লাভ কৰিবলৈ জীৱনব্যাপী সাধনাৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীক কেৱল স্কুল-কলেজৰ শিক্ষাতেই যে পুথি
এনে নহয়; এই আনুষ্ঠানিক শিক্ষা সাং কৰি জাতিৰ সামাজিক জীৱন যাপনতহে নাগৰিকৰ প্ৰকৃত শিক্ষা আৰম্ভ হয়।
কাৰণে সমাজত অতীজৰে পৰা বৰ্তমানলৈকে একমাত্ৰ পুথিভঁৰালেহে উৎকৃষ্ট সম্বল যোগাই নাগৰিকক দায়িত্বশীল অ
কৰি তোলে। শিক্ষাৰ প্ৰচাৰত আৱশ্যকীয় অংশগ্ৰহণ কৰি আহিছে একমাত্ৰ পুথিভঁৰালে। ই ব্যক্তি এজনৰ আত্মশি
education)। শিক্ষাৰ ভেটি মজবুত কৰিবলৈ হ'লে পুথিভঁৰালৰ অৰিহণা অপৰিহাৰ্য। ই এজন ব্যক্তিক সমাজ
নাগৰিক হিচাপে গঢ় দিয়ে।

সমাজ এখনত পুথিভঁৰাল এটা বিভিন্ন ফালৰ পৰা অপৰিহাৰ্য। গতিকে পুথিভঁৰাল বিজ্ঞান (Library Science
সিয়ালি ৰমামৃত ৰংগনাথনৰ মতে, পুথিভঁৰাল বিজ্ঞানৰ বাবে আগবঢ়োৱা পাঁচোটা সূত্ৰৰ বিষয়ে সকলো শ্ৰেণীৰ প
থকাৰ দৰকাৰ। এই বিষয়ে বিশদ আলোচনা কৰা মোৰ পক্ষে, অৰ্থাৎ পুথিভঁৰাল বিজ্ঞানৰ এটা কোণো চিনি নোপে
বাবে অসম্ভৱ। মাত্ৰ এই বিষয়ে যৎকিঞ্চিৎ আলোচনা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আগবঢ়ালো।

পুথিভঁৰাল বিজ্ঞানৰ (Library Science) প্ৰথম বিধান (1st Law) হ'ল 'পুথি ব্যৱহাৰৰ কাৰণে' (Book
অৰ্থাৎ পুথিভঁৰালৰ পুথিৰ যিটো সম্ভাৰ ই কেৱল অধ্যয়নৰ বাবেহে, সঞ্চয়ৰ বাবে নহয়। পুথিভঁৰাল এটাৰ মান পু
ওপৰত নিৰ্ণয় নহয়। ইয়াৰ ব্যৱহাৰৰ ওপৰতহে মান নিৰ্ণয় হয়। গতিকে আধুনিক পুথিভঁৰালী এজনৰ পুথিভঁৰালৰ
কৰ্তব্য হ'ল, কেনেকৈ ব্যাপক হাৰত পঢ়ুৱৈৰ সংখ্যা বঢ়াব পাৰি। এই কাৰ্যত ফলৱতী হ'বলৈ হ'লে পুথিভঁৰালীজন
সম্ভাৰসমূহৰ বিষয়ে এটা ভাল সম্পৰ্ক থাকিব লাগিব। পুথিভঁৰালটোক 'মানৱ আত্মা'ৰ দৰে গণ্য কৰি ইয়াৰ স
চিকুণকৈ ৰাখি পঢ়ুৱৈৰ সংখ্যা বঢ়াবলৈ আকৰ্ষিত কৰিব লাগিব।

পুথিভঁৰাল বিজ্ঞান (Library Science)ৰ দ্বিতীয় বিধান হ'ল প্ৰতিজন পঢ়ুৱৈৰ কাৰণে পুথি আছে (Every
her book), অৰ্থাৎ পুথিভঁৰালীয়ে প্ৰত্যেকজন পঢ়ুৱৈক আৱশ্যকীয় অধ্যয়ন সামগ্ৰীৰ যোগান ধৰিব লাগিব।

B.H.B. College Sarupeta

প্ৰতি আকৰ্ষিত কৰি তুলিবলৈ হ'লে পুথিভঁৰালীয়ে আৱশ্যকীয় পুথিসম্ভাৰৰ যোগান ধৰাৰ উপৰি 'তথ্যসন্ধান সেৱা'ৰ (Reference service) কাৰ্য হাতত ল'ব লাগিব। অধ্যয়ন সামগ্ৰীৰ নিহিত গুপ্ত তথ্য, একেখন পুথিৰে বিভিন্ন তাত্ত্বৰ বিভিন্ন ৰূপ ধাৰণে আৰু পঢ়ুৱৈৰ আৱশ্যকীয় নানা সমাচাৰৰ সমস্যা সমাধানত আধুনিক পুথিভঁৰালীয়ে 'তথ্য সন্ধান সেৱা' আগবঢ়াইছে।

পুথিভঁৰাল বিজ্ঞানৰ তৃতীয় বিধান হ'ল 'প্ৰতিখন পুথিৰ পঢ়ুৱৈ আছে' (Every book its readers)। পুথিভঁৰালী এজনে প্ৰতিখন পুথিৰ কাৰণেই পঢ়ুৱৈ সমাজ সৃষ্টি কৰিব লাগিব। ন-পুৰণি সকলো পুথিৰ কাৰণেই পঢ়ুৱৈ সমাজৰ গঢ় দিবলৈ পুথিভঁৰালীয়ে সৰল-সুস্থ প্ৰচাৰৰ ব্যৱস্থা হাতত ল'ব লাগিব। পুথিভঁৰালৰ আৱশ্যকতা আৰু উদ্দেশ্য ন-পুথিৰ পৰিচয় আৰু অন্যান্য সামগ্ৰীৰ কথা বা পুথিভঁৰাল মুকলি কৰা সময়ৰ জাননী আদি বাতৰিকাকত, পত্ৰিকা আদিৰ যোগেদি সময়ে সময়ে প্ৰচাৰ কৰিব লাগে। প্ৰদৰ্শন ফলি (Display Board) আদিৰ যোগেদিও পুথিভঁৰালৰ পুথিৰ সন্ধান দিব পাৰি। পুথিভঁৰালত কোনো কোনো মূল্যবান পুথিৰ বিষয়বস্তুৰ ব্যাখ্যা, আলোচনাচক্ৰ আৰু তৰ্কসভা বা বক্তৃতাৰ আয়োজন কৰি পঢ়ুৱৈৰ মাজত সেই পুথিৰ জনপ্ৰিয়তা লাভ কৰাব লাগিব। জাতীয় উৎসৱ, থলুৱা পৰ্ব, মহাপুৰুষসকলৰ তিথি আদিত সেই সম্পৰ্কে লিখিত পুথিসমূহৰ প্ৰতি যাতে সেই মুহূৰ্তত পঢ়ুৱৈ সমাজত পঢ়াৰ ধাউতি বাঢ়ে বা বিশেষ সমাদৰ পায়, পুথিভঁৰালীয়ে তালৈ লক্ষ্য কৰি তেনেধৰণৰ পুথিৰ এটি বিশেষ প্ৰদৰ্শন (Topical Sequence) পঢ়ুৱৈ সমাজলৈ আগবঢ়াব লাগে।

পুথিভঁৰাল বিজ্ঞানৰ চতুৰ্থ বিধান (4th law) হ'ল পঢ়ুৱৈৰ সময় ৰাহি কৰা (Save the time of the readers)। পুথিভঁৰালী এজনে এজন পঢ়ুৱৈয়ে তথ্য বিচৰাৰ সময়ত কেতিয়াও তেওঁৰ সময়ৰ অসৎ ব্যৱহাৰ কৰিব নালাগে। যিমান সোনকালে পৰা যায় সিমান সোনকালে পঢ়ুৱৈজনক তেওঁ বিচৰা তথ্যটো দিবলৈ পুথিভঁৰালীজন আৰু ইয়াৰ কৰ্মচাৰীসকল যত্নপৰ হ'ব লাগে। ইয়াৰ বাবে পুথিভঁৰালটো সদায় পৰিপাটিকৈ (Systematical Process)ত সজাব লাগে। নহ'লে এই চতুৰ্থ বিধানটো ফলপ্ৰসূ নহ'ব।

পুথিভঁৰাল বিজ্ঞানৰ পঞ্চম বিধান হ'ল পুথিভঁৰাল এটা বৃদ্ধি হৈ থকা সত্ত্বা (Library is a growig organism)। অৰ্থাৎ পুথিভঁৰাল এটা কেতিয়াও স্থবিৰ হৈ নাথাকে। ই সদায় বাঢ়িয়েই থাকে। অৰ্থাৎ পুথিভঁৰাল এটাক যিহেতু জ্ঞানৰ ভঁৰাল বুলি কব পাৰি, গতিকে বৰ্তমান যুগত জ্ঞানৰ বিস্ফোৰণ (Knowledc Explosion) হৈছে। সেয়ে পুথিভঁৰাল এটা কেতিয়াও এটা সীমাবদ্ধ আকাৰত প্ৰস্তুত কৰিব নালাগে। ইয়াক সদায় ভৱিষ্যতৰ পৰিসৰ বৃদ্ধিৰ বাবে ব্যৱস্থা থাকিব লাগে। জ্ঞানৰ যিহেতু সীমা নাই, গতিকে পুথিভঁৰালৰ ঘৰ এটাৰো প্ৰস্তুত কৰোঁতে সদায় নিৰ্দিষ্ট সীমা থকাটো অনুচিত।



আধুনিক পুথিভঁৰালৰ পুথিভঁৰালী এজন সমাজকৰ্মী। পুথিভঁৰালৰ মাত্ৰ ৰখীয়া নহয়। সমাজৰ শিক্ষা আৰু সংস্কৃতিৰ উন্নয়নৰ আৱশ্যকীয় সাহায্যৰ দায়িত্বৰ ভাৰ আজিৰ পুথিভঁৰালীৰ ওপৰত। পুথিভঁৰালীৰ সেৱা যে এটা সামাজিক সেৱা এই কথা পুথিভঁৰালীয়ে আৰু তেওঁ সহকৰ্মীসকলে ভালদৰে উপলব্ধি কৰিব লাগিব। পুথিভঁৰালী পঢ়ুৱৈ সমাজৰ এজন পৰম বন্ধু, দাৰ্শনিক আৰু পথপ্ৰদৰ্শক। পঢ়ুৱৈ সমাজৰ মন যোগাবলৈ পুথিভঁৰালীয়ে সকলো ৰকমৰ ব্যৱস্থাই হাতত ল'ব লাগিব। আধুনিক পুথিভঁৰালীৰ পুথি বাছনি (Book Selection) এটি অতি গুৰুত্বপূৰ্ণ কাৰ্য। সকলো শ্ৰেণীৰ পঢ়ুৱৈৰ মন যোগাবলৈ নিচেই কম খৰচত অধিক উপকাৰত অহাকৈ অধ্যয়ন সামগ্ৰীৰ এটি উৎকৃষ্ট সংগ্ৰহ পুথিভঁৰালত ৰাখিব পৰাটো আধুনিক পুথিভঁৰালীৰ এটি দায়িত্বপূৰ্ণ কৰ্তব্য।

ইয়াৰ উপৰি পুথিভঁৰালীয়ে পুথিভঁৰালৰ আধুনিক কৌশলক (Modern Technique) কাৰ্যকৰ কৰি তুলিব লাগিব। পুথিভঁৰালৰ সমগ্ৰ অধ্যয়ন সামগ্ৰীৰ ভৰ্তিকৰণ আৰু বিজ্ঞানসম্মত বৰ্গীকৰণ (Accession and Classification), পুথিসূচী (Catalogue) আৰু 'বিশ্লেষণাত্মক পুথিসূচী' (Analytical Catalogue) অধ্যয়ন সামগ্ৰী পোৱাৰ সহজসাধ্য মুকলি ব্যৱস্থা (Open Access) অধ্যয়ন সামগ্ৰী 'সঞ্চালন' (Circulation) আৰু আদান-প্ৰদানৰ ব্যৱস্থা (Changing System) আদিয়েই আধুনিক পুথিভঁৰালৰ কৌশল। আধুনিক পুথিভঁৰালী এইবিলাক ব্যৱস্থাৰ প্ৰতি অতি তৎপৰ হ'ব লাগিব। এনে ব্যৱস্থাৰ দ্বাৰাহে পুথিভঁৰালীয়ে সহজে পঢ়ুৱৈ সমাজক আকৃষ্ট কৰি অধ্যয়নৰ পৰিসৰ বৃদ্ধি কৰিব পাৰিব।

*(লেখিকা মহাবিদ্যালয়ৰ সহঃ গ্ৰন্থাগাৰিক)*

---

— ইউজিন অ'নিল—

জীৱনৰ ঘটনাবোৰ এটাৰ পিছত এটাকৈ এনেকৈ ঘটি যায় যে সেইবোৰৰ ওপৰত আমাৰ কোনো নিয়ন্ত্ৰণ নাথাকে। কি ঘটিছে সেইটো বুজিবলৈ পোৱাৰ আগতেই ঘটনাটো ঘটি যায়; ইতিমধ্যে তুমি আন কিবাকিবি কাম কৰিবলৈ আৰম্ভ কৰা। অৰ্থাৎ আনবোৰ ঘটনা ঘটিবলৈ আৰম্ভ কৰে। অৱশেষত জীৱনত এনে এটা পৰিস্থিতিৰ সৃষ্টি হয়— যিটো পৰিস্থিতিত বৰ্তমানৰ 'তুমি' আৰু ভৱিষ্যতে হ'ব খোজা 'তুমি'ৰ মাজত জীৱনৰ অনিয়ন্ত্ৰিত ঘটনা-প্ৰবাহ এখন দুৰ্লংঘ্য দেৱাল হৈ থিয় দিয়ে। তুমি তোমাৰ আচল স্বৰূপটো চিৰকাললৈ হেৰুৱাই পেলোৱা।

B.H.B. College, Sarupeta

প্ৰবন্ধ

# মৰাণ জনগোষ্ঠীৰ উদ্ভৱ

ৰন্তি তালুকদাৰ

কোনো কোনো পণ্ডিতৰ মতে আকৌ মৰাণসকল অষ্ট্ৰিক মৰীয়া খেলৰ বা বড়ো গোষ্ঠীৰ সম্পৰ্কীয়। সি যি নহওঁক, মৰাণসকল যে অসমৰ অতি প্ৰাচীন জাতি তাত সন্দেহৰ কোনো অৱকাশ নাই।

অসম মাতৃৰ কোলাত বসবাস কৰা বিভি
ভিতৰত মৰাণ জাতি অন্যতম। মৰাণ জ
পণ্ডিতৰ বিভিন্ন মত-অমত নোপোৱা নহ
ৰাভাৰ মতে, মৰাণসকল মংগোলীয়
সেই মতে মৰাণসকলৰ তিনিজন প্ৰতাপ
আৰু তেওঁলোকৰ নাম আছিল যথাক্ৰ
আৰু মোৰাণ।

মোৰাং বংশৰ মানুহ নেপালত আৰু অ
বসবাস কৰা মৰাণসকল হৈছে মৌৰা
এতেকে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ত
ৰজাৰ নামানুসাৰে তেওঁৰ বংশধৰসকল
অঞ্চলত ধৰা হয়।

বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে তেখে
ভাষণত কেদাৰ ব্ৰহ্মচাৰী, ভূদেৱ মুখাৰ্জ
বনচনৰ মত উল্লেখ কৰি কৈছে যে মৰ
নেপালৰ পশুপতি নাথ মন্দিৰৰ ওচৰ
তেখেতে আৰু কৈছে যে মৰাণ, মে
মিৰাং, মিটাং আদি একে শব্দ আৰু আদি
আছিল।

ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ লাইদৈ বা ল
সেই লাইদৈ ৰাজ্যৰ সাক্ষী এতিয়াও লা
চুকাফা ৰজা সৌমাৰত প্ৰৱেশ কৰাৰ ব
ধৰ্মপালৰ ৰাজ্যৰ পৰা মেৰাম সেনাৰ মা
ৰজা হৈছিল। এওঁৰ নামতেই সম্ভৱতঃ ম
তেতিয়াই স্বতী নৈৰ পাৰৰ ভালেমান অ
মানুহ বহি নিজকে মেৰাং বা মৰাণ বুলি
মানুহবিলাক বলী আৰু সাহসী আছিল যে
লোকে মটক বুলিবলৈ ধৰিলে।

আহোম ভাষাবিদ ৰায়চাহাব গোলাপ
আহোম ভাষাত মটক মানে আচলতে পণ্ডিত
আৰু এই শব্দটো আহোমসকল অহাৰ
পিছত তেওঁলোকে অষ্টভূজৰ ওচৰত শৰণ
ভোগ খাইছিল ১৬৭০ৰ পৰা ১৬৯২লৈকে
তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল।

সেয়েহে বুৰঞ্জীবিদ শৰ্মাদেৱৰ মতে
পৰ্যায়ত জন্মলাভ কৰা। তাৰ আগলৈকে
আছিল আৰু ধৰ্মমতৰ চোলাটো সোলো
চোৱা হয়, তেতিয়া মৰাণ ৰূপকেই দেখ
অভিমত প্ৰকাশ কৰিছে।

কোনো কোনো পণ্ডিতৰ মতে আকৌ
মৰীয়া খেলৰ বা বড়ো গোষ্ঠীৰ সম্পৰ্কী

B.H.B. College, Sarupeta



অতীতত মৰাণসকলৰ মাজত একোটা নিজস্ব ভাষা আছিল আৰু এই ভাষাৰ বড়ো ভাষাৰ লগত সাদৃশ্য আছিল বুলি জনা যায়। সেয়ে অনেক পণ্ডিতৰ মতে, মৰাণসকল বৃহত্তৰ বড়ো গোষ্ঠীৰ পৰাই উদ্ভূত।

মৰাণসকল যে অসমৰ অতি প্ৰাচীন জাতি তাত সন্দেহৰ কো অবকাশ নাই।

অসমৰ অন্যান্য জাতি-প্ৰজাতিৰ নিচিনাকৈ মৰাণ জাতিৰো নিজ নীতি-নিয়ম আছিল আৰু আজিও আছে। সময়ৰ পৰিবৰ্তনত ৰীতি-নীতি সাল-সলনি হোৱা কথাটো বেলেগ কথা। ধৰ্মৰ ক্ষেত্ৰ মৰাণসকল প্ৰথমতে শাক্ত ধৰ্মাবলম্বী আছিল। বহুতো দেব-দেবী পূজা অৰ্চনাও কৰিছিল। শাক্তীয় বলি প্ৰথা মৰাণসকলৰ মাজ পুৰামাত্ৰাই চলি আছিল। নৰবলি প্ৰথা বাদ দি আজিও অৱশ্যে শিষ্যসক আগবঢ়াই যোৱা পঠা ছাগলী, ভাৰ-ভেটি আদি যজ্ঞত শোধো হয়।

মৰাণসকল বৰ্তমান শাক্তধৰ্মী নহয়, তেওঁলোক বৈষ্ণৱহে। মৰাণসক অনিৰুদ্ধ দেৱ প্ৰৱৰ্তিত মায়ামৰা বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছে।

মৰাণসকল অতীজৰে পৰা কৃষিকৰ্মত নিপুণ আছিল। অতীজত ঝুম খেতি কৰিছিল— অৱশ্যে বৰ্তমানে মাটিৰ অভাৱত মৰাণৰ মাজত ঝুম খেতিৰ প্ৰথা প্ৰায়ে নাই বুলিবও পাৰি।

অতীতত মৰাণসকলৰ মাজত একোটা নিজস্ব ভাষা আছিল আৰু এই ভাষাৰ বড়ো ভাষাৰ লগত সাদৃশ্য আছিল বুলি জনা যায়। সেয়ে অনেক পণ্ডিতৰ মতে, মৰাণসকল বৃহত্তৰ বড়ো গোষ্ঠীৰ পৰাই উদ্ভূত। খেনোৰ মতে আকৌ তেওঁলোক অষ্ট্ৰিক মৰাঁয়া খেলৰ আৰু পিছত বড়ো জাতিৰ লগত সংমিশ্ৰিত হৈ মৰাণ জাতিয়ে জন্মলাভ কৰে।

বুৰঞ্জীবিদ ই এ গেইট চাহাবেও তেখেতৰ 'A History of Assam' গ্ৰন্থত কৈছে— 'Their language is unmisfakably Bodo'। অৰ্থাৎ মৰাণৰ আদি ভাষা সম্পৰ্কত গেইট চাহাবেও বড়ো ভাষাৰ সৈতে সম্পৰ্কীয় বুলি কৈছে। কিন্তু বৰ্তমানে মৰাণসকলে অসমীয়া ভাষাকেই নিজ মাতৃভাষা হিচাপে গ্ৰহণ কৰিছে। বৰ্তমান মৰাণসকলৰ ভাষা অসমীয়া, অৱশ্যে গাঁৱে-ভূঞে হোৱা কথা-বতৰাত অসমীয়া ভাষাৰ সৈতে কিছু নিজস্ব শব্দ ব্যৱহাৰ হোৱাটো লক্ষ্য কৰিব পাৰি। গাঁৱৰ মানুহৰ মাজত খালোং, গলোং আদি শব্দও চলি আছে। আনহাতে মৰাণসকলৰ কথা-বতৰাৰ ধৰণো সুকীয়া। গৱেষণাকাৰীৰ গৱেষণাত নিশ্চয় মৰাণসকলৰ ভাষাৰ বৈশিষ্ট্য প্ৰকাশিত হৈছে।

কেৱল ভাষা উদ্ধাৰেই নহয়, মৰাণ জাতিৰ সম্পূৰ্ণ বুৰঞ্জীও হয়তো উদ্ধাৰ সম্ভৱ। সদ্যহতে পোৱা তথ্যসমূহ যুগমীয়া কৰাৰ দৰকাৰ, তাকে নকৰিলে সময়ৰ সোঁতত অনেক তথ্য কালৰ গৰ্ভত বিলুপ্ত হ'লে ভৱিষ্যৎ পুৰুষৰ বাবে জাতিৰ নিজস্ব বৈশিষ্ট্য ৰক্ষা অসম্ভৱ হৈ পৰিব। সেয়ে সাহিত্য, বুৰঞ্জী সম্বন্ধীয় অনুষ্ঠানসমূহে এইক্ষেত্ৰত এক জোৰদাৰ গৱেষণাৰ ওপৰত গুৰুত্ব দিয়াটো উচিত হ'ব। ●●

*(লেখিকা স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী)*

B.H.B. College, Sarupeta

প্ৰবন্ধ



...সুস্থ মানসি
গাঁথনিৰ বুনি
গঢ়াৰ ক্ষেত্ৰ
শিক্ষানুষ্ঠানত
ঘৰখনৰ দায়ি
স্বাভাৱিকতেই
সেয়ে ল'ৰা
ছোৱালীৰ মন
সংযম, বিনয়
শৃংখলাবোধ
দায়িত্ববোধ তথা
জীৱন যাপন
কঠীয়া স্বাভাৱি
অভিভাৱকসক
সিঁচিব লাগিব

# উচ্ছৃংখল যুৱ মানসিকতা আৰু আমি

দীপ্তি কলিতা

একবিংশ শতিকাৰ দুৱাৰডলিত ভৰি দি সভ্য
আগবাঢ়ি যাওঁতে আমি আজি এক ভয়াবহ প্ৰ
হৈছোঁ। যি অফুৰন্ত শক্তিৰ আধাৰ আমাৰ যুৱ
কৰিছে এক উচ্ছৃংখল মানসিকতাই। এই উচ্ছৃং
সমাজক, বিশেষকৈ উঠি অহা যুৱচামক এনে
যে ই এক সামাজিক ব্যাধিত পৰিণত হৈ
ব্যাধিয়ে যেনেকৈ মানৱ দেহত নানা বেমেজা
তেনেকৈ নানাধৰণৰ সামাজিক ব্যাধিয়েও স
পথত হেঙাৰ হৈ থিয় দিয়ে।

সমাজৰ ভৱিষ্যৎ ধৰণীস্বৰূপ এই যুৱ
বৰ্ধিত উচ্ছৃংখলতা বৰ্তমান সচেতন ব্যক্তিসকলৰ
মুখ্য বিষয়বস্তুৰূপে পৰিগণিত হৈছে। কৈশোৰ
দুৱাৰডলিত ভৰি দিয়া কলেজীয়া ডেকাৰ চা

B.H.B. College, Sarupeta

আড্ডা, পাণদোকানৰ পিছফালে বহি মদ-ড্ৰাগছ্ আদি নিচাজাতীয় দ্ৰব্য সেৱনত ৰত হোৱা, আনকি অষ্টম-নৱম শ্ৰেণীৰ ছাত্ৰৰ মুখতো ব্ৰাণ্ডি-হুইস্কি-বীয়েৰৰ আলোচনা আদিৰ দৰে ঘটনাবোৰ বৰ্তমান দৈনন্দিন জীৱনত একেবাৰে সহজ কথাত পৰিণত হৈছে। ৰাস্তাৰে যোৱা পিলিঙা ডেকাৰ কিৰীলি, গাভৰু ছোৱালীৰ উৎকট অশোভনীয় সাজপাৰ, ৰাজহুৱা স্থানত মহিলাৰ প্ৰতি যুৱকৰ অশ্লীল মন্তব্য আদিৰ দৰে আজিৰ যুৱসমাজৰ নিত্য-নৈমিত্তিক ঘটনাবোৰৰ উপৰি সময়ে সময়ে সংঘটিত ধৰ্ষণ-লুটপাতৰ নিচিনা ঘটনাই অসমীয়া জাতিৰ পংগু ভৱিষ্যতৰ ইংগিত বহন কৰি আনিছে।

যুৱক-যুৱতীসকলৰ এনেধৰণৰ অবাঞ্ছিত কাৰ্যকলাপৰ মূল কাৰণ হিচাপে কোনোৱে একে আষাৰে এক নিৰ্দিষ্ট উৎসকেই দায়ী কৰিব নোৱাৰে। মধ্যবিত্ত সমাজত সততে সোমাই পৰা তথাকথিত আভিজাত্য, অভিভাৱকৰ মাজত গঢ়ি উঠা দুৰ্নীতিৰ প্ৰৱণতা, উপযুক্ত যৌন শিক্ষাৰ অভাৱ আদি বিভিন্ন কাৰণ যুৱ উচ্ছৃংখলতাৰ লগত জড়িত হৈ আছে।

কম বয়সীয়া সন্তানৰ হাতত প্ৰয়োজনাধিক ধন দিয়া তথা সিহঁতৰ কোমল মনত অত্যধিক লাহ-বিলাহৰ কঠীয়া ৰোপণ কৰা কাৰ্যই কৈশোৰ কালক উচ্ছৃংখল কৰি তোলাটো নিতান্তই স্বাভাৱিক ঘটনা। যুৱক-যুৱতীসকলৰ মাজত সময়ে সময়ে সংঘটিত হোৱা ধৰ্ষণৰ দৰে যৌন সম্বন্ধীয় ঘটনাবোৰৰ মূল কাৰণ হিচাপে আজিৰ শিক্ষাব্যৱস্থাত প্ৰকৃত যৌন শিক্ষাৰ অভাৱৰ কথাকেই আঙুলিয়াব পাৰি। তদুপৰি সদ্য যৌৱনপ্ৰাপ্ত কিশোৰ-কিশোৰীৰ দৈহিক পৰিৱৰ্তনৰ প্ৰতি অভিভাৱকসকলৰ অস্বাভাৱিক নীৰৱতাই তেওঁলোকক অধিক কৌতূহলী কৰি তোলে আৰু আৱেগৰ তাড়নাত লুকাই-চুৰকৈ কেতিয়াবা তেওঁলোক অসামাজিক কামতো লিপ্ত হৈ পৰে। আনবোৰ কাৰণতে কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত 'প্ৰেমত পৰাটো' বৰ্তমান এক সস্তীয়া চখত পৰিণত হৈছে।

সেয়ে ল'ৰা-ছোৱালীৰ যৌৱনৰ আৰম্ভণিৰ এই সময়ছোৱাক সুস্থভাৱে অতিবাহিত কৰি এক সুন্দৰ ভৱিষ্যতৰ আধাৰ ৰচনাৰ ক্ষেত্ৰত অভিভাৱকসকলৰ যথেষ্ট কৰণীয় থাকে। অত্যধিক উপদেশ কিম্বা হকা-বাধাৰ পৰিৱৰ্তে এই সময়ছোৱাত পিতৃ-মাতৃ আৰু সন্তানৰ সম্পৰ্ক বন্ধুত্বসুলভ হোৱা দৰকাৰ। গতিকে যুৱক-যুৱতীসকলৰ মানসিকতাৰ ওপৰত অভিভাৱকসকল অধিক সচেতন আৰু কৰ্মতৎপৰ হোৱাটো বাঞ্ছনীয়।

ছাত্ৰ-ছাত্ৰীৰ মনত সুস্থ জাতীয়তাবোধৰ জন্ম দি তেওঁলোকক ভৱিষ্যৎ আত্মনিৰ্ভৰশীল কৰি তুলিব পৰাকৈ পাঠ্যক্ৰমত উপযুক্ত বিষয়ক অন্তৰ্ভুক্ত কৰাটো বাঞ্ছনীয়। অন্যথা সমস্যা সমস্যা হৈয়ে ৰ'ব; কাৰণ অত্যধিক শিক্ষা বিস্তাৰেও জাতীয় জীৱনৰ কেৰোণসমূহ দূৰ কৰিব নোৱাৰিব। ◆◆

*(লেখিকা মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰবক্তা)*

## বিখ্যাত লোকৰ জীৱনৰ পৰা

✿✿ ভিনচেণ্ট ভেন গঘৰ নাম নুশুনা ব্যক্তি এই পৃথিৱীত হয়তো নোলাব। সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰশিল্পীসকলৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ শিল্পী ভেন গঘৰ সমগ্ৰ জীৱনটোৱেই আছিল ৰহস্যময়।

চিৰদৰিদ্ৰ আৰু কুৰূপ ভেন গঘে জীৱনত কেতিয়াও কোনো তিৰোতাৰ প্ৰেম পোৱা নাছিল। তিৰোতাৰ প্ৰেম আৰু সাহচৰ্যৰ কাৰণে তেওঁ গোটেই জীৱন হাহাকাৰ কৰি ফুৰিব লগা হৈছিল। হৃদয়ত চিৰ জাগ্ৰত হৈ থকা এই প্ৰেমৰ ক্ষুধাৰ তাড়নাতেই ভেন গঘে এদিন আৰ্লছৰ কোনো এখন ৰেষ্টোৰাঁত এজনী সামান্য পৰিচাৰিকাক প্ৰেম নিবেদন কৰিছিল; কিন্তু ছোৱালীজনীয়ে আশা কৰা মতে তাইক প্ৰেমৰ উপহাৰ দিবলৈ তেওঁৰ সামৰ্থ নাছিল। ছোৱালীজনীয়ে ঠাট্টা কৰি তেওঁক কৈছিল, "দিবলৈ যদি আন একো নাই, তেন্তে তোমাৰ ধপলা-ধপল কাণ দুখনৰ এখনকে কাটি মোক উপহাৰ নিদিয়া কিয়?" পিছদিনা ছোৱালীজনীলৈ ভেন গঘৰ পৰা এটা উপহাৰৰ টোপোলা আহিল। টোপোলাটো খুলি তাই আৱিষ্কাৰ কৰিলে এখন ৰক্তাক্ত কাণ!

◆ ◆ ◆ ◆

✿✿ মহাত্মা গান্ধী দক্ষিণ আফ্ৰিকাত থকা কালৰ কথা। এদিন এজন মুছলমান খানচামা (ৰান্ধনীশালৰ যাৱতীয় কাম চলোৱা লগুৱা) বন্ধুৱে গান্ধীজীক ক'লেহি— মই ইংৰাজী জনা হ'লে আৰু কিছু টকা উপাৰ্জন কৰিব পাৰিলোহেঁতেন। বৰ্তমান যিখিনি উপাৰ্জন কৰোঁ তাৰে সংসাৰ চলাবই নোৱাৰোঁ।

ঃ তুমি মোৰ ওচৰলৈ আহিবা, মই তোমাক ইংৰাজী শিকাম।

— গান্ধীজীয়ে ক'লে।

খানচামাজনে ক'লে— আপুনি মোক ইংৰাজী শিকাবলৈ ইচ্ছা কৰিছে, ই আপোনাৰ অনুগ্ৰহ, তাৰ বাবে মই আপোনাক ধন্যবাদ জনাইছোঁ। কিন্তু সমস্যা হৈছে, মই যদি আপোনাৰ ওচৰলৈ ইংৰাজী শিকিবলৈ আহোঁ তেনেহ'লে কাম কৰিবলৈ মোৰ সময়েই নহ'ব।

গান্ধীজীয়ে ক'লে— বাৰু চিন্তা নকৰিবা। এটা কাম কৰোঁ তুমি যদি মোৰ ওচৰলৈ আহিব নোৱাৰা, তেন্তে ময়েই তোমাৰ ওচৰলৈ যাম। তুমি ইংৰাজী শিকিবই লাগিব।

সেই খানচামাজনক ইংৰাজী শিকাবলৈ গান্ধীজীয়ে প্ৰতিদিনে চাৰি মাইল বাট খোজকাঢ়ি তেওঁৰ (খানচামাৰ) ঘৰত উপস্থিত হৈছিলগৈ।

B.H.B. College, Sarupeta

প্ৰ ব ন্ধ

জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সূক্ষ্ম অনুভূতিৰ ব্যঞ্জনা, কাব্যিক সাৱলীল প্ৰকাশভংগী, গভীৰ অন্তৰ্দৃষ্টি আদিৰ সামগ্ৰিক বিচাৰত 'কাৰেঙৰ লিগিৰী' নাটকখনকে শ্ৰেষ্ঠ বুলিব পাৰি।



# জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাট্যকৃ 'কাৰেঙৰ লিগিৰী'

পিংকু তালুকদাৰ

B.H.B. College, Sarupeta

অসমীয়া

সাহিত্যজগতলৈ, বিশেষকৈ নাট্য-সাহিত্যৰ জগতলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান অন্যতম। নাট্যশিল্পীৰূপে জ্যোতিপ্ৰসাদ আগৰৱালাই যে আধুনিক অসমীয়া সাহিত্যত নতুন পথ মুকলি কৰিছিল এই কথা প্ৰায়েই কোৱা হয়। ১৪ বছৰ বয়সতে তেওঁ প্ৰথমখন নাটক 'শোণিত কুঁৱৰী' ৰচনা কৰে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বিতীয় নাটক 'কাৰেঙৰ লিগিৰী' ৰহতো নাট্যগুণৰ বাবে অসমীয়া নাট্য-সাহিত্যৰ বুৰঞ্জীত এখন বিশিষ্ট নাটক। প্ৰথমখন নাটক 'শোণিত কুঁৱৰী'ৰ দৰে 'কাৰেঙৰ লিগিৰী' নাটকৰ বিষয়বস্তু সামন্ত সমাজ। পাৰ্থক্য মাথোন ইমানেই যে প্ৰথমখনৰ কাহিনী পুৰাণৰ পৰা গ্ৰহণ কৰা পূৰ্বপ্ৰস্তুত আৰু পিছৰখনৰ কাহিনী সামন্ত যুগৰ আধাৰত কল্পিত।

অসমীয়া জাতীয় জীৱনত মহাপুৰুষ শংকৰদেৱে যি সংস্কৃতিৰ ৰবভেটি নিৰ্মাণ কৰিলে, সেই ৰবভেটিৰ ওপৰত সাহিত্য-সংস্কৃতিৰ সৌধ প্ৰতিষ্ঠা কৰিলে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে। তেৱেঁই প্ৰথমতে ৰোমাণ্টিক নাট্যৰীতি ভঙ্গ কৰি নাট্যকাৰৰ সূক্ষ্ম দৃষ্টিৰে বিভিন্ন দৃশ্যৰ পৰিকল্পনা তথা বিস্তৃত নাট্য নিৰ্দেশনাৰ প্ৰয়োগেৰে অসমীয়া নাট্য আন্দোলনক এক নতুন মাত্ৰা প্ৰদান কৰে। জ্যোতিপ্ৰসাদ আগৰৱালা আছিল অসমীয়া জাতীয় জীৱনৰ ধ্ৰুৱতৰা। অসমীয়া জাতীয় জীৱনৰ লগতে অসমীয়া কৃষ্টি-সংস্কৃতিৰ সকলো দিশতে এক ৰূপান্তৰৰ আদৰ্শৰে নতুনৰ প্ৰচেষ্টাত সৰ্বদা জড়িত আছিল।

জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সূক্ষ্ম অনুভূতিৰ ব্যঞ্জনা প্ৰকাশভংগী, গভীৰ অন্তৰ্দৃষ্টি আদিৰ সামগ্ৰিক বিচাৰত নাটকখনকে শ্ৰেষ্ঠ বুলিব পাৰি। মধ্যযুগীয় ৰজাদিনীয়া কাহিনীভাগ ৰচিত হৈছে। তেওঁৰ অন্যান্য নাটসমূহ হ'ল— 'ৰূপালীম', 'নিমাতী কইনা', 'সোণপখিলী', 'লভিতা' আগৰৱালাদেৱে নাটকৰ উপৰি গল্প, কবিতা, গীত, প্ৰবন্ধ ৰচনা, এখন জীৱনী গ্ৰন্থ (চন্দ্ৰকুমাৰ আগৰৱালা) অসমীয় দি গৈছে।

'পুৰণি আৰু নতুনৰ সংগ্ৰামত নতুনক প্ৰথম আদৰি তাৰেই মূৰ্ত প্ৰতীক আছিল ৰূপকোঁৱৰ।' ৰূপকোঁৱৰ জ্যো আৰু কৃতিৰ আলোচনা সন্দৰ্ভত গণশিল্পী হেমাংগ বিশ্বাসে স্বৰূপাৰ্থত ৰূপকোঁৱৰৰ জীৱনাদৰ্শৰ সম্যক পৰিচয় দাঙি কাৰিকৰী, চৰিত্ৰ চিত্ৰন, কথোপকথন, চিন্তা-চৰ্চা আদি দি নাটকখন অসমীয়া সাহিত্যত এক অপূৰ্ব সৃষ্টি। থোৰতে জ্যোতিপ্ৰসাদৰ এই নাটখনেই আধুনিক অসমীয়া নাট্য-সা চিন্তাশীল নাটকৰ সূচনা কৰে।

'কাৰেঙৰ লিগিৰী' নাটকখনক আধুনিক যুগৰ এখন প্ৰ পাৰি। বিশ্বৰ শ্ৰেষ্ঠতম আধুনিক নাটকবোৰৰ ভিতৰত এই পৰা যায়। উপনদীবোৰে যিদৰে নদীত মিলি নদীৰ প্ৰাণ-



**জ্যোতিপ্ৰসাদৰ হাতত পূৰ্বপ্ৰচলিত ছন্দৰ পেটাৰ্ন বহুখিনি পৰিৱৰ্তন লাভ কৰি নতুন শক্তি সঞ্চয় কৰে। তেওঁ ছন্দৰ পৰ্ব, পৰ্বাঙ্গ আৰু যতি নতুন পদ্ধতিৰে সংস্থাপন কৰি গতিচঞ্চল আৰু ধ্বনি-লয়প্ৰধান কৰি তোলে**

বিষয়বস্তু সম্পূৰ্ণৰূপে অসমীয়া সমাজৰ পৰা আহৰণ কৰা। 'কাৰেঙৰ লিগিৰী'ৰ ৰাজকাৰেঙৰ সোণালীকোঠা, সোণ খটোৱা ছালপীৰা, ৰূপৰ বাকচ, সোণৰ শৰাই, শলিতাৰ বত্তি, বৰপীৰা, বাটিৰ দুৱাৰ, ফুলকটা বস্তুৰ বৰ্ণনা, মূৰৰ পাগ অসমীয়া সমাজৰেই বস্তু। অৱশ্যে 'কাৰেঙৰ লিগিৰী'ত পৰিস্ফুট অসমীয়া সমাজখন আহোমীয় অসমীয়া সমাজ।

'কাৰেঙৰ লিগিৰী'ৰ মুখ্য উপাদান চৰিত্ৰই প্ৰমাণ কৰিছে যদিও চৰিত্ৰৰ জৰিয়তে জীৱন ৰহস্য প্ৰতিফলিত হোৱা নাই। সেই কাৰণৰ পৰা 'কাৰেঙৰ লিগিৰী'ক 'সমস্যামূলক নাটক'ৰ শ্ৰেণীত পেলাব পাৰি।

মুখ্য চৰিত্ৰ হিচাপে 'কাৰেঙৰ লিগিৰী' নাটকৰ আইদেউৰেইটো চৰিত্ৰ অংকনত সফল হৈছে। মুখ্য চৰিত্ৰ সুন্দৰ কোঁৱৰ অন্তৰ্দ্বন্দ্বৰ সন্মুখীন হৈছে। ৰাজকুমাৰীৰো এটা মানসিক দ্বন্দ্ব আছে। এটা অন্তঃসাৰশূন্য জীৱন অতিবাহিত কৰিব নোৱাৰি পৰিশেষত আত্মহত্যা কৰিছে।

'ৰূপালীম' জ্যোতিপ্ৰসাদ আগৰৱালাৰ আন এখন সফল নাটক। ১৯৩৬ চনত এই নাটকখন ৰচনা কৰে। ১৯৩৭ চনত নাটকখন তেজপুৰ 'বাণ ৰংগমঞ্চ'ত প্ৰথমবাৰৰ বাবে মঞ্চস্থ কৰা হৈছিল। ডি.এল.ৰায়ৰ 'মল্লাভল্লা' নাটকৰ ছাঁ লৈ ৰচনা কৰা এই নাটকখনৰ চৰিত্ৰ আৰু ঘটনা কাল্পনিক। ৰূপালীম নামৰ এখন কাল্পনিক ৰাজ্যৰ এহাল ডেকা-গাভৰু মায়াৰ আৰু ৰূপালীমৰ প্ৰেমৰ আদৰ্শই নাটকখনত বিশেষ গুৰুত্ব লাভ কৰিছে। নাটখনত ৰাজকুমাৰী ইতিভেনৰো বীৰত্ব আৰু ঈৰ্ষাপৰায়ণতাৰ স্বভাৱ সুন্দৰকৈ প্ৰকাশ পাইছে।

জ্যোতিপ্ৰসাদে ইতিহাসৰ বুকুতে দেখিবলৈ পাইছিল যুগে যুগে বলীয়ে দুৰ্বলীৰ ওপৰত সদায় অত্যাচাৰ কৰি আহিছে। 'ৰূপালীম' নাটকত সুন্দৰ পৰিৱেশ আৰু ঘটনাৰ সৃষ্টি কৰিছে— জুনাফাও শক্তিৰ অধিকাৰ! শক্তিৰ অধিকাৰ!! এৰা শক্তিৰেই অধিকাৰ বলীৰেই অখণ্ড প্ৰতাপ। (২য় অংক)

জ্যোতিপ্ৰসাদৰ 'নিমাতী কন্যা' এখন কাব্যধৰ্মী নাটক বুলি ড° সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে। অৱশ্যে নাটকখন ৰূপকধৰ্মীও। 'নিমাতী কইনা'ৰ বিষয়বস্তু এনেধৰণৰ— ৰতনপুৰৰ ৰজা সাৰিতাপ্ৰিয়। তেওঁৰ জীয়েক নিমাতী কইনা। তেওঁ মুখেৰে মাত নামাতে। দেশ-বিদেশৰ বহুতো লোক আহি নিমাতী কইনাৰ মুখৰ মাত উলিয়াবলৈ যত্ন কৰিছে। কিন্তু সকলোৱে ব্যৰ্থ হৈছে।

জ্যোতিপ্ৰসাদৰ 'সোণ পখিলী' এখন কাব্য নাটিকা। শিক্ষা উপযোগী নাট হ'লেও সোণ পখিলী ৰূপকধৰ্মী ৰচনা। নাটিকাখনিৰ অন্তৰ্নিহিত ভাবাৰ্থৰ সৈতে 'নিমাতী কইনা'ৰ ভাবাৰ্থৰ লগত সাদৃশ্য পৰিলক্ষিত হয়। 'সোণপখিলী'ত কবিতা কুমাৰে সোণপখিলীজনীক বিচাৰি ফুৰিছে। 'সোণপখিলী'জনী সৌন্দৰ্য আৰু আনন্দৰ প্ৰতীক। কলা সাধনাৰ জৰিয়তে কেনেদৰে চৰম আনন্দ লাভ কৰিব পাৰি সেই কথা 'সোণপখিলী' নাটিকাৰ জৰিয়তে জ্যোতিপ্ৰসাদে দেখুৱাবলৈ যত্ন কৰিছে। শিল্পীসুলভ দৃষ্টিভংগীৰে শিল্পীয়ে জীৱনটো গঢ় দি সকলোতে সুন্দৰৰ প্ৰকাশ কৰা— এয়াই আছিল জ্যোতিপ্ৰসাদৰ চিন্তাৰ মূল বিষয়। 'সোণপখিলী'ৰ সংলাপ ছন্দোবদ্ধ। বেছিভাগ ক্ষেত্ৰত তেওঁ 'ৰাইম' পদ্ধতি গ্ৰহণ কৰিছে যদিও জ্যোতিপ্ৰসাদৰ ছন্দৰ এটা নিজস্ব ৰূপ আছে। এই প্ৰসংগত ড° সত্যেন্দ্ৰনাথ শৰ্মাই কৈছে—

'জ্যোতিপ্ৰসাদৰ হাতত পূৰ্বপ্ৰচলিত ছন্দৰ পেটাৰ্ন বহুখিনি পৰিৱৰ্তন লাভ কৰি নতুন শক্তি সঞ্চয় কৰে। তেওঁ ছন্দৰ পৰ্ব, পৰ্বাঙ্গ আৰু যতি নতুন পদ্ধতিৰে সংস্থাপন কৰি গতিচঞ্চল আৰু ধ্বনি-লয়প্ৰধান কৰি তোলে।'


'লভিতা' জ্যোতিপ্ৰসাদ আগৰৱালাৰ এখন সামাজিক নাট। নাটকখন স্বাধীনতাৰ কাৰণে অসমবাসীয়ে কৰা অহিংস আন্দোলনৰ পটভূমিত ৰচনা কৰিছে। উনৈশ শতিকাৰ পঞ্চাশৰ দশকৰো আগতে নাটখন ৰচনা কৰিছিল। নাটখনিৰ পাতনিত নাট্যকাৰে এনেদৰে কৈছে— 'লভিতা' নাটক আকাৰে ৰংগমঞ্চৰ কাৰণেই লিখা হৈছে, তথাপি ই গতানুগতিক নাটকৰ শাৰীত নপৰে। ইয়াত সচৰাচৰ যেনেকৈ নাটকত আখ্যান, প্লট, চৰিত্ৰাংকন থাকে, সেইবোৰ ইয়াত দিয়া হোৱা নাই।...নায়ক-নায়িকা হিচাপে ইয়াত চৰিত্ৰ নাই। ইয়াৰ নায়ক গোটেই অসমীয়া ৰাইজ।'

নাটকীয় কাৰিকৰীৰ গতানুগতিক বান্ধ ভাঙি দিয়াই হ'ল এণ্টি নাটকৰ মূল লক্ষণ। সেইফালৰ পৰা 'লভিতা'ক এণ্টি নাটক বুলি কোনো কোনো সমালোচকে ক'ব খোজে।

জ্যোতিপ্ৰসাদ আগৰৱালাই নাটকৰ জৰিয়তে জাতীয় জীৱনৰ সমস্যা উত্থাপন কৰিছিল। তেওঁ জাতীয় জীৱনক গঢ় দিবলৈও যত্ন কৰিছিল। তেখেতৰ এই চেষ্টা সকলো শিল্পী-সাহিত্যিকৰে অনুকৰণীয় হোৱা উচিত। জ্যোতিপ্ৰসাদৰ আন এখন পাৰিবাৰিক নাটক হ'ল 'খনিকৰ'। ড° সত্যেন্দ্ৰ নাথ শৰ্মাইপাৰিবাৰিক নাটক সম্পৰ্কত এনেদৰে মন্তব্য দিছে— 'সমাজৰ প্ৰত্যক্ষ প্ৰভাৱ যি নাটকত নাই, বৰং পাৰিবাৰিক স্বাৰ্থ, সংঘাত আৰু পৰিয়ালৰ বিভিন্ন ব্যক্তিৰ মাজত ঈৰ্ষা-অসূয়া, সুখ-দুখ, স্নেহ-প্ৰীতিৰ দ্বন্দ্বাত্মক চিত্ৰক ভেটি কৰি যি নাটক গঢ়ি উঠে, সেই নাটক পূৰ্ণমাত্ৰাই পাৰিবাৰিক নাটক।'

জ্যোতিপ্ৰসাদৰ প্ৰথম পৰিচয় আছিল এগৰাকী মহান শিল্পী হিচাপে। তেওঁৰ জীৱনজোৰা প্ৰচেষ্টা আছিল অসমীয়া কলা-কৃষ্টিক পোহৰলৈ অনা, প্ৰতিষ্ঠা কৰা— কেৱল অসমতে নহয়, ভাৰত তথা বিশ্বতে। অসমৰ ভাস্কৰ্যক আসন দিবলৈ 'খনিকৰ' নাট ৰচনা কৰিছিল। ১৯৫১ চনত এইগৰাকী মনীষীয়ে মৃত্যুক আঁকোৱালি ল'ব লগা হয়।

এনেদৰে জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ নাট্য প্ৰতিভাৰ জৰিয়তে অসমীয়া সাহিত্য জগতৰ উঁৱাল চহকী কৰি এখন উচ্চ আসন দখল কৰিবলৈ সমৰ্থ হৈছে। বৰ্তমান সময়ত এনেধৰণৰ নাটকে ন-লেখক সকলক অনুপ্ৰেৰণা যোগাব।●●



*(লেখিকা মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী)*

B.H.B. College, Sarupeta



# শিক্ষাৰ আধাৰ আধুনিক পুথিভঁৰাল

বিজন শালৈ

B.H.B College, Sarupeta

প্ৰকৃত শিক্ষা লাভ কৰিবলৈ জীৱনব্যাপী সাধনাৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীক কেৱল স্কুল-কলেজৰ শিক্ষাতেই যে প
এনে নহয়; এই আনুষ্ঠানিক শিক্ষা সাং কৰি জাতিৰ সামাজিক জীৱন যাপনতহে নাগৰিকৰ প্ৰকৃত শিক্ষা আৰম্ভ হ
কাৰণে সমাজত অতীজৰে পৰা বৰ্তমানলৈকে একমাত্ৰ পুথিভঁৰালেহে উৎকৃষ্ট সম্বল যোগাই নাগৰিকক দায়িত্বশীল
কৰি তোলে। শিক্ষাৰ প্ৰচাৰত আৱশ্যকীয় অংশগ্ৰহণ কৰি আহিছে একমাত্ৰ পুথিভঁৰালে। ই ব্যক্তি এজনৰ আত্ম
education)। শিক্ষাৰ ভেটি মজবুত কৰিবলৈ হ'লে পুথিভঁৰালৰ অৰিহণা অপৰিহাৰ্য। ই এজন ব্যক্তিক সম
নাগৰিক হিচাপে গঢ়ি দিয়ে।

সমাজ এখনত পুথিভঁৰাল এটা বিভিন্ন ফালৰ পৰা অপৰিহাৰ্য। গতিকে পুথিভঁৰাল বিজ্ঞান (Library Scien
চিয়ালি ৰমামৃত ৰংগনাথনৰ মতে, পুথিভঁৰাল বিজ্ঞানৰ বাবে আগবঢ়োৱা পাঁচোটা সূত্ৰৰ বিষয়ে সকলো শ্ৰেণীৰ
থকাৰ দৰকাৰ। এই বিষয়ে বিশদ আলোচনা কৰা মোৰ পক্ষে, অৰ্থাৎ পুথিভঁৰাল বিজ্ঞানৰ এটা কোণো চিনি নো
বাবে অসম্ভৱ। মাত্ৰ এই বিষয়ে যৎকিঞ্চিৎ আলোচনা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আগবঢ়াে

পুথিভঁৰাল বিজ্ঞানৰ (Library Science) প্ৰথম বিধান (1st Law) হ'ল 'পুথি ব্যৱহাৰৰ কাৰণে' (Bo
অৰ্থাৎ পুথিভঁৰালৰ পুথিৰ যিটো সম্ভাৰ ই কেৱল অধ্যয়নৰ বাবেহে, সঞ্চয়ৰ বাবে নহয়। পুথিভঁৰাল এটাৰ মান
ওপৰত নিৰ্ণয় নহয়। ইয়াৰ ব্যৱহাৰৰ ওপৰতহে মান নিৰ্ণয় হয়। গতিকে আধুনিক পুথিভঁৰালী এজনৰ পুথিভঁৰা
কৰ্তব্য হ'ল, কেনেকৈ ব্যাপক হাৰত পঢ়ুৱৈৰ সংখ্যা বঢ়াব পাৰি। এই কাৰ্যত ফলৱতী হ'বলৈ হ'লে পুথিভঁৰালী
সম্ভাৰসমূহৰ বিষয়ে এটা ভাল সম্পৰ্ক থাকিব লাগিব। পুথিভঁৰালটোক 'মানৱ আত্মা'ৰ দৰে গণ্য কৰি ইয়াৰ
চিকুণকৈ ৰাখি পঢ়ুৱৈৰ সংখ্যা বঢ়াবলৈ আকৰ্ষিত কৰিব লাগিব।

পুথিভঁৰাল বিজ্ঞান (Library Science)ৰ দ্বিতীয় বিধান হ'ল প্ৰতিজন পঢ়ুৱৈৰ কাৰণে পুথি আছে (Ever
her book), অৰ্থাৎ পুথিভঁৰালীয়ে প্ৰত্যেকজন পঢ়ুৱৈক আৱশ্যকীয় অধ্যয়ন সামগ্ৰীৰ যোগান ধৰিব লাগিব

প্ৰতি আকৰ্ষিত কৰি তুলিবলৈ হ'লে পুথিভঁৰালীয়ে আৱশ্যকীয় পুথিসম্ভাৰৰ যোগান ধৰাৰ উপৰি 'তথ্যসন্ধান সেৱা'ৰ (Reference service) কাৰ্য হাতত ল'ব লাগিব। অধ্যয়ন সামগ্ৰীৰ নিহিত গুপ্ত তথ্য, একেখন পুথিৰে বিভিন্ন অংশৰ বিভিন্ন ৰূপ ধাৰণে আৰু পঢ়ুৱৈৰ আৱশ্যকীয় নানা সমাচাৰৰ সমস্যা সমাধানত আধুনিক পুথিভঁৰালীয়ে 'তথ্য সন্ধান সেৱা' আগবঢ়াইছে।

পুথিভঁৰাল বিজ্ঞানৰ তৃতীয় বিধান হ'ল 'প্ৰতিখন পুথিৰ পঢ়ুৱৈ আছে' (Every book its readers)। পুথিভঁৰালী এজনে প্ৰতিখন পুথিৰ কাৰণেই পঢ়ুৱৈ সমাজ সৃষ্টি কৰিব লাগিব। ন-পুৰণি সকলো পুথিৰ কাৰণেই পঢ়ুৱৈ সমাজ গঢ় দিবলৈ পুথিভঁৰালীয়ে সবল-সুস্থ প্ৰচাৰৰ ব্যৱস্থা হাতত ল'ব লাগিব। পুথিভঁৰালৰ আৱশ্যকতা আৰু উদ্দেশ্য ন-পুথিৰ পৰিচয় আৰু অন্যান্য সামগ্ৰীৰ কথা বা পুথিভঁৰাল মুকলি কৰা সময়ৰ জাননী আদি বাতৰিকাকত, পুস্তিকা আদিৰ যোগেদি সময়ে সময়ে প্ৰচাৰ কৰিব লাগে। প্ৰদৰ্শন ফলি (Display Board) আদিৰ যোগেদিও পুথিভঁৰালৰ পুথিৰ সন্ধান দিব পাৰি। পুথিভঁৰালত কোনো কোনো মূল্যবান পুথিৰ বিষয়বস্তুৰ ব্যাখ্যা, আলোচনাচক্ৰ আৰু তৰ্কসভা বা বক্তৃতাৰ আয়োজন কৰি পঢ়ুৱৈৰ মাজত সেই পুথিৰ জনপ্ৰিয়তা লাভ কৰাব লাগিব। জাতীয় উৎসৱ, থলুৱা পৰ্ব, মহাপুৰুষসকলৰ তিথি আদিত সেই সম্পৰ্কে লিখিত পুথিসমূহৰ প্ৰতি যাতে সেই মুহূৰ্তত পঢ়ুৱৈ সমাজত পঢ়াৰ ধাউতি বাঢ়ে বা বিশেষ সমাদৰ পায়, পুথিভঁৰালীয়ে তালৈ লক্ষ্য কৰি তেনেধৰণৰ পুথিৰ এটি বিশেষ প্ৰদৰ্শন (Topical Sequence) পঢ়ুৱৈ সমাজলৈ আগবঢ়াব লাগে।

পুথিভঁৰাল বিজ্ঞানৰ চতুৰ্থ বিধান (4th law) হ'ল পঢ়ুৱৈৰ সময় ৰাহি কৰা (Save the time of the readers)। পুথিভঁৰালী এজনে এজন পঢ়ুৱৈয়ে তথ্য বিচৰাৰ সময়ত কেতিয়াও তেওঁৰ সময়ৰ অসৎ ব্যৱহাৰ কৰিব নালাগে। যিমান সোনকালে পৰা যায় সিমান সোনকালে পঢ়ুৱৈজনক তেওঁ বিচৰা তথ্যটো দিবলৈ পুথিভঁৰালীজন আৰু ইয়াৰ কৰ্মচাৰীসকল যত্নপৰ হ'ব লাগে। ইয়াৰ বাবে পুথিভঁৰালটো সদায় পদ্ধতিগতভাৱে (Systematical Process)ত সজাব লাগে। নহ'লে এই চতুৰ্থ বিধানটো ফলপ্ৰসূ নহ'ব।

পুথিভঁৰাল বিজ্ঞানৰ পঞ্চম বিধান হ'ল পুথিভঁৰাল এটা বৃদ্ধি হৈ থকা অনুষ্ঠান (Library is a growig organism), অৰ্থাৎ পুথিভঁৰাল এটা কেতিয়াও স্থবিৰ হৈ নাথাকে। ই সদায় বাঢ়ি থাকে। অৰ্থাৎ পুথিভঁৰাল এটাক যিহেতু জ্ঞানৰ ভঁৰাল বুলি ক'ব পাৰি, গতিকে বৰ্তমান যুগত জ্ঞানৰ বিস্ফোৰণ (Knowlede Explosion) হৈছে। সেয়ে পুথিভঁৰাল এটা কেতিয়াও এটা সীমাবদ্ধ আকাৰত প্ৰস্তুত কৰিব নালাগে। ইয়াক সদায় ভৱিষ্যতৰ পৰিসৰ বৃদ্ধিৰ বাবে ব্যৱস্থা থাকিব লাগে। জ্ঞানৰ যিহেতু সীমা নাই, গতিকে পুথিভঁৰালৰ ঘৰ এটাৰো প্ৰস্তুত কৰোঁতে সদায় নিৰ্দিষ্ট সীমা থকাটো অনুচিত।



আধুনিক পুথিভঁৰালৰ পুথিভঁৰালী এজন সমাজকৰ্মী। পুথিভঁৰালৰ মাত্ৰ ৰখীয়া নহয়। সমাজৰ শিক্ষা আৰু সংস্কৃতিৰ উন্নয়নৰ আৱশ্যকীয় সাহায্যৰ দায়িত্বৰ ভাৰ আজিৰ পুথিভঁৰালীৰ ওপৰত। পুথিভঁৰালীৰ সেৱা যে এটা সামাজিক সেৱা এই কথা পুথিভঁৰালীয়ে আৰু তেওঁ সহকৰ্মীসকলে ভালদৰে উপলব্ধি কৰিব লাগিব। পুথিভঁৰালী পঢ়ুৱৈ সমাজৰ এজন পৰম বন্ধু, দাৰ্শনিক আৰু পথপ্ৰদৰ্শক। পঢ়ুৱৈ সমাজৰ মন যোগাবলৈ পুথিভঁৰালীয়ে সকলো ৰকমৰ ব্যৱস্থাই হাতত ল'ব লাগিব। আধুনিক পুথিভঁৰালীৰ পুথি বাছনি (Book Selection) এটি অতি গুৰুত্বপূৰ্ণ কাৰ্য। সকলো শ্ৰেণীৰ পঢ়ুৱৈৰ মন যোগাবলৈ নিচেই কম খৰচত অধিক উপকাৰত অহাকৈ অধ্যয়ন সামগ্ৰীৰ এটি উৎকৃষ্ট সংগ্ৰহ পুথিভঁৰালত ৰাখিব পৰাটো আধুনিক পুথিভঁৰালীৰ এটি দায়িত্বপূৰ্ণ কৰ্তব্য।

ইয়াৰ উপৰি পুথিভঁৰালীয়ে পুথিভঁৰালৰ আধুনিক কৌশলক (Modern Technique) কাৰ্যক্ষম কৰি তুলিব লাগিব। পুথিভঁৰালৰ সমগ্ৰ অধ্যয়ন সামগ্ৰীৰ ভৰ্তিকৰণ আৰু বিজ্ঞানসন্মত বৰ্গীকৰণ (Accession and Classification), পুথিসূচী (Catalogue) আৰু 'বিশ্লেষণাত্মক পুথিসূচী' (Analytical Catalogue) অধ্যয়ন সামগ্ৰী পোৱাৰ সহজসাধ্য মুকলি ব্যৱস্থা (Open Access) অধ্যয়ন সামগ্ৰী 'সঞ্চালন' (Circulation) আৰু আদান-প্ৰদানৰ ব্যৱস্থা (Changing System) আদিয়েই আধুনিক পুথিভঁৰালৰ কৌশল। আধুনিক পুথিভঁৰালী এইবিলাক ব্যৱস্থাৰ প্ৰতি অতি তৎপৰ হ'ব লাগিব। এনে ব্যৱস্থাৰ দ্বাৰাহে পুথিভঁৰালীয়ে সহজে পঢ়ুৱৈ সমাজক আকৃষ্ট কৰি অধ্যয়নৰ পৰিসৰ বৃদ্ধি কৰিব পাৰিব।

*(লেখিকা মহাবিদ্যালয়ৰ সহঃ গ্ৰন্থাগাৰিক)*

B.H.B College, Sarupeta

— ইউজিন অ'নিল—

জীৱনৰ ঘটনাবোৰ এটাৰ পিছত এটাকৈ এনেকৈ ঘটি যায় যে সেইবোৰৰ ওপৰত আমাৰ কোনো নিয়ন্ত্ৰণ নাথাকে। কি ঘটিছে সেইটো বুজিবলৈ পোৱাৰ আগতেই ঘটনাটো ঘটি যায়; ইতিমধ্যে তুমি আন কিবাকিবি কাম কৰিবলৈ আৰম্ভ কৰা। অৰ্থাৎ আনবোৰ ঘটনা ঘটিবলৈ আৰম্ভ কৰে। অৱশেষত জীৱনত এনে এটা পৰিস্থিতিৰ সৃষ্টি হয়— যিটো পৰিস্থিতিত বৰ্তমানৰ 'তুমি' আৰু ভৱিষ্যতে হ'ব খোজা 'তুমি'ৰ মাজত জীৱনৰ অনিয়ন্ত্ৰিত ঘটনা-প্ৰবাহ এখন দুৰ্লংঘ্য দেৱাল হৈ থিয় দিয়ে। তুমি তোমাৰ আচল স্বৰূপটো চিৰকাললৈ হেৰুৱাই পেলোৱা।

প্ৰবন্ধ

# মৰাণ জনগোষ্ঠীৰ উদ্ভৱ

বন্তি তালুকদাৰ

কোনো কোনো পণ্ডিতৰ মতে আকৌ মৰাণসকল অষ্ট্ৰিক মৰীয়া খেলৰ বা বড়ো গোষ্ঠীৰ সম্পৰ্কীয়। সি যি নহওঁক, মৰাণসকল যে অসমৰ অতি প্ৰাচীন জাতি তাত সন্দেহৰ কোনো অৱকাশ নাই।

অসম মাতৃৰ কোলাত বসবাস কৰ
ভিতৰত মৰাণ জাতি অন্যতম। ম
পণ্ডিতৰ বিভিন্ন মত-অমত নোপো
ৰাভাৰ মতে, মৰাণসকল মংগে
সেই মতে মৰাণসকলৰ তিনিজন
আৰু তেওঁলোকৰ নাম আছিল
আৰু মোৰাণ।

মোৰাং বংশৰ মানুহ নেপালত অ
বসবাস কৰা মৰাণসকল হৈছে
এতেকে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰা
ৰজাৰ নামানুসাৰে তেওঁৰ বংশধৰ
অঞ্চলত ধৰা হয়।

বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে
ভাষণত কেদাৰ ব্ৰহ্মচাৰী, ভূদেৱ
বনচনৰ মত উল্লেখ কৰি কৈছে
নেপালৰ পশুপতি নাথ মন্দিৰৰ
তেখেতে আৰু কৈছে যে মৰাণ,
মিৰাং, মিটাং আদি একে শব্দ আৰু
আছিল।

ব্ৰহ্মপুত্ৰৰ দক্ষিণছোৱাক লাইদৈ
সেই লাইদৈ ৰাজ্যৰ সাক্ষী এতিয়া
চুকাফা ৰজা সৌমাৰত প্ৰৱেশ কৰ
ধৰ্মপালৰ ৰাজ্যৰ পৰা মেৰাম সেনা
ৰজা হৈছিল। এওঁৰ নামতেই সম্ভৱ
তেতিয়াই স্বতী নৈৰ পাৰৰ ভালেম
মানুহ বহি নিজকে মেৰাং বা মৰাণ
মানুহবিলাক বলী আৰু সাহসী আছি
লোকে মটক বুলিবলৈ ধৰিলে।

আহোম ভাষাবিদ ৰায়চাহাব গে
আহোম ভাষাত মটক মানে আচলতে প
আৰু এই শব্দটো আহোমসকল অ
পিছত তেওঁলোকে অষ্টভূজৰ ওচৰত
ভোগ খাইছিল ১৬৭০ৰ পৰা ১৬৯২
তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল।

সেয়েহে বুৰঞ্জীবিদ শৰ্মাদেৱৰ ম
পৰ্যায়ত জন্মলাভ কৰা। তাৰ আগলৈ
আছিল আৰু ধৰ্মমতৰ চোলাটো সে
চোবা হয়, তেতিয়া মৰাণ ৰূপকেই
অভিমত প্ৰকাশ কৰিছে।

কোনো কোনো পণ্ডিতৰ মতে আ
মৰীয়া খেলৰ বা বড়ো গোষ্ঠীৰ সম্প

B.H.B College Sarupeta



অতীতত মৰাণসকলৰ মাজত একোটা নিজস্ব ভাষা আছিল আৰু এই ভাষাৰ বড়ো ভাষাৰ লগত সাদৃশ্য আছিল বুলি জনা যায়। সেয়ে অনেক পণ্ডিতৰ মতে, মৰাণসকল বৃহত্তৰ বড়ো গোষ্ঠীৰ পৰাই উদ্ভুত।

মৰাণসকল যে অসমৰ অতি প্ৰাচীন জাতি তাত সন্দেহৰ কোনো অৱকাশ নাই।

অসমৰ অন্যান্য জাতি-প্ৰজাতিৰ নিচিনাকৈ মৰাণ জাতিৰো নিজস্ব নীতি-নিয়ম আছিল আৰু আজিও আছে। সময়ৰ পৰিবৰ্তনভেদে ৰীতি-নীতি সাল-সলনি হোৱা কথাটো বেলেগ কথা। ধৰ্মৰ ক্ষেত্ৰত মৰাণসকল প্ৰথমতে শাক্ত ধৰ্মাৱলম্বী আছিল। বহুতো দেৱ-দেৱীক পূজা অৰ্চনাও কৰিছিল। শাক্তীয় বলি প্ৰথা মৰাণসকলৰ মাজত পূৰামাত্ৰাই চলি আছিল। নৰবলি প্ৰথা বাদ দি আজিও অৱশ্যে শিষ্যসকলে আগবঢ়াই যোৱা পঠা ছাগলী, ভাৰ-ভেটি আদি যজ্ঞত শোধোৱা হয়।

মৰাণসকল বৰ্তমান শাক্তধৰ্মী নহয়, তেওঁলোক বৈষ্ণৱহে। মৰাণসকল অনিৰুদ্ধ দেৱ প্ৰবৰ্তিত মায়ামৰা বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছে।

মৰাণসকল অতীজৰে পৰা কৃষিকৰ্মত নিপুণ আছিল। অতীজত ঝুম খেতি কৰিছিল— অৱশ্যে বৰ্তমানে মাটিৰ অভাৱত মৰাণৰ মাজত ঝুম খেতিৰ প্ৰথা প্ৰায়ে নাই বুলিবও পাৰি।

অতীতত মৰাণসকলৰ মাজত একোটা নিজস্ব ভাষা আছিল আৰু এই ভাষাৰ বড়ো ভাষাৰ লগত সাদৃশ্য আছিল বুলি জনা যায়। সেয়ে অনেক পণ্ডিতৰ মতে, মৰাণসকল বৃহত্তৰ বড়ো গোষ্ঠীৰ পৰাই উদ্ভুত। খেনোৰ মতে আকৌ তেওঁলোক অষ্ট্ৰিক মৰাংম খেলৰ আৰু পিছত বড়ো জাতিৰ লগত সংমিশ্ৰিত হৈ মৰাণ জাতিয়ে জন্মলাভ কৰে।

বুৰঞ্জীবিদ ই.এ গেইট চাহাবেও তেখেতৰ 'A History of Assam' গ্ৰন্থত কৈছে— 'Their language is unmisfakably Bodo'। অৰ্থাৎ মৰাণৰ আদি ভাষা সম্পৰ্কত গেইট চাহাবেও বড়ো ভাষাৰ সৈতে সম্পৰ্কীয় বুলি কৈছে। কিন্তু বৰ্তমানে মৰাণসকলে অসমীয়া ভাষাকেই নিজ মাতৃভাষা হিচাপে গ্ৰহণ কৰিছে। বৰ্তমান মৰাণসকলৰ ভাষা অসমীয়া, অৱশ্যে গাঁৱে-ভূঞে হোৱা কথা-বতৰাত অসমীয়া ভাষাৰ সৈতে কিছু নিজস্ব শব্দ ব্যৱহাৰ হোৱাটো লক্ষ্য কৰিব পাৰি। গাঁৱৰ মানুহৰ মাজত খালোং, গলোং আদি শব্দও চলি আছে। আনহাতে মৰাণসকলৰ কথা-বতৰাৰ ধৰণো সুকীয়া। গৱেষণাকাৰীৰ গৱেষণাত নিশ্চয় মৰাণসকলৰ ভাষাৰ বৈশিষ্ট্য প্ৰকাশিত হৈছে।

কেৱল ভাষা উদ্ধাৰেই নহয়, মৰাণ জাতিৰ সম্পূৰ্ণ বুৰঞ্জীও হয়তো উদ্ধাৰ সম্ভৱ। সদ্যহতে পোৱা তথ্যসমূহ যুগমীয়া কৰাৰ দৰকাৰ, তাকে নকৰিলে সময়ৰ সোঁতত অনেক তথ্য কালৰ গৰ্ভত বিলুপ্ত হ'লে ভৱিষ্যৎ পুৰুষৰ বাবে জাতিৰ নিজস্ব বৈশিষ্ট্য ৰক্ষা অসম্ভৱ হৈ পৰিব। সেয়ে সাহিত্য, বুৰঞ্জী সম্বন্ধীয় অনুষ্ঠানসমূহে এইক্ষেত্ৰত এক জোৰদাৰ গৱেষণাৰ ওপৰত গুৰুত্ব দিয়াটো উচিত হ'ব। ••

*(লেখিকা স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী)*

B.H.B College, Sarupeta



...সুস্থ মান
গাঁথনিৰ বুনি
গঢ়াৰ ক্ষে
শিক্ষানুষ্ঠানত
ঘৰখনৰ দা
স্বাভাৱিকতেই
সেয়ে ল'
ছোৱালীৰ
সংযম, কি
শৃংখলাবো
দায়িত্ববোধ অ
জীৱন যাপ
কঠীয়া স্বাভা
অভিভাৱকস
সিঁচিব লাগি

# উচ্ছৃংখল যুৱ মানসিকতা আৰু আমি

দীপ্তি কলিতা

B.H.B. College, Sarupeta

একবিংশ শতিকাৰ দুবাৰডলিত ভৰি দি স
আগবাঢ়ি যাওঁতে আমি আজি এক ভয়াবহ
হৈছোঁ। যি অফুৰন্ত শক্তিৰ আধাৰ আমাৰ যু
কৰিছে এক উচ্ছৃংখল মানসিকতাই। এই উ
সমাজক, বিশেষকৈ উঠি অহা যুৱচামক এ
যে ই এক সামাজিক ব্যাধিত পৰিণত
ব্যাধিয়ে যেনেকৈ মানৱ দেহত নানা বেমে
তেনেকৈ নানাধৰণৰ সামাজিক ব্যাধিয়েও
পথত হেঙাৰ হৈ থিয় দিয়ে।

সমাজৰ ভৱিষ্যৎ ধৰণীস্বৰূপ এই যু
বৰ্দ্ধিত উচ্ছৃংখলতা বৰ্তমান সচেতন ব্যক্তিসকল
মুখ্য বিষয়বস্তুৰূপে পৰিগণিত হৈছে। কৈশো
দুবাৰডলিত ভৰি দিয়া কলেজীয়া ডেকাৰ

আড্ডা, পাণদোকানৰ পিছফালে বহি মদ-ড্ৰাগছ্ আদি নিচাজাতীয় দ্ৰব্য সেৱনত ৰত হোৱা, আনকি অষ্টম-নৱম শ্ৰেণীৰ ছাত্ৰৰ মুখতো এইড্ছ-এইচ্‌আইভি-এইডছৰ আলোচনা আদিৰ দৰে ঘটনাবোৰ বৰ্তমান দৈনন্দিন জীৱনত একেবাৰে সহজ কথাত পৰিণত হৈছে। ৰাস্তাৰে যোৱা পিলিঙা ডেকাৰ কিৰীলি, গাভৰু ছোৱালীৰ উৎকট অশোভনীয় সাজপাৰ, বাজৰুৱা স্থানত মহিলাৰ প্ৰতি যুৱকৰ অশ্লীল মন্তব্য আদিৰ দৰে আজিৰ যুৱসমাজৰ নিত্য-নৈমিত্তিক ঘটনাবোৰৰ উপৰি সময়ে সময়ে সংঘটিত ধৰ্ষণ-লুটপাতৰ নিচিনা ঘটনাই অসমীয়া জাতিৰ পংগু ভৱিষ্যতৰ ইংগিত বহন কৰি আনিছে।

যুৱক-যুৱতীসকলৰ এনেধৰণৰ অবাঞ্ছিত কাৰ্যকলাপৰ মূল কাৰণ হিচাপে কোনোৱে একে আষাৰে এক নিৰ্দিষ্ট উৎসকেই দায়ী কৰিব নোৱাৰে। মধ্যবিত্ত সমাজত সততে সোমাই পৰা তথাকথিত আভিজাত্য, অভিভাৱকৰ মাজত গঢ়ি উঠা দুৰ্নীতিৰ প্ৰৱণতা, উপযুক্ত যৌন শিক্ষাৰ অভাৱ আদি বিভিন্ন কাৰণ যুৱ উচ্ছৃংখলতাৰ লগত জড়িত হৈ আছে।

কম বয়সীয়া সন্তানৰ হাতত প্ৰয়োজনাধিক ধন দিয়া তথা সিহঁতৰ কোমল মনত অত্যধিক লাহ-বিলাহৰ কঠীয়া ৰোপণ কৰা কাৰ্যই কৈশোৰ কালক উচ্ছৃংখল কৰি তোলাটো নিতান্তই স্বাভাৱিক ঘটনা। যুৱক-যুৱতীসকলৰ মাজত সময়ে সময়ে সংঘটিত হোৱা ধৰ্ষণৰ দৰে যৌন সম্বন্ধীয় ঘটনাবোৰৰ মূল কাৰণ হিচাপে আজিৰ শিক্ষাব্যৱস্থাত প্ৰকৃত যৌন শিক্ষাৰ অভাৱৰ কথাকেই আঙুলিয়াব পাৰি। তদুপৰি সদ্য যৌৱনপ্ৰাপ্ত কিশোৰ-কিশোৰীৰ দৈহিক পৰিৱৰ্তনৰ প্ৰতি অভিভাৱকসকলৰ অস্বাভাৱিক নীৰৱতাই তেওঁলোকক অধিক কৌতূহলী কৰি তোলে আৰু আৱেগৰ তাড়নাত লুকাই-চুৰকৈ কেতিয়াবা তেওঁলোক অসামাজিক কামতো লিপ্ত হৈ পৰে। আনবোৰ কাৰণতে কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত 'প্ৰেমত পৰাটো' বৰ্তমান এক সস্তীয়া চখত পৰিণত হৈছে।

সেয়ে ল'ৰা-ছোৱালীৰ যৌৱনৰ আৰম্ভণিৰ এই সময়ছোৱাক সুস্থভাৱে অতিবাহিত কৰি এক সুন্দৰ ভৱিষ্যতৰ আধাৰ ৰচনাৰ ক্ষেত্ৰত অভিভাৱকসকলৰ যথেষ্ট কৰণীয় থাকে। অত্যধিক উপদেশ কিম্বা হকা-বাধাৰ পৰিৱৰ্তে এই সময়ছোৱাত পিতৃ-মাতৃ আৰু সন্তানৰ সম্পৰ্ক বন্ধুত্বসুলভ হোৱা দৰকাৰ। গতিকে যুৱক-যুৱতীসকলৰ মানসিকতাৰ ওপৰত অভিভাৱকসকল অধিক সচেতন আৰু কৰ্মতৎপৰ হোৱাটো বাঞ্ছনীয়।

ছাত্ৰ-ছাত্ৰীৰ মনত সুস্থ জাতীয়তাবোধৰ জন্ম দি তেওঁলোকক ভৱিষ্যৎ আত্মনিৰ্ভৰশীল কৰি তুলিব পৰাকৈ পাঠ্যক্ৰমত উপযুক্ত বিষয়ক অন্তৰ্ভুক্ত কৰাটো বাঞ্ছনীয়। অন্যথা সমস্যা সমস্যা হৈয়ে ৰ'ব; কাৰণ অত্যাধিক শিক্ষা বিস্তাৰেও জাতীয় জীৱনৰ কেৰোণসমূহ দূৰ কৰিব নোৱাৰিব। ◆◆

*(লেখিকা মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰবক্তা)*

## বিখ্যাত লোকৰ জীৱনৰ পৰা

✿✿ ভিনচেণ্ট ভেন গঘৰ নাম নুশুনা ব্যক্তি এই পৃথিৱীত হয়তো নোলাব। সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰশিল্পীসকলৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ শিল্পী ভেন গঘৰ সমগ্ৰ জীৱনটোৱেই আছিল ৰহস্যময়।

চিৰদৰিদ্ৰ আৰু কুৰূপ ভেন গঘে জীৱনত কেতিয়াও কোনো তিৰোতাৰ প্ৰেম পোৱা নাছিল। তিৰোতাৰ প্ৰেম আৰু সাহচৰ্যৰ কাৰণে তেওঁ গোটেই জীৱন হাহাকাৰ কৰি ফুৰিব লগা হৈছিল। হৃদয়ত চিৰ জাগ্ৰত হৈ থকা এই প্ৰেমৰ ক্ষুধাৰ তাড়নাতেই ভেন গঘে এদিন আৰ্লছৰ কোনো এখন ৰেষ্টোৰাঁত এজনী সামান্য পৰিচাৰিকাক প্ৰেম নিবেদন কৰিছিল; কিন্তু ছোৱালীজনীয়ে আশা কৰা মতে তাইক প্ৰেমৰ উপহাৰ দিবলৈ তেওঁৰ সামৰ্থ নাছিল। ছোৱালীজনীয়ে ঠাট্টা কৰি তেওঁক কৈছিল, "দিবলৈ যদি আন একো নাই, তেন্তে তোমাৰ ধপলা-ধপল কাণ দুখনৰ এখনকে কাটি মোক উপহাৰ নিদিয়া কিয়?" পিছদিনা ছোৱালীজনীলৈ ভেন গঘৰ পৰা এটা উপহাৰৰ টোপোলা আহিল। টোপোলাটো খুলি তাই আৱিষ্কাৰ কৰিলে এখন ৰক্তাক্ত কাণ!

◆ ◆ ◆ ◆

✿✿ মহাত্মা গান্ধী দক্ষিণ আফ্ৰিকাত থকা কালৰ কথা। এদিন এজন মুছলমান খানচামা (ৰান্ধনীশালৰ যাৱতীয় কাম চলোৱা সহকাৰী) বন্ধুৱে গান্ধীজীক ক'লেহি— মই ইংৰাজী জনা হ'লে আৰু কিছু টকা উপাৰ্জন কৰিব পাৰিলোহেঁতেন। বৰ্তমান যিখিনি উপাৰ্জন কৰোঁ তাৰে সংসাৰ চলাবই নোৱাৰোঁ।

: তুমি মোৰ ওচৰলৈ আহিবা, মই তোমাক ইংৰাজী শিকাম।

— গান্ধীজীয়ে ক'লে।

খানচামাজনে ক'লে— আপুনি মোক ইংৰাজী শিকাবলৈ ইচ্ছা কৰিছে, ই আপোনাৰ অনুগ্ৰহ, তাৰ বাবে মই আপোনাক ধন্যবাদ জনাইছোঁ। কিন্তু সমস্যা হৈছে, মই যদি আপোনাৰ ওচৰলৈ ইংৰাজী শিকিবলৈ আহোঁ তেনেহ'লে কাম কৰিবলৈ মোৰ সময়েই নহ'ব।

গান্ধীজীয়ে ক'লে— বাৰু চিন্তা নকৰিবা। এটা কাম কৰোঁ তুমি যদি মোৰ ওচৰলৈ আহিব নোৱাৰা, তেন্তে ময়েই তোমাৰ ওচৰলৈ যাম। তুমি ইংৰাজী শিকিবই লাগিব।

সেই খানচামাজনক ইংৰাজী শিকাবলৈ গান্ধীজীয়ে প্ৰতিদিনে চাৰি মাইল বাট খোজকাঢ়ি তেওঁৰ (খানচামাৰ) ঘৰত উপস্থিত হৈছিলগৈ।

B.H.B. College, Sarupeta



জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সূক্ষ্ম অনুভূতিৰ ব্যঞ্জনা, কাব্যিক সাৱলীল প্ৰকাশভংগী, গভীৰ অন্তৰ্দৃষ্টি আদিৰ সামগ্ৰিক বিচাৰত 'কাৰেঙৰ লিগিৰী' নাটকখনকে শ্ৰেষ্ঠ বুলিব পাৰি।

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাট্যকৃ 'কাৰেঙৰ লিগিৰী'

পিংকু তালুকদাৰ

B.H.B. College, Sarupeta

## অসমীয়া

সাহিত্যজগতলৈ, বিশেষকৈ নাট্য-সাহিত্যৰ জগতলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান অন্যতম। নাট্যশিল্পীৰূপে জ্যোতিপ্ৰসাদ আগৰৱালাই যে আধুনিক অসমীয়া সাহিত্যত নতুন পথ মুকলি কৰিছিল এই কথা প্ৰকৃতেই কোৱা হয়। ১৪ বছৰ বয়সতে তেওঁ প্ৰথমখন নাটক 'শোণিত কুঁৱৰী' ৰচনা কৰে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বিতীয় নাটক 'কাৰেঙৰ লিগিৰী' বহুতো নাট্যগুণৰ বাবে অসমীয়া নাট্য-সাহিত্যৰ বুৰঞ্জীত এখন বিশিষ্ট নাটক। প্ৰথমখন নাটক 'শোণিত কুঁৱৰী'ৰ দৰে 'কাৰেঙৰ লিগিৰী' নাটকৰ বিষয়বস্তু সামন্ত সমাজ। পাৰ্থক্য মাথোন ইমানেই যে প্ৰথমখনৰ কাহিনী পুৰাণৰ পৰা গ্ৰহণ কৰা পূৰ্বপ্ৰস্তুত আৰু পিছৰখনৰ কাহিনী সামন্ত যুগৰ আধাৰত কল্পিত।

অসমীয়া জাতীয় জীৱনত মহাপুৰুষ শংকৰদেৱে যি সংস্কৃতিৰ বৰভেটি নিৰ্মাণ কৰিলে, সেই বৰভেটিৰ ওপৰত সাহিত্য-সংস্কৃতিৰ সৌধ প্ৰতিষ্ঠা কৰিলে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে। তেৱেঁই প্ৰথমতে ৰোমাণ্টিক নাট্যৰীতি ভঙ্গ কৰি নাট্যকাৰৰ সূক্ষ্ম দৃষ্টিৰে বিভিন্ন দৃশ্যৰ পৰিকল্পনা তথা বিস্তৃত নাট্য নিৰ্দেশনাৰ প্ৰয়োগেৰে অসমীয়া নাট্য আন্দোলনক এক নতুন মাত্ৰা প্ৰদান কৰে। জ্যোতিপ্ৰসাদ আগৰৱালা আছিল অসমীয়া জাতীয় জীৱনৰ ধ্ৰুৱতৰা। অসমীয়া জাতীয় জীৱনৰ লগতে অসমীয়া কৃষ্টি-সংস্কৃতিৰ সকলো দিশতে এক ৰূপান্তৰৰ আদৰ্শৰে নতুনৰ প্ৰচেষ্টাত সৰ্বদা জড়িত আছিল।

জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সূক্ষ্ম অনুভূতিৰ ব্য
প্ৰকাশভংগী, গভীৰ অন্তৰ্দৃষ্টি আদিৰ সামগ্ৰিক বিচা
নাটকখনকে শ্ৰেষ্ঠ বুলিব পাৰি। মধ্যযুগীয় ৰজাদিনীয়
কাহিনীভাগ ৰচিত হৈছে। তেওঁৰ অন্যান্য নাটসমূহ হ'ল
'ৰূপালীম', 'নিমাতী কইনা', 'সোণপখিলী', 'লভি
আগৰৱালাদেৱে নাটকৰ উপৰি গল্প, কবিতা, গীত, প্ৰ
ৰচনা, এখন জীৱনী গ্ৰন্থ (চন্দ্ৰকুমাৰ আগৰৱালা) অস
দি গৈছে।


'পুৰণি আৰু নতুনৰ সংগ্ৰামত নতুনক প্ৰথম আদৰি
তাৰেই মূৰ্ত প্ৰতীক আছিল ৰূপকোঁৱৰ।' ৰূপকোঁৱৰ
আৰু কৃতিৰ আলোচনা সন্দৰ্ভত গণশিল্পী হেমাংগ বিশ্বা
স্বৰূপাৰ্থত ৰূপকোঁৱৰৰ জীৱনাদৰ্শৰ সম্যক পৰিচয়
কাৰিকৰী, চৰিত্ৰ চিত্ৰন, কথোপকথন, চিন্তা-চৰ্চা আদি
নাটকখন অসমীয়া সাহিত্যত এক অপূৰ্ব সৃষ্টি। 
জ্যোতিপ্ৰসাদৰ এই নাটখনেই আধুনিক অসমীয়া নাট্য
চিন্তাশীল নাটকৰ সূচনা কৰে।

'কাৰেঙৰ লিগিৰী' নাটকখনক আধুনিক যুগৰ এখন
পাৰি। বিশ্বৰ শ্ৰেষ্ঠতম আধুনিক নাটকবোৰৰ ভিতৰত
পৰা যায়। উপনদীবোৰে যিদৰে নদীত মিলি নদীৰ প্ৰ

ঠিক তেনেদৰে কেৰবাটাও ধাৰা, নাটকীয় পৰম্পৰা, ...বৈচিত্ৰ্য আৰু ভাবনাৰ সমাহাৰ ঘটিছে 'কাৰেঙৰ লিগিৰী'ত। 'অসমীয়া নাট্য-সাহিত্য'ত ...সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে যে জ্যোতিপ্ৰসাদৰ ...ইবচেন, গলছৱদী আৰু বৰ্ডছৱৰ্থৰ প্ৰভাৱ পৰিছে। 'কাৰেঙৰ লিগিৰী' নাটকখন তেওঁ ...ত থাকোঁতেই ৰচনা কৰে। এইখন নাটকত ...গীতসমূহত পাশ্চাত্য সুৰৰ চাপ সুস্পষ্টভাৱে পৰিছে যদিও বিষ্ণু ৰাভাই লিখাৰ দৰে— 'অথচ ...জতুৱা ঠাঁচ এৰা নাই সেইবোৰে।' ব্ৰিটিছ সাহিত্যিক ৰুডায়াৰ্ড কিপলিঙে (Rudayard Kipling) কোৱাৰ দৰে প্ৰাচ্য আৰু পাশ্চাত্যৰ মিলন কেতিয়াও হ'ব নোৱাৰে বা হোৱা নাই বুলি ...প্ৰত্যয় জ্যোতিপ্ৰসাদৰ দৰে অসাধাৰণ প্ৰতিভাৰ আগত অসত্য বুলি প্ৰমাণিত হৈছে। ...কোঁৱৰৰ যাদুকৰী হাতৰ শিল্পীসুলভ পৰশ পাই প্ৰাচ্য আৰু পাশ্চাত্য 'কাৰেঙৰ লিগিৰী' নাটকত মিলি একাকাৰ হৈ পৰিছে। T. S. Eliot-এ শ্বেইক্সপীয়েৰৰ 'হেমলেট' নাটকখনক 'Monalisha of literature' বুলি কোৱাৰ দৰে আগৰৱালাদেৱৰ 'কাৰেঙৰ লিগিৰী'কো অসমীয়া সাহিত্যত মনালিছা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

ঊনৈশ শতিকাত নৰৱে দেশৰ নাট্যকাৰ হেনৰিক ইবচেনে পোনপ্ৰথমে বাস্তৱধৰ্মী, চিন্তাশীল, সমস্যামূলক নাটক লিখি ইউৰোপৰ নাট্যজগতত বিপ্লৱৰ সূচনা কৰে। পিছত ইংৰাজী সাহিত্যত বাৰ্ণাৰ্ড শ্ব'ই চিন্তামূলক, আলোচনাপ্ৰধান নাটকৰ প্ৰসাৰ সাধন কৰে। পৃথিৱীৰ অন্যান্য সাহিত্যৰ লেখীয়াকৈ অসমীয়া সাহিত্যতো ইবচেনৰ প্ৰভাৱ ইংৰাজী সাহিত্যৰ যোগেদি পৰিছে। আগৰৱালাদেৱৰ 'কাৰেঙৰ লিগিৰী' নাটকত ইবচেনীয় নাট্যৰীতিৰ ব্যৱহাৰ অসমীয়া নাট্য-সাহিত্যত পোনপ্ৰথমবাৰৰ বাবে দেখা যায়। জ্যোতিপ্ৰসাদৰ গীতৰ সুৰবোৰত বিদেশী সুৰৰ প্ৰভাৱ পৰিলেও যেনেকৈ 'নিভাঁজ অসমীয়া সুৰবোৰ পাহিয়ে পাহিয়ে তিৰ্‌বিৰাই আছে' তেনেকৈ পশ্চিমীয়া নাট্যকাৰসকলৰ প্ৰভাৱ পৰিলেও জ্যোতিপ্ৰসাদৰ নাটকৰ বিষয়বস্তু সম্পূৰ্ণৰূপে অসমীয়া সমাজৰ পৰা আহৰণ কৰা।

'কাৰেঙৰ লিগিৰী' নাটকৰ কাহিনী নিৰ্মিত হৈছে অনেক দ্বন্দ্বৰে। এই দ্বন্দ্ব ব্যক্তিৰ সৈতে ব্যক্তিৰ, ব্যক্তিৰ সৈতে সমাজৰ, আদৰ্শৰ সৈতে আদৰ্শহীনতাৰ আৰু মানুহৰ চিৰন্তন মৌলিক প্ৰবৃত্তিৰ সৈতে সমাজসৃষ্ট নীতিবোধৰ। নাটকখনৰ কাহিনীৰ আৰম্ভণিয়েই হৈছে পুত্ৰ আৰু মাতৃৰ সংঘাতেৰে। 'কাৰেঙৰ লিগিৰী'ত জ্যোতিপ্ৰসাদৰ বৈপ্লৱিক চিন্তা-চৰ্চাৰ স্পষ্ট আভাস পোৱা যায়। সমাজৰ কুসংস্কাৰ, অন্ধবিশ্বাস, উৰলি যোৱা ৰীতি-নীতি আৰু অনুষ্ঠানবোৰ ধ্বংস কৰি যুক্তি আৰু বিজ্ঞানসম্মত চিন্তাৰ ভেটিত এখন নতুন সমাজ প্ৰতিষ্ঠা কৰাৰ নাট্যকাৰৰ যি প্ৰয়াস সেয়া নাটকৰ কথোপকথনত সুন্দৰকৈ প্ৰকাশ পাইছে। পৰম্পৰাগত প্ৰাচীন মূল্যবোধত বিশ্বাসী ৰাজমাও আৰু বাস্তৱবিমুখ ভাবপ্ৰৱণ পুত্ৰ সুন্দৰকোঁৱৰৰ দ্বন্দ্বই নাট্য কাহিনীৰ বীজস্বৰূপ। পৰম্পৰা প্ৰবাহী চৰিত্ৰ হিচাপে ৰাজমাওৰ ইচ্ছা— তেওঁৰ পুতেক সুন্দৰকোঁৱৰে বিয়া কৰাই ৰীতিগত জীৱন যাপন কৰিব লাগে; কিন্তু বাস্তৱবিমুখ আৰু ভাবপ্ৰৱণ মানসিকতাৰ সুন্দৰকোঁৱৰ বিবাহ আৰু ৰাজকাৰ্য পৰিচালনাৰে জীৱনক অনৰ্থক বোজাস্বৰূপ কৰি তোলাৰ পক্ষপাতী নহয়। সুন্দৰকোঁৱৰৰ চৰিত্ৰ বৈপ্লৱিক মানসিকতাৰ প্ৰতীক। তেওঁৰ দৃঢ় বিশ্বাস, ৰূপান্তৰৰ মাজেদি নতুন সমাজ গঢ়িব লাগিব আৰু ৰূপান্তৰৰ বাবে বিপ্লৱ অৱশ্যম্ভাৱী। সুন্দৰকোঁৱৰ নতুন বৈপ্লৱিক আদৰ্শৰ প্ৰতিনিধি। প্ৰাচীন সমাজৰ যুক্তিহীন নিয়ম-নীতি উলংঘা কৰি নতুন জীৱনৰ পথ ৰচনা কৰাই তেওঁৰ লক্ষ্য। তেওঁৰ আদৰ্শ নতুন মূল্যবোধৰ সৃষ্টি কৰা। কিন্তু সমস্যা হ'ল সমাজৰ সকলো দিশ অধ্যয়ন কৰি প্ৰকৃত সত্য উলংঘা কৰিবলৈ তেওঁ অপাৰগ। কোঁৱৰৰ বিদ্ৰোহ কেৱল আদৰ্শৰ তাড়িত কৰা বিদ্ৰোহ। মেথিউ আৰ্ণল্ডে শ্যেলীৰ বিষয়ে কোৱাৰ দৰে সুন্দৰকোঁৱৰৰ শূন্যতে পাখি কোবাই থকা দেৱদূত। 'কাৰেঙৰ লিগিৰী'ত সুন্দৰৰ ব্যক্তিকেন্দ্ৰিকতা, অস্পষ্ট কোনো এক আদৰ্শৰ প্ৰতি মোহ, গোড়ামী আৰু আত্মীয়-স্বজনৰ ইচ্ছা আৰু আকাংক্ষাৰ সৈতে বিৰোধত সুন্দৰৰ জীৱন অকাৰণত যন্ত্ৰণাজৰ্জৰ হৈ পৰিল। মানুহৰ চৰম অসহায়তাবোধৰ যন্ত্ৰণা যে বহু সময়ত মানুহৰ নিজৰেই সৃষ্টি, এই সত্য সুন্দৰকোঁৱৰৰ চিন্তা আৰু কৰ্মই প্ৰমাণ কৰি দেখুৱালে। জীৱনৰ সত্য আৰু সৌন্দৰ্য উপলব্ধিৰ বস্তু। সেইবাবে জীৱনত হৃদয়ৰ দাবীৰ মূল্য আটাইতকৈ বেছি। সুন্দৰে যুক্তিৰে জীৱনক পৰিচালিত কৰি হৃদয়ৰ দাবীক অস্বীকাৰ কৰিছিল। কিন্তু শেৱালিৰ আত্মত্যাগৰ



**'কাৰেঙৰ লিগিৰী' নাটকৰ কাহিনী নিৰ্মিত হৈছে অনেক দ্বন্দ্বৰে। এই দ্বন্দ্ব ব্যক্তিৰ সৈতে ব্যক্তিৰ, ব্যক্তিৰ সৈতে সমাজৰ, আদৰ্শৰ সৈতে আদৰ্শহীনতাৰ আৰু মানুহৰ চিৰন্তন মৌলিক প্ৰবৃত্তিৰ সৈতে সমাজসৃষ্ট নীতিবোধৰ।**

মহত্ব আৰু সৌন্দৰ্য দেখি সুন্দৰৰ ভ্ৰান্তি দূৰ হ'ল। বাস্তৱ জীৱন, জগত আৰু হৃদয়ৰ মূল্য তেওঁ উপলব্ধি কৰিলে।


'কাৰেঙৰ লিগিৰী'ক কিছু পৰিমাণে 'সমস্যামূলক নাটক'ৰ শ্ৰেণীত পেলাব পাৰি। তত্ত্বমুখ্য নাটকত, অধ্যাপক নিকলৰ ভাষাত বৃহত্তৰ ধাৰণাক (Larger Concept) ব্যক্ত কৰিবলৈ চেষ্টা কৰা হয়। সামাজিক, ৰাজনৈতিক, আধ্যাত্মিক, নৈতিক যিকোনো তত্ত্বক তত্ত্বমুখ্য নাটকৰ জৰিয়তে প্ৰকাশ কৰা হয়। শ্ব'ৰ নাটকসমূহত সমসাময়িক সকলো ধৰণৰ সমস্যা উত্থাপন কৰা হয়, চৰিত্ৰসমূহে সেই সমস্যা অলোচনা কৰে আৰু শেষত প্ৰচলিত মূল্যবোধৰ বিপৰীত এটা মূল্যবোধ দাঙি ধৰি এটি মীমাংসাত উপনীত হোৱা দেখুওৱা হয়। তত্ত্বমুখ্য নাটকৰ এইবোৰ লক্ষণ 'কাৰেঙৰ লিগিৰী'ত নাই। অৱশ্যে 'কাৰেঙৰ লিগিৰী' নাটকৰ আটাইকেইটা চৰিত্ৰ অংকনত নাট্যকাৰ সফল হৈছে। মুখ্য চৰিত্ৰ সুন্দৰকোঁৱৰ অন্তৰ্দ্বন্দ্বৰ সন্মুখীন হৈছে। কাঞ্চনমতীৰো এটা মানসিক দ্বন্দ্ব আছে। কাঞ্চনমতী ভাৰতীয় আদৰ্শৰ প্ৰতি মোহগ্ৰস্ত নাৰী। সেয়ে ব্যক্তি হৃদয়ৰ আহ্বানতকৈ সামাজিক

BHB College Sarupeta

নীতিবোধৰ ওপৰত অধিক গুৰুত্ব দিব খোজে। অনঙ্গই প্ৰেম নিবেদন কৰাৰ সময়ত হৃদয়ৰ প্ৰয়োজ
অনঙ্গক কৈছিল— 'সমাজৰ নিয়ম যে মাক-বাপেকে নিজ ইচ্ছাৰে যাক দিব, জীয়েকে কোনো প্ৰতি
লাগিব।' এটা সংঘাতপূৰ্ণ জীৱন অতিবাহিত কৰিব নোৱাৰি শেৱালিয়ে অৱশেষত আত্মহত্যা ক
নাটকৰ শেৱালি যথাৰ্থতেই শাৰদীয় নিয়ৰত তিতা এপাহি শেৱালি ফুল। সুন্দৰকোঁৱৰক শেৱালিয়ে
নাপালেও, কল্পনা নাপালেও কল্পনা বাস্তৱৰ দৰে ইমান কৃপণ নহয়। কল্পনাই মানুহে যি বিচাৰে তাকে
সুন্দৰৰ কোঠা সজাওঁতে সুখ-স্বপ্নৰ কল্পনা কৰি কৰি গুণ্‌গুণাই গাইছে— 'সোণৰ পালেঙত অ' মনে
অ' মনেত্বৰা। /ধুনীয়া কোঁৱৰৰ ঘুমটি নাহিলে / কপাহৰে দলিচা পৰা মনেত্বৰা।'

'কাৰেঙৰ লিগিৰী'ত ঘটনাও আছে, চৰিত্ৰও আছে। এৰিষ্টটলৰ মতে, নাটকৰ উপস্থাপনা বিষয়
ঘটনা। ড্ৰাইডেন, হেনৰী আৰ্থাৰ জোনছ, হেনৰী হাডচন আদিৰ মতে, চৰিত্ৰ সৃষ্টিয়েই নাটকৰ মূল
নাটকৰ মান নিম্নগামী হয়। 'কাৰেঙৰ লিগিৰী'ত কাহিনী আৰু চৰিত্ৰৰ সুস্থ সংযোগ ঘটিছে বুলি ক'
প্ৰকাশধৰ্মী বা বিকাশধৰ্মী, সৰল বা জটিল দুয়োপ্ৰকাৰৰ হ'ব পাৰে। প্ৰকাশধৰ্মী চৰিত্ৰৰ জৰিয়তে চ
অপৰিবৰ্তিত ৰূপ প্ৰকাশ পায়। সুন্দৰকোঁৱৰৰ চৰিত্ৰ একাধিক বৈপৰীত্যৰ দ্বাৰা ভাৱাক্ৰান্ত। তেওঁৰ
কৰিব পাৰি— কাঞ্চনমতীৰ লগত বিবাহৰ পূৰ্বৰ পৰ্যায় আৰু বিবাহৰ পিছৰ পৰ্যায়। বিবাহৰ পিছত সু
অসুস্থ নাৰীবিদ্বেষ বহুখিনি কমি গৈছে। নাটকত প্ৰথমে সুন্দৰে ৰাজমাওৰ কথা মতে কাঞ্চনমতীক
সত্ত্বেও ৰাজী হ'ব লগা হয়। তথাপি যেন সুন্দৰে বাস্তৱতাৰ লগত আপোচ কৰিব খোজা নাই।

'কাৰেঙৰ লিগিৰী' নাটখনৰ প্ৰত্যেকটো চৰিত্ৰই স্বকীয় বৈশিষ্ট্যপূৰ্ণ। নায়ক-নায়িকাৰ জীৱনত দ্বন্দ্ব
গতিদান কৰাৰ দিশত ৰাজমাও উল্লেখযোগ্য চৰিত্ৰ। ৰাজমাৱে ৰজাঘৰীয়া মৰ্যাদাৰ অভিমানত অন্ধ হৈ
পৰিচয় দিছে। এই ব্যক্তিকেন্দ্ৰিক মানসিকতাৰ বাবেই ৰাজমাৱে নিজে নাৰী হৈও অসহায় শেৱালিক
খেদি পঠিয়াই
দিশত ৰাজমা
নাটকৰ চৰিত্ৰ
বলিষ্ঠ চৰিত্ৰ।




'কাৰেঙৰ লি
আৰু অনঙ্গৰ
বৈশিষ্ট্যপূৰ্ণ। ন
ভূমিকা আছে,
নাই। অনঙ্গৰাম অবিচল প্ৰেমিক, কিন্তু দুৰ্বল মানুহ— যি কাঞ্চনমতীৰ প্ৰতি থকা গোপন গভীৰ
আগত বিয়াৰ আগতে খুলি ক'বলৈ সাহ নকৰিলে। অনঙ্গৰ চৰিত্ৰটো নাট্যকাৰে করুণ চৰিত্ৰ হিচাপে গ
যদিও অনঙ্গৰ চৰিত্ৰই আমাৰ মনত গভীৰ সাঁচ বহুৱাব পৰা নাই। কাৰণ তেওঁ সন্মুখীন হোৱা পৰিস্থিতিৰ
দৃষ্টিভংগী নাই। অনঙ্গৰামৰ সমাজৰ বিৰুদ্ধে যোৱাৰ মানসিকতা নাই। কাঞ্চনমতীয়ে যেতিয়া অনঙ্গক

'কিয় ? সুন্দৰকোঁৱৰক আপুনি হাক নিদিয়ে। তেওঁক সকলো কথা ক'লে তেওঁ যদি আপোনাৰ প্ৰকৃত

অনঙ্গ ঃ মই তাকে কৰিলে তোমাৰ-মোৰ প্ৰণয়ৰ কথা ওলাই পৰিব।

কাঞ্চন ঃ ওলাই পৰিলে কি হ'ব?

অনঙ্গ ঃ সমাজে কি বুলিব?

ইয়াতেই অনঙ্গৰ সমাজলৈ যি ভয় তাক প্ৰকাশ পাইছে। অনঙ্গই কাঞ্চনমতীক বিয়া কৰোৱাৰ ক্ষেত্ৰ
প্ৰদান কৰাৰ চেষ্টা কৰা নাছিল। অনঙ্গই নিজৰ ভুল স্বীকাৰ কৰিছে— 'মোৰ মানসিক কাপুৰুষালিয়ে
সুন্দৰেও নিজৰ কাপুৰুষালিক অনুভৱ কৰিছে। প্ৰতিষ্ঠিত সামাজিক ৰীতি-নীতিক সন্মান জনাবলৈ
সত্ত্বেও কাঞ্চনমতীক বিয়া কৰাইছে। সেয়া সুন্দৰৰ কাপুৰুষালি— '(কাঠ হাঁহি মাৰি) মানসিক কাপুৰু
সংকল্পৰ পৰা পিছলাই দিলে...।'

'কাৰেঙৰ লিগিৰী' নাটৰ আন এক প্ৰধান আকৰ্ষণ হ'ল নতুন আদৰ্শৰ নতুন নাৰী চৰিত্ৰৰ প্ৰস্তাৱনা।
প্ৰথম নাটক 'শোণিত কুঁৱৰী'তেই নতুন নাৰীৰ খচৰা আগবঢ়াইছে চিত্ৰলেখা চৰিত্ৰৰ মাজেৰে। 'কাৰেঙৰ

B.H.B. College, Sarupeta



'কাৰেঙৰ লিগিৰী' নাটকৰ বিষয়বস্তু ইতিহাস-আশ্ৰয়ী, কিন্তু ৰূপায়ণৰ ৰীতি আধুনিক, ৰসানুভূতিৰ দিশত ৰোমাণ্টিক, কিন্তু ভাৱৰ দিশত আধুনিক। সেইবাবেই 'কাৰেঙৰ লিগিৰী' নাটকত অসমীয়া সাহিত্যৰ ৰোমাণ্টিকতাৰ শেষ মূৰ্চ্ছনা আৰু আধুনিকতাৰ সূচনাৰ উপক্ৰম হোৱা দেখা যায়।

জ্যোতিপ্ৰসাদৰ জৰিয়তে তেওঁৰ আদৰ্শ নাৰী চৰিত্ৰ অংকন কৰাৰ প্ৰচেষ্টাত কিছু পৰিমাণে সফল হোৱা দেখা যায়। কাঞ্চনমতীৰ চৰিত্ৰ নতুন মূল্যবোধেৰে উদ্বুদ্ধ নতুন নাৰী সত্তাৰ এক বলিষ্ঠ বাটকটীয়া। অৱশ্যে বিয়াৰ পিছত স্বামীৰ আগত পূৰ্ব প্ৰণয় আৰু মানসিক স্থিতিৰ বিষয়ে স্পষ্টভাৱে জনাবলৈ সক্ষম হৈছে যদিও সামাজিক ক্ষেত্ৰত দুৰ্বলতা প্ৰদৰ্শন কৰাৰ বাবে চৰিত্ৰটো জ্যোতিপ্ৰসাদৰ আকাংক্ষিত নাৰী চৰিত্ৰ হৈ উঠিব নোৱাৰিলে। তথাপি অভিজাত সমাজত তেনে এটা চৰিত্ৰই যিখিনি সাহসিকতা প্ৰদৰ্শন কৰিলে সেয়া উল্লেখযোগ্য। কাঞ্চমনতীয়ে অনঙ্গৰ মাজত লুকাই থকা সমাজৰ প্ৰতি শংকাক তাচ্ছিল্য কৰিছে। কাঞ্চন অইন সাধাৰণ নাৰীৰ দৰে আবেগিক নহয়। সপোনবিভোৰো নহয়। কল্পনাবিলাসীও নহয়। বাস্তৱৰ প্ৰতি কাঞ্চনমতী সজাগ। নিজৰ প্ৰেমিকক বাদ দি ৰাজকোঁৱৰক বিয়া কৰাই ৰাজৰাণী হোৱাৰ সুবিধাসো তাইৰ নাই। জীৱনবোধৰ ক্ষেত্ৰত অনঙ্গ আৰু কাঞ্চনমতীৰ মাজত আকাশ-পাতাল প্ৰভেদ। অনঙ্গই কাঞ্চনমতী সুন্দৰ কোঁৱৰৰ লগত বিয়া হোৱাৰ গুলোৱাত কাঞ্চনমতীক দোষ দিয়াত কাঞ্চনমতীয়ে তাৰ উত্তৰ তিৰ্যক ৰূপত দিয়ে—

(কঢ়ভাৱে) কাৰো সপোন কোনেও ভাঙিব নোৱাৰে। সপোন নফলিয়াইহে।'

কাঞ্চনমতীৰ উক্ত সংক্ষিপ্ত কথাখিনিয়ে নাটকখনক এক উচ্চভূমিলৈ উত্তৰণ কৰোৱাইছে। এনেবোৰ কথাক নাটকখনৰ sublime point বুলিব পাৰি। আকৌ কাঞ্চনমতীয়ে সুন্দৰকোঁৱৰক কৈছে— 'ৰঘৰৰ খুঁটাবোৰ ভুলকৈ পুতি ঘৰটো সজোৱাৰ পিছত খুঁটাবোৰ শুদ্ধকৈ খুৱাবলৈ গ'লে গোটেই ঘৰটোকেই ভাঙিব লাগিব।' কাঞ্চনমতীৰ এনে যুক্তিত বাস্তৱবোধ আছে, ব্যৱহাৰিক অভিজ্ঞতা আছে আৰু সময় তথা পৰিৱেশসাপেক্ষ জীৱনৰ লগত কিছু আপোচ বা adjustment কৰাৰ প্ৰস্তুতি আছে।

'কাৰেঙৰ লিগিৰী'ত গৌণ চৰিত্ৰবোৰেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তেওঁলোক এফালে কাহিনীৰ tensionক লঘু কৰি দৰ্শকক সকাহ দিছে আৰু আনফালে কাহিনীক আগবঢ়াই নিয়াত বা দৰ্শকক ৰঙ্গমঞ্চত উপস্থাপিত নোহোৱা বহুতো কথাৰ সম্ভেদ দি নাটকৰ গতিশীলতাক বজাই ৰাখিছে। বপুৰা, ৰেৱতী, সেউজী, চাওদাং আদি চৰিত্ৰই নাটকখনৰ গতিশীলতাক বাহাল ৰখাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। শেইক্সপীয়েৰৰ নাট্যকৌশল অনুসৰণ কৰি জ্যোতিপ্ৰসাদে হাস্যজনক পৰিস্থিতিত 'বপুৰা' নামৰ লঘু চৰিত্ৰটোৰ জৰিয়তে সফলতা লাভ কৰিছে। বাহিৰত মুৰ্খ বহুৱা-হজুৱা হৈ ভিতৰত নোম টেঙৰ চৰিত্ৰটোৰ জৰিয়তে নাটকীয় প্ৰয়োজন আৰু হাস্য ৰসাত্মক প্ৰয়োজন পূৰ্ণ কৰাৰ লগতে সংস্কৃত নাটকৰ দৰে নায়কৰ বিশ্বস্ত লগৰীয়া (বিদূষক)ৰ ভূমিকাতো সফলভাৱে অৱতীৰ্ণ হৈছে।

নাটকখনৰ চতুৰ্থ অংকৰ দ্বিতীয় দৰ্শনত নগা ল'ৰাটোৱে তাৰ প্ৰেমিকা 'চাৰুপেনা'ক বিচাৰি ফুৰিছে। সি নতা কৰিছে। তাৰ যুক্তি— 'গছে নাচে, পাতে নাচে, নৈয়ে নাচে, ময়ো নাচিম।' এই দৃশ্যত নগা ল'ৰা আৰু অনঙ্গৰামৰ মাজত হোৱা কথা-বতৰাত প্ৰকৃতি আৰু মানুহে যে এটা আনটোৰ পৰা বিচ্ছিন্ন নহয় তাকেই প্ৰকাশ পাইছে। ৱৰ্ডছৱৰ্থৰ প্ৰকৃতি সম্পৰ্কে ধাৰণা আছিল— 'Man is not apart from nature, but is the very 'life of her life." নগা ল'ৰা আৰু অনঙ্গৰ মাজত হোৱা কথা-বতৰাত এনে ভাৱেই প্ৰকাশ পাইছে।

জ্যোতিপ্ৰসাদৰ বাবে প্ৰেম আছিল মানুহৰ মাজত সংস্কৃতি প্ৰতিষ্ঠাৰ মূলমন্ত্ৰ আৰু সেইবাবেই জ্যোতিপ্ৰসাদে 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম' আদি নাটকৰ চৰিত্ৰৰ মাজেদি প্ৰেমৰ অস্তিত্বক সুন্দৰভাৱে প্ৰকাশ কৰি দেখুৱাইছে। বৰ্তমান সমাজৰ মাজত যি প্ৰেম, প্ৰেমৰ স্বৰূপ আৰু সেই প্ৰেম প্ৰকাশৰ ক্ষেত্ৰত সমাজব্যৱস্থাৰ যি বাধা, সেই সকলো দিশ 'কাৰেঙৰ লিগিৰী'ৰ মাজেদি প্ৰকাশ পাইছে। জীৱন ক্ষন্তেকীয়া যদিও প্ৰেম শাশ্বত। প্ৰেমে কোনো প্ৰতিদান নিবিচাৰে। এই শাশ্বত প্ৰেমক জীয়াই ৰাখিবৰ বাবে আজিৰ যুৱসমাজে এলান্থুময় প্ৰাচীন সমাজব্যৱস্থাক ভাঙি মানুহৰ লগত মানুহৰ সম্বন্ধক গাঢ় কৰি তুলিব লাগিব আৰু তেতিয়াহে মানুহ সংস্কৃতিবান হোৱাৰ লগতে প্ৰেম মানুহৰ মাজত বৰ্তি থাকি সমাজৰ মাজত ভাতৃত্ব, ঐক্য আৰু সংহতি স্থাপন কৰিব পাৰিব।

'কাৰেঙৰ লিগিৰী' নাটকৰ বিষয়বস্তু ইতিহাস-আশ্ৰয়ী, কিন্তু ৰূপায়ণৰ ৰীতি আধুনিক, ৰসানুভূতিৰ দিশত ৰোমাণ্টিক, কিন্তু ভাৱৰ দিশত আধুনিক। সেইবাবেই 'কাৰেঙৰ লিগিৰী' নাটকত অসমীয়া সাহিত্যৰ ৰোমাণ্টিকতাৰ শেষ মূৰ্চ্ছনা আৰু আধুনিকতাৰ সূচনাৰ উপক্ৰম হোৱা দেখা যায়। নাট্যৰীতিৰ কৌশল, চৰিত্ৰৰ দ্বন্দ্ব আৰু দ্বন্দ্বমুখৰ অন্তৰ্দ্বন্দ্বত চৰিত্ৰৰ চিন্তা-ভাৱনাৰ প্ৰকাশত নাট্যকাৰৰ আধুনিক দৃষ্টিভংগী লক্ষ্য কৰা যায়। তদুপৰি ভাৱৰ বিচিত্ৰতা, অনুভূতিৰ সূক্ষ্মতা, আবেগৰ তীব্ৰতা আৰু কোমলতাৰ অনুপম ৰূপায়ণৰ বাবে 'কাৰেঙৰ লিগিৰী' নাটকত কাব্যিকতা ইমানেই উপচি আছে যে গোটেই নাটকখন যেন এটা দীঘল কাহিনী কবিতা। সংক্ষেপে ক'বলৈ গ'লে 'কাৰেঙৰ লিগিৰী' নাটকৰ মোহনীয়তা ইয়াৰ কবিত্বময় ভাৱৰ ঐশ্বৰ্যৰ বাবে। এনে বহু কাৰণতেই 'কাৰেঙৰ লিগিৰী' অসমীয়া সাহিত্যত এক যুগান্তকাৰী সৃষ্টি। ●●

*(লেখিকা মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী)*

প্ৰসংগ পুথি :

১। জ্যোতিপ্ৰসাদৰ নাটক : প্ৰফুল্ল কুমাৰ বৰুৱা, ২। চিন্তাৰ আভাস : ড' প্ৰদ্যুম্ন কুমাৰ বৰুৱা, ৩। কাৰেঙৰ লিগিৰী : জ্যোতিপ্ৰসাদ আগৰৱালা।

B.H.B. College Sarupeta

প্ৰ ব ন্ধ

# অসমীয়া সাহিত্য-সংস্কৃতিৰ বিকাশৰ ৰেঙণি



মি ণ্টু  ডে কা

সাহিত্য আৰু সংস্কৃতি মানৱ সমাজৰ এক অপৰিহাৰ্য অংগ। এখন দেশ বা এটা জাতিৰ প্ৰগতিৰ পথত সাহিত্য-সংস্কৃতি হৈছে মূল্যবান সহায়ক। সাহিত্য হৈছে মানুহৰ অন্তৰৰ গভীৰ কোণৰ পৰা নিঃসৃত ভাবধাৰা আৰু সংস্কৃতি হৈছে সমাজ এখনে কিছুমান ৰীতি-নীতিৰে আহৰণ কৰা আচৰণ আৰু ক্ৰিয়াৰ বাস্তৱ প্ৰকাশ। সাহিত্য-সংস্কৃতি এটা জাতিৰ দাপোণস্বৰূপ। অসমীয়া সাহিত্য-সংস্কৃতিও অসমীয়া জাতিৰ দাপোণ। অসমীয়া সমাজজীৱনৰ ইতিহাস, ধৰ্ম, আচাৰ-নীতি, চিন্তা-ভাৱনাই অসমীয়া সাহিত্যত স্থান লাভ কৰিছে। প্ৰাক্-ঐতিহাসিক কালৰ পৰাই ব্ৰহ্মপুত্ৰৰ দুই পাৰে বিভিন্ন জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ফলতেই অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ জন্ম হয়। অসমীয়া ভাষা-সাহিত্যৰ ক্ৰমবিকাশ আৰু উন্নতিত পৰ্বত-ভৈয়ামৰ জনজাতীয় ভাষাবোৰে নানাধৰণে ইন্ধন যোগাইছে। অসমীয়া ভাষা-সাহিত্য চীনা, অষ্ট্ৰিক আদি ভাষাৰ দ্বাৰা প্ৰভাবান্বিত হৈ ইয়াৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি কৰিছে। আনহাতে আহোম যুগত আজান ফকিৰ ৰচিত জিকিৰ আৰু জাৰিয়ে অসমীয়া ইছলামী সাহিত্য-সংস্কৃতিত যথেষ্ট প্ৰভাব পেলাই আহিছে।

অসমীয়া সাহিত্য-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত প্ৰাক্-শংকৰী তথা নববৈষ্ণৱ যুগ উল্লেখযোগ্য। এই সময়ত শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আৰু তেওঁৰ অন্যতম শিষ্য ভট্টদেৱৰ লগতে কেবাজনো মহান পুৰুষে

অসমীয়া সাহিত্য-সংস্কৃতিৰ দিশত যথেষ্ট প্ৰভাৱ
শংকৰদেৱে পোনতে 'চিহ্নযাত্ৰা' অংকীয়া নাটে
সংস্কৃতিৰ দিশ উজ্জ্বলাই তোলে। তেখেতে
নাট, ভাওনা ৰচনা আৰু প্ৰচাৰ কৰি অসমীয়া সম
যথেষ্ট অৰিহণা যোগাই গৈছে। তেখেতৰ অন্য
গুৰুৰ পদাংক অনুসৰণ কৰি এই সময়তেই অসমী
আপুৰুগীয়া সম্পদ 'বৰগীত' ৰচনা কৰিছে। এই
দামোদৰদেৱ আৰু হৰিদেৱে তেওঁলোকৰ শিষ্যসক
মহামন্ত্ৰ বিলাই গৈছে। ভট্টদেৱ অসমীয়া গদ্য

১৮শ শতিকাত আহোমৰ ৰাজত্বৰ কালছোৱাত
বুৰঞ্জী, চৰিতপুথি, বংশাৱলী, ভূমিদান লিপি আ
সাহিত্য ৰচিত হয়। সেই সময়ত ৰচিত 'তীৰ্থ কৌমু
ৰাজ্যৰ পৰা আৰম্ভ কৰি ভাৰতৰ বিভিন্ন তীৰ্থস্থানসমূ
আৰু ভৌগোলিক বিৱৰণৰ বিভিন্ন লেখা স

আহোম ৰাজত্বৰ অৱসানৰ লগে লগে অস
পৰিমাণে নিম্নমুখী হ'বলৈ ধৰে।

ব্ৰিটিছৰ ৰাজত্বকালত অসমীয়া সাহিত্য-সংস্কৃ
ভাৱৰ নামি আহে। এনে দুৰ্যোগৰ সময়ত অসমীয়া
পোহৰ বিলাবলৈ অসমলৈ আগমন হয় ধৰ্ম প্ৰচ
আমেৰিকান মিছনেৰীসকলৰ। তেওঁলোকে অসমত
সংস্কৃতিৰ অৱনতি হ'বলৈ ধৰা দেখি ইয়াৰ বিৰুদ্ধে

B.H.B College, Sarupeta

**অসমীয়া সাহিত্য-সংস্কৃতি যাতে কালৰ সোঁতত লুপ্ত হৈ যাব নোৱাৰে তাৰ প্ৰতি সজাগ হোৱাৰ সময় আহি পৰিছে। এই বিষয়ে অথৰ্ব বেদত কোৱা আছে— 'যিজনে মোৰ অন্ন, জল আৰু সবাতোকৈ শ্ৰেষ্ঠ মুখৰ ভাষাৰ অপকাৰ সাধন কৰে তেওঁক ইন্দ্ৰ, বৰুণ আৰু অগ্নিয়ে আঘাত কৰক।'**



আৰু অসমীয়া ভাষা-সাহিত্যৰ উন্নতি সাধন কৰিবলৈ আপ্ৰাণ চেষ্টা চলায়। তেওঁলোকে ১৮৪৬ চনত 'অৰুণোদয়' কাকত প্ৰকাশ কৰাৰ উপৰি শিৱসাগৰত ছপাশাল স্থাপন কৰি অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিকাশত মনোনিবেশ কৰে। ইয়াৰ উপৰি ১৮৪৮ চনত নাথান ব্ৰাউনে 'অসমীয়া ব্যাকৰণ' আৰু মাইলছ ব্ৰনচনে 'অভিধান' প্ৰকাশ কৰি অসমীয়া ভাষা-সাহিত্যৰ দুৱাৰ মুকলি কৰে।

অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিয়ে নানা বাধা অতিক্ৰম কৰি অগ্ৰসৰৰ পথলৈ আহিবলৈ ধৰাৰ সময়ত অসমত আৱিৰ্ভাৱ ঘটিছিল এচাম দেশপ্ৰেমী সন্তানৰ। এওঁলোকে ভাৰতবৰ্ষৰ লগতে অসমক স্বাধীন কৰিবলৈ নানা সাহিত্যৰাজি সৃষ্টি কৰি জনগণৰ মাজত জাতীয় চেতনাবোধ গঢ়ি তুলিবলৈ আহোপুৰুষাৰ্থ কৰে আৰু কলিকতাৰ পৰা 'জোনাকী' কাকত প্ৰকাশ কৰি অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ পথ উজ্জ্বল কৰে। এই সময়ত লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, কমলাকান্ত ভট্টাচাৰ্য, হেমচন্দ্ৰ গোস্বামী আদি লোকসকলে অসমীয়া ভাষা-সাহিত্য জীয়াই ৰাখিবলৈ উঠি-পৰি লাগে। লক্ষ্মীনাথ বেজবৰুৱাই 'অসম-সংগীত', 'বীণ বৰাগী' ৰচনা কৰি অসমৰ অতীতৰ শৌৰ্য-বীৰ্যৰ কথা বৰ্ণনা কৰি অসমীয়া জাতিৰ মাজত জাতীয় প্ৰেৰণাৰ ভাব জগাই তোলে। অসমীয়া সাহিত্য-সংস্কৃতিত জাতীয় চেতনাৰ ভাব জগাই তোলা সেই সময়ৰ সাহিত্যিকসকল হ'ল— কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, নলিনীবালা দেৱী, অম্বিকাগিৰী ৰায়চৌধুৰী, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, চন্দ্ৰকুমাৰ আগৰৱালা, প্ৰসন্নলাল চৌধুৰী, অতুল চন্দ্ৰ হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা আদি। এওঁলোকৰ সাহিত্যৰাজিয়ে অসমীয়া সাহিত্যত জাতীয় চেতনা নিবিড়ভাৱে গঢ়ি তোলে আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ ধাৰা পোহৰলৈ আহিবলৈ ধৰে। অসমীয়া সাহিত্য-সংস্কৃতিৰ উন্নতিৰ পথত উজ্জ্বল চানেকী ৰাখি যোৱাসকলৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদান অন্যতম। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে অসমৰ কলা-সংস্কৃতিৰ জগত টনকিয়াল কৰিবলৈ নানাধৰণৰ নাটক, দেশপ্ৰেমমূলক গীত, কবিতা, শিশু সাহিত্য আদি ৰচনা কৰি গৈছে। আগৰৱালাদেৱৰ অনুপ্ৰেৰণাত উৎফুল্লিত হৈ কলাগুৰু ৰাভাদেৱে অসমীয়া সাহিত্য-সংস্কৃতি জীয়াই ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰে। আৰু তেওঁ গীত, বাদ্য, নৃত্যকলাৰে দেশবাসীৰ মাজত জাতীয় চেতনা জগাই তোলে। বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালাৰ সুৰতে সুৰ মিলাই অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত আগভাগ লৈছে স্বনামধন্য সাহিত্যিক, গীতিকাৰ, সুৰকাৰ, সুগায়ক, সুন্দৰৰ সেৱক ড° ভূপেন হাজৰিকাদেৱে। ড° হাজৰিকাদেৱে স্বাধীনতা লাভৰ আগৰ পৰাই বৰ্তমানলৈকে অসমীয়া সাহিত্য-সংস্কৃতিত উল্লেখযোগ্য বৰঙণি যোগাই বিশ্বৰ বিভিন্ন প্ৰান্তত অসমীয়া সাহিত্য-সংস্কৃতিৰ উজ্জ্বল চানেকী ৰাখি থৈ আহিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰি বিভিন্নজন সাহিত্য-সাংস্কৃতিক ব্যক্তিৰ অনুপ্ৰেৰণাৰ ফলস্বৰূপে অসম সাহিত্য সভাই জন্মলগ্নৰে পৰা অসমীয়া সংস্কৃতিৰ দিশত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰগতিৰ পথত বিভিন্ন মহান পুৰুষ, সাহিত্যিকৰ যথেষ্ট ভূমিকা আছে। স্বাধীনতা পোৱাৰ পিছতো বৰ্তমানলৈকে উদীয়মান সাহিত্যিকসকলে অসমীয়া সাহিত্য আৰু সংস্কৃতি বজাই ৰাখিবলৈ বিভিন্ন ধৰণে আগবাঢ়ি আহিছে। অসমীয়া সাহিত্য-সংস্কৃতি যাতে কালৰ সোঁতত লুপ্ত হৈ যাব নোৱাৰে তাৰ প্ৰতি সজাগ হোৱাৰ সময় আহি পৰিছে। এই বিষয়ে অথৰ্ব বেদত কোৱা আছে— 'যিজনে মোৰ অন্ন, জল আৰু সবাতোকৈ শ্ৰেষ্ঠ মুখৰ ভাষাৰ অপকাৰ সাধন কৰে তেওঁক ইন্দ্ৰ, বৰুণ আৰু অগ্নিয়ে আঘাত কৰক।' উক্ত কথাখিনি স্মৰণ কৰি অসমৰ জনসাধাৰণে স্বকীয় সৃষ্টি আৰু অনুশীলনেৰে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত আগুৱাই আহিলে ভৱিষ্যতে অসমীয়া সাহিত্য-সংস্কৃতিয়ে বিশ্বৰ দৰবাৰত এক সুকীয়া স্থান লাভ কৰিবলৈ যে সক্ষম হ'ব তাত কোনো সন্দেহ নাই। ••

*(লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী)*

B.H.B. College Sarupeta



## মোক আস্থাশীল কৰি তোলা

মৃদুল দাস
স্নাতক প্ৰথম বৰ্ষ



তোমাৰ বাবে মোৰ
এটা স্বপ্ন...
নতুন গতি ল'ব পাৰে
ভাগি যাবও পাৰে
এক অনিশ্চিত যাত্ৰা...

তোমাৰ মৰমী চাৱনিৰে
মোক বিদ্ধ কৰিছা
কিন্তু কেনেকৈ নিশ্চিত হওঁ
কইনাৰ সজল চকুৰে
তুমি মোক এদিন বিদায় নজনাবা ?

তুমি আস্থাৰ গান গাই আছা
মোৰ বুকুত ৰুইছা
সেউজীয়া সপোন...
তথাপি মই কেনেকৈ ভাবোঁ...
তুমি মোৰ হিয়া ভাঙি নাযাবা কাহানিও...

সেয়ে মোক তুমি আস্থাশীল কৰি তোলা
জীৱনৰ প্ৰতি
প্ৰেমৰ প্ৰতি
তোমাৰ প্ৰতি।



## সৰাপাত

নিবেদিতা তালুকদাৰ
স্নাতক প্ৰথম বৰ্ষ

এতিয়া মই বিনা দ্বিধাই পান কৰিব পাৰোঁ
মোৰ হিয়াজুৰি থকা বিষবোৰ
কষ্ট নোহোৱাকৈয়ে মচিব পাৰোঁ
দুগালেৰে বৈ অহা কজলা চকুলোবোৰ
বিনা প্ৰতিবাদে সহিব পাৰোঁ
মানুহৰ নিষ্ঠুৰতাৰ
জখমবিহীন আঘাতবোৰ
নিৰ্মমতাৰে চূৰ্ণ কৰিব পাৰোঁ
ন-কৈ গজিব খোজা সেউজ সপোনবোৰ—
মই যে অমানিশাৰ দৰেই অভিশপ্ত
মৰিশালিৰ দৰেই নিসংগ আৰু
মদাৰৰ দৰে অনাদৃত...



B.H.B. College, Sarupeta





## জীৱন

বিভা দাস
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

পোহৰত এচলু এন্ধাৰৰ জল
বেলনাত এবুকু কান্দোনৰ পল।
আশাবোৰত জড়তাৰ আশ্ৰয় দি
মোৰ জীয়াই থকাৰ হেঁপাহ
যৌৱনৰ অদমনীয় আকাংক্ষা
আৰু জীৱনৰ ৰঙীণ সপোন
কাঢ়ি লৈ গ'ল এইবোৰেই
গভীৰ শোকৰ
আবেশত থাকি
অমলশীল ভাবনাবোৰৰ
সন্মুখীন হৈ
সাজুটোও বিকল হৈ পৰিছে
নিৰ্জীৱ প্ৰাণীৰ দৰে
জীৱনৰ আনন্দ-উন্মাদনাক
বিচাৰি যেন সি আকুল।
এতিয়া মাথোঁ পৰি আছে
সেইটোমান মৰহা গোলাপৰ
শুকাই লেৰেলি যোৱা
পাপৰিৰ শূন্য সুবাস।
আতো দেখোন
আশ্ৰয় লৈছেহি
জীয়াই থকাৰ কিছুমান
বিৰোধী বাস্তৱ।

## শূন্যতা


গীতুমণি দাস
স্নাতক তৃতীয় বৰ্ষ



অনুগ্ৰহ কৰি দুৱাৰত
নুটুকুৰিয়াবা...
হৃদয়ৰ দুৱাৰ আৰু
মই নোখোলোঁ
উনৈশটা বসন্তই দি যোৱা
হৃদয়ৰ সম্পদবোৰ
প্ৰথম আলহীজনে
লুটি লৈ গ'ল
এতিয়া মাথোঁ মোৰ হৃদয়ত
শূন্যতা, কেৱল শূন্যতা...

## সপোনত বৃষ্টি

বিতুমণি দাস
স্নাতক প্ৰথম বৰ্ষ



সন্ধিয়াৰ তুমুল ধুমুহাজাকৰ পিছতেই
মোৰ হৃদয়ৰ জপনা মেলি
তেওঁ সোমাই আহিছিল
হৃদয়ৰ সেউজীয়া উপত্যকাত
ছটিয়াই দিছিল তেওঁ অগণন ৰং
শীতৰ পিছত ঠিক বসন্ত অহাৰ দৰেই
তেওঁ আহিছিল মোৰ ওচৰলৈ
সুমধুৰ সপোন ৰচাৰ বাবেই
তেওঁ সদায়েই আহে
সেইবাবেই এতিয়া প্ৰতিটো নিশাতেই
হৃদয়ত নামে সপোনৰ বৃষ্টি...

B.H.B. College Sarupeta



## অনুভৱৰ পাঁচটা স্তৱক

টুটুমণি ডেকা
প্ৰাক্তন ছাত্ৰী

(১)
তুমি মোৰ দুখত সমভাগী নোহোৱা
তুমি মোক বুজিও নাপালা
সেয়ে অতিথি হৈয়ে তুমি
আপোন হৈও আঁতৰি গ'লা।

(২)
তোমাৰ দুৱাৰত টোকৰ মাৰোঁতে
হৃদয়তন্ত্ৰী বাজিছিলনে
মই শুনিবলৈ নৌপাওঁতেই
তুমি সন্তৰ্পণে অদৃশ্য হ'লা।



(৩)
কালি ৰাতি মই
এটা সপোন দেখিছিলো
মোৰ উৰুখা পঁজাৰ
এচুকত বহি দুঃসময়ৰ স'তে
খেলি থাকোঁতে
তুমি মোৰ
নঙলামুখত থিয় হৈ
এটি বেঁকা হাঁহি মাৰিছিলা।

(৪)
আহোঁতে চুচুক-চামাককৈয়ে আহি
বংবোৰ লাজুক লাজুককৈয়ে সানি
কিন্তু শইচবোৰো সিঁচো বুলি সিঁচা
সেয়ে যাবৰ পৰতো
মলয়া বাৰ দৰেই তুমি গুচি যাব প



(৫)
আজি আৰু তুমি
মোৰ বাবে কেৱল
এটি উৰণীয়া পখিলা
ৰং আছে, স্থিতি নাই
ধ্বনি আছে
নাই মাথোঁ সুৰৰ মাধুৰ্য।

B.H.B. College, Sarupeta

# পাঁচটা বছৰৰ এপিটাফ

দিগন্ত বৈশ্য
স্নাতক তৃতীয় বৰ্ষ

চন ঃ ১৯৯৩
মাৰ্চ মাহৰ প্ৰথম শনিবাৰ

মই তোমাৰ প্ৰেমত পৰিছিলো
মোৰ বাবে এসাগৰ নীলা, এবুকু সেউজীয়া
প্ৰেমিয়াৰ পৃথিৱী!

চন ঃ ১৯৯৪
অক্টোবৰ মাহৰ চতুৰ্থ শনিবাৰ

নিজৰাতকৈ সিদিনা তুমি মোৰ
[illegible] কাষত।
মোৰ হৃদয়ৰ মণিকোঠাত যেন
প্ৰথমকেই জোনাক
তুমি মোৰ হাতখন চুইছিলা
অকণো সংকোচ নকৰাকৈ
দুটি ওঁঠেৰে আঁকি দিছিলা
এটি বঙ্কিম চুমা
মই অলপ কঁপিছিলো প্ৰথমে
তাৰ পিছত মোৰ সিৰাবোৰত
প্ৰেম সোঁত মাৰিছিল
আৰু তোমাক প্ৰতিদানৰ বিনিময়ত...



চন ঃ ১৯৯৫
এপ্ৰিল মাহৰ দ্বিতীয় শনিবাৰ

তুমি মোৰ প্ৰেম প্ৰত্যাখ্যান কৰিছিলা
মই নিশব্দ অবাক হৈছিলো
প্ৰতিবাদ কিন্তু কৰা নাছিলো
মোৰ পদুলি উকা কৰি
তুমি গৈছিলা অন্য বাটেৰে
আৰু মই সোঁৱৰণিৰ পানচৈ বুটলিছিলো।



চন ঃ ১৯৯৬
আগষ্ট মাহৰ তৃতীয় শনিবাৰ

আপ্ৰাণ চেষ্টা কৰিও নোৱাৰিলো
স্মৃতিৰ সৈতে যুঁজ দিব,
সেয়ে হাতত তুলি লৈছিলো
কালান্তক মৃত্যুমুখী পিয়লা
প্ৰথমে এপেগ, তাৰ পিছত দুপেগ
আৰু এতিয়া...।

চন ঃ ১৯৯৭
জানুৱাৰী মাহৰ প্ৰথম শনিবাৰ

মই বৰ্তমান মুম্বাইৰ চেন্ট হাস্পতালত
ডাক্তৰে মোক মাথোন
পোন্ধৰ দিনৰ সময় দিছে
বিক্ত হৃদয়ৰ বিক্ষত উপলব্ধিবোৰ
আজি তোমালৈ শেষ চিন হিচাপে
দস্তাবেজত সানি পঠিয়াইছোঁ
মাথোঁ তুমি...।



B.H.B. College, Sarupeta

নাটক




## প্ৰথম দৃশ্য

*(পট উঠাৰ লগে লগে এজনী ১০-১১ বছৰীয়া ছোৱালীয়ে হাতত কেইটামান বাচন লৈ ধুবলৈ যাব। ঠিক তেনেতে পিছে পিছে এগৰাকী মহিলাই হাতত ধুবলৈ অনা কাপোৰৰ টোপোলা এটা লৈ সোমাই আহিব। আঁতৰত এগৰাকী সমবয়সীয়া ছোৱালীয়ে চিলা উৰুৱাই থাকিব; আন এগৰাকীয়ে পঢ়ি থাকিব। ৰাতিপুৱাৰ মুহূৰ্ত। ৰেডিঅ'ত (নেপথ্যত) বৰগীত বাজি থাকিব।)*

**মালিকনী :** ঐ থেপেৰী, কি কৰি আছ; আজিৰ দিনটো বাচন ধোওঁতেই শেষ কৰিবি নেকি? কাঁহীয়ে কাঁহীয়ে ভাত গিলিব পাৰ; কিন্তু কামখিনি ভালদৰে কৰিব নোৱাৰ। ইফালে মাৰে টকা খুজিবলৈ আহিবৰ হ'লৈই।

**মালতী :** জেঠাই! মোৰ নাম মালতীহে। আৰু আপুনি বাৰু মোক ইমান গালি পাৰে কিয়? মইতো কামেই কৰি আছোঁ। এইমাত্ৰ চোতাল সাৰিলোঁহে।

**মালিকনী :** অ' এইজনী। নিমাতী কইনাৰ মাত ওলাল দেখোন। দিনে দিনে মুখখন বাঢ়ি গৈছে নহয়। ৰ' বেটি — আজি মজা দিম।

*(মালিকনীয়ে মালতীক ঢকা মাৰি দিয়ে। মালতী বাচনেৰে সৈতে পৰি যায়। ওচৰতে পঢ়ি থকা মাধুৰীয়ে দৌৰি আহি মাকক বাধা দিয়ে, মালতীয়ে ফেঁকুৰি ফেঁকুৰি কান্দে।)*

**মাধুৰী :** মা তাইক কিয় মাৰিছা? তাই পুৱাৰে পৰা কামেই কৰি থাকে আৰু তুমি তাইক সদায় মাৰি থাকা; তোমাৰ অলপো দয়া মৰম নাইনে?

**মালিকনী :** মাধুৰী চুপ; ইহঁতক কেনেকৈ চলাব লাগে মই জানো। ইহঁতক বেছি মৰম কৰিলে মূৰত উঠে। যা, তই পঢ়ি থাক। ...আৰু শুন, ইহঁতৰ লগত বৰ হ'লিগলি নকৰিবি। এইৰ লগ হৈ তয়ো নষ্ট হৈছে।

*(মাধুৰীয়ে দুখ মনেৰে কিছু আঁতৰি যায়; মালতী... উঠাবলৈ ধৰে।)*

**মালিকনী :** ঐ খাব নোপোৱাৰ জাত, এ... নালাগে, নিজৰ কাম কৰ। এনেয়ে খাবলৈ ... কাপোৰমখা ধুবলৈ আছেই, কেতিয়া ধুবি?

*(এনেতে বাহিৰৰ গেট খোলাৰ শব্দ শুনা যায়। ... মালতীৰ মাক সোমাই আহে।)*

**জেতুকী :** আইদেউ!

**মালিকনী :** (কৰ্কশ মাতেৰে ভেকাহি মা... বুলি কৈছে, তথাপি মালতীৰ মাক আদবয়সীয়া... গৈছিলহে — আৰু আহিবৰ হ'লৈইনে? এইবাৰ... নে পইচা লাগে? সিদিনা আহি টকা ৪০ টকা ... নিচই। তহঁতৰ কাৰণে এইখন মই ধৰমশালা ...

**জেতুকী :** অ' আইদেউ, খং কৰিছে কে... একো বিচাৰি অহা নাই। মোক একো খুৱাবও ... নোহোৱা এই ছোৱালীজনীৰ মুখখনহে এবাৰ ...

**মালিকনী :** জানো নহয় তহঁতৰ মতলব! এ... ইঘৰে-সিঘৰে কথাৰ মহলা মাৰিবি আৰু পেট...

**মালতী :** (কান্দি কান্দি) আই, তই ইয়ালৈ ... কথা শুনিবলৈ তোৰ সাজ নালাগে? মই মৰি ...

**জেতুকী :** (ফেঁকুৰি ফেঁকুৰি, মালতীৰ মুখ ... তেনেকৈ কিয় কৈছ?

**মালিকনী :** গুচ গুচ, কাম কৰা সময়ত ... পিন্ধাব নোৱাৰি চাকৰণি থৈছে, চা এতিয়া লে...

*(ভিতৰৰ পৰা মাধুৰী দৌৰি সোমাই আহি মালতীৰ ...*

**মাধুৰী :** (আনন্দ মনেৰে) খুৰীদেউ দেখোন, ... অ' মোলৈ যে পকা পকা বগৰী আনিম বুলি কৈ... আপোনালৈয়ে বাট চাই আছোঁ। মা, খুৰীক ভিত...

**জেতুকী :** (চকুপানী মচি) হ'ব হ'ব, মাজনী, ... নকৰিবা।

**মালিকনী :** মাধুৰী, তুমি ভিতৰলৈ আহা। স্কু... লাগিব নহয়।

**মাধুৰী :** ৰ'বা মা। অ' খুৰী, সিদিনাৰ আধৰ... ক'ব লাগিব। সেই যে ৰজা আৰু বাটৰুৱা ভিখাৰী... যে বাটৰুৱা ভিখাৰীজনে অহংকাৰী ৰজাজনৰ জীৱন...

**জেতুকী :** মাজনী মোৰ... কম, সকলো ক... তোমাক আজি ৰজা-মহাৰজা, ডা-ডাঙৰীয়াৰ সাধু ...

**মালিকনী :** (মৰমসনা মাতেৰে) মাধুৰী! যো... এইসকলৰ লগত লগ হ'বলৈ তোমাক মই বাৰে...

B.H.B. College Sarupeta

নহয়... মোৰা আক' ...দুষ্ট ছোৱালী ক'ৰবাৰ ... মই তোমাৰ পাপাৰ আগত কৈ দিম।

(মাধুৰীৰ প্ৰস্থান। মালিকনীয়ে কঠোৰভাৱে জেতুকীক উদ্দেশ্যি)

**মালিকনী ঃ** শুন জেতুকী, তোৰ ছোৱালীক মোক জেঠাই বুলি মাতিবলৈ মানা কৰিবি। মই জেঠাই বুলি মাতিলে লাজ পাওঁ— মোক 'মেডাম' বুলি মাতিবলৈ ক'বি।

**জেতুকী ঃ** হ'ব আইদেউ, তাই সৰু ছোৱালী। তাইক বুজাই দিলে বুজি পাব।

**মালিকনী ঃ** (অস্পষ্টভাৱে) সৰু আছে, খাবৰ সময়ত কিন্তু মস্ত একাঁহী ভাত খায়।

(মালতীয়ে কান্দি কান্দি বাচনখিনি উঠাবলৈ ধৰে। এনেতে তাইৰ হাতৰ পৰা কাপ এটা পৰি ভাগি যায়। মালিকনীয়ে ধমক মাৰি তাইক মাৰিবলৈ উদ্যত হয়; মালতীৰ মাকে তাইক সাবটি ধৰি নামাৰিবলৈ কাকুতি-মিনতি কৰে আৰু নিজেও মালতীক কামত সহায় কৰি দিয়ে।)

**মালিকনী ঃ** শুন জেতুকী, তোৰ শাখিনী জীয়েৰাই কি কি বস্তু নষ্ট কৰিলে মই চব লিখি থৈছোঁ— চব মই দৰমহাত কাটিম; গম পাবি। মনত ৰাখিবি, তই মোৰ পৰা টকা এডভান্স লৈছ।

(মাধুৰীৰ পুনৰ দৌৰি আহে)

**মাধুৰী ঃ** মা, তোমাৰ হৈছে কি? তুমি ইমানকৈ কিয় গালি পাৰিছা? তোমাক আজি মোৰ মা যেন লগা নাই। মোৰ কোনো ভাই-ভনী নাই। মালতীয়েই মোৰ ভনী। অথচ তুমি মোক তাইৰ লগ হ'বলৈও নিদিয়া, খেলিবলৈও নিদিয়া।

**মালিকনী ঃ** চুপ; বৰ বাঢ়ি গৈছা। ব'লা ভিতৰলৈ।

(মালিকনীয়ে মাধুৰীক হাতত ধৰি ভিতৰলৈ লৈ যায়। মালতী আৰু জেতুকীয়ে কান্দি কান্দি বাচনখিনি আৰু কাপোৰৰ টোপোলটো তুলি প্ৰস্থান কৰে।)

। পট পৰে।

## দ্বিতীয় দৃশ্য

(মাধুৰীৰ পঢ়া কোঠা। লগৰ আইন দুজনী ছোৱালীৰ সৈতে ছবিৰ কিতাপ চাই থাকে। আটাইকেইজনীয়ে হাঁহি-ধেমালি কৰি থাকে। অলপ আঁতৰত মালতীয়ে থিয় হৈ ছোৱালীকেইজনীৰ ফালে চাই থাকে।)

**মাধুৰী ঃ** এ মালতী, আহ অ' এইজনী, ইমান আঁতৰত কিয় আছ?

(মালতীয়ে সংকোচেৰে আগবাঢ়িবলৈ চেষ্টা কৰে)

**মাধুৰী ঃ** অ আই, চাচোন এইজনীক, কেনেকুৱা কৰিছে। ওচৰলৈ আহিবলৈ ভয় কৰিছে। আহাচোন কাষলৈ আহা।

**গীতিকা ঃ** অ' আমাৰ ন-কইনাজনী, আহাচোন আহা, কাষতে বহা, কথাচোন কোৱা; লাজ কৰিছা কিয়?

**মাধুৰী ঃ** মালতী ভয় নকৰিবি; মই আছোঁ নহয়। তোক আমাৰ মাই একো কৰিব নোৱাৰে। চাচোন চা, এই ছবি থকা কিতাপবোৰ। হো ল, এইখন মই তোক দিলোঁ। দেউতা আহিলে তোক এনেকুৱা কিতাপ আৰু আনি দিব। আমাৰ দেউতা বৰ ভাল মানুহ! তোক সাংঘাতিক মৰম কৰিব। দেউতা মাৰ দৰে নিষ্ঠুৰ নহয়।

**মালতী ঃ** মাধুৰী বাইদেউ, মোৰো মন যায় তোমালোকৰ সৈতে খেলিবলৈ, তোমালোকৰ দৰে স্কুলৰ চোলা-কাপোৰ, জোতা-মোজা পিন্ধি বহী-কিতাপ লৈ স্কুললৈ যাবলৈ মোৰো মন যায়।

(তাইৰ মাতটো খোকাখুকি হয়। করুণ সুৰ বাজে)

**মাধুৰী ঃ** তয়ো কাইলৈৰ পৰা মোৰ লগত স্কুললৈ যাব লাগিব মালতী।

**গীতিকা ঃ** চিন্তা নকৰিবা, কাইলৈৰ পৰা তুমিও আমাৰ সৈতে স্কুললৈ যাব লাগিব।

**মালতী ঃ** (মুখত হাঁহি বিৰিঙে) সঁচাইনে? সঁচাই জানো ময়ো স্কুললৈ যাব পাৰিম? তোমাৰ দৰে কিতাপ পঢ়িব পাৰিম?

**মাধুৰী, গীতিকা ঃ** পাৰিবা মালতী, তুমি পাৰিবা।

**মালতী ঃ** কিন্তু কেনেকৈ? জেঠায়ে মোক কিয় স্কুললৈ যাব দিব মাধুৰী বাইদেউ?

**মাধুৰী ঃ** তুমি চিন্তা নকৰিবা— আমাৰ স্কুলৰ বাইদেউ এগৰাকী আজি আমাৰ ঘৰলৈ আহিব। তেখেতে আমাৰ মাক বুজাব।

**মালতী ঃ** সঁচাইনে?

**মাধুৰী ঃ** বাৰু হ'ব, সেইবোৰ চব হ'ব। এতিয়া আহা আমি খেলা খেলো।

**মালতী ঃ** মই নেখেলো মাধুৰী বাইদেউ। জেঠায়ে দেখিলে মাৰিব।

**গীতিকা ঃ** কিয় মাৰিব? আমি অকণমান সময়হে খেলিম। মাধুৰী কি খেল খেলিবা? ৰজা আৰু প্ৰজাৰ খেলনে?

(এটা সময়ত তিনিওগৰাকী হাঁহি-খিকিন্দালি কৰি এক হৈ যায়... চাৰিওটাই লাহি বাগি খেলিবলৈ ধৰে। (এইটো কাৰ দ'ল, ৰজাৰ দ'ল, কলী ঔচ ঔচ কথা ঔচ ঔচ...। এনেতে মালিকনীয়ে প্ৰৱেশ কৰি মালতীক হাতত ধৰি এচাৰিৰে কোবাবলৈ ধৰে। মালতীয়ে ছটফটাই থাকে আৰু ইনাই-বিনাই কান্দে।)

**মালতী ঃ** জেঠাই... নহয় নহয়... মেডাম মোক নামাৰিব... মই বাইদেৱে মতা কাৰণেহে আহিছোঁ। আজিৰ পৰা মই বাইদেউৰ লগত নেখেলো। মোক নামাৰিব।

**মালিকনী ঃ** নামাৰিম? ... অ' তোক মই ফুল দি পূজা কৰিম ... খাবলৈ আহিছ ... ৰ তোক মই শিক্ষা দিহে এৰিম

(মাৰিব ধৰে। মাধুৰীয়ে এচাৰিডাল খাপ মাৰি ধৰে।)

**মাধুৰী ঃ** মা, তুমি বলিয়া হৈছা নেকি? কি দোষ কৰিছে তাই? তাইক মইহে খেলিবলৈ মাতি আনিছোঁ। বিনা দোষত তুমি তাইক মাৰিছা কিয়? তুমি বৰ নিষ্ঠুৰ মা। দেউতা আহিলে মই চব কৈ দিম।

B.H.B. College, Sarupeta



আপুনি শিশু শ্ৰমিক ৰাখিছে আৰু শিশু নিৰ্যাতন কৰিছে। এই কাৰ্য কৰাৰ আপোনাৰ কোনো অধিকাৰ নাই। প্ৰকৃতিয়ে সকলোকে একেদৰেই জন্ম দিছে — পৃথিৱীত সকলোৰে সমানে অধিকাৰ আছে।

**মালিকনী ঃ** যোবা যোবা, ক'বা তোমাৰ পাপাৰ আগত— মোক কি কৰিব? মইহে জানো ঘৰ কেনেকৈ চলাব লাগে, মানুহ কেনেকৈ চলাব লাগে।

*(থমুকিয়াই থাকে, কোবাই থাকে। এনেতে স্কুলৰ শিক্ষয়িত্ৰী বিভা বাইদেউৰ প্ৰবেশ)*

**বিভা ঃ** (বিভাই মালিকনীৰ হাতত থাপ মাৰি ধৰে আৰু আনখন হাতেৰে এচাৰিডাল কাঢ়ি লৈ দূৰলৈ দলিয়াই পেলায়। মালতীয়ে মালিকনীৰ কবলৰ পৰা উদ্ধাৰ হৈ বিভাৰ ওচৰ চাপি আহে) বাইদেউ, আপুনি শিক্ষিতা আৰু ভদ্ৰ মহিলা বুলি নিজেই গৌৰৱ কৰে, আপোনালোকেই মহিলা সমিতি পাতি নাৰীমুক্তিৰ ওপৰত দীঘল ভাষণ দিয়ে, অথচ আপুনি আজি নিজে কি কৰিছে?

**মালিকনী ঃ** যাওক যাওক, আপুনি আমাৰ ঘৰুৱা কথাত ভাগ ল'ব নালাগে, আপুনি আপোনাৰ স্কুলৰ ছাত্ৰীবোৰক শাসন কৰকগৈ।

**বিভা ঃ** নহয় বাইদেউ, আপুনি ভুল কৰিছে। এয়া কেৱল আপোনাৰ ঘৰুৱা সমস্যাই নহয়, ই বৰ্তমান এটা সামাজিক সমস্যা হৈ পৰিছে। আপুনি শিশু শ্ৰমিক ৰাখিছে আৰু শিশু নিৰ্যাতন কৰিছে। এই কাৰ্য কৰাৰ আপোনাৰ কোনো অধিকাৰ নাই। প্ৰকৃতিয়ে সকলোকে একেদৰেই জন্ম দিছে — পৃথিৱীত সকলোৰে সমানে অধিকাৰ আছে।

**মালিকনী ঃ** অধিকাৰ? কি অধিকাৰৰ কথা ক'বলৈ আহিছে আপুনি? মোৰ ঘৰৰ বনুৱা মানুহক মই শাসন কৰিমেই।

**বিভা ঃ** বাইদেউ, আপুনি মাৰাত্মক ভুল কৰিছে, প্ৰকৃতিয়ে কাকো মালিক বা শ্ৰমিক হিচাপে জন্ম নিদিয়ে; প্ৰকৃতিৰ বিচাৰত আমি সকলো সমান। আপুনি ভাবি চাওকচোন আপোনাৰ ছোৱালীজনীক যদি আনে তেনে ব্যৱহাৰ কৰে, আপুনি সহ্য কৰিব পাৰিবনে?

**মালিকনী ঃ** এই, আপুনি... কিবোৰ ক'বলৈ আহিছে।

**বিভা ঃ** মই ঠিকেই কৈছোঁ বাইদেউ। আৰু শুনক, আপুনি আইনৰ চকুতো দোষী। শিশু শ্ৰমিক ৰখাটো আইন মতে অপৰাধ। ইচ্ছা কৰিলে আমি আপোনাক জে'ল-হাজোতত দিব পাৰোঁ।

*(মালিকনীৰ মনটো সামান্য পৰিৱৰ্তন হয়)*

**মালিকনী ঃ** (কিছু কোমলকৈ) এ ... মই

**মাধুৰী ঃ** মা তুমি মানৱতাৰ দৃষ্টিতো অ
আজিৰ পৰা মা বুলি নামাতো।

**মালিকনী ঃ** (হৃদয় বিগলিতভাৱে) মাধুৰী

**বিভা ঃ** মাধুৰীয়ে ঠিকেই কৈছে। এই অকণমান
অথচ আপুনি মাকজনী হৈ বুজা নাই। আপুনি
আপোনাৰ মাতৃ হৃদয় নাই। আপুনি মাক হো

*(মালিকনীৰ মনৰ পৰিৱৰ্তন হৈ থাকে। লাজ আৰু
এনেতে মালতীৰ মাক (উত্তেজিতভাৱে) সোমাই*

**জেতুকী ঃ** মহাশয়া, লওক এই চল্লিছ টকা
দিয়ক। আই আই মালতী, ঘৰৰ ছোৱালী ঘৰলৈ
এখেতসকলে তোক মাৰি পেলাব। ইহঁত কত
নকৰোঁ। গাঁও অঞ্চলৰো দুখীয়া মানুহবিলাক
দধিচীয়ে অসুৰ বধ কৰিব লাগিব।

*(মালতী ভিতৰলৈ যায়।)*

**মাধুৰী ঃ** মোকো লৈ যাব খুৰী। মই মালতী
গাঁবলৈ যাম। মই এই ঘৰত নাথাকোঁ। আপুনি
হ'ব নোৱাৰিবনে?

**জেতুকী ঃ** সোণজনী মোৰ।

*(মাধুৰীৰ মুৰে-কপালে হাত ফুৰাই দিয়ে। এনেতে
ঘৰৰ পৰা লৈ মালতীৰ হাতত ধৰি যাবলৈ উদ্যত হয়
যাব খোজে।)*

**মালতী ঃ** মেডাম... মই যাওঁ।

*(মালিকনীয়ে প্ৰথমে ফেঁকুৰি ফেঁকুৰি পিছত সশব্দে
মাজলৈ টানি আনে। মাধুৰী আৰু গীতিকায়ো ওচৰ*

**মালিকনী ঃ** নহয় অ' মালতী... আইজনী
আজিৰ পৰা তোৰ স্থান মোৰ বুকুৰ মাজত। তই
যাব লাগিব, খেলিব লাগিব। জেতুকী বাইদেউ
কৰিলো। মোক ক্ষমা কৰি দিবা। (বিভাক লক্ষ্য
মেল খুৱাই দিলে। আপোনাক ধন্যবাদ।


**জেতুকী ঃ** আই মালতী, মই বৰ সুখ পালো।
মা হ'ল। এই জেঠায়েৰো তোৰ মা... মাত অ'
মাত।

*(মালতী আৰু মাধুৰী দুয়ো একেলগে মালিকনীক
এনেতে মঞ্চৰ পিছফালে আৱহ সংগীতত জ্যোতিপ্ৰসাদ
উঠে— 'কনৰীয়া আমি কনৰ চৰাই ...' গীতটো বাজি
সক ছোৱালীকেইজনীয়ে নাচি-বাগি গীতফাঁকি সমস্বৰে
কৰে।)*

। পট পৰে।

(লেখক মহাবিদ্যালয়

B H B College, Sarupeta



# অব্যক্ত বেদনা

স ঞ্জ য় ডে কা



হায় মইনা...।

ঃ ইমান ডাঙৰ বেগখন লৈ ক'লৈ আহিছা।

ঃ আমি তোমাক মাৰাবো।

অপূৰ্ব হাজৰিকাই ইফালে-সিফালে চালে। কাক কৈছে— মোক নে আন কাৰোবাক...? হয় মোঁকে। আজি তাৰ মণিকাক লগ ধৰিবৰ বাবে ছোৱালী হোষ্টেললৈ অহা তৃতীয় দিন। ভয়ে ভয়ে সি দুদিন পাৰ কৰিলে। কিন্তু হঠাৎ আজি এইবোৰ কি? সঁচাকৈ হোষ্টেলৰ ছোৱালীবোৰ অভদ্ৰ নে মোৰ লগত ধেমালি কৰিছে। সি মনতে ভাবিলে। মণিকাই কিন্তু এদিন ক্লাছত তাক 'হায় মইনা'ৰ কথা কৈছিল। তথাপি উপায় নাই, মণিকাক মই লগ পাব লাগিব।

মণিকা আৰু অপুৱে পঢ়া আৰম্ভ কৰিবৰ পৰা এতিয়ালৈ একেলগে গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি আছে। মণিকা অপুৰ ভাল বান্ধৱীৰ লগতে অতি দায়িত্বশীল ছোৱালী। মণিকাই বিশ্ববিদ্যালয়ৰ হোষ্টেলত থাকে আৰু অপুৱে বিশ্ববিদ্যালয়ৰ অলপ আগত লংকেশ্বৰত মেচ কৰি আছে।

আনদিনৰ দৰে আজিও অপুৱে বাইকখন ষ্টেণ্ড কৰি থৈ বেগখন পিঠিৰ পৰা নমাই আৰ চি চি বান হোষ্টেলৰ ইফালে-সিফালে চালে। নাই মণিকাক সি নেদেখিলে। ক্লাছত আজি তাৰ ক'বলৈ নহ'ল যে আজি সি তাইৰ হোষ্টেললৈ যাব।

ঃ হেল্লো...। কাক বিচাৰিছে। বুকুখন তাৰ চিৰিংকৈ গ'ল। এইবাৰ বা আৰু কি হয়। হঠাৎ পিছফালৰ পৰা ছোৱালী এজনীৰ মাত সি শুনিলে।

সকলো গাভৰু ছোৱালী ওচৰ পালে ডেকাল'ৰাবোৰে এক উষ্ণ শিহৰণ অনুভৱ কৰে। অপুও তাৰ বিপৰীত নহয়। কোনো কথা নোকোৱাকৈ অপুৱে মাত্ৰ ক'লে— আৰ চি চি বানৰ ৰুম নং ১৫ৰ মণিকা বৰুৱাক। ছোৱালীজনীয়ে তাক অলপ সময় ভিজিটিং ৰুমত বহিবলৈ ক'লে। অপুৱে লাহেকৈ মূৰ জোকাৰিলে।

কিছু সময় পিছত মণিকাই এজনী বান্ধৱীৰ লগত অপুক লগ ধৰিবৰ কাৰণে আৰ চি চি বানৰ পৰা ওলাই আহিল। এইবাৰো অপুৰ সেই একে উষ্ণ শিহৰণ অনুভৱ হ'ল। মণিকাই আহিয়েই বান্ধৱীজনীৰ লগত তাক চিনাকি কৰি দিলে। অপু, এয়া নিশা। নিশাশ্ৰী চৌধুৰী। একদম কিতাপৰ পোক। চিনাকি কৰি দিয়েই মণিকাই অৰ্ডাৰ দি চাহ আনিবলৈ হোষ্টেলৰ পিনে গ'ল।

নিশাশ্ৰী নামটো অপুৰ বেয়া লাগিল। নিশা যিদৰে গভীৰ, কিজানি তায়ো সিমান গভীৰ। এনেদৰে ভাবি থাকোঁতে নিশাশ্ৰীৰ মাতত সি মূৰ তুলি চালে।

ঃ আপুনি...।

ঃ অপূৰ্ব— অপূৰ্ব হাজৰিকা। ঘৰ শিৱসাগৰত। সকলোৱে কিন্তু মোক অপু বুলি জানে। মই বৰ্তমান এইখন বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ। মনৰ উষ্ণ শিহৰণ দমাই স্বাভাৱিকভাৱে সি উত্তৰ দিলে।

ঃ মই অসমীয়াৰ। নিশাশ্ৰীয়ে ক'লে। আপোনাক মই জানো। আপোনাৰ কথা মোক মণিকাই কৈছে। আপুনি যে এজন প্ৰত্নতত্ত্ববিদ আৰু ভাল চিত্ৰশিল্পী সেইটোও মণিকাই মোক কৈছে। এনেতে অপুৱে নিশাক তুমি বুলি সম্বোধন লগাই কথাবোৰ ক'বলৈ ক'লে। নিশাই অলপ হাঁহিলে। এনেদৰে কথাৰ আলোচনাৰ মাজতে দুয়োৰে চকুৰ চঞ্চলতা বাঢ়িবলৈ ধৰিলে। দুয়ো কিছু সময় নীৰৱে পাৰ কৰিলে। পাৰ কৰিলে সম্পূৰ্ণ দুটা বছৰ।

পোহৰ ভেদ কৰি যিদৰে আন্ধাৰ আগুৱাই আহে, সেইদৰে নিশা আৰু অপুৰ মাজতো এদিন তেনেকুৱা হ'ল। দুটা বছৰ পিছত দুয়ো দুয়োকে এৰিব লগা হ'ল। দুটা বছৰ পিছত দুয়ো দুয়োকে এৰিব লগা হ'ল। এদিন এবুকু উল্লাস, উদ্যম মনোভাৱ লৈ দুয়ো বিশ্ববিদ্যালয়ৰ পৰা ঘৰলৈ উভতিল। অপু আৰু নিশাই বৰ অকলশৰীয়া অনুভৱ কৰিলে।

B.H.B. College, Sarupeta

কান্দোনৰ ৰোল উঠিল জালুকবাৰীত।

অলপ সময়ৰ পিছত নিশাশ্ৰী গাড়ীত উঠিল। গাড়ীৰ পৰা নিশাশ্ৰীৰ চিঞৰত অপু বাস্তৱলৈ উভতি আহিল। তাই কৈছিল— চিন্তা নকৰিবা অপু, আমি আকৌ লগ হ'ম। ফুৰিম। চিঠি দিবি। মনৰ... বাকী কথাখিনি অপুৱে নুশুনিলে। অপুৱে শিলৰ মূৰ্তিৰ দৰে থিয় হৈ ৰ'ল। সি মাত্ৰ মূৰ দুপিয়ালে। এক অতি ৰহস্যময় পৰিবেশ সৃষ্টি কৰি থৈ বুকুৰ সুগভীৰ অংশ চুই যোৱাকৈ এটা শব্দ কৰি নিশাশ্ৰীৰ গাড়ী লাহে লাহে চলিবলৈ ধৰিলে।


কিছু সময় পিছত শিৱসাগৰ অভিমুখে যাব লগা 'ৰাংঢালী' নামৰ বাছখন আহি জালুকবাৰীত উপস্থিত হ'ল। অপুৱে গৈ খিৰিকীৰ ওচৰত বহি লৈ জালুকবাৰীত এবাৰ ভালদৰে চালে। নাঙলৰ চোকা সীৰলুৱে মাটি ফালি নিয়াৰ দৰে অপুৰ গাড়ীখনো নিমাওমাওকৈ আগবাঢ়িবলৈ ধৰিলে।

পিছদিনা ৰাতিপুৱাতে অপু আহি ঘৰ পালে। ঘৰলৈ আহিও তাৰ ভাল নালাগিল। বন্ধুবোৰৰ দুই-এটাই চাকৰি কৰিছে। কোনোৱে ব্যৱসায়ৰ কামত বাহিৰলৈ ওলাই গৈছে।

বিশ্ববিদ্যালয় এৰি তাৰ একেবাৰে খালী যেন অনুভৱ হ'ল। বাৰে বাৰে তাৰ মনত ভাহি উঠিল বিশ্ববিদ্যালয় আৰু নিশাশ্ৰীৰ কথা। সি ঘৰত এনেয়ে থাকিব নোৱাৰি এটা চাকৰিৰ বাবে চেষ্টা চলালে। হঠাৎ এদিন শুই উঠি তাৰ নামত এখন চিঠি টেবুলত দেখা পালে। বন্ধ খামটোতে সি ধৰিব পাৰিলে যে চিঠিখন নিশাশ্ৰীৰ হ'ব। চিঠিখন খুলিবলৈ তাৰ বেছি সময় নালাগিল। সি এবাৰ-দুবাৰকৈ বহুবাৰ চিঠিখন পঢ়িলে। চিঠিখন যিমান পঢ়ে তাৰ আমেজ আৰু নিশাশ্ৰীলৈ মৰম বাঢ়ি থকা যেন সি অনুভৱ কৰে। চিঠিখনত নিশাই লিখিছিল— বিশ্ববিদ্যালয়ত সিহঁতৰ মাজত হোৱা কথা-বতৰা। 'হায় মইনাৰ প্ৰভাৱ কেনেদৰে হ'ল। সিহঁতৰ কবিতাবোৰৰ কথা। অপুৰ চিত্ৰশিল্পৰ বিষয়ে আৰু যে কিমান কি?'

অপুৱে ঘৰত দুমাহমান থকাৰ পিছত ব্যৱসায় সূত্ৰে গুৱাহাটীত থাকিব লগা হ'ল। নিশাশ্ৰী তেতিয়া ঘৰত। ফোন আৰু চিঠিৰে দুয়োৰে মনৰ আদান-প্ৰদান থাকিল। অপুৱে মনৰ আবেগক দমাব নোৱাৰি জৰুৰীভাৱে নিশাশ্ৰীক এবাৰ অকলশৰে লগ পাবৰ বাবে চিঠিৰে জনালে।

মৰমৰ নিশা,



মৰম ল'বা। তোমাৰ নিশ্চয় ভাল? আজি দুমাহ কেনেদৰে পাৰ কৰিলো ক'ব নোৱাৰিলো। বাৰে বাৰে মনত পৰে জালুকবাৰীৰ কথা। মনত পৰে বিশ্ববিদ্যালয়ত আমাৰ মাজত হোৱা কথা-বতৰাবোৰ! এপ্ৰিলত বিশ্ববিদ্যালয়ত কিমান মজা! তুমি লিখা কবিতাবোৰ মই যে আওৰালিয়াই দিছিলো তোমাৰ মনত আছেনে? মই যে কৈছিলো— অপু, ইয়াত এটা তিল দিয়া, ... ভাল লাগে। নখবোৰ অলপ দীঘলকৈ দিবা। ... নালাগিল। অ' মণিকাৰ যোৱা ২২ ছেপ্টেম্বৰত ... জনাব নোৱাৰিলে বেয়া নাপাবা। মোৰ বৰ ... চিঠিখন অৱশ্যে মই এইবোৰ উদ্দেশ্যত লিখা না... কামত গুৱাহাটীত আছোঁ। তোমাক লগ পাব... লিখিছোঁ। তোমাক লগ পাবলৈ মোৰ খুব ইচ্ছা ... হৃদয়ত হাজাৰজনক স্থান দিলেও মোৰ হৃদয়... তুমি যে বিশ্ববিদ্যালয়লৈ আহিলে 'নয়নতৰা' নাম... গাড়ীখনত তুমি ১২ অক্টোবৰত আহিবা। মই ... অপেক্ষা কৰি থাকিম। আৰুনো কি লিখিম— ...

"অপু"

অপুৰ আহ্বান মতেই সি ভাল পোৱা আকাশ... নিশাশ্ৰী আহিছিল।

দুয়ো জালুকবাৰীৰ পৰা অপুৰ ৰুম পালে। ... শাৰীকৈ ৰুই থোৱা দেৱদাৰুকেইজোপাৰ তলে ... তাইৰ ভাল লগা নাছিল। নিশাশ্ৰীক বহিবলৈ কৈ ... চাই ৰ'ল।

নিশাশ্ৰীক লগ পোৱাৰ পৰা অপুৱে উগ্ৰ ... যৌৱনীৰ মুখলৈ চোৱা নাই। হঠাতে অপুৱে ... এনেকুৱা মুহূৰ্ততে পৃথিৱীখন সুন্দৰ হৈ পৰে। একো... নাই কোনো শূন্যতা। বহু সময় পিছত নিশাৰ ম... আহিল।

ঃ কিবা ক'বা?

ঃ উত্তৰৰ বাবে নিশা বৈ আছিল।

অপু নিৰুত্তৰ।

কিছু সময় পিছত নীৰৱতা ভংগ কৰি অপুৱে ... ভাৱেৰে দুহাতত ধৰি নিশালৈ বিবাহৰ প্ৰস্তাৱ দাঙি ... কাণ, মুখেৰে হঠাতে যেন ৰক্তিম আভা এচেৰেঙাই ... বিবাহৰ প্ৰস্তাৱ শুনি ঘামিছিল। তাইৰ উঠন বুকুৰ ... হৈছিল। তাই মনতে ভাবিছিল— ভাল লাগিলেই ... হ'ব পাৰেনে? নিশাশ্ৰী শিহৰি উঠিছিল। আজিলৈকে ... হাত স্পৰ্শ কৰা নাই। নিশাই নিজকে সংযম কৰি ... দুহাত আঁজুৰি আনি তাই ক'বলৈ ধৰিলে— অলপ ... দৰে নকৰিবা। সকলো কথা আবেগত নচলে। সকলে... প্ৰকৃতিৰ আছিলো। মই সুন্দৰৰ প্ৰেমিক আছিলো। ... মই ভাল পাইছিলো।

B.H.B. College, Sarupeta

মোৰ সুন্দৰপিয়াসী মন সীমাবদ্ধ নাছিল। নিতে নৱৰূপ বিচাৰি মোৰ এই বলিয়া মনে সঁজাৰ চৰাইৰ দৰে বিচাৰিছিল মুক্ত হৈ উৰি ফুৰিবলৈ।

ঃ অপু বিশ্ববিদ্যালয়ত আহি জালুকবাৰী দেখাৰ পিছত বহুতো ডেকা-গাভৰুৱে এক লজ্জাহীন প্ৰেমত পৰে। ময়ো তাৰ বিপৰীত নহ'লো। আজি দুবছৰে ময়ো তোমাৰ লগত অবিস্মৰণীয় প্ৰেমৰ খেলা খেলিলো। কলেজত আড্ডা মাৰিলো। কেণ্টিনত বহিলো। সেইবুলি জানো বিবাহৰ প্ৰস্তাৱ ৰাখিব পাৰি। মোক ক্ষমা কৰিবা অপু। এয়া বিস্ময়কৰ ঘটনা। প্ৰথম লগ পোৱাৰ পিছতে মই তোমাক বিশ্বদাৰ কথা কৈছিলো। তুমি কিন্তু তাক আওকাণ কৰি মোক তোমাৰ কৰি ল'বলৈ ভাবিছা। তুমি যিদিনা মোৰ কাষলৈ আহিছিলা, আমাৰ চাৰি চকু যেতিয়া অসীমলৈ গৈছিল, সেইদিনাই মোৰ ভয় হৈছিল — মোৰ সমস্ত ৰক্ত আৰু জীৱনী শক্তি যেন কোনোবাই শুহি নিব খুজিছে। মই হঠাৎ ক্লান্ত হৈ পৰি বিশ্বদাৰ কথা তোমাক কৈছিলো। বিশ্বদা এজন ভাল সাহিত্যিক, কবিতাও ভাল লিখে। বিশ্বদাৰ অনুপ্ৰেৰণাৰ বাবেহে মই তোমাক লগ পাইছিলো অপু। বিশ্ববিদ্যালয় এৰি যোৱাৰ পিছত তোমাৰ স্থিতি অনুভৱ কৰিছিলো বিশ্বদাৰ লগত। মোক ভুল নুবুজিবা অপু। অহা ২৮ অক্টোবৰত মোৰ বিয়া। বিশ্বদাৰ লগত। পাৰিলে যাবা।

কোমলতাৰ এখন নদী বৈ যোৱাৰ দৰে নিশায়ো কথাখিনি কৈ গ'ল। ঘৰলৈ ওভতাৰ বাটত তাই স্বাভাৱিক আৰু গভীৰ হৈ উঠিছিল।

নিশাই অপুৰ পৰা বিদায় লৈ গধূলি সেই একেখন 'নয়নতৰা' নামৰ গাড়ীখনতেই ঘৰমুৱা হ'ল। ষাঠি মাইল বেগেৰ গাড়ী চলিছে। ৰাস্তাৰ দুয়োকাষে আহিন মাহৰ ধানখেতিৰ শ্যামল শোভা, আকাশত খণ্ডিত শুভ্ৰ মেঘ আৰু মাজে মাজে শীতল বতাহৰ স্পৰ্শ নিশাশ্ৰীৰ গাত লাগিল।

নিশা যোৱাৰ পিছত অপুৱে কিছুক্ষণ অখণ্ড নীৰৱতা অনুভৱ কৰিলে। সি ভাবিলে— সঁচাকৈ নিশাৰ শক্তি মোতকৈ যথেষ্ট বেছি আৰু অতি সোনকালে তাই মোক পৰাভূত কৰিছিল। অপু নিৰ্বাক হৈ গৈছিল। নাৰী কি সেয়া যেন সি গোটেই জীৱন বুজিব নোৱাৰিলে। এক উকণ্ডা উকণ্ডা ৰুক্ষ আবহাৱা যেন বায়ুমণ্ডলত কেউদিশে বিয়পি পৰিছে। হৃদয়ৰ যন্ত্ৰচালিত প্ৰতিটো স্মৃতিয়েই দেখোন বাস্তৱত নিৰ্মমভাৱে আজি মুখথেকেচা খাই পৰিছেহি। কিমান সময় এনেদৰে পাৰ কৰিলে অপুৰ খেয়াল নাছিল। হঠাৎ মাজনিশা কুকুৰৰ বিকট চিঞৰত তাৰ হৃদপিণ্ডৰ অন্তঃস্থল যেন কঁপি উঠিল। সি খিৰিকিৰে বাহিৰলৈ চালে। পূৰ্ণিমাৰ জোনটো তেতিয়া তাৰ মূৰৰ ওপৰত। আহিন মাহৰ মৃদু বতাহজাকেও তাক শান্ত হ'বলৈ কৈ গ'ল। **



*(লেখক মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ)*

# 'খং' — মানুহৰ শত্ৰু

খং হৈছে মনঃপুত নোহোৱা কিছুমান পৰিস্থিতি বা ব্যক্তিৰ প্ৰতি উদ্ভৱ হোৱা আৰু অভ্যাসে পৰিপক্ক কৰা আমাৰ এবিধ প্ৰতিক্ৰিয়া। কোৱা হয় যে যি ঘৰত এজন খঙাল ব্যক্তি থাকে, সেই ঘৰত কুঁৱাৰ পানীও শুকাই যায়। কথাষাৰৰ সুক্ষ্ম অৰ্থ বিচাৰ কৰি চালে দেখা যায় যে খঙে মানুহৰ সম্পৰ্কবোৰৰ পৰা প্ৰেম শুহি লয় আৰু ফলস্বৰূপে আমাৰ চৌপাশৰ সম্পৰ্কবোৰত কেৱল এক শুষ্কতা অৱশিষ্ট হিচাপে ৰৈ যায়। খঙে দুখ আহ্বান কৰে। ইয়াৰদ্বাৰা আমি আনকো দুখ দিবলগীয়া হয় আৰু আনৰ পৰাও দুখেই পাবলগীয়া হয়।

প্ৰকৃততে খং এটা অতি অপকাৰী ৰিপু। খঙে আটাইতকৈ বেছি অপকাৰ কৰে আক্ৰান্ত ব্যক্তিজনৰ। তাৰ পাছত গোটেই পৰিবেশটোত ই এটা বিষাক্ত প্ৰকম্পন বিয়পায় আৰু শেষত দেখা যায় যে ব্যক্তিজনৰ লগত আন ব্যক্তিসকলৰ সম্পৰ্কৰ মধুৰতা নাইকীয়া হয়।

ইয়াক জয় কৰাটো একেবাৰে অসম্ভৱো নহয়। এনে এটা প্ৰচেষ্টা হাতত লোৱাৰ আগতে আমি মনত ৰখা উচিত— "মই যদি ক্ৰোধান্বিত হ'বলৈ ইচ্ছা নকৰোঁ তেনেহ'লে প্ৰকৃততে কোনেও মোক ক্ৰোধান্বিত কৰিব নোৱাৰে।" — এই স্মৃতিয়েই হৈছে প্ৰকৃত আত্মশক্তিকৰণ। আমি যদি এই কথা মনত ৰাখোঁ যে— 'মোৰ উচ্চ আত্মসন্মানবোধে মোক ক্ৰোধান্বিত হ'বলৈ অনুমতি নিদিয়ে'— তেনেহ'লে আমি এটা শুদ্ধ দৃষ্টিভঙ্গী হ'বলৈ অনুমতি নিদিয়ে'— তেনেহ'লে আমি এটা শুদ্ধ দৃষ্টিভঙ্গী আয়ত্ব কৰিব পাৰিম আৰু মোৰ দ্বাৰা খং সহনশীলতালৈ, ঘৃণা প্ৰেমলৈ আৰু অনাস্থা আস্থালৈ ৰূপান্তৰিত হ'ব।



সাহিত্য সাধনা এটা অতি মহৎ, অতি পবিত্ৰ কাৰ্য। ইয়াৰ ফলত যি অন্তৰ্দৃষ্টিৰ সৃষ্টি হয়, সি বাহিৰৰ আৰু ভিতৰৰ সকলো প্ৰকাৰৰ অন্ধকাৰ দূৰ কৰে। এই পবিত্ৰ কামত নাৰী আৰু পুৰুষে সমানে ভাগ ল'ব পাৰে। দুয়োৰে মানসিক বিকাশ সমানে সম্ভৱপৰ। সাহিত্য সাধনাত নাৰী আৰু পুৰুষৰ সমান অধিকাৰ আছে। — *পাৰ্ল এচ্ বাৰ্ক*

ভাষা হৈছে সাহিত্যৰ সাজ-পাৰ মাথোন। ভাৱ হৈছে তাৰ দেহ, আৰু আদৰ্শ হৈছে তাৰ প্ৰাণ। — *হেমচন্দ্ৰ গোস্বামী*

ইতিহাসত বিখ্যাত হোৱা যুদ্ধ, দুৰ্ভিক্ষ আৰু মহামাৰী এই আটাইকেইটাই মিলি মানৱ জাতিৰ যিমান অপকাৰ কৰিছে, অকল মদ, ভাং আদি ৰাগীয়াল বস্তুৱে তাতকৈ বেছি অমংগল সাধিছে। — *গ্লেডষ্টোন*

পৃথিৱীত এনে এজন মানুহ নাই যাৰ জীৱনক লৈ এখন কিতাপ, এখন নাটক নাইবা এখন উপন্যাস লিখিব নোৱাৰি। — *ড° ভৱেন্দ্ৰ নাথ শইকীয়া*

পঢ়াশালীয়ে ল'ৰা-ছোৱালীবোৰক কেতিয়াও সভ্য কৰিব নোৱাৰে যদি পঢ়াশালীৰ পৰা বাহিৰলৈ আহি ৰাস্তাত ভৰি দিয়া মাত্ৰকে সিহঁতক পুনৰ অসভ্য কৰিবলৈ পৃথিৱীখন সাজু হৈ থাকে। — *জন ৰাস্কিন*

B.H.B College Sarupeta



# হৃদয়-সংবাদ

জুমী দাস

**মই মোৰ হাতৰ মুঠিত কিমানটা নিঃসংগ ৰাতি**
লুকুৱাই ৰাখিছোঁ ক'ব পাৰিবা
বিস্তীৰ্ণ পথাৰৰ নিজম ৰাতি কৈশোৰ বতাহৰ সৈতে
তোমাৰ পৰিচয় আছেনে?
আৰু মাজনিশাৰ তন্দ্ৰামগ্ন জোনাকীৰ স'তে...

মৰমৰ,

এয়া নিসংগময় শীতৰ এক নিৰ্জন দুপৰীয়া। তোমালৈ বুলি লিখিবলৈ ওলাইছোঁ মোৰ ভগ্ন হৃদয়ৰ বাতৰি। তোমাৰ প্ৰত্যুত্তৰে মোৰ বুকুৰ সেউজীয়া আশাবোৰত যন্ত্ৰণাৰ অনুভূতিৰ ফুল ফুলালে।

হৃদয়ৰ স্নিগ্ধ নৰম বিচাৰিয়েই তোমাৰ কাষ চাপিছিলো। আদৰণি জনাইছিলা তুমিও হৃদয়ৰ হেঁপাহক। হয়তোবা সেয়াই প্ৰেমৰ আকুলতাৰ প্ৰথম পৰিচয়। অনুভূতিৰ পাপৰিত হাত বুলাই আমি দুয়ো দুয়োৰে হৃদয়ৰ স্পন্দ বিচাৰি পাইছিলো।

'ৰাতিৰ বুকুত হায় জাগে নেকি কোনো এক নাৰীৰ হৃদয়/স্ফীতোদৰ প্ৰেমৰ কোনো এক প্ৰগলভা নাৰীৰ/অসঙ্গ কামনা।'

হয়, জাগিব পাৰে। যেতিয়া হৃদয়ৰ সম্পৰ্কক তুমি যান্ত্ৰিক জীৱনৰ গতিটোৰ লগত তুলনা কৰিছিলা। তুমি আঁতৰি গুচি গৈছিলা। এবাৰো নাভাবিলা, তুমি যে আচলতে এখন হৃদয়ক তোষামোদহে কৰিলা। তুমি বাৰু নাজানা নেকি? প্ৰেমৰ যে কোনো দাবী নাই, প্ৰেম প্ৰেমৰ কাৰণেই যথেষ্ট। হৃদয়ৰ সম্পৰ্ক সদায় পৱিত্ৰ। তাত নাসানিবা। তোমালৈ লিখা বহু চিঠিত মই প্ৰা মানি লৈছিলো তোমাৰ উপেক্ষা কৰা ভৰা আওৰাও— 'শুকান বালিচৰৰ মাজত পৃথিৱী ফুলত স্বৰ্গ বিচাৰি যোৱা, হাতৰ মুঠিত অসীম নিজৰ মাজতে বিচাৰি লোৱা — দেখিবা জীৱ হৈছে।'

সকলো সম্পৰ্কৰ শেষেই যন্ত্ৰণা। কিন্তু কি সদায়েই অনুৰণনৰ সুৰ বাজি থাকে। জানিবৰ কৰি আছা? কি অজুহাতত তুমি মোৰ পৰা হৃদয়ৰ অনুভৱৰ ফাঁকেদি জোনাক ছটিয়াইছ্ল নে নকৰোঁ দিয়া মই। আচলতে জানা, 'বিষাদ কেতি সন্তানৰ দৰে। বাসনাৰ ৰঙা গোলাপত স্নিগ্ধ সেই নিয়ৰে শীতলাই তোলে গভীৰ-অগভীৰ আঁকোৱালি ল'বই লাগিব তুমি মোলৈ যচা বিফল প্ৰাচুৰ্যই মাজে মাজে হৃদয়ক সোঁৱৰায়— 'প্ৰে আপেক্ষিকতাবাদৰ উৰ্দ্ধত, আদম-ইভৰ পৰা ই বুৰঞ্জীৰ চাঙত পৰি পুৰণিও নহয় বা বিস্মৃতি নোহোৱাকৈয়ে অনুভৱ কৰোঁ—

প্ৰাৰ্থনাৰ দৰেই গভীৰ মোৰ প্ৰেম,
চিৰদিন চিৰকাল,
সেয়ে এবুকু বিশ্বাস আৰু আস্থাৰ সেউজীয়
হাত থৈ অনুভৱ কৰোঁ
প্ৰেমক...

কিন্তু তথাপি দুখ লাগে কেতিয়াবা। সময় তোমাৰ সৈতে কটোৱা নিৰ্দোষ অনুভূতিবোৰে তোলে। বহিঃজগতৰ প্ৰাণময়তাই যন্ত্ৰণাৰ বন্দী কৰে, কিন্তু সেই নিমন্ত্ৰণত সঁহাৰি দিবলৈ যন্ত্ৰণাক আচলতে মোৰ হৃদয়ৰ গভীৰতাত প্ৰথম প্ৰেম হৈয়ে আছে।

বহুত লিখিলো। আজিলৈ এৰিলো। তুমি একাকিত্বক উলাই নকৰিবা। অনাগত দিনবোৰে আনক বহুত সুখ-আনন্দৰ জোৱাৰ। তাকেই বিচা

'মোৰ নিঃসংগতাৰ স'তে থকা এই কঠিন পৃ
য'ত মোৰ আত্মাৰ হাহাকাৰ আৰু যন্ত্ৰণাৰ স'তে
কেৱল ময়েই মুখামুখি হওঁ।'


ইতিত,
তোমাৰ মৰমৰ ••

(লেখিকা মহাবিদ্যালয়



B.H.B. College, Sarupeta

গল্প



...কিন্তু তেওঁলোকৰ প্ৰেমে জানো স্থায়িত্ব লাভ কৰিব পাৰিব? জয়ন্তৰ সেইবোৰ কথা ভাবিলে মূৰটো আচন্দ্ৰাই কৰে। আৰু জ্যোৎস্না...

# কয়দী

কল্পনা বৈশ্য

খেং চাল্লা! এই তেজপিয়াবোৰে তেজ শুহি শুহি মানুহক নিঃশেষ কৰিও হেঁপাহ পলোৱা নাই।— বৰ কৰ্কশভাৱে জয়ন্তৰ মুখৰ পৰা শব্দকেইটা ওলাই আহিল। ডিব্ৰুগড় জে'লৰ তেৰ নম্বৰ কয়দী জয়ন্তই তেজ শুহি খোৱা মহটো হাতত লৈ তাৰ এৰি অহা মধুৰ দিনবোৰৰ কথা মনত পেলালে। কি সুন্দৰ আছিল তাৰ জীৱনটো— সেই কলেজীয়া দিনবোৰ উঠি অহা যৌৱন! নিমিষতে সকলো যেন ধূলিসাৎ হৈ গ'ল।

স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ জয়ন্ত পঢ়াত যিদৰে মেধা শক্তিৰ অধিকাৰী তেনেকৈ আজে-কামেও পাকৈত। সেউতাক বজতৰ মৃত্যুৰ পিছত মাক আৰু দুজনী ভনীয়েকৰ দায়িত্ব সৰু পাতি ল'ব লগা হৈছিল। খেতিৰ ধানেৰে কোনোমতে জোৰা-টাপলি মাৰি পৰা পৰিয়ালটোৰ আৰ্থিক উপাৰ্জন জয়ন্তৰ টিউছনকেইটা।

ৰাতিপুৱা শুই উঠাৰে পৰা ফিকা চাহ কাপ খাই জয়ন্ত ব্যস্ত হৈ পৰে তাৰ নৈমিত্তিক কাৰ্য টিউছনত। ৯ বজাৰ পৰা আকৌ কলেজৰ ক্লাছ। লৰালৰিকৈ গাটো ধুই জয়ন্তই চিঞৰি ক'লে— মা, ভাত হ'লনে?

জয়ন্তৰ মাকে পাকঘৰৰ পৰাই মাত লগালে— 'শুদা ভাতকেইটাহে হৈছে। শুদা নিমখ ভাত খোৱাতকৈ মাছ এটাকে পুৰি দিওঁ ৰ।'

মাকে লৰালৰিকৈ গৰৈ মাছ এটা পুৰি নিমখ-জলকীয়াৰ লগতে খাৰ তেল অকণো দি পিটিকা কৰি দিলে।

পোৰা মাছত খাৰ দিয়া জয়ন্তৰ প্ৰিয় খাদ্য। সেইটো মাকে ভালদৰে জানে।

জয়ন্তই গৰম ভাত আৰু পোৰা মাছৰ পিটিকা বৰ তৃপ্তিৰে খাই খোৱাকোৱিকৈ কলেজলৈ গ'ল।

এক ছেপ্টেম্বৰত নবাগত আদৰণী সভা। মাজত মাত্ৰ দুটা দিন আছে। কলেজৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰীসকলো ব্যস্ত হৈ পৰিছে নবাগতসকলক আদৰিবৰ বাবে। সভাৰ আৰম্ভণী গীত, লোকগীতৰ আখৰা চলিল। জয়ন্তৰ বন্ধু আদিত্যই ক'লে— মেনেজাৰৰ ছোৱালীক গীত গাবলৈ দিব লাগিব। জয়ন্তই আদিত্যলৈ চালে, কিব এটা জনাৰ আকাংক্ষাত।

ঃ কি হ'ল, মোলৈ ভেবা লাগি চাই আছ যে? — আদিত্যই জয়ন্তক সুধিলে।

ঃ নাই! এনেয়ে চাইছোঁ।

ঃ এনেয়ে নহয়, তই মোক কিবা এটা সুধিব খুজিছ, কিন্তু তই মুখ ফুটাই ক'ব পৰা নাই।

ঃ তই যে ক'লি মেনেজাৰৰ ছোৱালী কোন? —জয়ন্তই আদিত্যক সুধিলে।

ঃ কিয়, জ্যোৎস্নাক তই চিনি নোপোৱা জানো?

ঃ জ্যোৎস্না উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। নতুনকৈ আহিছে।

ঃ চাহ বাগিচাৰ মেনেজাৰ বিনন্দ বৰুৱাৰ একমাত্ৰ কন্যা জ্যোৎস্না।

'জ্যোৎস্না'— এই শব্দটোৱে জয়ন্তৰ হৃদয়ৰ এচুকত যেন জোকাৰণি তুলিলে।

জয়ন্তৰ ভাব হ'ল— এবাৰ যদি জ্যোৎস্নাৰ লগত কথা পাতিব পাৰিলোহেঁতেন!

জ্যোৎস্না দেখাতো ধুনীয়া; পঢ়াশুনাতো ভাল, বেছ স্ফূৰ্তিবাজ ছোৱালী।

কেণ্টিনত বহি অজন্তা, জ্যোৎস্না, তৰা আটাইকেইজনীয়ে চাহ খাই থাকোঁতে জ্যোৎস্নাৰ বান্ধৱী অজন্তাই ডাঙৰকৈ ক'লে—

'জোনা, তই কিন্তু তোৰ সুৰদি কণ্ঠত আমাক গীত এটা গাই শুনাবি।' জ্যোৎস্নাই হাঁহি ক'লে— 'তইতো আগতে মোৰ গীত শুনিছই।'

'শুনিব যদি খুজিছ আমাৰ ঘৰলৈ আহিবি, আদৰণী সভাত মই গীত নাগাওঁ।'

জ্যোৎস্না যাবলৈ ওলাল।

'জোনা, অলপ ৰ'বাচোন।'

জয়ন্তই পিছফালৰ পৰা মাত লগালে।

জ্যোৎস্না থমকি ৰ'ল।

B.H.B College, Sarupeta

প্ৰথম দৰ্শনতে জ্যোৎস্নাৰ জয়ন্তক ভাল লাগি গ'ল। শান্ত, স্থিৰ, গম্ভীৰ জয়ন্তৰ এযাৰি কথাই জ্যোৎস্নাৰ মন জয় কৰিব পাৰিছে।

জয়ন্তই জ্যোৎস্নাৰ ওচৰলৈ আহি ক'লে— 'তুমি আদৰণী সভাত আধুনিক গীত এটি গাব লাগিব।'

জ্যোৎস্নাই না কৰিব নোৱাৰি জয়ন্তক একপ্ৰকাৰ সমৰ্থন কৰি গীত গাবলৈ মান্তি হ'ল।

প্ৰথমবাৰৰ বাবে যেন জ্যোৎস্নাই জয়ন্তৰ ওচৰত পৰাজয় বৰণ কৰিলে।

প্ৰথম দৰ্শনতে জয়ন্ত আৰু জ্যোৎস্নাৰ মাজত প্ৰেমৰ বীজ অংকুৰিত হ'ল। লাহে লাহে সেই প্ৰেমৰ বীজ গভীৰলৈ শিপালে।

কিন্তু তেওঁলোকৰ প্ৰেমে জানো স্থায়িত্ব লাভ কৰিব পাৰিব? জয়ন্তৰ সেইবোৰ কথা ভাবিলে মূৰটো আচন্দ্ৰাই কৰে। আৰু জ্যোৎস্না! জ্যোৎস্নাকো যে জয়ন্তই এৰিব নোৱাৰে। জ্যোৎস্নাক এটা কথা সুধিম সুধিম বুলিও জয়ন্তই সাহস গোটাব পৰা নাই। নাই সি আৰু সহ্য কৰিব নোৱাৰে। সি জ্যোৎস্নাক সুধিবই। সেয়ে এদিন জ্যোৎস্নাৰ পৰা জয়ন্তই সঠিক সিদ্ধান্ত বিচাৰিলে। জ্যোৎস্নাই জয়ন্তৰ লগত বিয়া হ'বনে নহয়!


জয়ন্তই জ্যোৎস্নাক সুধিলে— 'জোনা তুমি জানো মোৰ নিচিনা সাধাৰণ ঘৰৰ ল'ৰাৰ লগত বিয়াত বহিবা পাৰিবা?

জয়ন্তই জানে আভিজাত্যৰ ভেমত ওফন্দি থকা বিনন্দ বৰুৱাই কেতিয়াও জয়ন্তক জোঁৱাই হিচাপে স্বীকৃতি নিদিয়ে।

জোনাই ক'লে— 'জয়ন্তদা, মই সদায় তোমাৰ হৈ থাকিব বিচাৰোঁ। আভিজাত্য, টকা-পইচা এই সকলোবোৰে আমাৰ প্ৰেমত প্ৰতিবন্ধক হ'ব নোৱাৰে।'

কিন্তু জোনাই সেই আভিজাত্যৰ প্ৰাচীৰ ভাঙি জয়ন্তৰ ওচৰলৈ আহিব নোৱাৰিলে।

জ্যোৎস্নাৰ ককায়েক অনন্তই কেইজনমান গুণ্ডাৰ লগতে জয়ন্তৰ জীৱনক লৈ ফাকু খেলিলে। জ্যোৎস্নাক বলাৎকাৰ কৰা বুলি মিছা অভিযোগত জ্যোৎস্নাৰ ককায়েক অনন্ত বৰুৱাই পুলিচৰ হতুৱাই জয়ন্তক এৰেষ্ট কৰালে। চৌধিশ পোহৰাতে জয়ন্তৰ জীৱনলৈ ক'লা ডাৱৰ নামি আহিল। বিনন্দ বৰুৱাৰ বিপক্ষে থিয় দিবৰ যেন কাৰোৰে সাধ্য নহ'ল। জে'লৰ অন্ধকাৰ কোঠাৰ জয়ন্ত নীৰৱ কয়দী। তাক যেন কোনোবাই



পঙ্গু কৰি দিলে। সি আৰু উঠিব নোৱাৰে। জয়ন্তই কান্দি পেলালে। মাত এষাৰি দিবলৈও যেন তাৰ কাষত কোনো নাই। গছৰ ডালৰ কাউৰীজনীয়ে কা-কাকৈ ৰাতি পুৱাৰ জাননী দি জয়ন্তৰ দুখত যেন সমভাগী হ'ল। ••

(লেখিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা)

# সংস্কৃতি কি

সংস্কৃতি কি? মানুহে ফুটনি দেখুৱাবলৈ ব্যৱহা
শব্দ। শব্দটো ব্যৱহাৰ কৰোঁতে আমি খুব সতৰ্ক
মানে কি শিক্ষা? কলেজবোৰ এতিয়া সৰ্বত্ৰ কা
অথচ প্ৰকৃত সংস্কৃতিবান মানুহ কাচিৎহে চকুত
ই এটা অতিশয় প্ৰাসংগিক প্ৰশ্ন। এজন মানু
আচলতে এটা গাধ হৈ থাকিব পাৰে। শিল্পকলাৰ
লগত পৰিচিত হৈয়ো তেওঁ সংগ্ৰহালয়ৰ এজন
অজ্ঞ হ'ব পাৰে। লাখ লাখ কিতাপ পঢ়িও তে
পাৰে। জ্ঞান হ'ল সংস্কৃতিৰ শৰীৰ; তাৰ আত্মা
ছাত্ৰ হৈ থকা মানুহক প্ৰকৃত অৰ্থত শিক্ষিত
এজন মানুহৰ ক্ষেত্ৰত যদি তেওঁৰ জীৱন আৰু
দুৰ্লংঘ্য ব্যৱধান থাকি যায়, তেন্তে তেওঁ বিদ
মানুহ হ'ব নোৱাৰে। তেওঁ হয়তো টমাছ হাৰ্ডি
প্ৰ'ষ্ট আৰু আনাতোল ফ্ৰাঁৰ কিতাপৰ প্ৰতিটো প
স্বভাবটো এনেকুৱা হয় যে তেওঁ কথাই কথাই
টেবুল ভুকুৱাই কথা কয়, মানুহক গালি পাৰে
খায়, আজে-বাজে কথা কয়। তেওঁৰ জীৱনটো
তাত শিক্ষা আৰু সাহিত্যৰ বীজ পৰিছিল যদিও
সি অংকুৰিত হৈ ফলৱান বৃক্ষ হ'ব নোৱাৰিলে।

তেনেহ'লে বুজা গ'ল যে সংস্কৃতি কেৱল মগজ
এটা বস্তু নহয়, ই হ'ল জীৱনত যাপন কৰিবলগ
জ্ঞানৰ সংগ্ৰহ নহয়, ই হ'ল শিক্ষা আৰু বিচাৰ-বু
অনুভূতিশীলতাৰ বৃদ্ধি আৰু জীৱনৰ তাৎপৰ্য
লাগিব। জ্ঞান যেতিয়া বোধশক্তি আৰু শিষ্টাচাৰলৈ
ই সংস্কৃতিত পৰিণত হয়। সংস্কৃতিতকৈ বেছি ম
কাৰণেই ছক্ৰেটিছতকৈ বুদ্ধ আৰু কনফুচিয়াছ
গভীৰ। সংস্কৃতিৰ আৰু এটা বাণী হ'ল— "কাৰো
অৰ্থাৎ সংস্কৃতিৰ ধাৰণাই কৰুণাকো সামৰি লৈছে
প্ৰকৃত শিষ্টাচাৰ সম্ভৱ হ'ব নোৱাৰে। সংস্কৃতি আৰু
নিজৰ ক্ৰোধ দমন কৰিব নোৱাৰা মানুহক কেৱ
তত্ত্বৰ জ্ঞানে সংস্কৃতিবান কৰিব নোৱাৰে। সংস্কৃতি
উঠে নিজতকৈ তলত থকা বা থাকিবলৈ বাধ্য হো
কৰা আচৰণৰ মাজত। ধনী বা বিখ্যাত মানুহৰ প্ৰতি
সংস্কৃতিৰ প্ৰয়োজন নাই; সংস্কৃতিৰ প্ৰয়োজন
অৱহেলিত মানুহবোৰৰ প্ৰতি সৌজন্য আৰু সন্মান
সৰু-বৰ সকলো মানুহৰ প্ৰতি সম পৰিমাণৰ সৌজ
মানুহক সংস্কৃতিবান মানুহ বুলি ক'ব নোৱাৰি।

— জন ক

B.H.B College Sarupeta

# মোৰ জন্মদিন দুটা

কুলজিৎ কলিতা



অহাকালি মোক মাইনুৱে ছাৰপ্ৰাইজ দিব। মই জানিও নজনাৰ ভাও ধৰি সিহঁতৰ আলেখলেখ চাই আছোঁ। সিহঁতৰ মানে মাইনু আৰু মাইনুৰ মাক আৱতিৰ। অহাকালি মোৰ জন্মদিন। প্ৰতিবাৰে মই জানিও নজনাৰ ভাও ধৰি থাকোঁ। মোৰ আঁৰে আঁৰে সিহঁতে সকলোবিলাক আয়োজন কৰি আছে। মই বাথৰুমত থাকোঁতেই আৱতিয়ে 'ছুইট্‌ছ কৰ্নাৰ' এখনৰ মেনেজাৰৰ লগত কথা পাতি লৈছে। বেলুন আনাৰ বাবে মাইনুৱে মাকক চিঞৰি পইচা খুজিম বুলিও কাষতে মোৰ উপস্থিতিৰ উমান পাই আধাতে ৰৈ গৈছে। কাইলৈ পুৱাতে দুয়োখন হাতেৰে পিছপিনে ফুলৰ থোপা লুকুৱাই মাইনুৱে মোৰ বিছনাৰ কাষলৈ গাই গাই আহিব— 'হেপী বাৰ্থডে টু ইউ...।' মাক আৱতিয়ে বিজয়ী কপত একো নোকোৱাকৈ মোৰ ফালে চাই থাকিব মোৰ পৰা কৃতজ্ঞতা আশা কৰি। ময়ো হয়তো কৃতজ্ঞ হ'ম আৱতিৰ ওচৰত। দিনটোৰ কোনোবা এটা নিৰ্জন সময়ত নিৰ্বাক চাৱনিৰে সুধিম বিয়াৰ ইমান বছৰ পিছতো মোৰ প্ৰতি ক'ত লুকুৱাই ৰাখিছা ইমান মৰম? তাৰ পিছত? তাৰ পিছত চাগে দুয়ো অজানিতে গুচি যাম পোন্ধৰ বছৰ পিছলৈ। মুহূৰ্ততে দুয়োৰে চকুৰে পাৰ হৈ যাব গুচি যোৱা সময়ৰ বিচৰা-নিবিচৰা বহু দৃশ্যাংশ।

যি নহওক, আৱতিয়ে কোনোদিনে কৃপণালি কৰা নাই এই বিশেষ দিনটো অবজাৰ্ভ কৰাৰ ক্ষেত্ৰত। মাইনু জন্ম হোৱাৰে পৰা এনেদৰে চলিছেহে। তথাপি এনে নিখুঁত নিস্বাৰ্থ আয়োজনৰ মাজত থাকিও মোৰ বুকুৰেদি এক যন্ত্ৰণা উজাই আছে। মোৰ অলক্ষিতে মোৰ অজানিতে উজাই অহা এই বিশেষ যন্ত্ৰণাটোৱে মোক কেতিয়াবা মূক কৰি দিয়ে। মই কাকো কেতিয়াও কোৱা নাই এই যন্ত্ৰণাৰ কথা। আৱতিকতো কোৱাৰ কথাই নাই। মই যেন ক'ৰবাত কিবা এটা হেৰুৱাইছোঁ। আৱতিৰ আয়োজনত কোনোদিনে স্বাৰ্থ দেখা নাই, কোনোদিনে কৃত্ৰিমতা দেখা নাই। তথাপি সেইদিনা কিয় জানো এজাক জোনাকৰ অভাৱ অনুভৱ কৰোঁ। সেইদিনা সুদৃশ্য কেকটোৰ এগছি চাকিৰ বাবে উদ্বাউল হৈ উঠোঁ। মই ক'ত কি হেৰুৱাইছোঁ?


## এক/আকাশত জ্বলি আছিল ভকুণ জোন

সকলো মানুহে প্ৰতিটো মুহূৰ্ততে যিদৰে কিবা এটা পাবলৈ দুহাত মেলি উন্মুখ হৈ থাকে তেনেদৰে প্ৰতি মুহূৰ্ততে হেৰুৱাই আহে জীৱনৰ বহু ভগ্নাংশ। দ্ৰুতবেগী ৰে'লগাড়ীয়ে কোনোবা বিশেষ আস্থানৰ পৰা আঁতৰি যোৱাৰ দৰে আমি প্ৰতিজনে আঁতৰি আহি থাকোঁ জীৱনৰ বহু ঘটনা-প্ৰতিঘটনাৰ পৰা। তাৰে কিছু ঘটনা সুগন্ধি হৈ ৰৈ যায় বুকুৰ ভিতৰত আৰু কিছুমান বৰফৰ দৰে নিঃশেষ হৈ গুচি যায় চিৰদিনৰ বাবে।

মোৰ জন্ম হৈছিল মাঘ মাহৰ পূৰ্ণিমা তিথিত। সেই নিশা ভকুণ হৈ আছিল আকাশৰ জোন। গাঁওখনৰ দক্ষিণফালে থকা নামঘৰত চলি আছিল মাঘী পূৰ্ণিমা উপলক্ষে পতা নাগাৰা নাম। মোৰ জন্ম পূৰ্ণিমাৰ নিশা হৈছিল বাবে মায়ে প্ৰতি মাঘ মাহত জোনৰ আকাৰ চায়েই মোৰ জন্মদিন পালন কৰিছিল। ইংৰাজী সংখ্যা পঢ়িব নজনা মোৰ মায়ে আকাশত যেতিয়া দেখিছিল ভকুণ জোন তেতিয়াই ঘৰৰ চোতালত থকা তুলসীৰ তলত থাপনা পাতিছিল। আবেলি ৰবশী বোৱা লগৰীয়াক গোটাই ভকত পাতিছিলো। মায়ে মোৰ কান্ধত গামোচা এখন নি [illegible] লৈ দিছিল থাপনাৰ সন্মুখত। মই [illegible] লাজকৈ আঁঠু লৈছিলো। মুগ দাইলৰ প্ৰসাদ খাই সন্তুষ্ট মনেৰে বিদায় লৈছিল সমনীয়াসকল। মায়ে আকাশৰ জোনক সুধি পতা জন্মদিন এনেকৈয়ে চলি আছিল।

উকন্ডা আবেলি এটিত কিবা খেলিল মনত! মাক ক'লো মোৰ জন্ম সোঁৱৰণীখন দিয়া। মায়ে কিছুপৰ মোৰ চকুলৈ তভক মাৰি চালে। পিছত ঘৰৰ ভিতৰলৈ গৈ ৰঙা ৰঙৰ আলমাৰিটোৰ পৰা উলিয়াই আনি মোৰ হাতত তুলি দিলে জন্মদিনৰ সোঁৱৰণী। সোঁৱৰণীৰ আৰম্ভণিতে তিনিটা চক্ৰ। তাৰ পিছত নাম আৰু জন্ম তাৰিখ, দিন, সময়। সোঁৱৰণীত জিলিকি আছে মাঘ মাহৰ দহ তাৰিখ, ইংৰাজী জানুৱাৰী মাহৰ ১৬ তাৰিখ, ৰাতি ১২ বাজি ১ মিনিট...। সিদিনাৰ পৰায়ে মোৰ গাতো তং আহিল। অবোধ মায়ে নাজানে জন্মদিনৰ তাৰিখ। জোনক সুধি সদায় পাতে মোৰ জন্মদিন। যেন মাঘৰ পূৰ্ণিমা মানে ধনৰ জন্মদিন।

আকাশ চায়েই মায়ে গম পায় মোৰ জন্মদিনলৈ কিমান দিন বাকী? ইফালে মাঘৰ পূৰ্ণিমা নহয় স্থিৰ। কেতিয়াবা হয় তিনি তাৰিখ



B.H.B. College Sarupeta

আৰু কেতিয়াবা হয় ২৬ তাৰিখ। সেই হিচাপত মায়ে কেতিয়াবা ৩৫৮ দিনতে মোক থাপনাৰ ওচৰত আঁঠু কঢ়ায়। মাক মই কি মতে কওঁ যে এক সপ্তাহ বাকী। আকৌ কেতিয়াবা জোনৰ সৈতে গৈ গৈ মায়ে মোৰ জন্মদিনৰ ১৬ দিন পিছত থাপনাৰ ওচৰত আঁঠু কঢ়ায়। মই কি স'তে কওঁ মাক মোৰ জন্মদিন যাবৰ ১৬ দিন হ'ল। সেয়া যেন মাৰ বাবে চৰম অবিশ্বাস্য কথা। চন্দ্ৰ-সূৰ্যক অস্বীকাৰ কৰাৰ লেখীয়া কথা। চন্দ্ৰ-সূৰ্যতকৈ কি আছে পৰম সত্য— এই পৃথিৱীত।

অলপ ডাঙৰ হৈ যেতিয়া আবেগ জনা হ'লো মই সিদ্ধান্ত ল'লো নিশিকাও মাক ইংৰাজী কেলেণ্ডাৰৰ হিচাপ। অবুজ হৈয়েই থাকক মোৰ মা।

জোনক সুধি মোৰ জন্মদিন পাতক।

চাৰিমাইল দুৰৰ স্কুলত পঢ়াপাতি কৰোঁ। স্কুলৰ জিৰণিৰ সময়খিনিত দুগিলাচ পানী খাই বেঞ্চত পেট পেলাই শুই থাকোঁ। দুচকু মুদি দেখি থাকোঁ জীৱন গঢ়াৰ বহুতো সপোন। জীৱনৰ কঠিন প্ৰতিজ্ঞাবিলাক সেইসময়খিনিতে কৰি পেলাইছিলো। মেট্ৰিকৰ খবৰ ওলোৱাৰ দিনা বয়োজ্যেষ্ঠ বহুতে চুলিত হাত ফুৰাই আশীৰ্বাদ দিছিল। দুচকু মুদি মনত পেলাইছিলো দুগিলাচ পানীৰ সৈতে যেৰ পতা ভোকৰ কথা। মাৰ দুচকু তিৰবিৰাইছিল সেইদিনা। আনন্দৰ আবেগৰোধৰ এক তিৰবিৰণি।

তাৰ কিছুদিনৰ পিছতে মই ঘৰ এৰি আহিছিলো এশ মাইল দুৰৰ কলেজত পঢ়িবলৈ। চকুলো বোধ কৰিব নোৱাৰিম বুলিয়েই মই সেই দিনা পিছলৈ চোৱা নাছিলো। পিছপিনে মোৰ মায়ে থিয় হৈ আছিল। পুতলিমুখত মই মাক এৰি



আহিছিলো। এখন ৰে'লগাড়ীয়ে ষ্টেছন এটি এৰি অহাৰ দৰে ধীৰে ধীৰে ক্ৰমশঃ...।

## দুই/এখন অন্য আকাশ

হোষ্টেলৰ ছাদত বহি আকাশলৈ চাই থকাটো মোৰ এটা অভ্যাস হৈ গৈছিল। তেনেকৈ থকা দেখিলে লগৰ বহুতে জোকাইছিল— আকাশত মায়েৰাৰ মুখখন দেখিছ নেকি? আচলতে মাৰ মুখখন চাবলৈ মই আকাশলৈ চাব লগা নাছিল। দুচকু মুদি দিলে দেখিছিলো সদা ভীতিগ্ৰস্ত এহাল চকুৰ এখনি মুখ। জোনাক ৰাতিৰ মায়া-মমতাত মই মাক বিচাৰি পাইছিলো। প্ৰতি মাহৰ পূৰ্ণিমাৰ জোনে সোঁৱৰাই দিছিল মোৰ মাৰ কথা। অথচ ঘৰ এৰি অঘৰী হোৱাৰ পিছত কোনোদিনে মাৰ স্বকল্পিত মোৰ জন্মদিনত উপস্থিত হ'ব পৰা নাছিলো। সেয়েহে মাঘী পূৰ্ণিমাত সাত-আঠদিন পিছত প্ৰতিবাৰে হোষ্টেল গৈ পাইছিল এটি মুগ-দাইলৰ সৰু টোপোলা। মোৰ জন্মদিনৰ প্ৰসাদ। খোৱাতকৈ মই লিৰিকি বিদাৰি বহু সময় চাইছিলো প্ৰতিটো মুগৰ শৰীৰ। এয়া এশ মাইল দূৰৈত মোৰ বাবে প্ৰাৰ্থনা কৰি থকা এক নাৰীৰ আশীৰ্বাদ।

আনহাতে হোষ্টেলত পৰম্পৰাগতভাৱে জন্মদিনৰ তালিকাত মোৰ নামৰ সোঁকাষে লিপিবদ্ধ হৈছিল ১৬ জানুৱাৰী। মায়ে গম পোৱা নাছিল মোৰ হোষ্টেলৰ জন্মদিনৰ কথা। হোষ্টেলত সতীৰ্থয়ো গম পোৱা নাছিল মায়ে পঠোৱা মুগ দাইলৰ ৰহস্য। এনেদৰে সমান্তৰালভাৱে চলিছিল এজন ব্যক্তিৰ দুটা জন্মদিনৰ আয়োজন।

কলেজীয়া কালতে আৱতিৰ লগত মোৰ পৰিচয় হৈছিল। প্ৰথমে পৰিচয় তাৰ পিছত আনুষ্ঠানিকতা সম্ভাষণ কেতিয়াবা লাইব্ৰেৰীত কেতিয়াবা কেণ্টিনত। তাৰ পিছত আন্তৰিকতা আৰু এদিন আপোন হোৱাৰ সংকল্পৰে সকলো কথা খোলাখুলি হৈ পৰিছিল। আৱতিয়ে মোক বুজিবলৈ চেষ্টা কৰিছিল। মোৰ অতীত, মোৰ ভৱিষ্যৎ, মোৰ সপোন সকলোতে আৱতিয়ে নিজকে বিলীন কৰি দিছিল। সেই আৱতিয়ে হোষ্টেলীয়া জীৱনৰ প্ৰতিবাৰে এটি বিশেষ উপহাৰেৰে জন্মদিনৰ শুভবাৰ্তা দিছিল।

হোষ্টেলৰ জন্মদিনত ...
উপহাৰেৰে উপচাই পে...
'আনাকাটা' গামোচাৰ ...
উঠিছিলো। ওপৰলৈ মুৰ ...
অন্ধকাৰ। তেতিয়াৰ প...
যন্ত্ৰণাৰ জন্ম হৈছিল।

কলেজীয়া শিক্ষা শে...
চাকৰিত সোমাইছিলো। ...
গুৱাহাটীত। চাকৰিৰ দী...
মই বছৰৰ দুটা দিনত জ...
কৰি থাকিলো। মাঘ মাহ...
পৰা আৰু আনটো আৱ...
অৱধাৰিতভাৱে মাৰ সম্ব...
কৰি আৱতিক আপোন ...
পোন্ধৰ বছৰ আগৰ কথা। ...
সূত্ৰে মই ঘৰৰ পৰা নিল...
পৃথিৱীত নাই। মোৰ বিয়...
মা গুচি গৈছে তৰাৰ দেশ...
মোৰ বাবে কোনোৱে স্কুল...
চাকি। আকাশৰ জোনক ...
জন্মদিনৰ কথা। ঈষৎ হাল...
মাজত ৰেইচমান গুকান ...
ছাদত গৈ মই মুৰ পাতি ...
টোপোলাত পঠোৱা সেই ...
দূৰৰ পৰা এজনী নাৰীয়ে ...
আশীৰ্বাদ।

## তিনি/আকাশত নিয়ন...

অহাকালি মোৰ জন্মদি...
শূন্যতা অনুভৱ হৈছে। সেই ...
কোৱা নাই যি যন্ত্ৰণাৰ কথ...
কেকৰ অৰ্ডাৰ দিছে। মই এ...
আছোঁ। কাইলৈ মাইনুৱে ঘৰ...
ৰঙীণ কৰিব। কেকৰ চৌপাশ...
দিয়াৰ লগে লগে হাত চাপ...
চৌপাশ। ৰজনজনাই উঠিব—
টু ইউ...। বৰশী বোৱা সম...
ক'ত বিচাৰি যাম। কলিগ ...
উপহাৰেৰে উপচাই দিব ...
এৰি আহিছোঁ মাৰ হাতে ...
গামোচাখন।••

*(লেখক মহাবি...*

B.H.B. College, Sarupeta



# অপেক্ষাৰ শেষ দিনটো

জয়ন্ত কলিতা

[illegible] আহি কাপোৰ সলাই হাত-মুখ ধুই অজয়ে [illegible] একাপ হাতত লৈছে মাথোন, তেনেতে [illegible] থকা টেলিফোনটো সশব্দে বাজি উঠিল।

... ক্রিং ... ক্রিং ... ক্রিং

[illegible] ফালৰ বিচিভাবটোৰ সিমূৰৰ পৰা এক [illegible] নাৰী কণ্ঠস্বৰ ভাহি আহিল।

: হেল্ল' কোন? আই স্পিক টু এড্‌ভোকেট [illegible] কলিতা প্লীজ।

: ইয়েছ, স্পিকিং।

: অজয়দা, মই মায়াই কৈছোঁ।

অজয়ৰ মুখত এটা মিঠা হাঁহি বিৰিঙি [illegible]।

: কোৱা মায়া।

: অজয়দা, মই আপোনাক লগ পাব [illegible]বোঁ। আপুনি ঘৰত থাকিবনে এতিয়া।

: বাৰু ঠিক আছে, তুমি আহা।

অজয়ে টেলিফোনটো থৈ চেঁচা হৈ যোৱা [illegible] একে উশাহতে গিলি থ'লে। মায়াই বাৰু কিয় আহিব খুজিছে এই গধূলি। কি বা দুঃসংবাদ...!

অজয়ে তাৰ কোঠাৰ বিছনাখনত অলসভাৱে পৰি ৰ'ল। মায়াই তাক যিখিনি কথা ক'লে তাৰ অন্তৰত প্ৰতিধ্বনিত হৈ থাকিল। কি যন্ত্ৰণাময় সেই ভাষা! এক ভয়ংকৰ অট্টহাস্যই যেন তাক খেদি আহিছে, তেনে অনুভৱেই হ'ল অজয়ৰ। বাহিৰত নবেনদাইঁতে হাঁহি হাঁহি ঘৰ সজাৰ কাম কৰি আছে। নবেনদাইঁতৰ স'তে তাৰ দেউতাকেও কথা-বতৰাত ভাগ লৈছে। দেউতাকৰ বহুদিনৰ সপোন আছিল এটা দুমহলীয়া ঘৰ সজাৰ। সপোনটো বাস্তৱায়িত হোৱাৰ প্ৰায় শেষ মুহূৰ্তত তাৰ দেউতাক যেন বহুত আনন্দিত তেনেকুৱা লাগিল অজয়ৰ। তাৰ দেউতাক এজন নাম থকা খেতিয়ক। খেতিয়ক হ'লেও তেওঁ শিক্ষাৰ মূল্য ভালদৰে বুজি পাইছিল। দেউতাকৰ বহু কষ্ট আৰু তাৰ অশেষ চেষ্টাৰ ফলতহে সি আজি নিজকে উকীল হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰিছে।

মায়াক লৈ সি বহুত কল্পনা কৰিছিল। কিন্তু তাৰ কল্পনা তাচপাতৰ দৰে খহি পৰিল। তাৰ কলেজীয়া জীৱনত ৰাজীৱ, অনুপহঁতৰ দৰে সিও সাজিব খুজিছিল মায়াক লৈ এটি প্ৰেমৰ ঘৰ। মায়াক সি কিমান ভাল পাইছিল সি নিজেই নাজানে। কিন্তু তাৰ ভালপোৱাক জানো মায়াই মূল্য দিছিল? তথাপি সি মায়াক পাহৰিব পৰা নাছিল। শয়নে-সপোনে সি কেৱল মায়াকহে দেখিছিল। কলেজ এৰা আজি তাৰ আঠ বছৰ হ'ল কিন্তু সি মায়াক পাহৰিব নোৱাৰিলে। এটা ভাল চাকৰি... এখন ভাল গাড়ী...। মুঠতে জীৱনত বিচৰা সকলোখিনিয়েই সি পালে, কিন্তু মায়াক...। মায়া অবিহনে তাৰ জীৱনত যেন একোৱেই নাই। সকলো পায়ো যেন সি বুকুত এটা বিষ অনুভৱ কৰে কিবা এটা যেন নাই...।

শেষত এদিন সি এটা সিদ্ধান্ত লৈছিল যে মায়াৰ দেউতাকক সি মায়াক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিব। সি ভবা মতেই সকলো হৈছিল। মায়াৰ দেউতাকেও সন্মতি দিছিল। কিন্তু মায়াই...। মায়াই তাইৰ সিদ্ধান্ত অত্যন্ত দৃঢ়তাৰে তাক জনাই দিছিল। মায়াই কোৱা কথাবোৰ তাৰ কাণত এতিয়াও প্ৰতিধ্বনিত হৈ আছে।

: অজয়দা, মই আপোনাৰ লগত বিয়া হ'ব নোৱাৰোঁ। মই জানো দেউতাই আপোনাক সন্মতি দিছে; কিন্তু যিহেতু মোৰ জীৱনক লৈ কথা চলিছে তাত জানো মোৰ সন্মতিৰ কথা নাই! দেউতাক মই সকলোবোৰ বুজাই কৈছোঁ আৰু অহা ব'হাগ মাহৰ পহিলা তাৰিখে বিচিত্ৰ শইকীয়াৰ লগত মোৰ বিয়া ঠিক হৈছে। সেইবাবে এই কথাখিনি জনাবলৈ মই আপোনাৰ ওচৰলৈ আহিছোঁ। আপোনাক ক্ষন্তেক আমনি কৰাৰ বাবে ক্ষমা কৰিব।

সি যিখিনি আশা লৈ প্ৰতীক্ষাৰ ধিমিক-ধামাক চাকি গছি জ্বলাই আছিল সেয়াও আজি শেষ হ'ল। মায়াই যে তাক তেনেকৈ ক'ব সি কেতিয়াও ভবা নাছিল।

'And ohold within my hand

Grians of the golden sand...'

এড্‌গাৰ এলান পোৰ কবিতাফাকি তাৰ মনলৈ আহিল। খিৰিকীৰ পৰ্দাখন গুচাই সি বাহিৰৰ আকাশখনলৈ চালে। ক'লা মেঘে আগুৰি ধৰিছে গোটেই আকাশ। ক্ষন্তেক পিছতে যেন এজাক ধুমুহা আহিব। সি অনুভৱ কৰিলে প্ৰকৃতিও যেন আজি তাৰ সমানেই সুখী। মনত পৰিল তাৰ সুন্দৰ চেহেৰাৰ ৰূপ-যৌৱনেৰে ভৰপূৰ সেই বিচিত্ৰ শইকীয়া নামৰ মানুহজনলৈ। বিচিত্ৰ শইকীয়া সমাজত এজন আগশাৰীৰ ঠিকাদাৰ হিচাপে প্ৰতিষ্ঠিত। কিন্তু ধন-সম্পত্তি ৰূপ-যৌৱনৰ উপৰি যে মানৱতা গুণটো মানুহক লাগে সেইটো কিন্তু শইকীয়াৰ নাছিল। শইকীয়াই বহুবাৰ নাৰী কেলেংকাৰিত পুলিচৰ হাতত ধৰাও পৰিছিল; কিন্তু টকা-পইচা, ধন-সম্পত্তিৰ কাৰণে শইকীয়াই সমাজত নিজৰ ষ্টেণ্ডাৰ্ড বজাই ৰাখিব পাৰিছে। চন্দনা, কৰবীহঁতৰ জীৱন ধ্বংস কৰিয়ে সি ক্ষান্ত নাথাকি এতিয়া মায়াৰ ওপৰত চকু দিছে। ফুলৰ মৌ চুহিবলৈ ভোমোৰাই ফুলৰ কাষ চাপে, হয়তো বিচিত্ৰও ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু আধুনিক মায়াই যে সেই কথা উপলব্ধি কৰিব পৰা নাই সেইটো সি ভালকৈ জানে। অজয়ৰ ৰূপ নাই সঁচা। ৰূপ, এৰা তাৰ ৰূপ নাই। তাৰ যে জন্মৰ পৰাই এটা চকু...। কিন্তু তাৰটো এখন হৃদয়

B.H.B. College, Sarupeta

আছে। কিন্তু আধুনিক মায়াই যে তাৰ সেই কথা মুঠেই নুবুজে। মাথোঁ তাই চিনি পায় ৰূপ-যৌৱন, ধন-সম্পত্তি। সঁচাকৈ কি বিস্ময়! মানুহে একেখন হাতেৰেই মিলনৰ মালা পিন্ধায় আৰু সেইখন হাতেৰেই শ্মশানৰ চিতা জুয়ো জ্বলায়।

বাহিৰৰ এছাটি চেঁচা বতাহ আহি তাৰ গাটো কঁপাই তুলিলে। তাৰ মাক-ভনীয়েকহঁতে হয়তো এতিয়া টোপনিত লালকাল। মাকে ভাত খাবলৈ বহুবাৰ মাতিছিল, কিন্তু সি ভোক নাই বুলি ফাকি দিলে। তাৰ যে অন্তৰত...। মৰম লাগি গ'ল তাৰ আজলী মাকজনীলৈ। তাৰ মনটো বিচলিত হৈ পৰিল। হেৰোৱা অতীতে তাক এইবাৰ বাৰুকৈয়ে জোকাৰি গ'ল। অতীতৰ সেই কলেজীয়া দিনবোৰ টানি আনিবলৈ প্ৰচণ্ড হেঁপাহ হ'ল তাৰ। হাঁহি-কান্দোন, সুখ-দুখৰ মাজেৰে পাৰ হোৱা তাৰ কলেজীয়া দিনবোৰ। সঁচাকৈ তাৰ জীৱনটো যে আৰু...!

ঃ ভাইটি তোমাৰ নাম?

ঃ অজয় কলিতা

ঃ কোন ক্লাছ?

ঃ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

ঃ ঘৰ ক'ত?

ঃ সৰুপেটাত

ঃ ঠিক আছে। ভালকৈ পঢ়া।

সেয়া আছিল তাৰ কলেজীয়া জীৱনৰ প্ৰথম দিনটো। দুৰু দুৰু বুকুৰ কম্পনে আন্দোলিত কৰি তুলিছিল তাক। প্ৰথমতে সি নিসঙ্গ অনুভৱ কৰিলেও সেই পৰিৱেশত মিলি যাবলৈ বেছি সময় নালাগিল। অইন ছাত্ৰ-ছাত্ৰীৰ মাজত সিও এজন হৈ পৰিল। এনেকৈ তাৰ ৰাজীৱ, অনুপ, দীপাংকৰহঁতৰ লগত বন্ধুত্ব গঢ়ি উঠিল।

তাৰ পিছত প্ৰকৃতিৰ ওপৰেৰে দুটি বসন্ত বাগৰি গ'ল। সি হায়াৰ ছেকেণ্ডাৰী প্ৰথম বিভাগত ৰাজনীতি বিজ্ঞানত লেটাৰসহকাৰে পাছ কৰি শিক্ষা বিষয়ত মেজৰ লৈ ডিগ্ৰীত নাম লগালে। এনেকৈ সি জীৱনৰ পথত খোজ পেলাই গৈ থাকিল। কিন্তু এদিন...।

বাৰ নম্বৰ ৰুমলৈ সি মেজৰৰ ক্লাছ কৰিবলৈ গৈ আছিল। এনেতে তাৰ চকু গ'ল এক নম্বৰ ৰুমৰ কৰিডৰত থিয় হৈ এজনী ছোৱালীয়ে তাৰপিনে মন্ত্ৰমুগ্ধৰ দৰে আকুল দৃষ্টিৰে চাই আছে। আৰু সেই দৃষ্টিৰ প্ৰতিবিম্ব তাৰ দুচকুৰে সোমাই গৈ হৃদয়ত কম্পনৰ সৃষ্টি কৰিলে। আৰু এইখিনিতে তাৰ জীৱনৰ প্ৰথমটো ভুল হৈ গ'ল। অৱশ্যে সি সেই সময়ত অনুভৱ কৰিব পৰা নাছিল সেইটো তাৰ ভুল বুলি। কিন্তু আজি সি অনুতপ্ত। সুন্দৰ গোলাপত যে বিষাক্ত কীট থাকিব পাৰে সেই কথা সি ভাবিবই পৰা নাছিল। অনানুষ্ঠানিক পৰিচয়ৰ পিছত চকুৰে চকুৰে দুয়োৰে বহুত কথাই হ'ল। তাৰ বাবে সেই দিনবোৰ হৈ পৰিছিল ৰঙীণ সপোনেৰে মিনা কৰা...। প্ৰাণ-প্ৰাচুৰ্যৰে ভৰা প্ৰতীক্ষা...। য'লৈকে যায় তাকেই সৰগ সৰগ লাগে...। যি শুনে তাকেই গীত গীত লাগে, ব'হাগ নাহিলেও মন যেন মহুৱা হৈ ঘূৰে...। প্ৰেম চাগে তেনেকুৱাই। তাইক লৈ সি টুনী চৰায়ে এডাল এডালকৈ খেৰকুটা কঢ়িয়াই বাহ সজাৰ দৰে ভৱিষ্যতৰ আশাৰ কাৰেং সাজিছিল। যিমানেই সি তাইক দেখিছে সিমানেই সি যেন বলিয়া হৈ গৈছে। তুলতুলীয়া ওঁঠ দুটিৰে হাঁহো হাঁহো কৰা মুখখন তাইৰ।

তেনেকৈ বহুত দিন পাৰ হৈ গ'ল। এদিন কলেজ ছুটী হোৱাৰ পিছত বুকুত বহুত সাহস বান্ধি 'তৃষণা ৰেষ্টুৰেন্ট'ৰ সন্মুখত মাত দিলে সি—

ঃ মায়া অলপ ৰবাচোন।

ঃ মোক মাতিছে?

ঃ হয়। তোমাৰ লগত অলপ কথা আছিল।

ঃ কওক।

ঃ মা... মায়া মই তোমাক ভাল পাওঁ মায়া। তু... তুমি...

ঃ ছিঃ লাজ লগা নাই, বাওনা হৈ স্বৰ্গলৈ হাত মেলিবলৈ আপোনাৰ নিচিনা এজনক মই...।

মায়াৰ মুখেৰে যিখিনি কথা শুনিলে তাৰ আৰু জীয়াই থাকিবলৈ ইচ্ছা নোহোৱা হ'ল। সি যেন ধৈৰ্য হেৰুৱাই পেলাইছে। টহ টহকৈ জ্বলি থকা জুইকুৰাত সি ছট্‌ফটাই লুটি খাই মৰাৰ বাহিৰে তাৰ যেন অইন পথ একেবাৰেই নাই। মায়া সঁচাকৈ এজনী মায়াবীয়ে। সিদিনা তাৰ এনেকুৱা অনু
স্বৰ্গ, নৰক সকলো
দিব সংসাৰত সুখ,
সকলোবোৰেই
সেই মায়াৰ ছায়াৰ
যেন দেখা পায় সি
তাৰফালে চাই হাঁহে
সি খেদি যায়...।
খোজে, তাই হেৰাই

ৰাজীৱ, অনুপ,
বুজাইছিল—

ঃ অজয়, যি হৈ
ভাবি কোনো লাভ
পাব, কিন্তু তোৰ
মূল্য দিছে? অজয়,
যে তই মায়াক লৈ
আলোচনীত সেই
লগে লগে দুহাতেৰে
অজয় মনত ৰাখিবি
আছে—

'All that glitte

কিন্তু প্ৰেম জানে
বুলি জানো দিব পা
উপলুঙা কৰিলে,
প্ৰতিচ্ছবি হৃদয়ৰ পৰা
এৰা নোৱাৰে, কেতিয়া
যি তাৰ জীৱনৰ প্ৰথম
মুগ্ধতা, অনুৰাগেৰে
সেইজনী মায়াক সি প
পাহৰি যোৱাৰ আগতে
বেছি সময় নালাগিব
গ'লেও স্মৃতিৰ পাপৰি
যায়; কেতিয়াও না
বিস্মৃতিয়ে ধুই নিকা কৰি
নোৱাৰে মনৰ গভীৰ ত
অমূল্য স্মৃতি। কিন্তু কি
বিস্ময় মায়া! তাই ইমান
উপলুঙা কৰিলে তাক,
তথাপি দেখোন তাই
তাৰ চকুলৈ চাই
হাঁহে...। তাক

B H B College Sarupeta



হাতবাউলি মাতে...। সি খেদি যায়...। তাই পলাই যায়। সি ধৰিব খোজে, তাই হেৰায় যায়...।

এনেকৈ হাঁহি-কান্দোনৰ মাজেৰে তাৰ কলেজীয়া দিনবোৰ পাৰ হৈছিল। তাৰ পিছত সি সুখ্যাতিৰে এল এল বি পাছ কৰি আজিৰ এই অৱস্থাত উপনীত হৈছে। যিটো আশাক লৈ প্ৰতীক্ষাৰ ধিমিক-ধামাক চাকি জ্বলাই সি বৈ আছিল। তাতো আজি গধূলি চেঁচাপানী ঢালিলে মায়াই।

সঁচাকৈ শ্বেইক্সপীয়েৰৰ 'হেমলেট' নামৰ নাটকখনত এনেয়ে লিখি থৈ যোৱা নাই— 'হে চঞ্চলতা তোমাৰ নামেই নাৰী।'

আজি চ'ত মাহৰ পঁচিশ তাৰিখ আৰু কেইটামান দিন পিছতেই হয়তো মায়াই চিৰদিনৰ বাবে গুচি যাব যোৰহাটলৈ। তাৰ পিছত বিচিত্ৰৰ বুকুত...। নাই হ'ব নোৱাৰে। মায়া— যিজনী তাৰ জীৱনৰ প্ৰথম বিস্ময়, নয়নৰ প্ৰথম মুগ্ধতা, অনুৰাগেৰে ৰঞ্জিত প্ৰথম ৰূপবিহ্বলতা সেইজনী মায়াক সি বিচিত্ৰৰ বুকুত...। হয়তো মায়াই এতিয়া কল্পনা কৰি আছে— ৰভাস্থলীত মায়া বিচিত্ৰৰ ওচৰত কি দৰে বহিব? আৰু সি টেবুলৰ ওপৰত বিষৰ বটল আগত লৈ...।

নাই সি আৰু জীয়াই থাকিব নোৱাৰে। বহুত অপেক্ষা কৰিলে সি, কিন্তু আজি অপেক্ষাৰ শেষ দিন...।

পূজনীয়া মা,

এতিয়া বহুত ৰাতি। তুমি ভাবি আছা তোমাৰ পুত্ৰই শুই আছে। কিন্তু তোমাৰ পুত্ৰৰ বুকুত যে...! হয়তো তুমি তোমাৰ উকীল পুত্ৰক লৈ বহুত কল্পনা কৰিছা। কিন্তু তোমাৰ আশা পূৰণ কৰিব নোৱাৰিলো। ঈশ্বৰৰ ওচৰত মই প্ৰাৰ্থনা কৰোঁ মোৰ নিচিনা দুৰ্ভগীয়া দ্বিতীয় এজনৰ যেন এই পৃথিৱীত জন্ম নহয়। সংসাৰৰ উত্তাল সাগৰৰ দিশহাৰা পথিক মই। যেনি চাওঁ তেনি দেখোঁ নিৰাশাৰ প্ৰতিচ্ছবি, মাজসাগৰৰ প্ৰকাণ্ড ঢৌৰ মাজত হেৰাই গ'ল জীৱনৰ ব'ঠাখন। হায় বিধি, নাপালো বিচাৰি কেতিয়াও হেৰোৱা ব'ঠাখনি! হয়তো ৰাতিপুৱাবলৈ এতিয়া বহু বাকী। মা ওকালতি কৰি বহুত কেছ সমাধান কৰিলো, কিন্তু আজি নিজৰেই...। চিঠিখন যেতিয়া পঢ়িবা হয়তো তেতিয়া মই এই পৃথিৱীৰ পৰা বহু আঁতৰত...। দুখ নকৰিবি বিধিৰ লিখন জানো...। অনুপক নিজৰ পুত্ৰ বুলি ভাবিবা, সি তোমালোকক চাব।

ইতি
তোমাৰ দুৰ্ভগীয়া পুত্ৰ
অজয় ◆◆

*(বিদিপ, যৌৱন আৰু তুমিৰ হাতত — লেখক)*

*(লেখক মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ)*

মানুহৰ জীৱন যিমান আনন্দময় হ'ব পাৰে বুলি আমি কল্পনা কৰিব পাৰোঁ, প্ৰায় সিমান আনন্দময় আছিল বিংশ শতাব্দীৰ আৰম্ভণিত ব্যক্তিকেন্দ্ৰীক ধনবান ইউৰোপীয়সকলৰ জীৱন। তেওঁলোকৰ বিচক্ষণ ক্ষেত্ৰ আছিল আড়ম্বৰপূৰ্ণ কাফে, থিয়েটাৰ, কাণ্ট্ৰি-হাউছ আৰু প্ৰকৃতিৰ ৰম্যভূমিবোৰ। তেওঁলোকৰ জীৱন বেছি আৰামদায়ক কৰি তুলিছিল সেৱাপৰায়ণা ৰমণী আৰু ভৃত্যসকলে। বিজ্ঞান আৰু কলাৰ প্ৰতি অনুৰাগ থকা লোকসকলৰ কাৰণে আছিল দুয়োটা ক্ষেত্ৰৰ নিত্য-নৱ উদ্ভাৱনাবোৰ। কিন্তু সুখ-স্বাচ্ছন্দ্যৰ ইমানবোৰ উপকৰণেও এই মানুহবোৰক সুখী কৰিব পৰা নাছিল। তেওঁলোকৰ জীৱন আছিল বিৰক্তিপূৰ্ণ আৰু দিশহাৰা। অৱসাদপূৰ্ণ গতানুগতিকতাৰ পৰা মুক্তি বিচাৰি তেওঁলোকে ঢাপলি মেলিছিল ১৯১৪ চনত পৰাস্ত হোৱা মহাসমৰৰ যুদ্ধক্ষেত্ৰলৈ। এতিয়া আকৌ যুদ্ধও হৈ পৰিছে অসহ্য। হয়তো ভৱিষ্যতে এনে এটা দিন আহিব— যেতিয়া মানুহে জীয়াই থকাৰ নতুন উত্তেজনা বিচাৰি পাব গ্ৰহান্তৰত উপনিৱেশ স্থাপন কৰাৰ কামত। কিন্তু সকলো মানুহেই গ্ৰহান্তৰলৈ যাব নোৱাৰিব। তেতিয়াও বহুত মানুহ বৈ যাব পৃথিৱীত।


# জীৱনৰ চিৰন্তন ৰূপ

— ষ্টিভেন ওৱেইনবাৰ্গ
(নোবেল বঁটা বিজয়ী পদাৰ্থ বিজ্ঞানী)

সভ্য সমাজত বাস কৰি সন্তুষ্ট হ'ব পৰাকৈ আমি কেতিয়াবা নিজকে সলনি কৰিব পাৰিমনে? আচৰণবাদী আৰু মাৰ্ক্সবাদীসকলে মানৱ-প্ৰকৃতিক সলনি কৰাৰ যি সপোন দেখিছিল তাৰ মাজত প্ৰতিফলিত হৈছিল বিজ্ঞানৰ সামৰ্থ্যৰ নিকৃষ্টতম অতিৰঞ্জন। চেখভৰ 'তিনিভনী' নামৰ নাটকখনত বাৰ্ছিনিনিৰ ইউটপিয়ান স্বপ্নৰ উত্তৰত বেৰন টুযেনবাখে কৈছিল—

'হ'ব পাৰে, আমি এদিন বেলুনত উঠি উৰি ফুৰিম; আমাৰ জেকেটৰ কাটটো হ'ব অলপ বেলেগ ধৰণৰ; আমি ষষ্ঠেন্দ্ৰিয় আৱিষ্কাৰ কৰি হয়তো তাৰ বিকাশ সাধনো কৰিম; — মই নাজানো। কিন্তু মানুহৰ জীৱন চিৰকাল একে হৈয়েই থাকিব— কষ্টদায়ক, অনিশ্চয়তাপূৰ্ণ আৰু সুখী। হাজাৰ বছৰৰ পিছতো মানুহে ঠিক আজিৰ দৰেই হুমুনিয়াহ পেলাই ক'ব— আস্, জীয়াই থকা কামটো যে ইমান কঠিন। তেতিয়াও মানুহে মৃত্যুক ভয় কৰিব, আৰু মৰিবলৈ নিবিচাৰিব।'

B.H.B. College Sarupeta



# তেওঁ

# মা

মূল ঃ পাণ্ডে

অনুবাদ ঃ

....গৰীবৰ পৰা শুহি শুহি 'সেনা' নামৰ পশুবোৰক মদ, কবায় আদি খুৱাই শক্তিমন্ত কৰি ৰাখিছে। এই চৰকাৰে জোকৰ নিচিনা লাহে লাহে আমাৰ দেশৰ ধৰ্ম, প্ৰাণ আৰু ধন শুহি লৈ আছে, এয়াই হ'ল লুণ্ঠন শাসনপ্ৰণালী...

দুপৰীয়া আৰাম কৰি উঠিছিলো। মোৰ পঢ়া কোঠাত ডাঙৰ ডাঙৰ আলমাৰীত সজাই থোৱা কিতাপবোৰ এক মহান লেখকৰ মহান কৃতি এখন উলিয়াই আলমাৰীত থকা আটাইবোৰ কিতাপেই মহান যেন কছো, মেজিনী, নীৎসে, শ্বেইক্সপীয়েৰ, টলষ্টয়, হ্যুগো, মেক্লে, মিল্টন, মোলিয়েৰ— ইমূৰৰ পৰা সিমূৰলৈ আছিল। কাৰ লগত যে অলপমান মন ভাল লগাওঁ মহান ব্যক্তিসকলৰ নাম পঢ়ি পঢ়িয়েই ভাগৰি গৈছো।

এনেতে গাড়ীৰ ভোঁ-ভোঁ শব্দ শুনিবলৈ পালো। যে কজলা বৰণৰ এখন 'ফিয়েট' গাড়ী।

মই ভাবিলো যে নিশ্চয় কোনোবা বন্ধু আহিছে। পৰা ৰক্ষা পালো।

যেতিয়া আমাৰ লগুৱাটোৱে আলহীৰ কাৰ্ড আনি ভয় লাগিল। কাৰ্ডখনত এছ পিৰ নাম লিখা আছিল। আহিল?

পুলিচ অফিচাৰগৰাকী ভিতৰলৈ আহিল। মই কৰমৰ্দন তেওঁক বহিবলৈ দিলো। তেওঁ বেপৰোৱাভাৱে মিচিকি

'হঠাৎ আপোনাৰ ওচৰলৈ অহা বাবে মোক ক্ষমা ক

'কওকচোন মই কি সহায় কৰিব পাৰোঁ।' ময়ো নজ

তেওঁ পকেটৰ পৰা এটা ডায়েৰী উলিয়ালে আৰু

B.H.B College, Sarupeta

'এইখন চাওক। আপুনি এওঁক চিনি পায়নে?'

'হয় মই এওঁক চিনি পাওঁ।' একমত হৈ মই ক'লো।

'এওঁৰ বিষয়ে মোৰ অলপ সুধিবলগীয়া আছে।'

'সোধক।'

'এওঁৰ নাম কি?'

'লাল, মই এই নামেৰেই তাক সকলে পৰা মাতি আহিছোঁ। কিন্তু এইটো তাৰ ঘৰত মতা নামহে। আৰু এটা নাম আছে, যিটো মোৰ মনত পৰা নাই।'

'ক'ত থাকে ই?' এই পিয়ে পুলিচৰ চোকা দৃষ্টিৰে মোৰ ফালে চাই সুধিলে।

'মোৰ ঘৰৰ ঠিক সন্মুখত, এটা-দুটা কোঠাৰে আধা পকা আৰু আধা মাটিৰ ঘৰটোতে সি থাকে। তাৰ লগত তাৰ বুঢ়ী মাকজনী থাকে।'

'বুঢ়ীজনীৰ নাম কি?'

'জানকী।'

'আৰু কোনো নাই নেকি এওঁৰ পৰিয়ালত? ইহঁতৰ পোহপাল কোনে কৰে?'

'সাত-আঠ বছৰমান আগতে লালৰ দেউতাকৰ মৃত্যু হৈছে। এতিয়া সেই পৰিয়ালটোত কেৱল সি আৰু তাৰ মাক। তেওঁৰ দেউতাক জীৱিত থকালৈকে মোৰ ব্যৱসায়ৰ মালিক আছিল। তেওঁৰ নাম আছিল ৰামনাথ। ৰামনাথে মোৰ ওচৰত কিছু টকা জমা কৰি থৈ গৈছিল। সেই টকাৰেই সিহঁতৰ ঘৰখন চলি আছে। ল'ৰাটো কলেজত পঢ়ি আছে। জানকীৰ আশা— সি দুই-এক বছৰৰ ভিতৰত উপাৰ্জন কৰি ঘৰখন চম্ভালিব। কিন্তু ক্ষমা কৰিব, মই জানিব পাৰোঁনে, আপুনি এওঁৰ বিষয়ে কিয় ইমান সোধা-পোছা কৰি আছে?'

'এইটো মই আপোনাক ক'ব নোৱাৰিম, কিন্তু আপুনি এইখিনি বুজি লওক যে এয়া চৰকাৰী কাম। এইবাবেই মই আপোনাক ইমান দিগ্‌দাৰি দিলো।'

'ইয়াতনো দিগ্‌দাৰি পাবলগীয়া কিতো আছে? আমিতো চিৰদিন চৰকাৰৰেই দাস। আৰু যদি কিবা কথা আছে...'

'আৰু এটা কথা।' পুলিচ অফিচাৰগৰাকীয়ে গম্ভীৰ কণ্ঠেৰে লাহেকৈ ক'লে— 'মই বন্ধুত্বৰ ভাবেৰে আপোনাক অনুৰোধ কৰিছোঁ— আপুনি এই পৰিয়ালৰ পৰা অলপ সাৱধানে আৰু দূৰে দূৰে থাকিব। আৰু মোৰ ক'বলগীয়া বিশেষ নাই।'

(২)

'হেৰা লালৰ মাক!' এদিন জানকীক মাতি আনি মই বুজালো—

'তোমাৰ লালে আজিকালি কিনো কৰি আছে? তুমি তাক কেৱল মৰমহে কৰা নহয়? ভুঞ্জিবা।'

'কি বাবু?' তেওঁ ক'লে— 'লালে কি কৰে? মইতো তাক কোনো বেয়া কৰা দেখা নাই।'

'একো নকৰাকৈ চৰকাৰে কাকো পিছা নকৰে। তাতে আকৌ বৰ বিবেকবান চৰকাৰ। নিশ্চয় তোমাৰ ল'ৰাই কিবা কৰিছে।'

'মা! মা!!' বুলি মাতি সেই সময়ত লালো আহিল। ওখ, সুগঠী, সুন্দৰ, তেজস্বী।

'মা!' সি মোক নমস্কাৰ কৰি জানকীক ক'লে— 'তই ইয়ালৈ ওচি আহিছ? ব'ল, মোৰ বন্ধু আহিছে। সিহঁতক অলপ জা-জলপান খাব দিব লাগে। তাৰ পিছত আমি ওলাই যাম।'

'আৰে!' জানকীৰ মুখ উজ্জ্বল হৈ উঠিল। আনন্দত জানকী কঁপিবলৈ ধৰিলে। 'তই আহিলি লাল, ব'ল ব'ল। চাচোন তোৰ খুৰাই কি আপত্তি কৰি আছে। তই কি ফাট্‌লামি কৰি আছ?'

'কি খুৰাদেউ?' সি সবিনয়ে সুমধুৰ সুৰেৰে মোক সুধিলে— 'মই কি অপৰাধ কৰিলো?'

'মই তোমাক বেয়া পাইছোঁ লাল!' মই গহীনভাৱে ক'লো।

'কিয় খুৰাদেউ?'

'তুমি বৰ বেয়া হৈ যাব ধৰিছা, চৰকাৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাসকলৰ লগ লৈছা। অ' তুমি। চোৰা লালৰ মা! তাৰ মুখৰ ৰং সলনি হৈ গৈছে, সি ভাবি আচৰিত হৈছে যে এই খবৰটো মই কেনেকৈ পালো।' সঁচাকৈয়ে তাৰ উজ্জ্বল মুখখন এক মুহূৰ্তৰ বাবে ক'লা পৰি গ'ল। কিন্তু পুনৰ নিজক চম্ভালি ল'লে।

'আপুনি ভুল শুনিছে, খুৰাদেউ। মই কোনো ষড়যন্ত্ৰত জড়িত নহয়। অৱশ্যে মোৰ বিচাৰধাৰা স্বতন্ত্ৰ। মই হৃক্কে-বিহকে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰোঁ। দেশৰ দুৰৱস্থাত মই বিদ্ৰোহী হৈ উঠোঁ। এই পশুহত্যাকাৰী পৰতন্ত্ৰক মই ঘিণ কৰোঁ।' 'তোমাৰ কথাই সত্য, তুমি ষড়যন্ত্ৰতো লিপ্ত নোহোৱা, বিদ্ৰোহো নকৰা, কিন্তু ইমান কৰ্কৰকাইছা কিয়? ইয়াৰ পৰা তোমাৰ কি লাভ হ'ব। তোমাৰ এই বক্‌বকনিত না দেশৰ দুৰ্দশা দূৰ হ'ব, না পৰাধীনতা। তোমাৰ কাম হৈছে পঢ়াশুনা কৰা। প্ৰথমতে পঢ়া, তাৰ পিছত কৰ্ম কৰিবা আৰু তেতিয়াহে পৰিয়াল আৰু দেশৰ মৰ্যাদা ৰাখিব পাৰিবা। তুমি প্ৰথমতে নিজৰ ঘৰখনক উদ্ধাৰ কৰা। পিছত চৰকাৰক শুধৰাবা।

সি নম্ৰভাৱে ক'লে— 'খুৰাদেউ, ক্ষমা কৰিব। এই বিষয়ত মই আপোনাৰ লগত তৰ্ক কৰিব নিবিচাৰোঁ।'

'বিচাৰিব লাগিব, তৰ্ক কৰিব লাগিব। মই তোমাৰ কেৱল খুৰাদেউ নহওঁ। তোমাৰ একান্ত শুভাকাংক্ষীও। তোমাক দেখাৰ লগে লগে মোৰ চকুৰ আগত ৰামনাথৰ ছবি নাচিবলৈ ধৰে। তোমাৰ বুঢ়ী মাতৃৰ ৰূপ ভাহি উঠে। গতিকে মই তোমাক ৰাজদ্ৰোহী হ'বলৈ দিব নোৱাৰোঁ।'

'এই পৰাধীনতাৰ কাজিয়াত মোৰ আৰু আপোনাৰ ৰাস্তা ভিন ভিন। আপুনি একান্ত ৰাজভক্ত আৰু মই একান্ত ৰাজদ্ৰোহী। আপুনি কিবা কাৰণত যদি প্ৰথমটো শুদ্ধ বুলি ভাবে মই আন এক কাৰণত দ্বিতীয়টো শুদ্ধ বুলি ভাবোঁ। আপুনি কল্পনাপ্ৰিয়তাৰ বাবে নিজৰ পথ এৰিব নোৱাৰে আৰু ময়ো মোৰ পথ এৰিব নোৱাৰোঁ।'

'তোমাৰ কল্পনা কি? ময়ো শুনোচোন আজিৰ কলেজীয়া ল'ৰাই কলেজৰ শিক্ষা লাভ কৰি কিনো আলাসত চাং পতা সপোন দেখে।'

'মোৰ কল্পনা এয়ে— যিসকল ব্যক্তি সমাজ, ৰাষ্ট্ৰ নাইবা ব্যক্তিক নাশ

B.H.B. College, Sarupeta

কৰিবলৈ জীয়াই আছে তেনে লোকৰ সৰ্বনাশ হওঁক।'

জানকী উঠি বাহিৰলৈ গ'ল— 'আৰে তই দেখোন খুৰাদেউৰ লগতেই যুঁজিবলৈ ধৰিলি? তাত ল'ৰা চাৰিটাই চাগে' দুৱাৰমুখত ৰৈ আছে। তই কাজিয়া কৰি থাক, মই যাওঁ।' তেওঁ মোক ক'লে— 'তাক বুজাই দিয়ক বাবু, মই নিজেই একো নুবুজোঁ তাকনো কি বুজাম?' তেওঁ পুনৰ লালৰ ফালে চালে— 'খুৰাই যি কয়, শুনিবি বাচা। তেওঁ তোৰ ভালৰ কাৰণেই ক'ব।'

তাই বেচেৰীয়ে কঁকাল বেঁকা কৰি ষাঠি বছৰ বয়সতো ওৰণি টানি গুচি গ'ল। সেইদিনা তেওঁ মোৰ আৰু লালৰ কথাৰ অলপো গভীৰতা বুজি নাপালে।

'মোৰ কল্পনা এয়ে', উত্তেজিতভাবে লালে ক'লে— 'সমাজ ৰাষ্ট্ৰৰ দুষ্ট আৰু পদলেহনকাৰী ব্যক্তিসকলৰ সৰ্বনাশত ময়ো জড়িত হওঁ।'

'তুমি বহুত দুৰ্বল। তুমি মোৰ লগত যুদ্ধ কৰিবলৈ ওলাইছা নিঃশেষ হৈ যাবা।'

'খুৰাদেউ, নিঃশেষ হৈ যোৱাটোতো ইয়াৰ নিয়ম। যি ওপৰলৈ উঠে সি পৰিবই। আমি দুৰ্বল বাবে নিজৰ কাম বন্ধ কৰিলে নহ'ব। কামৰ সময়ত আমাৰ বাহু দুৰ্বল নহয়, ভগৱানৰ সহস্ৰ বাহু আমাৰ সহায় হ'ব।'

'তেন্তে তুমি কি কৰিব বিচাৰিছা?'

'মোৰ দ্বাৰা যি হয়, তাকেই কৰিম।'

'ষড়যন্ত্ৰ?'

'প্ৰয়োজন হ'লে নিশ্চয়...'

'বিদ্ৰোহ?'

'অবশ্যেই কৰিম!'

'হত্যা?'

'হয়...হয়... হয়।'

'বাচা তোমাৰ মুৰটো কি কিতাপ পঢ়ি পঢ়ি নষ্ট হ'বলৈ ধৰিছে নাজানো। সাৱধান!'

(৩)

মোৰ ধৰ্মপত্নী আৰু লালৰ মাকে এদিন কথা পাতি থাকোঁতে মই সোমাই গ'লো। কিবা এটা সুধিবলৈ মই বহুদিনৰ পৰাই তেওঁক বিচাৰি আছিলো।

'কি হ'ল লালৰ মা? লালৰ লগত তোমাৰ ঘৰলৈ ক'ৰ ল'ৰা আহে?'

'মই কি জানো বাবু।' তেওঁ সৰলভাৱে ক'লে— 'কিন্তু সিহঁত আটায়ে মোক লালৰ নিচিনাই মৰম কৰে। আটাইকেইটাই অসাৱধান। সিহঁতে ইমান হাঁহে, গান গায় আৰু হাল্লা কৰে, মই মুগ্ধ হৈ যাওঁ।'

মই এটা ঠাণ্ডা উশাহ ল'লো— 'হুঁ ঠিকেই কৈছা। সিহঁতে কি কথা পাতে কিবা বুজি পোৱানে?'

'বাবু, সিহঁতে লালৰ লগত আলোচনাত বহে। মই সিহঁতক যেতিয়া জা-জলপান দিবলৈ যাওঁ, তেতিয়া বৰ মৰমেৰে মোক 'মা' বুলি মাতে। মোৰ অন্তৰ উথলি উঠে— ভাবি লোৱা সিহঁত যেন মোৰেই সন্তান।'

'হুঁ...' মই পুনৰ উশাহ ল'লো।

তাৰে এটা ল'ৰা বৰ স্ফূৰ্তিবাজ। দেখাতে ... লালে কৈছিল— সি লাঠী খেল, দৌৰ, বক্সিং ... হো কৰি হঁহাত গোটেই কলেজৰ ভিতৰতেই ... এদিন হালোৱা দি থাকোঁতে মোৰ মুখলৈ চাই ক... ভাৰত মাতাৰ নিচিনা। তুমিও বুঢ়ী, তেৰোঁ বু... তোমাৰ চুলি। হয়, সেই ৰূপেৰেই আমি ক... মাতা'। তোমাৰ হিমালয়সদৃশ, কপালৰ গভী... যমুনা। নাকটো বিন্ধ্যাচল, থুঁতৰিটো কন্যাকুম... মোচ খোৱা ৰেখাবোৰ ভিন ভিন পাহাৰ আৰু ন... তোমাৰ পিছৰ পৰা চুলিবিলাক আনি ইফাল-সি... দিওঁ। সেয়া বাৰ্মা হৈ যাব। বাৰ্মা অবিহনে 'ভাৰ... ৰ'ব।

জানকী সেই ল'ৰাটোৰ কথা ভাবি গৰ্বিত ...

'বাবু, এনেকুৱা নিলাজ সাহসী ল'ৰা। গোটে... আৰু সি মোৰ চুলিৰে নিজৰ বাৰ্মাখন তৈয়াৰ ক... ধৰিলে— 'চোৱা তোমাৰ এই সোঁ কাণ... উপসাগৰহে— মা তুমি মুখখন চিধা কৰি অলপ ... থুঁতৰিৰ তলত, দুই আঙুল আঁতৰত হাতযোৰ কৰি... তোমাৰ কন্যাকুমাৰী। হাঃ হাঃ হাঃ— আৰু মে... যেন শ্ৰীলংকা। হাঃ হাঃ হাঃ। সকলোৰে কোৰা—

'সকলো ল'ৰাই খিলখিলাই হাঁহি উঠিল। ... কৰি মোৰ ভৰিৰ ওচৰত বহি গ'ল। মই হাঁলি-জা... মুখকেইখন চাবলৈ ধৰিলো। বাবু, সেই সকলো ল... মোক 'মা' বুলি মাতে।'

তেওঁৰ সৰলতাবোৰ মোৰ চকুপানী হৈ বৈ গ... মা! আৰু কিবা কথা কয়নে? কাজিয়া-পেচাল ... অথবা বন্দুকৰ কথা?'

'আৰে বাবু'— তেওঁ হাঁহি মাৰি ক'লে— 'সি... সিহঁতৰ কথাৰ আৰু কিবা উদ্দেশ্যে থাকিবনে? ... অসাৱধানী, মুখত যি আহে তাকেই বকি থাকে।... ল'ৰাহঁত বৰ উত্তেজিত হৈ আছিল। সিহঁতে যে... পাতিবলৈ ধৰে, তেতিয়া সিহঁতৰ পাগলামি শুনিব... মনে মনে থিয় হৈ থাকোঁ।'

'নাজানো ল'ৰাকেইটাক চৰকাৰে কিয় ধৰিব বিচা... সঁচাকে ধৰিব বিচাৰে নে এনেয়ে সিহঁতে গপ কৰে ... মানুহে সন্দেহ কৰিয়ে হেনো ভাল মানুহৰ ল'ৰাক ... এইবিলাক অত্যাচাৰী পুলিচৰ নীচ কৰ্ম। এনে নীচ... কৰাটোৰে নিজৰ ধৰ্ম, কৰ্ম, আত্মা, পৰমাত্মাক লাহে ... বুজায়।'

এজনে উত্তেজিতভাৱে ক'লে— 'আৰে এই ... কি হয়, যিয়ে আমাক ৰাজভক্ত কৰি ৰাখিবলৈ ক...

B.H.B College, Sarupeta

বন্ধ কৰি ইফালে-সিফালে থিয় হৈ থাকে? উহুঁ। এই দেশৰ মানুহৰ হৃদয়ৰ স্ক্রু বন্ধ হৈ গৈছে, সেই বাবেইতো ইমান অশান্তিত থাকিও এই মানুহবিলাকক ভয় কৰে। এই মানুহবিলাকে নিজৰ শৰীৰ ৰক্ষা কৰিবলৈ আত্মাকেই সমৰ্পণ কৰে। এই পৰতন্ত্ৰবাদৰ বিনাশ হওক।'

আন এজনে ক'লে— 'মানুহবোৰে জ্ঞানী হ'ব পৰা নাই এইবাবেই এই চৰকাৰে আমাৰ পঢ়াশুনাৰ সাধনাক অজ্ঞানতাৰে ভৰাই ৰাখিছে। মানুহে যাতে প্ৰকৃত স্বাধীনতা ভোগ কৰিব নোৱাৰে, সেইবাবে অপমানজনক আৰু মনুষ্যতা নীতিমৰ্দক নিয়ম গঢ়ি তুলিছে। গৰীবৰ পৰা শুহি শুহি, 'সেনা' নামৰ পশুবোৰক মদ, কবায় আদি খুৱাই শক্তিমন্ত কৰি ৰাখিছে। এই চৰকাৰে জোকৰ নিচিনা লাহে লাহে আমাৰ দেশৰ ধৰ্ম, প্ৰাণ আৰু ধন শুহি লৈ আছে, এয়াই হ'ল লুণ্ঠন শাসন প্ৰণালী। সৰ্বনাশ হ'ল এই শাসন প্ৰণালীৰ। এই প্ৰণালীৰ চিত্ৰ চৰকাৰৰ।'

তৃতীয় জনে ক'লে— 'আটাইতকৈ বেয়া কথা এইটোৱেই যে যি চৰকাৰে নিজৰ প্ৰভাৱৰ দ্বাৰা আমাক সাৱধানবাণী শুনায়, আতংকৰ সৃষ্টি কৰে— সেই চৰকাৰেই আমাক নীচ, বীৰ্যহীন বনায়। আৰু কিহৰ বাবে, অলপ ভবাচোন। এমুঠি মানুহক অৰুল, বৰুণ আৰু কুবেৰ কৰি ৰাখিবলৈ। সেই এমুঠিৰ মনৰ মতেই দেশৰ মানুহৰ মানৱতা মাটিত মিলি যায়, পৰমাত্মাৰ দ্বাৰা লাভ কৰা স্বাধীনতাক সিহঁতে সংহাৰ কৰে— ছিঃ বিনাশ হওঁক সেইসকলৰ।'

'এনেদৰেই সিহঁতে হকে-বিহকে নক'বলগীয়া কথা বকি থাকে। যেতিয়াই চাৰিটা লগ লাগে তেতিয়াই এইবোৰ কথা পাতে। লালৰ লগৰীয়া বিলাকৰ মনবোৰ তাৰ নিচিনা চঞ্চল। এই ল'ৰাকেইটাই যিমানেই পঢ়া-শুনা কৰি গৈছে, সিমানেই সিহঁতৰ বক্‌বকনি বেছি হৈছে।'

'এয়া বেয়া হৈছে, লালৰ মা!!' মই গভীৰভাৱে উশাহ ল'লো।

## (৪)

মাটি-বাৰীৰ অলপ জৰুৰী কামৰ বাবে চাৰি-পাঁচদিন বাহিৰত আছিলো। ঘূৰি আহিবৰ দিনা ঘৰত সোমোৱাৰ আগতে লালহঁতৰ দুৱাৰ মুখলৈ চাই দেখো যে ঘৰখন যেন উদাস হৈ কান্দি আছে। ভিতৰলৈ আহি দেখো মোৰ ধৰ্মপত্নী উদাস ভাৱেৰে মোৰ সন্মুখত থিয় দিয়ে।

'তুমি শুনিছানে?'

'নাই শুনা, কি কথা?'

'লালৰ মাকৰ হঠাৎ বিপত্তি আহিল।'

মই অলপ বুজিলো যদিও বিস্তৃত বিৱৰণৰ বাবে উৎসুক হৈ পৰিলো— কি হ'ল? খোলাখুলিকৈ কোৱাচোন?'

'সেইটোৱেই হৈছে যিটোলৈ তুমি ভয় কৰিছিলা। কালি পুলিচৰ এটা দলে লালক ঘেৰাও কৰিছিল। বাৰ ঘণ্টা পৰ্যন্ত তালাচী চলাই লাল আৰু তাৰ বাব-পোন্ধৰজন লগৰীয়াক ধৰি লৈ গ'ল। আটাইকেইটা ল'ৰাৰ ঘৰতেই তালাচী চলাই ভয়ানক বস্তু উদ্ধাৰ কৰিছে।'

'লালৰ ঘৰতো?'

'লালৰ ঘৰতো দুটা পিস্তল, বহুতো কাৰ্টুজ আৰু চিঠি-পত্ৰ পোৱা গৈছে। শুনিবলৈ পাইছো। লালৰ ওপৰত হত্যা, ষড়যন্ত্ৰ, চৰকাৰী ৰাজ্য ওলট-পালটৰ প্ৰচেষ্টা আদি অপৰাধৰ আৰোপ লগোৱা হৈছে।'

'হুঁ' মই লাহেকৈ উশাহ ল'লো— মইতো কেতিয়াবাৰ পৰাই চিএৰি আছিলো বোলে— এই ল'ৰাটোৱে ঠগিব। এতিয়া বেচেৰী বুঢ়ীজনী মৰিব। তেওঁ ক'ত আছে? তালাচীৰ পিছত তোমাৰ ওচৰলৈ আহিছিলনে?'

'জানকী ক'ত মোৰ ওচৰলৈ আহিল? কালি মতাৰ পিছতো আহিবলৈ অস্বীকাৰ কৰিলে। চাকৰটোৰ আগত কৈ পঠালে— পৰঠা বনাই আছে; হালোৱা, তৰকাৰী বনাব আছেই। নহ'লে এই ল'ৰাকেইটা জেলত শুকাই নাযাব? জেলৰখীয়া আৰু এই ল'ৰাকেইটাৰ শত্ৰু এই চৰকাৰে সিহঁতক ভোকতে মাৰিব। কিন্তু মই জীয়াই থকালৈকে এইটো হ'বলৈ নিদিও।'

'তেওঁ পাগল হৈছে, পাব মচলা!' — মই দুখতে ভাগি বিচনাতে বহি পৰিলো। লালৰ এই কুকৰ্মত মোৰ খং উঠিল।

ইয়াৰ পিছত প্ৰায় এবছৰ ধৰি মোকৰ্দমা চলিল। যি কোনোৱেই আদালতত কাগজ-পত্ৰবোৰ ভালদৰে চাব পাৰিলেহেঁতেন। চি. আই. ডি. আৰু চৰকাৰী উকীলে সেই ল'ৰাবোৰৰ ওপৰত ডাঙৰ ডাঙৰ দোষ জাপি দিলে। সিহঁতে হেনো চাৰিওফালে গুপ্ত সমিতি গঠন কৰিছিল, চৰকাৰী অধিকাৰীৰ তাত আক্ৰমণ কৰি অস্ত্ৰ-শস্ত্ৰ যোগাৰ কৰিছিল, বহুতো দাৰোগাক হত্যা কৰিছিল আৰু বা কোন পুলিচ ছুপাৰিণটেণ্ডেণ্টক হত্যা কৰিছিল!! এই সকলোবোৰ কথা চৰকাৰীভাৱে প্ৰমাণিত হৈ গ'ল।

সেইপিনে ল'ৰাবিলাকৰ ফলীয়া কোনো নাছিল। চৰকাৰৰ ভয়ত প্ৰথমতে কোনো উকীলেই সিহঁতক লগ কৰা নাছিল। কেৱল সিহঁতৰ বাবে আটাইতকৈ বেছি ব্যাকুল হৈ থাকিল সেই বুঢ়ীজনী। তেওঁ পুৱা-গধূলি সেই ল'ৰাকেইটাৰ বাবে ঘটি-লোটা, গহণা বিক্ৰী কৰি খাদ্য পঠাই থাকিল। তাৰপিছত উকীলৰ তাত গৈ দাঁত কৰটি কয়— সকলো মিছা। নাজানো পুলিচৰ মানুহে এনে বস্তু ক'ৰ পৰা আমাৰ ঘৰত আনিলে। সেই ল'ৰা কেইটাই কেৱল বক্ বক্ কৰে মাত্ৰ', মই ভগবানৰ ভৰি চুই ক'ব পাৰো। তুমি জেললৈ গৈ চাই অহা উকীল বাবু, এনে ফুলকুমলীয়া ল'ৰাই হত্যা কৰিবনো পাৰেনে?'

তেওঁৰ শৰীৰ শুকাই কাঁইট যেন হ'ল, ককালখন ধনুৰ নিচিনা ভাজ খালে। চকু নিস্তেজ হ'ল, তথাপি তেওঁ ল'ৰাকেইটাৰ বাবে দৌৰা-দৌৰি কৰিবলৈ নেৰিলে। কেতিয়াবা কেতিয়াবা চৰকাৰী চাকৰ পুলিচবোৰে তেওঁক ঢকা মাৰিও দিয়ে। তেতিয়া তেওঁ লাঠিৰ সহায়ত কঁকাল চিধা কৰি থিয় দিয়ে আৰু কয়— 'আৰে, আৰে! তোমালোক কেনেকুৱা ডেকাহে, কেনেকুৱা মানুহ? মই সেই ভাল ল'ৰাকেইটাৰ কাৰণে দৌৰি মৰিছো আৰু তুমি মোকেই ঢকা মাৰিছা। মই তোমাৰ কি লোকচান কৰিলোহে?'

তেওঁ শেষ পৰ্যন্ত এয়ে বিশ্বাস কৰিলে যে এয়া সকলো পুলিচৰ চক্ৰান্ত! আদালতত যেতিয়া গাখীৰ আৰু পানী ভাগ ভাগ কৰি উলিয়াব তেতিয়াহে ল'ৰাকেইটা বাচি যাব! সিহঁত তেতিয়া লালৰ লগত ঘৰলৈ আহিব। হা-হা-হো-হো কৰিব। তেওঁক 'মা' বুলি মাতিব। কিন্তু সেইদিনা তেওঁৰ কঁকাল ভাঙি থাকিল যিদিনাখন উচ্চ ন্যায়ালয়েও লাল, বংগৰ আৰু বাকী তিনিজনক ফাঁচী আৰু দহজনক দহ বছৰৰ পৰা সাত বছৰ পৰ্যন্ত কাৰাবাসৰ দণ্ডৰে দণ্ডিত কৰিলে।

তেওঁ আদালতৰ বাহিৰত তলমূৰকৈ থিয় হৈ আছিল। ল'ৰাকেইটাই

B.H.B. College, Sarupeta

আনন্দত নাচি বাগি বাহিৰলৈ আহিল। প্ৰথমতে বংগড়ৰ ওপৰত চকু পৰিল।

'মা!' সি হাঁহিলে— 'আৰে, তুমিতো আমাক হালোৱা খুৱাই খুৱাই 'গাধ'ৰ নিচিনা শকত কৰি দিছা। আমি ইমান শক্তিবন্ত হৈছো যে ফাঁচীৰ ৰচীও চিড়ি যাব, আমি অমৰবো অমৰ হৈ ৰ'ম। কিন্তু তুমিতো নিজে শুকাই কাঁইটৰ নিচিনা হৈ গৈছা। তোমাৰ ঘৰত খাদ্য নাই নেকি?'

'মা', তেওঁৰ লালে ক'লে— 'তইও সোনকালে তালৈ আহিবি য'লৈ আমি গৈ আছো। ইয়াৰ পৰা অলপ দূৰৈৰ ৰাস্তা মা! একে উশাহতে পাই যাম। তাত আমি স্বাধীনভাৱে লগ হ'ম। কোলাত খেলিম, তোক কান্ধত লৈ অ'ত-ত'ত দৌৰি ফুৰিম, বুজিলি? তাত বৰ আনন্দ হ'ব।'

'আহিব ন মা?' বংগৰে সুধিলে।

'আহিবি ন মা?' লালে সুধিলে।

'আহিব ন মা?' ফাঁচীৰ দণ্ড লাভ কৰা বাকীকেইজনও সুধিলে।

'পাগলকেইটা তইঁত ক'লৈ যাবি?'

যেতিয়াই লাল আৰু তাৰ লগৰীয়াবিলাকক পুলিচে ধৰি লৈ গ'ল, তেতিয়াৰ পৰা সকলো মানুহে লালৰ মাকক মাতিবলৈ ভয় কৰা হ'ল।

মোৰ সেই বুঢ়ীগৰাকীৰ প্ৰতি অগাধ প্ৰেম আছিল। কিন্তু ময়ো অলপ দূৰে দূৰে থাকিলো। বিদ্ৰোহীৰ মাকৰ লগত সম্পৰ্ক ৰাখি কোনে নিজৰ বিপদ মাতিব?

সেইদিনা ৰাতিৰ আহাৰ গ্ৰহণ কৰাৰ পিছত অলপ সময়ৰ বাবে কিতাপ থকা কোঠাটোলৈ গ'লো। তাত কোনো মহান লেখকৰ মহান কৃতি অলপ পঢ়াৰ মানসেৰে মেজিনীৰ এখন কিতাপৰ বেটুপাতটো খুলিলো। প্ৰথম পাতটোতে পেঞ্চিলৰ লিখাখিনি দেখি চক্ খাই উঠিলো। ভালদৰে চাই দেখিলো সেয়া লালৰ হাতৰ আখৰ। মোৰ মনত পৰি গ'ল। তিনি বছৰ আগতে মোৰ পৰা খুজি সেই কিতাপখন লালে পঢ়িছিল।

এইবাৰ লাললৈ মোৰ মনত বৰ মোহ জন্মিল। তেওঁৰ বিশ্বাসী পিতৃ ৰামনাথৰ দিব্য আৰু স্বৰ্গীয় ছবি মোৰ চকুৰ আগত নাচি উঠিল। পাজীৰ সিদ্ধান্ত, বিচাৰ শুনি লালৰ মাকৰ ওপৰত যেনে বজ্ৰপাত পৰিছিল, তাৰ হাতৰ আখৰ দেখি মোৰো মূৰত তেনে বজ্ৰপাত পৰাৰ নিচিনা লাগিল। মোৰ মুখৰ পৰা এটা গম্ভীৰ, দুৰ্বল আৰু উশাহহীন নিশ্বাস বাহিৰ হৈ আহিল।

'আৰে!' মই নিজকে চম্ভালিব নোৱাৰিলো... 'লালৰ মা। তুমি দেখোন একেবাৰে হালধীয়া হৈ গৈছা। তুমি মোৰ ফালে এনেকৈ চাইছা যেন একো দেখাই নাই। এয়া হাতত কি?'

তেওঁ চুপ চাপ চিঠিখন মোৰ হাতত দিলে। মই দেখিলো তাত জেইলৰ মোহৰ মৰা আছিল। শাস্তি শুনোৱাৰ পিছত সেইখন তালৈ পঠোৱা হৈছে, এয়া মই জানিছিলো।

মই চিঠিখন উলিয়াই পঢ়িব ধৰিলো। সেইখন তাৰ শেষ চিঠি। মই কলিজাত হেঁচা মাৰি ধৰি জোৰেৰে চিঠিখন পঢ়ি দিলো। 'মা! যিদিনা তুমি এই চিঠি পাবা তাৰ ঠিক পুৱাই সূৰ্যৰ পোহৰ ৰথত উঠি তেওঁৰ লগত মই গুচি যাম। মই বিচাৰিলে শেষ সময়ত তোমাক লগ পাব পাৰিলোহেঁতেন, কিন্তু তাৰ পৰা কি লাভ হ'ব? মোৰ বিশ্বাস তুমিয়ে মোৰ জন্ম-জন্মান্তৰৰ জননী হ'বা। মই তোমাৰ পৰা দূৰলৈ কেনেকৈ যাব পাৰিম মা! যেতিয়ালৈকে পৱন দেৱতাই উশাহ লৈ থাকিব, সূৰ্য আকাশত জি
থাকিব, তেতিয়ালৈকে কোনে মোক তোমাৰ কৰুণাৰ
পাৰিব?'

সূৰ্যই 'অৰুণ ৰথ' লৈ ৰৈ থাকিব; মই, বংগৰ আৰু
তোমাৰ বাবে ৰৈ থাকিম।

আমি লগ হৈছিলো, লগ হৈ আছো আৰু লগ হৈ

— তোমা

কঁপি থকা হাতেৰে চিঠিখন পঢ়াৰ পিছত মই
চিঠিখন ভৰাই দিলো। মোৰ পত্নীৰো একে অৱস্থা
আছিল ঠিক তেনেদৰেই ভাবহীন চকুৰে মোৰ ফালে
সেই কোঠাটোত নাছিলেই!

ক্ষন্তেক পিছতেই তেওঁ মৌনভাৱেৰে চিঠিখন বুজি
মুখেৰে একো মাত-বোল নকৰাকৈ লাঠীত ভৰ দি দি

ইয়াৰ পিছত শূন্যতাত মই ধমকৈ চকীৰ পৰা বাগৰি
ধৰিলে— সেই ল'ৰাকেইটাৰ কাৰণে নহয়, চৰকাৰৰ
সেই অসহায় বুঢ়ী জানকীৰ বাবেহে। তেওঁ কেনেদৰে
স্তব্ধতা যদি প্ৰকৃতিয়ে এদিন পালেহেঁতেন তেন্তে
গ'লহেঁতেন। সাগৰে যদি পালেহেঁতেন তেন্তে পাগল হৈ

ৰাতি এক বজাৰ ঘণ্টা বজাৰ লগে লগে মোৰ
গোটেই শৰীৰ যেন জ্বলিবলৈ ধৰিলে।

পত্নীয়ে আহি ক'লে— 'বহিয়েই থাকিবা, নোশোৱা
যাবলৈ ইংগিত দিলো।

পুনৰ মেজিনীৰ বেটুপাতটোত চকু পৰিল। তাৰ
ৰবৰডাললৈও মোৰ চকু গ'ল। পুনৰ মোৰ নিজৰ সু
জীৱন আৰু পুলিচ অধিকাৰীৰ নিৰ্দয়, নিৰস চকুযুৰিৰ স্মৃতি
তুলি দিলে। পুনৰ ৰবৰ ডাললৈ কিতাপত থকা নামটো

"মা ..মা!"

মই শুনিবলৈ পালোঁ। এনেকুৱা লাগিল লালৰ মাকে
হাতত ৰবৰডাল লৈয়েই মই লালহঁতৰ ঘৰলৈ খিৰিকী
কিন্তু চাৰিওফালে অন্ধকাৰ আছিল।••

(লেখিকা মহাবিদ্যালয়ৰ ছা



B H B College Sarupeta

# আলোচনী সম্পাদিকাক নিজস্ব মতামত আগবঢ়াইছে ছাত্ৰী নৱনীতা বৈশ্যই ঃ



**১। প্ৰশ্ন ঃ সম্প্ৰতি আমাৰ মহাবিদ্যালয়ৰ সাহিত্য, সংগীত, খেল-ধেমালি আদি সকলো ক্ষেত্ৰৰ মান নিম্নগামী হোৱাটো আপুনি অনুভৱ কৰিছেনে? ইয়াৰ কাৰণ কি?**

**উত্তৰ ঃ** প্ৰশ্নটিত সাহিত্য, সংগীত, খেল-ধেমালি তিনিটা ক্ষেত্ৰৰ কথা সোধা হৈছে। প্ৰথমতে আহিল সাহিত্য। সাহিত্যৰ মান নিম্নগামী হোৱাটো মোৰ অনুভৱ হোৱা নাই। বৰং মহাবিদ্যালয়খনত সাহিত্য-চৰ্চাৰ প্ৰসাৰতাহে পৰিলক্ষিত হৈছে। আগতেও মহাবিদ্যালয়খনৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য-চৰ্চা কৰা নাছিল। এতিয়াও নকৰে। সেইটো আশা কৰাও ভুল হ'ব। আগতে মুঠ ছাত্ৰ-ছাত্ৰীৰ কিছুসংখ্যকেহে Seriously সাহিত্য-চৰ্চা আৰু অধ্যয়ন কৰিছিল, এতিয়াও কিছুসংখ্যক ছাত্ৰী-ছাত্ৰীয়ে কৰে। যদি মহাবিদ্যালয়খন সাহিত্য-চৰ্চাৰ ক্ষেত্ৰত নিম্নগামী, এইটো আগৰ পৰাই নিম্নগামী।

কিন্তু সংগীতৰ ক্ষেত্ৰতহে মান নিম্নগামী হয় বুলি মোৰ অনুভৱ হয়। কাৰণ সংগীতৰ ক্ষেত্ৰত যিখিনি বাদ্যযন্ত্ৰৰ সুবিধা আমি পাব লাগে সেইখিনি পাওঁ ঠিকেই কিন্তু প্ৰতিবছৰে আমাৰ মহাবিদ্যালয়ত যি 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয় তাত বৰগীত, লোকগীত, আধুনিক গীত, ভজন, গজল, খেয়াল, বিষ্ণুৰাভা সংগীত, জ্যোতি সংগীত, ৰবীন্দ্ৰ সংগীত আদি প্ৰতিযোগিতাবোৰ প্ৰতিযোগীৰ অভাৱত অনুষ্ঠিত নহয়।

খেল-ধেমালি হৈছে শিক্ষাৰ এটি আৱশ্যকীয় অংশ। গতিকে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ইয়াত মনোনিবেশ কৰাটো উচিত। কিন্তু আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগীসকল অতি নিম্নখাপৰ হয়। আৰু মহাবিদ্যালয়ৰ প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়ে খেলত অংশগ্ৰহণ নকৰে বা কৰিবলৈ ইচ্ছুক নহয়।

...সাহিত্যৰ মান নিম্নগামী হোৱাটো মোৰ অনুভৱ হোৱা নাই। বৰং মহাবিদ্যালয়খনত সাহিত্য-চৰ্চাৰ প্ৰসাৰতাহে পৰিলক্ষিত হৈছে। আগতেও মহাবিদ্যালয়খনৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য-চৰ্চা কৰা নাছিল। এতিয়াও নকৰে। সেইটো আশা কৰাও ভুল হ'ব।...

**২। প্ৰশ্ন ঃ মহাবিদ্যালয় পৰ্যায়ত আপুনি অধ্যয়ন কৰি থকা পাঠ্যক্ৰমৰ ওপৰত সন্তুষ্টনে? নহয় যদি কিয়?**

**উত্তৰ ঃ** মহাবিদ্যালয় পৰ্যায়ৰ বাবে যুগুতোৱা পাঠ্যক্ৰম এটিত মোৰ দৰে নিঃকিনজনে মন্তব্য হিচাপে কওঁ যে কিছু পৰিমাণে সন্তুষ্ট-কিছু পৰিমাণে অসন্তুষ্ট। সন্তুষ্ট এইবাবেই যে শেহতীয়াকৈ (1+1+1) Structure Degree Courseৰ বাবে যিবিলাক বিষয় অন্তৰ্ভুক্ত কৰিছে, সেইবোৰে সাময়িক বিষয়বস্তুক স্পৰ্শ কৰা যেন লাগিছে। আনহাতে অসন্তুষ্ট এইবাবেই যে উক্ত Courseৰ বাবে প্ৰয়োজনীয় কিতাপ বজাৰত বিচাৰি নাপাওঁ বাবে বৰ অসুবিধা হৈছে।

**৩। প্ৰশ্ন ঃ বি এইচ বি মহাবিদ্যালয় সম্পৰ্কে আপোনাৰ অনুভৱ?**

**উত্তৰ ঃ** চুটিকৈ ক'বলৈ হ'লে স্থানীয় মহাবিদ্যালয়— সকলো চিনাকি মুখ, চিনাকি ঠাই। মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি আগতকৈ উন্নত হোৱা বাবে বহু সুবিধা হৈছে।••

B.H.B. College, Sarupeta

# আলোচনী সম্পাদিকাক নিজস্ব মতামত আগবঢ়াইছে দর্শন বিভাগৰ ছাত্ৰী হিমাশ্ৰী চৌধুৰীয়ে ঃ



**১। প্ৰশ্ন ঃ সম্প্ৰতি আমাৰ মহাবিদ্যালয়ৰ সাহিত্য, সংগীত, খে... সকলো ক্ষেত্ৰৰ মান নিম্নগামী হোৱাটো আপুনি অনুভৱ কৰিছে... কি বুলি ভাবে?**

**উত্তৰ ঃ** বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ সাহিত্য, সংগীত, খেল-ধেমা... ক্ষেত্ৰৰ মান নিম্নগামী হোৱাটো মই বাৰুকৈয়ে অনুভৱ কৰিছো। ... এটা পক্ষক দোষ দিব নোখোজোঁ। এখন শিক্ষানুষ্ঠান সকলো ... মানৰ হ'বলৈ যিবোৰ উপাদানৰ সমন্বয়ৰ দৰকাৰ যেনে— শি... মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু অভিভাৱক সকলোৱে এইক্ষেত্ৰত অ... বৰ্তমান সময়ত আমাৰ শিক্ষকসকলৰো গাইগুটীয়া মনোভাব ... পাঠ্যপুথিৰ জ্ঞানৰ বাহিৰেও এজন ভাল ছাত্ৰ-ছাত্ৰী হ'বলৈ অন্যান্য ... নিতান্তই প্ৰয়োজন। কিন্তু ছাত্ৰ-ছাত্ৰীৰ অনীহাৰ ফলস্বৰূপে মহাবি... সম্পাদকজনে একোটা লেখাৰ বাবে হাবাথুৰি খাব লাগে। গতিকে ... অনুৰোধ জনাইছোঁ, আমি আটায়ে এইক্ষেত্ৰত সন্মিলিত হৈ মনো... সমাগত। নহ'লে আমাৰ ভবিষ্যৎ প্ৰজন্ম এইক্ষেত্ৰত পিছপৰি ৰ'ব...

**২। প্ৰশ্ন ঃ মহাবিদ্যালয় পৰ্যায়ত আপুনি অধ্যয়ন কৰি থকা পাঠ... আপুনি সন্তুষ্টনে? নহয় যদি কিয়?**

**উত্তৰ ঃ** মহাবিদ্যালয় পৰ্যায়ত মই অধ্যয়ন কৰি থকা পাঠ্যক্ৰমৰ ওপ... কাৰণ এখন মহাবিদ্যালয়ৰ অধ্যক্ষজনে কেতিয়াও পাঠ্যক্ৰম প্ৰস্তুত ... এই পাঠ্যক্ৰম নিৰ্ধাৰণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ে। গতিকে গুৱাহাটী ... দৰে ৰাষ্ট্ৰীয় স্তৰৰ বিশ্ববিদ্যালয়ে নিৰ্ধাৰণ কৰা পাঠ্যক্ৰম কেতিয়াও ... নোৱাৰে। তদুপৰি দৰ্শনক মুখ্য বিষয় হিচাপে মই জানি-বুজিয়েই লৈ... মোৰ পাঠ্যক্ৰমৰ ওপৰত অসন্তুষ্ট হ'ব লগা একো নাই।

**৩। প্ৰশ্ন ঃ বি. এইচ্, বি. মহাবিদ্যালয় সম্পৰ্কে আপোনাৰ অনুভৱ?**

**উত্তৰ ঃ** প্ৰত্যেক ব্যক্তিৰে ভাল আৰু বেয়া উভয় গুণ থকাৰ দৰে মহাবি... দুয়োটা দিশেই আছে। ব্যক্তিৰ বেয়া গুণটো আঁতৰোৱা সহজ যদিও ... এখনৰ বেয়া দিশটো আঁতৰোৱা সহজ নহয়, কাৰণ ই বহু মানুহেৰে ... থাকে। তদুপৰি অধ্যয়নৰ ক্ষেত্ৰত মই কোনো অসুবিধা পোৱা ... শিক্ষাগুৰুসকলে মোক যথেষ্ট সহায় আগবঢ়াইছে। গতিকে তেওঁলোক... মই চিৰকৃতজ্ঞ।

বি, এইচ্, বি, মহাবিদ্যালয় মোৰ বাবে পাহৰিব নোৱাৰা অনুষ্ঠান হৈ ... ইয়াৰ নীতি-নিয়ম, আদৰ্শ চিৰ অনুকৰণীয়।

****

অধ্যয়নৰ ক্ষেত্ৰত মই কোনো অসুবিধা পোৱা নাই, কাৰণ শিক্ষাগুৰুসকলে মোক যথেষ্ট সহায় আগবঢ়াইছে। গতিকে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। বি এইচ বি মহাবিদ্যালয় মোৰ বাবে পাহৰিব নোৱাৰা অনুষ্ঠান হৈ ৰ'ব— কাৰণ ইয়াৰ নীতি-নিয়ম, আদৰ্শ চিৰ অনুকৰণীয়।

B.H.B. College, Sarupeta

# অভিনেত্ৰী গায়ত্ৰী মহন্তৰে সাক্ষাৎকাৰ

সাক্ষাৎগ্ৰহণ ঃ জুলী তালুকদাৰ



আমি এটা কথাই মনত ৰখা উচিত যে আমাৰ সংস্কৃতিৰ ঠাল-ঠেঙুলিবিলাক যিমানেই দূৰলৈ বগাই নাযাওক কিয়, আমি যেন আমাৰ শিপাডাল হেৰুৱাই নেপেলাওঁ।

**জুলী ঃ কেমেৰাৰ সন্মুখৰ পৰা মঞ্চলৈ আহিল। কিবা Experiment নে চখ?**

গায়ত্ৰী ঃকেমেৰাৰ সন্মুখৰ পৰা মঞ্চলৈ অহাটো মই কিবা Experiment বুলিবও নোৱাৰোঁ, চখ বুলিও ক'ব নোৱাৰোঁ। এগৰাকী অভিনেত্ৰী হিচাপে মই ভাবোঁ, অভিনয় সদায় অভিনয়েই হয়। ইয়াৰ প্ৰকাশৰ ক্ষেত্ৰ ভিন ভিন হ'ব পাৰে, যাক আমি মাধ্যম বুলিও ক'ব পাৰোঁ, যেনে— পৰ্দা, মুকলি মঞ্চ, ভ্ৰাম্যমাণ মঞ্চ ইত্যাদি। প্ৰতিটো মাধ্যমকে যদি আমি একো একোখন জগত বুলি ভাবোঁ, তেনেহ'লে মই ক'ব লাগিব যে ভ্ৰাম্যমাণ জগতলৈ এয়া মোৰ প্ৰথম খোজ।

**জুলী ঃ বৰ্তমান বোলছবি জগতৰ যি দুৰ্দিন চলিছে (ছবিঘৰবোৰ বন্ধ হ'ব ধৰিছে, ভাল চিনেমাও নচলা হৈছে) তাৰ পৰা উদ্ধাৰ পোৱাৰ উপায় আপোনাৰ মতে কি?**

গায়ত্ৰী ঃ বৰ্তমান বোলছবি জগতৰ যি দুৰ্দিন চলিছে সেই সম্পৰ্কে আলোচনা কৰাৰ আগতে মই ভাবোঁ আমি অৰ্থাৎ সমগ্ৰ অসমবাসী সজাগ হোৱাৰ দিন আহি পৰিছে। লগতে চৰকাৰৰ সহায় অবিহনে কিবা পদক্ষেপ ল'ব পৰা যাব বুলিও ভাবিব নোৱাৰি। গতিকে শীঘ্ৰে যদি অসমৰ ভিন ভিন প্ৰান্তত মিনি চিত্ৰগৃহসমূহৰ নিৰ্মাণ হৈ উঠে, তেতিয়া হ'লে বোলছবি অথবা আমাৰ চিনেমা উদ্যোগটোৰ ভৱিষ্যতক লৈ কিছু আশা কৰিব পৰা যাব।

লগতে মই এইটোও আশা কৰিছোঁ— বৰ্তমানলৈকে অসমৰ যিকেইটা ছবিঘৰ বন্ধ নোহোৱাকৈ চলি আছে সেই ছবিঘৰকেইটাৰ উচিত তদাৰক যাতে কৰা হয়। বহা আসনৰ পৰা পৰ্দা (screen) লৈকে সকলো দিশৰ পৰাই যদি ছবিঘৰসমূহ উন্নত কৰিব পৰা যায়, তেনেহ'লে তিনি ঘণ্টা সময় দৰ্শকে একণো আমনি নোপোৱাকৈ সম্পূৰ্ণ মনোৰঞ্জনৰ সুবিধা পাব।

এইখিনিতে মই আপোনালোক সকলোলৈকে অনুৰোধ জনাইছোঁ— সুলভ মূল্যত বজাৰত পোৱা (নকল) V.C.D ক্ৰয় কৰি ঘৰত বহি মনোৰঞ্জনৰ ব্যৱস্থা কৰিব পৰা যায় যদিও তাৰ প্ৰতি আপোনালোক যাতে আকৰ্ষিত নহৈ অলপমান সময় উলিয়াই ছবিঘৰলৈ গৈ আমাৰ অসমীয়া চিনেমা উদ্যোগটোক জীয়াই ৰাখিবলৈ সকলোৱে সহায়ৰ হাত আগবঢ়ায়।

**জুলী ঃ এইবাৰ আপোনাৰ একেবাৰে ব্যক্তিগত কথা কওক— আপোনাৰ জন্ম, শৈশৱ, শিক্ষা-দীক্ষা আৰু চিনেমা জগতলৈ কি দৰে আহিল?**

গায়ত্ৰী ঃ মোৰ জন্ম ১৯৮০ চনৰ ২৪ জানুৱাৰী, তেজপুৰত। দেউতাৰ নাম প্ৰয়াত বিপিন চন্দ্ৰ মহন্ত। মাৰ নাম শ্ৰীমতী পবিত্ৰা মহন্ত। মোৰ শৈশৱ— মই, দাদা (গৌতম), বা (সৌৰী) আৰু মোৰ মাৰ স'তে আমাৰ সৰু পৰিয়ালটো দেৰগাঁওত আছিলো। ক্লাছ ফাইভৰ পৰা

B.H.B. College, Sarupeta

তেজপুৰলৈ আহোঁ আৰু শৈশৱ কালটো মোৰ তেনেকৈয়ে পাৰ হৈছিল।

**জুলী ঃ আপোনাৰ অনুভৱে কয় নেকি— শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তনে আমাৰ সমাজ জীৱনক লাভান্বিত কৰা নাই বা আৰু পৰিবৰ্তনৰ আৱশ্যক?**

গায়ত্ৰী ঃ শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তনে আমাৰ সমাজ জীৱনক লাভান্বিত কৰা নাই বুলি মোৰ অনুভৱে নকয়। কিন্তু আৰু পৰিবৰ্তনৰ আৱশ্যক বুলি অনুভৱ কৰোঁ। কিয়নো এখন সমাজক আগুৱাই নিবৰ কাৰণে শিক্ষা ব্যৱস্থা যেনেকৈ গুৰুত্বপূৰ্ণ, তেনেকৈয়ে শিক্ষা ব্যৱস্থাক আগুৱাই নিবলৈও এখন সমাজৰ বিভিন্ন দিশ, যেনে— ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশৰ উন্নতি তথা সহায়ৰ আৱশ্যক।

**জুলী ঃ আপুনি অধ্যয়ন কৰি থকা দিনৰ বিশেষ স্মৃতি?**

গায়ত্ৰী ঃ T.H.B কলেজৰ পৰা আমি Geography Department টো দাৰ্জিলিঙলৈ যোৱাৰ মুহূৰ্ত। H.S পাছ কৰি প্ৰথম কলেজৰ ক্লাছটো কৰিবলৈ গৈ Political Science মেজৰৰ ৰুম বুলি ভাবি Economics-ৰ ক্লাছৰুমত বহি থকা ঘটনাটো।

**জুলী ঃ আপুনি নিশ্চয় অৱগত যে আমাৰ যুৱসমাজ গভীৰ সংকটত নিমজ্জিত। যেনে— উপযুক্ত শিক্ষা থাকিও কৰ্মহীন, ড্ৰাগছ আদিৰ প্ৰতি আসক্তি, পশ্চিমীয়া কুচকাৱাজ বাইক, অত্যাধুনিক সাজ-পোছাক, যি আমাৰ সমাজত অমাৰ্জিত (মহিলাৰ বাবে)। আপোনাৰ ফালৰ পৰা বিশেষ Message?**

গায়ত্ৰী ঃ শিক্ষাৰ মূল লক্ষ্য চাকৰি কেতিয়াও নহয়। শি... গতিকে অধ্যৱসায়, কঠোৰ পৰিশ্ৰম, একাগ্ৰতা থাকি... নোলোৱাকৈয়ে এটা সুখৰ জীৱন লৈ জীয়াই থাকিব পা...

বৰ্তমান যুৱ সমাজৰ নিচাৰ প্ৰতি যি আসক্তি, সে... হ'লে প্ৰথম পদক্ষেপ লোৱা উচিত চৰকাৰে। তাৰ পি... অভিভাৱকসকল কিছু পৰিমাণে কঠোৰ হোৱা প্ৰয়োজন...

পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি আকৰ্ষণক কেতিয়া... ক'ব নোৱাৰি। বিশ্ব দৰবাৰত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ... ভিন ভিন সংস্কৃতিৰ লগত পৰিচয় হোৱাটো স্বাভাৱিক... এটা কথাই মনত ৰখা উচিত যে আমাৰ সংস্কৃতিৰ ঠা... যিমানেই দূৰলৈ বগাই নাযাওক কিয়, আমি যেন আমাৰ শি... নেপেলাওঁ।

**জুলী ঃ আপোনাক মই সোধা নাই অথচ সুধিলেই ... দিব বুলি ভাবি থকা প্ৰশ্ন আৰু উত্তৰটো কি?**

গায়ত্ৰী ঃ আপুনি নিশ্চয় সুধিব বিচাৰিছে মোৰ মনৰ মানু... হয়, ময়ো আগ্ৰহেৰে ক'ম— তেওঁ হৈছে পৱিত্ৰ মা... যোৱা ২ ছেপ্টেম্বৰ তাৰিখে মোৰ আইনসঙ্গতভাৱে ... Marriage) অনুষ্ঠিত হৈ গৈছে।

জুলী ঃ ধন্যবাদ গায়ত্ৰী মহন্ত। ••

## পলকতে

| | |
|---|---|
| সম্পূৰ্ণ নাম | ঃ গায়ত্ৰী মহন্ত। |
| ঘৰত মতা নাম | ঃ মইনা, দুমাইনা। |
| জন্ম তাৰিখ | ঃ ২৪ জানুৱাৰী। |
| প্ৰথম কেমেৰাৰ সন্মুখত | ঃ প্ৰেম আৰু প্ৰেম— ১৯৯৯। পৰিচালক — শম্ভু গুপ্তা, প্ৰযোজক- নৰেন্দ্ৰ কলিতা। |
| আজৰি সময়ত ভাল পায় | ঃ গান শুনি। |
| প্ৰিয় পৰিচালক | ঃ মুনীন বৰুৱা, বিদ্যুৎ চক্ৰৱৰ্তী। |
| প্ৰিয় অভিনেতা-অভিনেত্ৰী | ঃ কাজল, মাধুৰী দীক্ষিত, মৃদুলাবা, বিজুদা, নিপনদা, ৰবিদা। |
| প্ৰিয় কথাছবি | ঃ পখী |
| প্ৰিয় সংগীত শিল্পী | ঃ জুবিন গাৰ্গ, প্ৰয়াত জয়ন্ত হাজৰিকা। |
| যিটো সপোনে প্ৰায়ে আমনি কৰে | ঃ মোৰ সপোনবোৰ মোৰ লগতে সংগোপনে ৰাখি তাক বাস্তৱত ৰূপ দিবলৈ প্ৰয়াস কৰোঁ, গতিকে ই মোৰ একান্ত ব্যক্তিগত। |
| সদায় লগত লৈ ফুৰে | ঃ পুৰণি স্মৃতিবোৰ, মোৰ একাগ্ৰতা, ধৈৰ্য আৰু মোৰ ম'বাইল ফোনটো। |
| দুৰ্বলতা | ঃ প্ৰত্যেক মানুহকে সহজতে বিশ্বাস কৰোঁ। |
| ভৱিষ্যৎ পৰিকল্পনা | ঃ অভিনয় কৰি যাম, লগতে জীৱনৰ কৰণীয় বহুত কাম আছে সেইবোৰ সুচাৰুৰূপে কৰিবলৈ চেষ্টা কৰিম। |

B.H.B College Sarupeta



# Signs and Sights of the Unusual Kind

Densingh
or Lecturer in English

**...Sixty-four ves! It was a eart-rending ght when the bodies were ken out with entire crowd crying their earts out in nconsolable grief...**

Viewed from the railway line which is only at a stone's throw away from the site of the accident which sent 64 members of the bridal party from Raha near Sorbhog to their watery grave on the night of 19, April 2006, the tragic spot looks innocent enough to make one wonder whether there is any heavenly justice in plucking the lives of so many people at a time comprising mostly of women and children. What a cruel fate to smother the lives of so many innocent people!

At Sarupeta, the three day long Bihu festival culminated in a joyous cultural programme. Tarali Sharma was the lead singer. There was a mammoth crowd enjoying the musical extravaganza when tragedy struck not far away at about 10:30 p.m. The bus carrying 90 plus passengers had plunged into the roadside killer pond.

People did help the victims of the tragedy. Even the audience rushed to the spot, which resulted in the abrupt cancellation of the programme. However, very few could be saved as the pond was deep enough to swallow up the whole bus with almost all its inmates. It took another 12 hours to retrieve the bodies from the ill-fated bus.

Sixty-four lives! It was a heart-rending sight when the bodies were taken out with the entire crowd crying their hearts out in inconsolable grief.

Now the question arises – Did all these people who perished on that fateful day deserve such a warped end? Or do the gods turn a blind eye to our affairs? Even cold-blooded killers, unfeeling hooligans and thoroughbred villains get a chance to defend themselves before they are brought to book. But the bridal party was taken unawares and their lives were snuffed out before they could realize what was wrong. They were even denied the shadow of an opportunity to surmise that a great tragedy was awaiting them.

However, from another perspective, everything went wrong for the bridal party right from the morning of 19 April.

There was a heavy downpour early in the morning, which was probably sent down to make the pond swell

B.H.B College, Sarupeta

with water. The sides of the narrow strip of road that skirt the pond became slushy enough to drag the bus into the pond. The whole day was blessed with bright sunshine to fool the party into thinking that the road was safe enough to use.

When the evil forces were at work, there were some sure signs indicating the impending calamitous accident. Unfortunately, these signs became obvious only after the accident. Were the sure signs an attempt by the good forces to forestall the tragedy?

I met an inmate of the ill-fated bus who managed to escape. He was in the driver's cabin along with the bridegroom and the bridegroom's mother. When the bus plunged into the pond, they managed to escape breaking the front glass open.

From firsthand report from those involved in the accident and from the relatives of the victims of the tragedy, I could understand that there were many sure signs of warning, which the bridal party had simply ignored as anyone on such an occasion would.

I might sound superstitious, if everything is brushed aside as mere superstitions, my faith in God must be wrong.

The bridegroom's 'time' was not ripe enough as Saturn was still in his 'second house.' Saturn in such a position guarantees no happy marriage.

The temporary tin shed erected to host the reception had collapsed in the morning thus giving a cue of things to follow.

Some say that the bridegroom had not fallen prostrate at the feet of elders to receive their blessings.

The bridal party had set out during 'kalratri', the most inauspicious time for undertaking such a journey.

... The bridal party had set out during 'kalratri', the most inauspicious time for undertaking such a journey...



On the way, they had sighted twice a cat crossing their way. The third one that had crossed the road at Sarupeta had died. The cat was there in the morning for all to see lying crushed in the middle of the road.

They had even sighted a figure draped in white sari standing transfixed in the middle of the road. This, they say, is the ghost of a young girl who was strangled to death some years ago by her jealousy-stung lover in the wooden backyard of her house near Kalbari.

As they neared Sarupeta, they saw a 'temple bull' blocking their way for about five minutes. The 'handy man' had to get off the bus to
into clearing the way.

However, nothing w
the bus headed straigh
grave that had been m
the evil forces for the
this time could not tri
its efforts to save these

Incidentally, the strip
the tragedy occured is
pottar' unde
association
supernatural. E
that flowed into
morning belongs
stream nearby.
bridge across
notorious for fre
that have taken
of lives.

Now the
whether the tra
have been avoid
surely remains difficul
these signs and sights
preventive action. Such
action may also take us
backward.

However, there were
warning which unfortu
unheeded. It might be
territory of extrasensory
superstitious beliefs and
beyond the reaches of
understanding. Some may
trash not rooted in scienc
be non-believers. Wi
profitable to finetune th
understand these signs a
tragedies of this sort?••

B.H.B. College Sarupeta

## Shattering of Dream

Satyen Choudhury

I have lived through a lot of tragic things,
A good many woodland paths I have crossed,
With eyes wide open I have seen the brighter
of streams where stars fall down –
Wave after wave breaks,
Leaving behind the heavy skies
I have met this night
Wavy with the calls of unseen birds –
So uncanny.
Never never have I seen the land of 'Kahuwa' in bloom
Even in a dream I haven't passed it smilingly,
The sun's nest is not made with the yolk of an egg
And the warmth of the breast.
I donot know how many virgins' veil
Kept shame quivering in the easterly wind,
Never have I trampled upon the fireflies
To play hide and seek in the premises.
My granny tells a different tale
Reddered with spittle –
The prince unknown awakened the princess
Heavy with sleep with a golden rod
Granny is without guilt– she hasn't seen the motion
of the sun.
Leaving behind the heavy skies
I have met this night
Wavy with calls of unseen birds –
So uncanny.

*(Written in the early sixties when I was a sophomore, the poem entitled 'স্বপ্নভংগ' was published in the 'Ramdhenu'. It was awarded the first prize in the annual literary competition of Cotton College)*

B H B College, Sarupeta

# Human Resource Development as a Catal
# for Economic Development of India :
# An Empirical Analysis

Dr. Gayat
Lecturer in E

Now a days, human resource development is getting increased significance in accelerating the rate of growth of a country, especially an underdeveloped country like India. Indian economy is basically an agrarian economy. Hence, development of our rural economy is of utmost importance. Despite the planned development process of about five decades, India has witnessed asymmetrical development due to which a major portion of population of the country are still living below poverty line. The basic reason behind such a tragic picture of Indian economy is that the rural areas and their inhabitants, especially the rural poor and women constituting a considerable proportion of them, have received only meagre attention at the hands of the poilcy makers, the planners, and the administrators. In fact, Indian economy is still lacking behind in the context of development of human resources, which has now been regarded as the key factor for fastening the rate of growth of an economy.

Economic growth is basically the result of human efforts and attitudes. Human beings are essential to mobilise capital, to exploit natural resources for establishment of markets and to carry on trade and commerce. The

... basic reason behind such a tragic picture of Indian economy is that the rural areas and their inhabitants, especially the rural poor and women constituting a considerable proportion of them, have received only meagre attention at the hands of the poilcy makers, the planners, and the administrators...

actual rate of growth or the rate of growth of tangible capital formation of a nati potential for social, ec political growth come power to develop an utilisation of the inne of human beings. It human resource deve the one of the most conditions necessary f development of a count study made by World B countries of the world only 16 percent of explained by physic (Machinery, buildings infra-structure etc.), percent comes from na and no less than 64 per attributed to human capital.

In view of such a c evidence, the present pa an attempt to provide a of human resource de and economic develop a special reference to attempt is also made in to deal with the basic in economic growth an resource development

B.H.B College Sarupeta

major states of India with a view to make the analysis more fruitful.

Human resource development or human capital formation is a long and continuing process of contributing to development of the qualities embodied in men. It is a process of increasing knowledge, skills, capacities, positive, work attitudes and values of all people working at various levels of activities in the society. It consists of brain power and is based on the application of systematic research to the problems of production and of the best organisation of economic institutions. Prof. Meier viewed that, "Human capital formation is the process of acquiring and incresing the numbers of persons who have the skills, education, and experience, which are critical for the economic and political development of a country."

Contrary to this, the term economic development refers to the process of improving living conditions, providing basic requirements, increasing productivity and employment opportunities, developing potentials of resources through integration of spatial, functional and temporal espects etc. It means that economic development by itself is meaningless without human resource development and attainment of human resource development is impossible without economic development. Because, the basic determinants of economic development are the growth of knowledge and skill formation. Economic development and human resource development are such two concepts that one of them cannot be explained in isolation. Prof. Simon Kuznets also viewed that, "The greatest factor in growth of output per capital is the increasing of stock of tested useful knowledge."

There is no doubt that human resource development and economic development are linked together by the fact that the broad based concept of human resource development provides the necessary conditions that enable human beings to contribute to economic growth. The capability, efficiency and the ability acquired by human being through better education and good health facilities are used as a means to the attainment of rapid economic development of an economy. Increased investment in human resource development or human capital formation is undertaken by the Government of a country, not merely for the development of the human being for his own improvement, but purely for accelerating the rate of growth of the economy. But at the same time too much emphasis on either economic growth or only human resource development may result in imbalance growth in the economy. The best examples of such imbalance growth oriented economy are Brazil, Nigeria, Pakistan etc. Contrary to this, nations like China, Japan etc. have devoted a significant proportion of their investment in improving human capacities and ensured their participation in the process of economic development, resulting in rapid growth of the economy as a whole.

It is the human resource development which can play a very pivotal role in the social, cultural and economic development of a region or a country. Among all the creations of God, human being is assumed to be the most important and precious for economic growth of a nation. It is only the human resource that can increase social progress, enhance social wealth, develop science and technology. In short, human resource development itself paves the way for transformation of human environment in a continuous way. As a result of continuous change in human environment or social progress and development of science and technology, the capacity of human being to improve the social environment also increases with the passage of time.

It is worthmentioning that human resource development is the means for economic development and not an end itself. Because, men in every society or in a country not only determine the economic pattern of all sorts of available resource utilisation, but also are themselves the very dynamic and essential resource owners. Because, it is man who provides the required volume of labour and skill to plan and perform the process of utilisation of natural resources. Human being is the beneficiary in the entire

B.H.B. College, Sarupeta

process of resource development and utilisation. Thus, concepts of human resource development and economic development are not contradictory, rather they are more of a complementary in nature.

It is to be noted here that qualitative aspects of population are of great importance from the point of view of economic development of a country rather than quantitative aspects of population. Of course, high rate of increase in implies increasing supply of the basic factor of production and side by side increasing consumption of goods and services. Population in a country to the extent to which human resource devolopment can enhance the rate of growth of an economy depends on the availability of tangible capital, abundance of natural resources, avilable geographical area, age composition, occupational structure of working population etc. Well trained, healthy, educated, well-fed, well-nourished, and enthusiastic people are highly essential for increasing the rate of economic growth of a nation. Thus, qualitative aspects of population are of great importance for increasing the rate of growth an economy.

In the process of economic development of a developing country like India, it is very essential to provide more importance to accumulation of physical capital. Because, the rate of growth of tangible capital in an economy depends to a considerable extent on the rate of growth of human capital formation. Recent studies made by Schultz, Horbison and Kendrick pointed out that a large part of the growth of the output in USA can be attributed to increased productivity which has mainly been the result of human capital formation. Prof. Galbraith also viewed that, "We now get the larger part of industrial growth not from more capital investment, but from investment in men and improvement brought about by improved men."

Since independence, human resource development programmes of India have been heavily devoted to anticipating and solving into its high-level man-power problems. The Govt. of India had been taking sincere initiative in announcing the strategy for various rural development and rural employment generation programmes like IRDP, NREP, DPAP, SGSY, SJSRY, SGRY, PMGY, PMRY, EAS, JRY etc. with a view to increase the productivity of labour. The basic purpose of all the successive five year plans of India is to widen people's choices and improve the well-being of the masses. An emperical study of the past five year plans of India reveals that human resource development has taken as the key issue so that people could lead a long and healthy life, they could acquire knowledge for having better vertical mobility in life and to achieve a decent standard of living for all.

Again, experience derived from various countries of world, and India is no exception, reveals that the structure and quality of growth of various time require more attention to human resource development, employment generation, poverty reduction and long term substantiality. As such, pressures are developing in India
and in other countries
reduce the damage cau
development process
reduced problems of
pollution, inequ
unemployment. To ove
deficiencies, the Human
Report (1996) suggeste
should follow a pattern of
which should pro
Employment generating
Equitable growth, (c)
growth, (d) Grass-root
Sustainable growth. The
viewed that if such
development is foste
would be possible to av
development. The
Development Repo
therefore, has given a
saying that, "The
economic growth
development over the
shows that no country
course of lopsided deve
such a long time – wher
growth is not matched
in human developme
versa."

The present scena
in the context of bring
between human
development and
development, also pre
striking contrasts and
dangers inherent in seve
At present, there are som
India which have lopsid
of development titled
human resource develo
Rajasthan). Similarly,
some states, which
undertake programm
accelerating economic
match with human deve
that it can reap the benef

B.H.B. College, Sarupeta


human resource development in terms of higher productivity (e.g. Kerala). Again, the states like Uttar Pradesh, Madhya Pradesh, Orissa etc. are caught in the vicious circle of low economic growth and low human development. These states must break this vicious circle by fostering investment first for stepping up the rate of growth and later to take up human development. Of course, these states may move in alternative way, by stepping up human resource development which would later put pressure to accelerate economic growth. Table 1 provides some interesting insight into the situation of human resource development and economic growth of various states of India during a specified period of 1987 to 2001.

**Table 1**

**Selected Indicators of Economic Growth and Human Resource Development in India : Statewise (Some Major States)**

| State/ All India | Annual Growth Rate of NSDP (1990-98) | % of population below the poverty line | | Rate of Unemployment | Birth Rate (2001) | Death Rate (2001) | Infant Mortality Rate (2001) | Literacy Rate (2001) | |
|---|---|---|---|---|---|---|---|---|---|
| | | 1987-88 | 1988-89 | | | | | Over-all | Female |
| 1. Punjab | 4.4 | 13.2 | 6.2 | 4.0 | 21.6 | 7.4 | 5.2 | 69.9 | 63.6 |
| 2. Maharashtra | 6.7 | 40.4 | 25.0 | 7.2 | 21.0 | 7.5 | 48 | 77.3 | 67.5 |
| 3. Haryana | 4.0 | 16.6 | 8.7 | 4.8 | 26.9 | 7.5 | 67 | 68.6 | 56.3 |
| 4. Gujrat | 7.9 | 31.5 | 14.1 | 4.6 | 25.2 | 7.5 | 62 | 70.0 | 58.6 |
| 5. West Bengal | 6.7 | 44.7 | 27.0 | 15.0 | 20.7 | 7.0 | 51 | 69.2 | 60.2 |
| 6. Karnataka | 6.0 | 37.5 | 20.0 | 4.6 | 22.0 | 7.8 | 57 | 67.0 | 57.5 |
| 7. Kerala | 5.8 | 31.8 | 12.7 | 21.0 | 17.9 | 6.4 | 14 | 79.9 | 87.9 |
| 8. Tamil Nadu | 5.6 | 43.4 | 21.1 | 11.8 | 19.3 | 7.9 | 51 | 73.5 | 64.5 |
| 9. Andhra Pradesh | 6.3 | 25.9 | 15.8 | 8.0 | 21.3 | 8.2 | 65 | 61.1 | 51.2 |
| 10. Madhya Pradesh | 4.1 | 43.1 | 37.4 | 4.5 | 31.4 | 10.3 | 87 | 64.1 | 50.3 |
| 11. Assam | 3.3 | 36.2 | 36.1 | 8.3 | 26.9 | 9.6 | 75 | 64.3 | 56.0 |
| 12. Uttar Pradesh | 2.6 | 41.5 | 31.2 | 4.1 | 32.8 | 10.3 | 83 | 57.4 | 43.0 |
| 13. Orissa | 4.7 | 55.6 | 47.1 | 7.3 | 24.3 | 10.5 | 96 | 63.6 | 51.0 |
| 14. Rajasthan | 4.0 | 35.2 | 15.3 | 3.1 | 31.4 | 8.5 | 79 | 61.0 | 44.3 |
| 15. Bihar | 0.6 | 52.1 | 42.5 | 7.3 | 31.9 | 8.8 | 62 | 47.5 | 33.6 |
| All India | 5.5 | 38.9 | 26.1 | 7.3 | 25.8 | 8.5 | 68 | 65.4 | 54.2 |

B.H.B College, Sarupeta



No doubt that the "Human Development Index of India" has risen gradually from 0.406 in 1975 to 0.510 in 1990 and stands at 0.590 in 2001. But, India still has miles to go...

Source : (a) Ruddar Datt. Economic Reforms in India (2002)

(b) Census of India, 2001, Provisional Population Totals.

(c) Indian Economy, Ruddar Datt. and K.P.M. Sundaram.

Table 1 reveals that Kerala is such a state which indicates lower economic growth with higher human resource development. The birth rate of Kerala reached a low rate of 18 per 1,000 in 2001 which is far better than developed economics of the world. Female literacy rate of this state touched a peak of 88 percent where as overall literacy reaching about 80 percent. Again, percentage of people below poverty line decreased from 31.8 percent in 1987-88 to 1.27 percent in 1999-2000. However state domestic product of this state grew by 5.8 percent during the period 1990-1998.

It is again clear from table 1 that the state of Rajasthan is moving up on the road of economic growth, but is miserably lagging on the road to human resource development. Because, the birth rate of this state stood at 31.4 per 1,000 in 2001 and infant mortality rate stood at 79 (as against only 14 in case of Kerala), which is very high as compared to the developed nations of the world. The women literacy rate of this state (in 2001) stood at 44.3 as against overall literacy rate of 61.0. Table 1 also reveals that the state domestic product of Rajasthan during 1990-1998 grew by 4.0 percent.

Table 1 further exhibits that there are striking contrasts in the context of human resource development and economic growth in Indian situation and the states have wide variations which can be categorised as in the following–

(1) Fast rate of economic growth and slow rate of human resource development, e.g. Rajasthan.

(2) Mutually reinforcing growth and human resource development, e.g. Punjab, Tamilnadu, Maharastra, West Bengal etc.


(3) Mutually depressing growth and human resource development, e.g. Orissa, Bihar, Madhya Pradesh, Uttar Pradesh etc.

(4) Higher human resource development with relatively lower rate of economic growth, e.g. Kerala.

(5) Lower human resource development with relatively higher rate of economic growth, e.g. Hariyana.

The Human Development Report, 2001 has categorised India as a medium human development country. No doubt that the "Human Development Index of India" has risen gradually from 0.406 in 1975 to 0.510 in 1990 and stands at 0.59[illegible] But, India still has miles to [illegible] she can enter the group of hi[illegible] development countries of [illegible] As such, our process of deve[illegible] has to accelerate the pace [illegible] resource development so tha[illegible] educated, skilled, well-[illegible] enthusiastic workforce ca[illegible] the key factor for execu[illegible] dreams and objectives [illegible] planners to bring up [illegible] economy to the categ[illegible] developed economy. Alo[illegible] this, the growth process o[illegible] economy should promte e[illegible] growth with greater p[illegible] participation. This would [illegible] making heavy investmen[illegible] social secor, viz, heal[illegible] education so that a better e[illegible] labour force improves produ[illegible] and thus can claim legitim[illegible] better share in the fr[illegible] development. In fact, there[illegible] conflict between rapid eco[illegible] growth and rapid human re[illegible] development, because b[illegible] them are mutually reinf[illegible] Until and unless India brings[illegible] a balance between these tw[illegible] detemining forces, the aim[illegible] objectives of growth, e[illegible] democracy etc. will n[illegible] achieved properly and all [illegible] development efforts [illegible] programmes will rema[illegible] incomplete for ever... ••

B.H.B. College, Sarupeta



# হেলনীয়া মানুহ হেলনীয়া মহানগৰ

জয় কুমাৰ ৰায়

## ক

মহানগৰীত সন্ধিয়া নামিবলৈ কিছু সময় বাকী আছিল তেতিয়া। অভাৰ্ব্রীজৰ মধ্যভাগত ৰৈ মহানগৰৰ বেহ-ৰূপ প্ৰত্যক্ষ কৰি থকা অৱস্থাত ৰামগোপাল বৰ্মনৰ হঠাতে অনুভৱ হ'ল— মহানগৰখন ক্ৰমাৎ যেন হেলনীয়া হৈ পৰিছে। চাৰিওফালে পাহাৰ, একা-বেঁকা, পোন, ব্যস্ত পথ-উপপথ, ওখ ওখ বিল্ডিং, সুউচ্চ টাৱাৰ— এই বোৰৰ সমাহাৰত মহানগৰখন হেলনীয়া হৈ পৰিছে। ৰামগোপাল বৰ্মনৰ নিজকে অদ্ভুত কিবা যেন অনুভৱ হ'ল। কি দেখিছে তেওঁ? এয়া কি? সত্যনে? যি দেখিছে এয়া তেওঁৰ মনৰ ভ্ৰম নহয়তো? নিজৰ চকুক বিশ্বাস নকৰি পুনৰবাৰ তেওঁ সুদূৰলৈ দৃষ্টি নিক্ষেপ কৰিলে। আচৰিত! মহানগৰখন সঁচাকৈয়ে হেলনীয়া হৈ পৰিছে উত্তৰফালে। উত্তৰফালে আছে বিশাল জলধাৰাৰ নদী। তাৰ কাষত এখন জনবসতিপূৰ্ণ দীঘলীয়া পাহাৰ। এই সকলো হেলনীয়া হৈ পৰিছে আৰু অচিৰেই হয়তো হাউলি পৰি যাব নদীৰ বুকুত। এই মহানগৰ-পাহাৰ-বিল্ডিং-মানুহ সমস্ত পৰি যাব আৰু জাহ যাব নদীৰ বুকুত। আৰু তাৰ পিছত?

অভাৰব্ৰীজৰ পৰা নামি ৰামগোপাল বৰ্মনে অদৰকাৰীভাৱে কিছু সময় পদ সঞ্চালন কৰিবলৈ ধৰিলে মহানগৰীৰ পদপথত। বাৰে বাৰে তেওঁৰ চকুৰ সন্মুখত ভাহি উঠিছে হেলনীয়া মহানগৰৰ ছবিখন। গাটো জোকাৰ মাৰি দিলে তেওঁ, ছবিখন যেন আঁতৰি যায়। সেই বিক্ষিপ্ত অনুভৱক পাত্তা নিদিবলৈ তেওঁ থিৰাং কৰিলে। এখন মাটিৰে গঢ়া মহানগৰ কেতিয়াও হেলনীয়া হ'ব নোৱাৰে। ই সম্পূৰ্ণ অস্থিৰতাৰ এক অনুভৱ। ভিত্তিহীন অনুভৱ। অন্য মানুহৰ ওচৰত ই হাস্যকৰ কথা।

এজনী মুছলমান তিৰোতাই কয়লাৰ জুইত মাকৈ পুৰি আছিল। কাষত দুটি অৰ্ধ নাঙঠ শিশু। পোৰা মাকৈ এটা কিনিলে তেওঁ। এক পুৰণি কিন্তু নষ্টালজিক সোৱাদত তেওঁ হঠাতে উটি গ'ল অতীতলৈ। তেওঁৰ মনত পৰিল গাঁৱলৈ। এনেকুৱা পোৰা মাকৈৰ সোৱাদ তেওঁ বহুদিন আগতে এৰি আহিছে সেই সেউজীয়া ঠাইডোখৰত। ঘৰৰ পিছফালৰ মাটিডোখৰত দেউতাকে খুঁচৰি খুঁচৰি মাকৈ কেইজোপামান প্ৰতিবছৰেই ৰুইছিল। সেইবোৰ এদিন ওখ হৈ গৈছিল, ফল ধৰিছিল আৰু আচৰিত যে সেই মাকৈকেইজোপাও এদিন হেলনীয়া হৈ পৰিছিল। আৰু তেওঁৰ দেউতাক, মাকৈ প্ৰতিপালন কৰা সেই মানুহজন? তেওঁতো এতিয়া এজন হেলনীয়া মানুহ। লাখুটিত ভৰ দি খোজকঢ়া এজন হেলনীয়া মানুহ। এই পৃথিৱীৰ সকলো বস্তুৱেই এদিন হেলনীয়া হৈ পুৰে সময়ৰ গতিত। তেওঁ নিজেও হয়তো এদিন দেউতাকৰ দৰে হেলনীয়া হৈ পৰিব। গতিকে এই মহানগৰখন হেলনীয়া হৈ নপৰাৰ কাৰণ ক'ত? তেওঁৰ মাকৈ চোবোৱা কাৰ্যটো হঠাতে বন্ধ হৈ গ'ল। তেওঁ দেখা ঘটনাটোৰ কি ভিত্তি আছে? এৰা। এই মহানগৰখনো হেলনীয়া হৈ পৰিছে সঁচাকৈয়ে। সন্ধিয়াৰ জিলমিল মহানগৰীৰ পিনে এবাৰ চকু ফুৰাই চালে তেওঁ আৰু তেওঁৰ দৃষ্টি থমকি ৰ'ল টেলিফোনৰ হেলনীয়া খুঁটা এটাত।

## দুই

চাৰিওফালে এক হাহাকাৰ অৱস্থা। অন্যায়-অনীতি, প্ৰাকৃতিক দুৰ্যোগ, বোমা বিস্ফোৰণ— এক ৰুদ্ধশ্বাস পৰিৱেশ। নিজৰ নিজৰ কাৰ্যসূচীৰে সকলোৱে সময়ক প্ৰতিপন্ন কৰিছে। এনে এক

BHB College Sarupeta

> ... তাই হাঁহিলে পৃথিৱীৰ লঠঙা অৰণ্যবোৰ সেউজীয়া হৈ পৰিছিল। চনপৰা মাটিবোৰ চহ হৈ গৈছিল। আৰু মই প্ৰতিখন নদী যেন তাইৰ নামেৰে বোৱাই আনিম... আৰু তাই কোৱা হ'লে, ৰামধেনুৰ সাতোটা ৰং হৈ জিলিকি থাকিলোহেঁতেন আকাশত, আকাশভৰা তৰা জ্বলাই ৰাখিলোহেঁতেন এই লোড শ্বেডিঙৰ দুনিয়াত। কিন্তু তাই নক'লে। তাই নিবিচাৰিলে। কাষ নাচাপিলে তাই। ...

অস্থিৰ দিনত ৰামগোপাল বৰ্মন ভাৰাঘৰৰ কোঠা এটাত সন্ধিয়া এটাৰ মুখামুখি হয়। আগৰ উদাৰ ভাৰাতীয়াজনে পানীৰ দামত তেওঁক বিক্ৰী কৰা ড্ৰেছিং আইনাখনৰ সম্মুখত তেওঁ থিয় হয় আৰু নিজৰ চেহেৰা নিজে প্ৰত্যক্ষ কৰি এক অশ্লীল গালি দিয়ে। নিজক চাই হঠাতে তেওঁ এক পঁচিশবছৰীয়া যুৱকলৈ পৰিৱৰ্তন হৈ পৰে। তৎক্ষণাৎ তেওঁ পাহৰি পেলায় যে চল্লিশ পাৰ হ'বলৈ তেওঁৰ বয়স মাত্ৰ এটা মাহ বাকী। নিজক এবাৰ ভালদৰে চাবৰ ইচ্ছা গ'ল তেওঁৰ। ধীৰে ধীৰে তেওঁ গাৰ সমস্ত কাপোৰ-কানি খুলিবলৈ আৰম্ভ কৰিলে। তেওঁ খুলি পেলালে শেষ বস্ত্ৰ ক'লা অন্তৰ্বাসটো আৰু আইনাৰ সন্মুখত ভালদৰে থিয় হ'ল। নিজৰ নাঙঠ ৰূপ প্ৰত্যক্ষ কৰি এক অনাবিল সুখত ডুবি যায় তেওঁ লাহে লাহে। নিজৰ তপিনা, লিংগ, যৌনকেশবোৰত হাত ফুৰায় আৰু প্ৰশ্ন কৰে নিজকে— এই গোপন অংগবোৰৰ প্ৰকৃত কাম কি? যৌন সংগম নে কেৱল মল-মূত্ৰ ত্যাগ? দৈনিক কিমানবাৰ তেওঁ মূত্ৰত্যাগ কৰিছে, কিমানবাৰ মলত্যাগ কৰিছে তাৰ হিচাপ তেওঁৰ হাতত নাই। সেই হিচাপ হয়তো পৃথিৱীৰ এজন মানুহেও ৰখা নাই। কিন্তু যৌন সংগম? নিজৰ স্ফীত লিংগ তেওঁ আলফুলে স্পৰ্শ কৰে আৰু ভাবে এদিন এই শৰীৰে বহু কিবাকিবি ক'ব খুজিছিল, বহু কিবাকিবি, যি কথা আধৰুৱা হৈ ৰৈ আছে। তেওঁ গুচি যায় পঁচিশবছৰীয়া যুৱকজনৰ কাষলৈ।

এনেতে বন্ধ দুৱাৰত কেইটামান টকা পৰে। তেওঁ পুনৰ চল্লিশবছৰীয়া হৈ পৰে আৰু দুৱাৰ খুলি দিয়ে। টিভি ছিৰিয়েলৰ ভিলেইনৰ দৰে ৰৈ আছে গোস্বামী। মনোৰম গোস্বামী।

**তিনি**

কিয় মনত পৰে হা, কিয় মনত পৰে সেই কবি হোৱাৰ বৃথা চেষ্টাৰ দুপৰীয়াবোৰলৈ। কিয়? একোৱেইতো নহ'লো। না কবি, না গল্পকাৰ, না সমাজকৰ্মী। ক'ত মোৰ অস্তিত্ব? এটা ব্যক্তিগত খণ্ডৰ ডাঙৰ প্ৰতিষ্ঠানৰ ছয় নম্বৰ চকীখন মোৰ। মোৰ বাবে চমৎকাৰ পদবী। তাতে মোৰ অস্তিত্ব নে সেই ব্যৰ্থ কবিসত্তাত মোৰ অস্তিত্ব। যি কবিতা মই লিখিব খুজিছিলো বেকাৰভৰ্তি চাহ দোকানৰ কথা, মাতাল বন্ধুৰ চিৎকাৰ আৰু তেজ বমিৰ কথা, ডজনে ডজনে মৰি যোৱা যুৱকসকলৰ কথা, বানে ডুবোৱা পথাৰবোৰৰ কথা— ক'ত ক'ত সেইজন কবি? ক্ৰমাৎ হৈ যাব ধৰা এজন মানুহ মই। ৰামগোপাল বৰ্মন। এখন হেলনীয়া মহানগৰত মই স্বনিৰ্বাসিত। নে পলায়ন? ক'ত এৰি আহিলো নিজক, কোনখিনিত মই হেৰুৱাই আহিলো নিজক। অসমাপ্ত কবিতাৰ পাতত, প্ৰথমা প্ৰেয়সীৰ মনৰ ভিতৰত নে, নে মালবিকা বৌৰ শৰীৰৰ ভাঁজে ভাঁজে। এজন ব্যৰ্থ মানুহ মই, ব্যৰ্থ কবি, ভণ্ড প্ৰেমিক। এক অসং মনলৈ সং পথত চলিব বিচৰা এজন ভণ্ড মানুহ।

'বৰ্মনজী, কি স্মৃতিত ডুব গৈছে? এই স্মৃতিকাতৰতা এক মানসিক ৰোগ। এৰি পেলাওক এই বদ অভ্যাস... আৰু গিলাচটো খালী কৰক।' টিভি ছিৰিয়েলৰ ভিলেইনজন ক্ৰমাৎ দাৰ্শনিক হৈ আহিছে। আকৌ এটা পেগ শেষ। গোস্বামীয়ে পুনৰ পেগ বনাইছে।

'প্ৰেমৰ কথা কি কয় আপুনি? আপোনাৰ হেলনীয়া মহানগৰখনৰ লগত প্ৰেমবো কিবা সম্পৰ্ক টানি আনিব নেকি আপুনি?'

গোস্বামীৰ চকুত এইবাৰ চিনেমাৰ এন্টি-হিৰোৰ চাৱনি।

তাই হাঁহিলে পৃথিৱীৰ লঠঙা অৰণ্যবোৰ সেউজীয়া হৈ পৰিছিল। চনপৰা মা... হৈ গৈছিল। আৰু মই প্ৰতিখন নদী ... নামেৰে বোৱাই আনিম... আৰু ... হ'লে, ৰামধেনুৰ সাতোটা ৰং ... থাকিলোহেঁতেন আকাশত, আকা... জ্বলাই ৰাখিলোহেঁতেন এই লোড ... দুনিয়াত। কিন্তু তাই নক'লে। তাই নি... কাষ নাচাপিলে তাই।

প্ৰেম বোলে কেতিয়াও ব্যৰ্থ ন... মহৎ লোকৰ কথা। কিন্তু তেওঁতো ... প্ৰেমিক। নিজকে সেইবুলিয়েই গণ্য ...

চাওক বৰ্মন, প্ৰেম একপ্ৰকাৰ ... মানুহৰ ওপৰত আৰোপ কৰা এক ... হ'ল প্ৰেম। যি দায়িত্ব পালন কৰি... মানেই দুখী হোৱা আৰু তুৰন্তে ... অনা। গতিকে সকলো ধৰণৰ প্ৰেম ... হোৱা মানেই পৃথিৱীখন স্বৰ্গলৈ ... হোৱা। প্ৰেমৰ বাটেৰে মানুহে ... একোৱেই নাপায়।

বহুতে বহু কিবাকিবি হোৱাৰ ... কোনোৱেই একো নক'লে। যাক ... প্ৰাণতকৈও ভাল পাইছিল তায়ো এ... আৰু মালবিকা বৌৰ শৰীৰে? ... মালবিকা বৌৱে নিঃচৰ্তে দান কৰি... তেওঁৰ ওচৰত আৰু এটা সময়ত ... জহি-খহি শেষ হৈছিল। যি শৰীৰত ... কৰিব লগা একোৱেই নাছিল। সেই শ... নক'লে। গোস্বামীয়ে কোৱাৰ দৰে কি ... বস্তু! যি প্ৰেমে তেওঁক একোৱে... একোৱেই নিদিলে।

কিন্তু মহানগৰখনে তেওঁক কিব... বহুত কথা। পোৱা-নোপোৱা, দুখ-... ক্ষোভৰ কথা। এই কথা মহানগৰ... কৰ খোজে, যি কথা সেয়া শুনি... উৎসুক হৈ আছে।

কিন্তু মহানগৰৰ এই হেলনীয়া ... প্ৰত্যক্ষ কৰা সেই হেলনীয়া ৰূপ?

গোস্বামীয়ে কয়— 'ই ... বিশৃংখলতাৰ পৰিচায়ক। যদিও মই ... ভালদৰে পঢ়া নাই, কিন্তু মোৰ অভি... কৈছোঁ ই আপোনাৰ মানসিক বিক...

BHB College, Sarupeta

ইয়াৰ লগত জড়িত আছে জীৱনৰ ফ্ৰেচবেকৰ পোৱা-নোপোৱাৰ হিচাপ-নিকাচ। সঁচা কথা, মহানগৰ হেলনীয়া হৈ পৰে। মহানগৰ হেলনীয়া হৈ ভাঙি যাব ধৰে তেতিয়া, যেতিয়া ইয়াৰ বাসিন্দাবোৰৰ অধঃপতন হয়। লালসা আৰু প্ৰতিযোগিতাই এই অধঃপতন ঘটায়। এই অধঃপতন বা হেলনীয়া ৰূপ মানসিক, শাৰীৰিক নহয়।

'কিন্তু শাৰীৰিক অস্তিত্ব...?'

এজন দাৰ্শনিকৰ দৰে গোস্বামীয়ে কৈ যায়— আচলতে শাৰীৰিক অস্তিত্ব বুলি কোনো কথা নাই। শৰীৰ নিমিত্ত মাত্ৰ। আচল কথা হ'ল মনোজগত, চিত্ত বা আত্মা। আৰু এই আত্মাক যেতিয়া ঘুণ পোকে খায়, তেতিয়া আপোনাৰ শৰীৰ ভাগি পৰিব। আপোনাৰ হেলনীয়া মহানগৰখনৰ আত্মাৰ এতিয়া মৃত্যু হ'ব ধৰিছে। লাহে লাহে ই মৃত্যুমুখলৈ গৈ আছে, গতিকে ই হেলনীয়া হৈ পৰিছে।

কিন্তু আত্মাৰ জানো মৃত্যু ঘটে? আমি জনাত আত্মাৰতো মৃত্যু বা শেষ নাই। শেষ থাকে শৰীৰহে।

'ধেৎ এইবোৰ সেই ভণ্ড ঋষিসকলৰ প্ৰোপাগণ্ডা।'

গোস্বামীৰ নিচা হৈছে। পত্নী-কন্যা এৰি থৈ আহি সদায় তেওঁ য'তে-ত'তে মদ খায়। সংসাৰৰ দায়িত্ব আৰু জীৱন তেওঁৰ মতে হ'ল কোনোবাই তেওঁৰ ওপৰত জাপি দিয়া এক অভিযোগ। তেওঁ মৰিব বিচাৰে দায়িত্বহীনতাৰে। আৰু জীয়াই থাকিব বিচাৰে দায়িত্বহীনতাৰে। নিজৰ তিৰোতাক তেওঁ লেতেৰা যৌন পুখুৰী বুলি কয়। যি পুখুৰীত সাঁতোৰাৰ পিছত ভাবে 'ছি! ইয়াত মই ডুবি আছো?'

কিন্তু তেওঁ কি ভাবে? চল্লিশ বছৰীয়া অবিবাহিত ৰামগোপাল বৰ্মনে কি ভাবে?

মালবিকা বৌৰ শৰীৰৰ মাজত আছিল সেই তাৰ পৃথিৱীৰ পুখুৰীটো। সেই পুখুৰীত এতিয়া পানী শূন্য। কিন্তু তেওঁৰ তৃষ্ণা পূৰণ নহ'ল সেই পুখুৰীত সাঁতোৰাৰ, ডুব যোৱাৰ।

জীৱনৰ ফ্ৰেচবেকত তেওঁ নিজকে নিঃকিন হৈ হিচাপে দেখে।

সকলোতে তেওঁ এজন ব্যৰ্থ মানুহ — এজন ব্যৰ্থ প্ৰেমিক, ব্যৰ্থ কবি এই পৃথিৱীত নিজৰ সবল অস্তিত্ব প্ৰকাশ কৰাৰ অলেখ সম্ভাৱনাৰ পিছতো অস্তিত্বহীন এজন মানুহ তেওঁ।

হঠাতে তেওঁৰ এনেকুৱা অনুভৱ হ'ল গোস্বামীৰ সন্মুখতে তেওঁ সম্পূৰ্ণ নাঙঠ হৈ পৰিছে। তেওঁৰ বস্ত্ৰহীন নাঙঠ ৰূপ দেখি গোস্বামীয়ে আচৰিত হৈ চাই আছে নাইবা তেওঁৰ নাঙঠ অৱস্থাক উপভোগ কৰিছে। পাৰ্থমানে চেষ্টা কৰিছে তেওঁ গোস্বামীৰ পৰা নাঙঠ ৰূপক লুকুৱাব, কিন্তু তেওঁ পৰা নাই। এজন নগ্ন মানুহ হৈ পৰিছে তেওঁ, সম্পূৰ্ণ এজন নগ্ন মানুহ।

## চাৰি

ভয়ংকৰ হৈ উঠিছে সময়। কথা কৈছে গুলীয়ে, বোমাই। খুব সহজভাৱে মৃত্যু হৈছে মানুহবোৰৰ। এই অস্থিৰ অশান্ত গুলী-বাৰুদে কথা কোৱা সময়ত ৰামগোপাল বৰ্মনে বাহিৰৰ পৃথিৱীখনক পাত্তা নিদি নিজৰ মনোজগতৰ সৈতে ব্যস্ত হৈ থাকে। তেওঁ জানে যি কথা গুলী-বাৰুদেও ক'ব পৰা নাই, সেই কথা এদিন এই মহানগৰখনে ক'ব। আৰু তেওঁকেই ক'ব সেই কথা। দৈনন্দিন কাৰ্যসূচীত অলপো তেওঁৰ যতি পৰা নাই। অফিচ গৈছে-আহিছে, ৰাতি ৰাতি গোস্বামী, ডেকাৰ লগত মদ্যপান কৰিছে। গোস্বামীৰ জীৱন জগত সম্পৰ্কে চিনিকেল মন্তব্য, ডেকাৰ ব্লেক কমেডি শুনিছে, কিন্তু অলপ সময়ৰ বাবেও তেওঁৰ চকু আৰু মনৰ পৰা আঁতৰি যোৱা নাই হেলনীয়া মহানগৰখনৰ কথা। তেওঁ লক্ষ্য কৰি আছে মানুহৰ উৰ্ধ্বশ্বাস গতিবোৰক, আকাশলৈ গতি কৰি থকা বিল্ডিং... মানুহবোৰৰ বদমেজাজবোৰক। তেওঁ শুনিছে মোবাইল ফোনৰ বিংবোৰ, বেশ্যাৰ অট্টহাসবোৰ।

এই সকলো দেখি-শুনি লক্ষ্য কৰি তেওঁ উলিয়াইছে যে মানুহবোৰৰ এই নিয়ন্ত্ৰণহীন গতিবোৰেই হ'ল মহানগৰখন হেলনীয়া হৈ পৰাৰ কাৰণ। অতি সোনকালে যদি এই গতিক নিয়ন্ত্ৰণ কৰিব পৰা নাযায়, তেন্তে অচিৰেই নদীৰ বুকুত জাহ যাব মহানগৰখন।

বটল-গিলাচ লৈ বহি যোৱাৰ পিছত গোস্বামীক তেওঁ কথাবোৰ কৈছিল।

গোস্বামীয়ে অট্টহাস্য কৰি উঠিছিল। হাঁহি হাঁহি বাগৰি গৈছিল। তেওঁ আৰু কৈছিল— 'কাম বেক বৰ্মনজী, কাম বেক ইউ উইল বিকাম্ মেড আফটাৰ ছাম্ ডেচ্।'

'মেড? হোৱাট ডু ইউ মিন...।'

'আপুনি দিনে দিনে অদ্ভুত হৈ গৈছে। য'তে-ত'তে কেৱল আপুনি হেলনীয়া দেখা পায়। সকলো বস্তু সকলো মানুহ আপুনি হেলনীয়া দেখে আৰু মোৰ কথা অন্য মানুহবোৰৰ কথাক আপুনি ভেঙুচালি কৰে। এজন পাগল মানুহৰ দৰে আপুনি কয় যে এই মহানগৰখনে আপোনাক কিবা ক'ব। গতিকে ভাবিব পাৰো আমি যে আপুনি নৰ্মেল মানুহ হৈ আছে? আপুনি এজন এব্‌নৰ্মেল...।'


'এব্‌নৰ্মেল?'

'ও, এব্‌নৰ্মেল। আপোনাৰ জীৱনৰ বিফলতা, শূন্যতাই আপোনাক নৰ্মেল কৰি ৰখা নাই। আপোনাৰ এই নিঃসংগ জীৱন, ছিন্নমূল আপোনাৰ পৰিচয় আৰু অপৰাধবোধে আপোনাক নৰ্মেল কৰি ৰখা নাই। আপুনি নিজকে এজন অসুখী মানুহ বুলি ভাবে, ব্যৰ্থ মানুহ বুলি ভাবে, আপোনাৰ নিজৰ অস্তিত্বক আপুনি বিসৰ্জন কৰে...।'

সেই দিনাৰ মদৰ আড্ডা যথেষ্ট তিক্ততাপূৰ্ণভাৱে পাৰ কৰে ৰামগোপাল বৰ্মনে। ঢলং পলং খোজেৰে মনোৰম গোস্বামী গুচি যায়। আৰু দুৱাৰত থিয় হৈ তেওঁ দেখে যে গোস্বামীয়ে মদৰ নিচাত এবাৰ পোন হৈ পৰে, এবাৰ হেলনীয়া হৈ পৰে।

## পাঁচ

অফিচত, কেন্টিনৰ আড্ডাত, দোকানত আনকি ভাৱাঘৰৰ অন্য মানুহবোৰেও বৰ্মনক প্ৰশ্ন কৰিব আৰম্ভ কৰে তেওঁৰ হেলনীয়া মহানগৰখনৰ সম্পৰ্কে।



প্ৰথমতে তেওঁ হাঁহি এৰাই চলিছিল এই প্ৰশ্নবোৰ। কিন্তু লাহে লাহে বিতুষ্ট হ'ব ধৰিলে, খং উঠিব ধৰিলে তেওঁৰ। এটা



B.H.B College, Sarupeta

অতিথিৰ কলম

সময়ত এনেকুৱা হ'ল যে তেওঁ মানুহবোৰৰ পৰা পলাই ফুৰিব লগা হ'ল। ক্ৰমাৎ তেওঁ নিঃসংগ হৈ পৰিব ধৰিলে। মদৰ আড্ডা তেওঁৰ ভাল নলগা হ'ল, অফিচত গৈ ভাল নোপোৱা হ'ল। এক অসহজ অনুভূতিয়ে অহৰহ তেওঁক ক্ৰিয়া কৰিব ধৰিলে। এই মানুহ, ঘৰ আড্ডা তেওঁৰ মনত অৰ্থহীন হৈ পৰিব ধৰিলে। সকলোৰে অস্তিত্বক ভেঙুচালি কৰি তেওঁ য'তে-ত'তে ঘূৰি ফুৰিব ধৰিলে। সকলোৰে অস্তিত্বক ভেঙুচালি কৰি তেওঁ য'ত-ত'ত ঘূৰি ফুৰিব ধৰিলে। নিজৰ পূৰ্বৰ অস্তিত্ব পাহৰি নতুন অস্তিত্বৰ সন্ধান কৰিবলৈ আৰম্ভ কৰিলে। আৰু এনেকৈ উদভ্ৰান্তভাৱে মহানগৰত ঘূৰি-ফুৰি এদিন তেওঁ অভাৱশ্ৰীজখনত উপস্থিত হ'ল। তেওঁ দেখিলে আবেলিৰ বেলিৰ পাতল পোহৰ। অভাৱশ্ৰীজৰ পৰা তেওঁ মহানগৰখন চকু ফুৰাই চালে। তাৰ লগে লগে তেওঁ পিছলৈ উভতি চালে তেওঁৰ জীৱনলৈ। তেওঁৰ অতীত, বৰ্তমান আৰু ধোঁৱাময় হৈ থকা ভৱিষ্যতলৈ। গোস্বামীৰ কথাকেইটালৈ তেওঁৰ মনত পৰিল। এজন নিঃসংগ, ছিন্নমূল অপৰাধবোধত ভুগি থকা অসুখী মানুহ তেওঁ। গোস্বামীৰ কথাকেইষাৰ কি সত্য? চাৰিওফালে এবাৰ চালে তেওঁ। কোনোবাই তেওঁক কিবা ক'ব। কোনে ক'ব? কোনে? হঠাতে তেওঁ অনুভৱ কৰিলে যে যিখন মহানগৰক তেওঁ হেলনীয়া হৈ যোৱা দেখিছিল সেইখন আচলতে পোন হৈ আছে, সকলো মানুহ, সকলো জড় বস্তু পোন হৈ আছে, কিন্তু অকল তেওঁ হেলনীয়া হৈ যাব ধৰিছে। তেওঁ হেলনীয়া হৈ গৈ আছে লাহে লাহে, সকলো বস্তু সকলো মানুহ পোন হৈ থিয় হৈ আছে, সকলোৱে সকলোকে কিবা কৈছে — মাত্ৰ তেওঁক কোনেও একো কোৱা নাই, তেওঁ নিজে পোন হৈ থকা নাই, তেওঁ হেলনীয়া হৈ গৈছে, হেলনীয়া হৈ গৈছে...। ••



## গাৰ্ল-ফ্ৰেইণ্ড

সৌৰভ শইকীয়া

ডিচেম্বৰ মাহতো কুঁৱলী নাই
ওলমি থকা তোমাৰ বেগটোৰ ভিতৰত।
হাঁহি তোমাৰ এটি প্ৰয়োজনীয় আপদ।
চোৱানা,
আইছক্ৰীম আৰু ফুলবালাবোৰে
আহি ঘেৰি ধৰিছেহি তোমাক
সঁচাকৈ কওঁনে?

তোমাৰ এটা চকুত উলুবাৰী চাৰিআলি
জ্বলি থাকে
আনটোত হৰিণাবোৰে পানী খাবলৈ আহে

হেং-আউট
হেং-আউট

সুখী নহয় তুমি

কেণ্ডেল-লাইট জ্বলাই বৈ থাকা
এক 'আনভিজিবল মেন'ৰ লগত তোমাৰ
ডেটিঙ আছে...

••••



B.H.B. College, Sarupeta



# ৰাচেল সমীপেষু

্ৰণৱ কুমাৰ বৰ্মন

১।
ন্দুকৰ গুলিৰ গান ইথিয়পিয়াত বাজি আছে ঝাউবন জ্বলে
র্ভৱতী নাৰীৰ কাতৰ প্ৰাৰ্থনা পছিম দিগন্তত
বৃজেকচন লৰ্ড ৰাচেল
িমান ভাল কথা ক'লে আপুনি
ৃথিৱীখন বেয়া হ'ল সিমানেই দেখোন
ৰকে কৰি থকা হ'লেই ভাল আছিল
িছাতে গান্ধী এটা গুলী খালে

কি হ'ল — পৃথিৱী জহন্নামে গ'ল
ছ কাটিলে পৃথিৱী ফুলনিবাৰী হ'ব
ছ কলে অধিক হ'ব জংগল
নবীয়া ম'হৰ উম্ভাগুলি
ৰ্ড ৰাচেল কথাবোৰ মিছা জানো?

২।
কলো সনাতন কথাই স্ববিৰোধী হ'ব
াইনষ্টাইনে নভৱাকৈ পৃথিৱী পাৰমাণৱিক আকাংক্ষাত উধাব
য়ন কক্ষত আধুনিক ইদিপাছে উল্লসিত বাসনাৰ চিম্ফনী গুমৰিব
আপোনা-আপুনি মৰি যাব
ুৰণি নদীৰ দৰে বুৰঞ্জী
াৰ পিছত বলাৎকাৰৰ তেজ-পুঁজত পূজিত হ'ব প্ৰেম
ুদ্ধ হ'লে হ'ব জয়-বিজয়ৰ উত্তেজক হিচাপ-নিকাচ
্ৰতিপক্ষৰ নিহত কিমান আহত সকলৰ ভৰিত লাগিল নেকি শিকলি
ণ্য হ'ব জীৱনৰ অম্লান উৎসৱ
কলো মৃত্যুৰ অধীন          সংখ্যাগুৰু মৃতক

েশ্যাবোৰেই স্বাধীন নাৰী
াধীনতাৰো ৰণুৱা হ'ব
ামি কবিকুল হ'ম শৰীৰৰ নিলাজ উপাসক
িনো বেয়া হ'ব

৩।
লৰ্ড ৰাচেল আকৌ আপোনাকেই সুধিছো
নম্ৰভাৱে নহয় উদ্ধতালিৰে কওঁক
কোন শতিকাত পৃথিৱী ৰূপান্তৰিত হ'ব
মানুহৰ স্বপ্নৰ সীমাহীন ভূখণ্ডলৈ
আপুনি কলম তুলি থিয় হৈ থাকিব পাৰিবনে কোনোবা এটা ৰতিপুৰাৰ পাৰঘাটত
সূৰ্যৰ ফালে চাই চিন্তাশূণ্য নিৰুদ্বেগ জীৱন পাৰিবনে কটাব
ধোঁৱাৰ পৰিবৰ্তে পাৰিবনে কুঁৱলীৰে পৃথিৱীৰ মহাকাব্য ৰচিব।

৪।
জানো একোৰে উত্তৰ নাই, উত্তৰ বুলি ভবাবোৰো প্ৰশ্নৰ উৰ্দ্ধৰ প্ৰশ্ন
প্ৰশ্ন একেই থাকিব উত্তৰ বুলি ভবাবোৰ যুগে যুগে সলনি হ'ব
পুৰণি উত্তৰ ভুল বুলি কৈ আনি কোনোবাই বহুৱাব নতুন শুদ্ধ উত্তৰ
শুদ্ধ সিও আংশিক — এদিন অশুদ্ধ হ'ব

সত্যৰ জয় বুলি অহংকাৰ নকৰিব মাত্ৰ
জয়ত্বৰ মি অনিত্য
লৰ্ড ৰাচেল, আপোনাৰ চকুৰ সমুখতে
এই পৃথিৱী উপজিছে মৰিছে বহুবাৰ
মানুহৰ অপৰাভূত ভেমৰ জহত
বুৰঞ্জীয়ে সেই কথা লিখিব পৰা নাই

শুনক, এই পৃথিৱী গৌৰবোজ্জ্বল দূৰ অতীতত জন্মা নাই
জন্মিছে কেলেণ্ডাৰৰ প্ৰতিদিনত
সত্য এয়াই          প্ৰতিদিনৰ সত্য!

••••



B.H.B. College, Sarupeta

অতিথিৰ কলম

# যুদ্ধপুৰাণ

## ধ্ৰুবাৰ্ক চৌধুৰী



পৃথিৱীৰ আৰু নিজৰ সৈতে লিপ্ত বহু যুদ্ধৰ শেষত।
আৰু বহু যুদ্ধৰ বৰ্তমানতো। তোমাৰ স্মৃতি আৰু ভালপোৱাৰে
তোমাৰ বিৰুদ্ধেই। আৰু এখন যুদ্ধৰ আৰম্ভণি।

প্ৰাণৰ পাটিমাদৈৰে ভাওৰে তুমি যেতিয়া মোতকৈ বেছি নৃশংস।
আৰু মই তোমাৰ প্ৰাণৰ মমতাৰে তোমাতকৈ যেতিয়া বেছি প্ৰেমিক।
পৃথিৱীৰ সকলোবোৰ মৰ্মান্তিক যুদ্ধৰ দৰেই।
তোমাৰ মোৰ পক্ষ-প্ৰতিপক্ষৰ অবস্থানক লৈ।
আৰু এখন যুদ্ধৰ আৰম্ভণি।


সকলো যুদ্ধতেই পক্ষ-প্ৰতিপক্ষ সমুখ সমৰক্ষেত্ৰত থকাটো জৰুৰীনে!
কিজানি নহয়। যিহেতু অনতিক্ৰম্য দূৰত্বত এখন যুদ্ধৰ
পক্ষ-প্ৰতিপক্ষত তুমি আৰু মই।

শৰশয্যাত যোৱা পিতামাহৰ যুদ্ধৰ মনোকষ্টক কোনে বুজিছিল।
কৌৰৱ অথবা পাণ্ডৱৰেই। যুদ্ধ এৰি অন্য এক যুদ্ধত প্ৰবৃত্ত
পিতামহৰ যুদ্ধৰ গোপন উদ্দেশ্যক বুজিছিলনে কোনোবাই।

বহুধৰণেই পাৰি যুদ্ধত প্ৰবৃত্ত হ'বলৈ। স্বজ্ঞা আৰু প্ৰজ্ঞাৰে অপেক্ষাৰ অন্তত
পৰাভূত কৰিবলৈ শত্ৰুপক্ষ অথবা আপোন বংশ-পুত্ৰ-পৰিবাৰক।

যুদ্ধৰ সংবিধান আছেনে! কিজানি নাই।
কিজানি আছে যুদ্ধৰ নিয়ম। কেৱল নিজৰ নষ্ট-চৰিত্ৰৰে
যাক উলংঘা কৰিব পাৰি। যিহেতু সকলো যুদ্ধৰ
পক্ষ-প্ৰতিপক্ষ পুৰু-আলেকজেণ্ডাৰ হোৱাটো নিশ্চিত চৰ্ত নহয়।

শুনিছিলোনে মই মোৰ বুকুত মুখ গুজি থাকোতেই
মোৰ উদ্দেশ্যেৰেই তুমি দিয়া ৰণভেৰীৰ শংখধ্বনি।
কোনে জানিছিল চুমা দিয়া কলিজাত বজ্ৰাবলৈয়ে যে
কমাৰশালত গোপনে ধাৰত দিছিলা কৃপাণখনি।



যুদ্ধক্ষেত্ৰত শ শ সৈন্যৰ শ' দেখিও যুদ্ধৰ উমান নোপোৱা
মই যে কি দাৰুণ সৰল সৈনিক। প্ৰকৃত বহুবাই তেতিয়াও
তোমাক তিনি কুঠাৰ প্ৰপুত্ৰৰ স্বপ্নত বিভোৰ মই।
পৰি থকা শ শ ওপৰতো ঘাচ্-ঘাচ্কৈ তৰোৱাল ঘুৰাই
উল্লসিত মহানায়িকা তুমি মোৰ প্ৰেমৰ মুলাগাভৰু লক্ষ্মীবাই
কিমান যে পটু যুঁজাৰু সৈনিক। হৃদয়ক ক্ৰীড়নক কৰা তুমি
মোৰ, আৰু পৃথিৱীৰ বাবেও অদ্যাবধি।

তথাপি আজিও তোমাক ভালপাওঁ
হে' নিজস্ব কৰ্মৰে স্বমহিয়সী নাৰী

সকলো যুদ্ধতে প্ৰয়োজন নে ৰক্তপাত। কিজানি নহয়।
আমৰণ অশ্ৰুপাতো বহু যুদ্ধৰ অৱশেষ।

সেইবাবেই আৰু এখন যুদ্ধৰ আৰম্ভণি।
একাকীত্বৰ পাছতে তোমাৰ বিৰুদ্ধেই।
অনতিক্ৰম্য দূৰত্বৰ পৰা তোমাৰ স্মৃতি আৰু ভালপোৱাৰে।
মৃত্যুশয্যাৰ পৰা মনৰ যুদ্ধৰে তোমাক পৰাভূত কৰাৰ বাসনা
প্ৰতীক্ষা মাথোঁ সুদীৰ্ঘ সময়ৰ লেখ।

••••

B.H.B College, Sarupeta

## অতিথিৰ তুলিকা




B.H.B. College, Sarupeta







B.H.B. College Sarupeta

# স্থিৰ চিত্ৰত মহাবিদ্যালয়ৰ ভিন্ন ৰূপ





মহাবিদ্যালয় পুথিভঁৰালৰ দুটি মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহত সাহিত্য প্রতিযোগিতা



ব্যায়ামাগাৰত ব্যায়ামৰত একাংশ ছাত্র

B.H.B. College, Sarupeta



মহাবিদ্যালয়ৰ প্ৰৱক্তা-কৰ্মচাৰীৰ একাংশ



অভিনেত্ৰী গায়ত্ৰী মহন্তৰ সাক্ষাৎকাৰ গ্ৰহণৰ মুহূৰ্তত আলোচনী সম্পাদিকা



ছাত্ৰ একতা সভা
ভৱানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়
(২০০৪-০৫ ইংৰাজী বৰ্ষ)




প্ৰস্তুতিৰ পথত মহাবিদ্যালয়ৰ
পুথিভঁৰাল আৰু প্ৰেক্ষাগৃহ



নৱনীতা বৈশ্য, শ্ৰেষ্ঠ গায়িকা

B.H.B College, Sarupeta

প্ৰ তি বে দ ন



# ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদন মুকলি কৰাৰ প্ৰাক্‌মুহূৰ্তত শ্বহীদ বন্ধুসকললৈ জনাইছোঁ মোৰ সশ্ৰদ্ধ প্ৰণিপাত। ২০০৪-০৫ ইং চনত দ্বিতীয় বাৰৰ বাবে ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ পদত মোক নিৰ্বাচিত কৰাৰ বাবে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ সমূহ সতীৰ্থ বন্ধু-বান্ধৱীলৈ।

মহাবিদ্যালয় এখনৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ ওপৰত সামগ্ৰিকভাবে অধিক গুৰুত্ব থাকে। নিজ দায়িত্বত থকা সময়ছোৱাত মহাবিদ্যালয়ৰ লগতে ছাত্ৰ সমাজৰ উন্নতিৰ হকে চিন্তা আৰু আত্মনিয়োগ কৰিছিলোঁ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ আন সম্পাদকসকলক পাৰ্যমানে সহায় কৰিছিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা সকলো কাৰ্যতে সহায় আগবঢ়োৱাৰ লগতে কলেজ সপ্তাহৰ সমূহ কাৰ্যসূচী যাতে সুকলমে সম্পন্ন হয় তাত সহায় আগবঢ়োৱাত ত্ৰুটী কৰা নাছিলোঁ।

মোৰ কাৰ্যকালত বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ প্ৰবোধ কলিতা চাৰ, ফণীধৰ মেচ চাৰৰ লগতে সতীৰ্থ ৰাণা, অভিজিৎ, ৰাজেন, কুলদ্বীপ, ফৰিদৰ ৰহমান, গজেন, প্ৰাঞ্জল, হৰজ্যোতিলৈ জনাইছো মোৰ অশেষ ধন্যবাদ।

সদৌ শেষত বি. এইচ. বি. মহাবিদ্যালয়ৰ সকলোদিশৰে উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

**নীলিম ডেকা**

****

B.H.B. College, Sarupeta

প্ৰ তি বে দ ন



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

**"মানুহ খন্তেকীয়া কিন্তু স্মৃতি যুগমীয়া"**

এই কথা পুনৰ সুঁৱৰি প্ৰতিবেদনৰ পাতনিতে সেইসকল জ্ঞাত-অজ্ঞাত মহান ব্যক্তিক মোৰ অশ্ৰুসিক্ত নয়নেৰে সোঁৱৰিছো যিসকল মহান ব্যক্তিয়ে স্ব-জাতিৰ স্বাৰ্থ আৰু সৰ্বাংগীন উন্নতিৰ বাবে হাঁহিমুখে প্ৰাণ বিসৰ্জন দিছিল আৰু যিসকল মহান ব্যক্তিৰ ৰঙা তেজেৰে অসম মাতৃ আজিও ৰঙীণ হৈয়েই আছে। লগতে আন্তৰিক শ্ৰদ্ধা ও ভক্তি নিবেদিছো সেই প্ৰতিজন আজ্ঞানুৰাগীৰ প্ৰতি, প্ৰতিজন মানৱীয় ব্যক্তিৰ প্ৰতি যাৰ অমূল্য ত্যাগৰ চূড়ান্ত নিদৰ্শন আজিৰ বি, এইচ্, বি, মহাবিদ্যালয়।

প্ৰকৃতিৰ মনোমহা পৰিবেশৰ লগত স্থাপিত জ্ঞানৰ জ্যোতি বিলাই দিয়া এই ঐতিহ্যমণ্ডিত মহান অনুস্থানটোলৈ সেৱা আগবঢ়াবলৈ পোৱাটোও এক গৌৰব তথা সৌভাগ্যৰ বিষয়। দ্বিতীয়বাৰৰ বাবে এই পবিত্ৰ জ্ঞানৰ মন্দিৰটোৰ সেৱা আগবঢ়াবলৈ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে অতি গুৰুত্বপূৰ্ণ আসনত মোক নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰকৃতজ্ঞ।

আমাৰ কাৰ্যকালৰ আৰম্ভণিতে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ দিজু ডেকাৰ অকাল আৰু আকস্মিক বিয়োগত আমি বি, এইচ্, বি, মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই মিলিত হৈ বিদেহী আত্মাৰ চিৰ শান্তিৰ বাবে গভীৰ শোক প্ৰকাশ কৰি ভগৱানৰ ওচৰত নীৰৱে প্ৰাৰ্থনা জনাওঁ আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰোঁ।

আমাৰ কাৰ্যকালত জুলাই-আগষ্ট মাহত সমগ্ৰ অসমত প্ৰচণ্ড বানপানী হয়। বিশেষকৈ বৰপেটা জিলাত উক্ত বানপানীয়ে গুৰুতৰভাৱে অনিষ্ট সাধন কৰে। এনেকুৱা সময়ত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ সৈতে মিলিত হৈ শকত ধনৰ সামগ্ৰীৰে ভৱানীপুৰ-হস্তিনাপুৰ-বিজনী অঞ্চলৰ ৰাইজক সাহায্য আগবঢ়োৱা হয়। মোৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ এজন মহাবিদ্যালয় চৌহদতে আকস্মিকভাৱে গুৰুতৰ ধৰণে আঘাতপ্ৰাপ্ত হয় আৰু তেওঁৰ চিকিৎসাৰ বাবে মই শিক্ষক-কৰ্মচাৰীৰ লগত মিলিত হৈ সাধাৰণ সম্পাদকৰ পুঁজিৰ পৰা শকত ধন আগবঢ়াও।

যোৱা বৰ্ষতে মই ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগৰ সম্পাদকৰ বৰপেটা জিলা ভিত্তিত আন্তঃমহাবিদ্যালয় কুইজ, তৰ্ক, আধুনিক নৃত্য আদি প্ৰতিযোগিতা আয়োজন কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছিলো। কিন্তু দুৰ্ভাগ্যজনকভাৱে তেওঁ ধনৰ অভাৱত এই দিশত আগবাঢ়িব নোৱাৰিলে। কিন্তু আমাৰ কাৰ্যকালত অৰ্থৰ অভাৱ হেতুকে আটাইকেইটা প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ নোৱাৰিলো যদিও পোন প্ৰথমবাৰৰ বাবে তৰ্ক বিভাগৰ সম্পাদকৰ দ্বাৰা জিলাভিত্তিক প্ৰাইজমাণি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এইখিনিতে মোৰ কৰ্তৃপক্ষলৈ অনুৰোধ থাকিল অতি গুৰুত্বপূৰ্ণ বিভাগ তৰ্ক বিভাগটোৰ বাৰ্ষিক পুঁজিৰ ধন বৃদ্ধি কৰাৰ ক্ষেত্ৰত যেন তেওঁলোকে সুদৃষ্টি দিয়ে।

শিক্ষানুষ্ঠান এখনত ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক উত্তৰণৰ বাবে 'অধ্যয়ন চক্ৰ'ৰ দৰে অনুষ্ঠান এটা থকাটো খুউব প্ৰয়ো
কিছু বছৰ আগতে আমাৰ মহাবিদ্যাল
উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি 'অধ্যয়ন চ
গঠন কৰা হৈছিল যদিও ধাৰাবাহিকত
এই অনুষ্ঠান ব্যৰ্থ হৈছিল। আমি
কাৰ্যকালত এই 'অধ্যয়ন চক্ৰ'ক পুনৰ
ৰূপ দিয়াৰ প্ৰচেষ্টা চলাওঁ।

'ৰাষ্ট্ৰীয় সেৱা আঁচনি' (N.S.S.)-ৰ
হ'বলগীয়া কামবোৰ আমাৰ কাৰ্যকালৰ
বহু বছৰ ধৰি কৰা হোৱা নাছিল। কিন্তু
লৈয়েই আমি ইতিবাচক মনো
এইক্ষেত্ৰত বিভিন্ন কাম-কাজৰ উদ্যো
আশা ৰাখিছো ভৱিষ্যতেও এই
যোগেৰে বিভিন্ন কাম-কাজ বা শিবি
অনুষ্ঠিত হ'ব।

আমি সৌভাগ্যবান যে
কাৰ্যকালতেই 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰ
পৰিষদে' (NAAC) আমাৰ মহাবিদ
পৰিদৰ্শন কৰে। ভাৰপ্ৰাপ্ত অধ্যক্ষ, শি
কৰ্মচাৰী, ছাত্ৰ একতা সভা, ছাত্ৰ-ছাত্ৰী,
ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষী ৰাইজ, অভি
সৰুপেটা অঞ্চলৰ বিভিন্ন দল-সংগঠন
আদি সকলোৰে সক্ৰিয় সহযোগি
মহাবিদ্যালয়ৰ সামগ্ৰিক পৰিবেশত স
NAAC-ৰ প্ৰতিনিধি দলে মহাবিদ্যাল
৭৪.৫ শতাংশ নম্বৰ প্ৰদানেৰে "বি গ্ৰেড"
কৰে।

আমাৰ মহাবিদ্যালয়খনত প্ৰতি বছৰে
উন্নয়নমূলক কাম-কাজ কৰি থকা হয়
ফলত আজি আমি আমাৰ মহাবিদ্যাল
লৈ মূৰ দাঙি গৌৰৱেৰে ক'ব পাৰো যে
বি, এইচ্, বি, মহাবিদ্যালয়ৰ ছাত্ৰ।
কাৰ্যকালতো মহাবিদ্যালয়খনত বি
উন্নয়নমূলক কাম-কাজ কৰা হৈছিল।
ভিতৰত মহাবিদ্যালয়ৰ তোৰণ নিৰ্মাণ, তে
পৰা শ্ৰেণীকোঠা আৰু কাৰ্যালয়লৈ যো



B.H.B. College, Sarupeta

দুটি পকী কৰা হয়, স্থায়ীভাবে কেন্টিন নির্মাণ কৰা হয়। মহাবিদ্যালয়ৰ শোভা বৰ্দ্ধনৰ বাবে ফুলৰ বাগিচা পতা হয়। মহাবিদ্যালয় ছাত্র একতা সভা আৰু বি, এইচ্, বি, মহাবিদ্যালয় ছাত্র সন্থা গোট'ৰ পতাকা উত্তোলন কৰা কংক্ৰিটৰ ষ্টেণ্ড, শৌচাগাৰ আদি নিৰ্মাণ কৰা হয়। অধ্যক্ষৰ কাৰ্যালয়, প্ৰশাসনীয় ভৱন অত্যাধুনিকভাৱে নিৰ্মাণ কৰা হয়। ছাত্র একতা সভাৰ কাৰ্যালয়ত এটা আল্‌মিৰা, এটা দেৱাল ঘড়ী অনা হয়। প্ৰতিটো বিভাগকে সুকীয়া কোঠালীৰ সুবিধা কৰি দিয়া হয় আমাৰ কাৰ্যকালতেই। মহাবিদ্যালয়ৰ স্থায়ী প্ৰেক্ষাগৃহ, ছাত্ৰী আবাস আদিৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। আমাৰ সময়ছোৱাতে ছাত্র একতা সভাৰ প্ৰতিজন বিষয়ববীয়াক বেজ প্ৰদান কৰা হয়।

মহাবিদ্যালয় এখনে পূৰ্ণাঙ্গৰূপ পাবলৈ হ'লে মহাবিদ্যালয়খনত ছাত্র-ছাত্রীসকলে কোনো ধৰণৰ সমস্যাৰ বা অভাৱৰ সন্মুখীন হ'ব নালাগে। এইখিনিতে এইটোও স্বীকাৰ্য যে অভাৱ-সমস্যা কেতিয়াও শেষ নহয়। তথাপিও কিছুমান মৌলিক সমস্যা আমাৰ দৃষ্টিগোচৰ হৈছিল। তাৰ ভিতৰত অন্যতম আছিল এটা সুকীয়া 'ৰিডিং ৰুম', কেইটামান শ্ৰেণীকোঠা, পুথিভঁড়ালৰ কিতাপৰ যোগান, খেলৰ সামগ্ৰী আদি। উক্ত সমস্যাসমূহ অতি সোনকালে দূৰ কৰিবৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষৰ ওচৰত মই অনুৰোধ জনালো। তদ্ৰূপ এটা ব্যায়ামাগাৰৰ অভাৱ অনুভূত হৈছিল যদিও আমাৰ কাৰ্যকাল শেষ হোৱাৰ প্ৰায় মাজভাগতভাৱে এটা অত্যাধুনিক ব্যায়ামাগাৰ মহাবিদ্যালয়ত সংস্থাপিত হয়।

এই বৰ্ষটোত যিবোৰ কাম সম্পন্ন হৈছে এই সকলোবোৰ কাম কৰাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিছিলো ২০০১-০২ চনত মই সাধাৰণ সম্পাদক পদত থকা সময়ত। সেয়ে মোৰ সময়ৰ কাৰ্যকালত এই পৰিকল্পনা বেছ কিছু পৰিমাণে ৰূপায়িত হোৱাত মই খুউব আনন্দিত হৈছো আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগতে শিক্ষকবৃন্দ আৰু সকলো ছাত্র-ছাত্রীক মোৰ আন্তৰিক ধন্যবাদ জনাইছো।

বিগত বছৰৰ দৰে এইবাৰো আমি নৱাগত ছাত্র-ছাত্রীক আঁকোৱালী ল'বলৈ দুদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে ক্ৰমে নৱাগত আদৰণি সভা, মুকলি চ'ৰা আৰু সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰো। উক্ত নৱাগত আদৰণি সভাত মহাবিদ্যালয়ৰ কৃতি ছাত্র-ছাত্রীসকলক পুৰস্কাৰ আৰু যোগ্যতাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰো। ইয়াৰ পিছত ছাত্র-ছাত্রীৰ সামগ্ৰিক বিকাশৰ প্ৰতি গুৰুত্ব দি উলহ-মালহেৰে আয়োজন কৰা হয় মহাবিদ্যালয় সপ্তাহ। এই সাদিনীয়া কাৰ্যসূচীত আমি পোন প্ৰথমবাৰৰ বাবে কিছুমান প্ৰতিযোগিতা যেনে— মেণ্টেল এবিলিটি টেষ্ট, খিচাগীত, বাস্কেটবল খেল আদি অনুষ্ঠিত কৰো। সাধাৰণ সম্পাদকৰ তৰফৰ পৰা পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰো। চূড়ান্ত পৰীক্ষাৰ আগমুহূৰ্তত সমূহ পৰীক্ষাৰ্থীক মহাবিদ্যালয়ৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি শুভেচ্ছা জ্ঞাপনাৰ্থে শুভেচ্ছামূলক সভা অনুষ্ঠিত কৰো। তাৰোপৰি আমাৰ কাৰ্যকালত বিভিন্ন বিভাগৰ পৰা আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। প্ৰতি বছৰে হৈ থকা শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি, মাধৱদেৱৰ তিথি, ফাতেহা-ই-দোৱাজ-দহম, স্বাধীনতা দিবস আৰু সৰস্বতী পূজা এই আটাইকেইটা উৎসৱ অতি শৃংখলাবদ্ধভাৱে অনুষ্ঠিত কৰা হয়। সৰস্বতী পূজাৰ সম্পাদক হিচাপে প্ৰদান কৰা দায়িত্ব শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা ছাত্র-ছাত্রীসকলৰ পূৰ্ণ সহযোগত অতি সু-শৃংখলভাৱে সম্পাদন কৰা হয়।

আমাৰ পৰম শ্ৰদ্ধেয় শিক্ষাগুৰু ইংৰাজী বিভাগৰ প্ৰবক্তা মাননীয় শ্ৰীযুত সৈতেন্দ্ৰ চৌধুৰী মহাশয় আমাৰ কাৰ্যকালতেই মহাবিদ্যালয়ৰ পৰা অৱসৰ লয়। সাধাৰণ সম্পাদক হৈ থকা অৱস্থাত দুয়োটা বছৰতে তেখেতে মোক বিভিন্ন দিশত সু-দিহা, পৰামৰ্শৰে সহায় আগবঢ়াইছিল। সেয়ে মই তেখেতৰ ওচৰত চিৰঋণী।

আমাৰ কাৰ্যকাল ঠিক শেষ হোৱাৰ পিছতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ জৰিয়তে আগবঢ়োৱা দুঃসাহসিক ক্ৰীড়া আঁচনিৰ অধীনত আঠদিনীয়া কাৰ্যসূচীৰ প্ৰায় ছয়শ কিল'মিটাৰ বাট চাইকেলেৰে ভ্ৰমণ কৰা হয়। উক্ত ভ্ৰমণত ময়ো অংশগ্ৰহণ কৰো। উজনিৰ ফালে যাত্ৰা আৰম্ভ কৰি বাইহাটা চাৰিআলিৰ পূৰ কামৰূপ কলেজ, খাৰুপেটীয়া কলেজ, ঢেকীয়াজুলিৰ লোকনায়ক অমিয় কুমাৰ দাস কলেজ, তেজপুৰৰ দৰং কলেজ, নগাওঁ কলেজ, সোণাপুৰ কলেজ, কামৰূপৰ দমদমা কলেজ আৰু নগাওঁ (বৰপেটা)ৰ বাউসী বাণীকান্ত কলেজক সামৰি মুঠ আঠখন কলেজ ভ্ৰমণ কৰি কলেজকেইখনৰ শিক্ষক-কৰ্মচাৰী, ছাত্র-ছাত্রীৰ লগতে বাইজৰ লগত মত বিনিময় কৰি উভতি আহো।

আমাৰ কাৰ্যকালৰ সময়ত আমাৰ মহাবিদ্যালয়খনত উপস্থিত হৈছিল অৱসৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মাননীয় শৰৎ চন্দ্ৰ সিংহদেৱে। তেখেতক ফুলাম গামোছাৰে সম্বৰ্ধনা জনোৱা হয়। কিন্তু দুখৰ কথা যে আজি সেই বিৰল ব্যক্তিত্ব আমাৰ মাজত আৰু নাই। তেখেতৰ বিদেহী আত্মাই যেন চিৰশান্তি লাভ কৰে তাৰ বাবে মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালৰ সময়ত প্ৰতিটো ক্ষণতে সুদিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়োৱা মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়, মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দক মই মোৰ ফালৰ পৰা শ্ৰদ্ধাসহকাৰে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। এওঁলোকৰ সহায়-সহযোগৰ ঋণ মই কেতিয়াও পৰিশোধ কৰিব নোৱাৰিম।

বি, এইচ্, বি, মহাবিদ্যালয়ৰ দুবাৰকৈ সাধাৰণ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি কিমান দূৰ সফল হৈছো সেই বিচাৰৰ ভাৰ সকলোলৈকে এৰি দিছো।

সদৌ শেষত অনিচ্ছাকৃত ভুলৰ বাবে মাৰ্জনা বিচাৰি এই শিক্ষাৰ সাধনা ক্ষেত্ৰ বি, এইচ্, বি, মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।


"জয়তু বি, এইচ, বি, মহাবিদ্যালয়"।

*ধন্যবাদ সহকাৰে—*

**মনোজ কুমাৰ দাস**

****

B.H.B. College, Sarupeta



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদন লিখিবলৈ কলম তুলি লোৱাৰ লগে লগে মনৰ মনিটৰত ভুমুকি মাৰিছে কেতবোৰ কাল্পনিক চৰিত্ৰই ... চৰিত্ৰবোৰৰ ব্যক্তিসকলৰ কাল্পনিক কায়াৰ ওচৰত নিজৰ অজানিতে লাহে লাহে শ্ৰদ্ধাত দো খাই যাব ... আমাৰ সমগ্ৰ সত্ত্বা। বাস্তৱত দেখাৰ সৌভাগ্য নহ'লেও জ্যেষ্ঠসকলৰ মুখে মুখে শুনি কল্পনা কৰি লৈছো যে তেওঁ... ভগবান প্ৰেৰিত দূত নহ'লেও কোনো গুণে কম নহয় দেবদূততকৈ। নহ'লে আমাৰ দৰে ভবিষ্যৎ প্ৰজন্মৰ ( সেই সম... উচ্চ শিক্ষাৰ কথা চিন্তা কৰি ব্যক্তিগত স্বাৰ্থৰ কথা নাভাবি ঘৰে ঘৰে ধান-চাউল বাঁহ-খেৰ সংগ্ৰহ কৰি মহাবিদ্যালয় ... কথা ভাবিব পাৰেনে? সেই দেবদূত স্বৰূপ ব্যক্তিসকলক আজি শ্ৰদ্ধাৰে স্মৰণ কৰিছো; যিসকলৰ অক্লান্ত শ্ৰম আৰু ... ফলত সৰুপেটাৰ দৰে অঞ্চলত এনে হেন মহাবিদ্যালয় এখন গঢ়ি উঠিল।

সময়ে বহু কথাই শিকালে। সময়ৰ হাতত ধৰি ভাৰতীয় লোকৰ গড় আয়ুসৰ প্ৰায় আধাখিনিতেই উপস্থিত হ'লো ... চাৰিশটা বসন্ত গৰকি আহি মূলতঃ এটা কথাই মনৰ ঘণ্টাত বাৰে বাৰে টং টংকৈ বাজি আছে — 'ভাৰতীয় মানুহে ... প্ৰস্ৰাবৰ বাহিৰে কোনো কামেই সময় মতে নহয়।' নহ'লে আজি মহাবিদ্যালয় এৰাৰ তিনি বছৰ পিছত সহকাৰী সা... সম্পাদক হৈ থকা কালৰ প্ৰতিবেদন লিখিব লাগেনে?

বাৰু যি কি নহওঁক বাস্তৱে যি কয় তাক মানি লবই লাগিব। ধন্যবাদ যাচি আৰু শলাগ জনাই আমাৰ প্ৰতিবেদনৰ ... বাক্য উচৰ্গা কৰিব বিচাৰিছো সেইসকল বি এইচ বিয়ানৰ হাতত যিসকলৰ ইচ্ছাত আমি ইয়াৰ ছাত্ৰ একতা স... বিষয়াববীয়া হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সুবিধা পাইছিলো। আমাৰ কাৰ্যকালত বহু কিবা-কিবি কৰিছিলো বুলি ক... নাযাও; তথাপি এইটো কম যে আমি চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। ইয়াৰ মাজতো আমাৰ অজানিতে কিছু ভুল ... যোৱাটো স্বাভাবিক, তাৰ বাবে আমি মাৰ্জনা বিচাৰিছো।

আমাৰ কাৰ্যকালৰ পৰা এই প্ৰতিবেদন লিখা কালৰ দূৰত্ব ইমানেই বেছি হ'ল যে আমাৰ কিছু সতীৰ্থক আ... কোনোৱে 'মা' বা কোনোৱে 'দেউতা' বুলি মাতে। তেওঁলোকে আজি ভাবিছে অচিন্তই কি লিখিছে! তাৰ উত্তৰত ... অচিন্তই সঁচা লিখিছে। যি সঁচাৰ অন্য নাম বৰ্মন স্যৰৰ ভাষাত 'বাস্তৱ সঁচা কথা'। আমি এই প্ৰতিবেদন যোগে মহাবিদ্যা... কৰ্তৃপক্ষক এটা অনুৰোধ কৰিব বিচাৰিছো যাতে কোনোবা সংগীতা বা কোনোবা হেমন্তই ভোট দি জয়যুক্ত কৰা ... একতা সভাৰ বিষয়ববীয়াসকলৰ মনৰ কথা বা মহাবিদ্যালয়খনৰ দাপোণস্বৰূপ আলোচনীখন তেওঁলোকৰ ল'ৰা-ছোৱালী... আখৰ চিনাকিৰ আদি পাঠ নহয়। শেষত 'বাস্তৱ সঁচা কথা' লিখি আপোনাসবক মনোকষ্ট দিয়াৰ বাবে ক্ষমা প্ৰাৰ্থনা...

অচিন্ত দাস (ক...

••••

B.H.B. College Sarupeta



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে বি. এইচ. বি. মহাবিদ্যালয়ৰ ২০০৩-০৫ ইং বৰ্ষৰ ছাত্ৰ একতা সভালৈ মোক সাংস্কৃতিক সম্পাদক হিচাপে মনোনীত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনোৱাৰ লগতে বি. এইচ. বি. মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় শিক্ষকবৃন্দ তথা সমূহ কৰ্মচাৰীলৈ মই শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০০৩-০৪ চনৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই কিমান দূৰ সফলতা লাভ কৰিলো সেইখিনি মূল্যায়ণৰ দায়িত্ব ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ। আচলতে সীমিত সময় আৰু নেতিবাচক আবহাৱাৰ কবলত পৰি পৰম্পৰাগত কাৰ্যসমূহৰ বাহিৰে সংশ্লিষ্ট সময়ছোৱাত আমি একো নতুনত্ব দাবী কৰিব নোৱাৰো এই কথা মই অকপটে স্বীকাৰ কৰি লোৱাৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত নতশিৰে মাৰ্জনা মাগিছো।

যি কি নহওঁক মোৰ সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক মাননীয় শিক্ষক শ্ৰীযুত প্ৰবোধ কলিতা চাৰে মোৰ কাৰ্যকালত বিভিন্ন দিশত নানা ধৰণৰ দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মই তেওঁৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'লো।

যিসকল বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্যকালত পাতনিৰ পৰা ইতিলৈ মোক সহায় কৰিলে তেওঁলোক যথাক্ৰমে সৰ্বশ্ৰী ভূপেশ, বাবুল, কপিল, চম্পক, দিগন্ত, অনিমেশ, হিমাংশু, মুন, নিতু, ধনুজিৎ, মিনাক্ষী, ভৱিতা, ৰঞ্জিতা, ৰীমা, সবিতা, হিৰামণি (চুমি), পূজা, ৰূপা, বিউটি (আই), বন্দনা, কবিশ্মিতা আদি বন্ধু-বান্ধৱীসকলৰ ওচৰত মই আজীৱন ঋণী।

মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ পৰা বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হয় যদিও তাত সীমিত প্ৰতিযোগীয়েহে যোগদান কৰা দেখা যায়। মোৰ কাৰ্যকালছোৱাত 'নবাগত আদৰণি সভা' আৰু 'সাংস্কৃতিক সন্ধিয়া'ৰ আয়োজন কৰিছিলো। তাত মহাবিদ্যালয়ৰ শিল্পী আৰু স্থানীয় শিল্পীৰ দ্বাৰা নৃত্য-গীত পৰিৱেশন কৰা হয় আৰু বৰপেটাৰ নিমন্ত্ৰিত শিল্পী ফুলেন পাঠক আৰু কাকলীৰ দ্বাৰাও গীত পৰিৱেশন কৰাই সাংস্কৃতিক সন্ধিয়াখন আনন্দমুখৰ কৰি তোলা হয়। ভৱিষ্যত যাতে মহাবিদ্যালয়ত আৰু উন্নত ধৰণেৰে সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰিব পাৰে তাৰ বাবে মই অনুজসকলক অনুৰোধ জনালোঁ।

অজানিতে কৰা ভুলক ভুলবুলি ক'ব পৰা নাযায় যদিও মই অজানিতে কৰা ভুলৰ বাবে ক্ষমা খোজাৰ ক্ষেত্ৰত কৃপণালি নকৰি আটাইৰে ওচৰত ক্ষমা মাগিছো।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে "মহাবিদ্যালয় সপ্তাহ"ৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠত্ব লাভ কৰিছে সেই প্ৰতিযোগীসকলক বঁটা বিতৰণী সভাত বঁটা বিতৰণ কৰা হয়।

প্ৰতিবেদনৰ শেষত শিক্ষা, সংস্কৃতি, খেল-ধেমালি ইত্যাদি নানা দিশত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।


'জয়তু বি, এইচ, বি, মহাবিদ্যালয়'

কংকণ ডেকা

••••

B.H.B. College, Sarupeta

প্ৰ তি বে দ ন



> ... ছাত্ৰ জিৰণি কোঠাটো ছাত্ৰ অনুপাতে বৰ সৰু। ইয়াৰ উপৰিও কোঠাটোৰ ওপৰত চিলিঙৰ ব্যৱস্থা নোহোৱা হেতুকে গৰমৰ দিন কেইটাত তাত জিৰণি ল'বলৈ ছাত্ৰ বন্ধুসকলৰ বৰ কষ্ট হয় ...

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে মই পোনতে যিসকল ব্যক্তিৰ অশেষ চেষ্টা আৰু ত্যাগৰ ফলত বি. এইচ. বি. মহাবিদ্যালয়ে পূৰ্ণাংগ ৰূপ ল'লে সেই মহান ব্যক্তিসকললৈ আৰু যিসকল ব্যক্তিয়ে বি. এইচ. বি মহাবিদ্যালয়ৰ উন্নতিৰ হকে এতিয়াও নিঃস্বাৰ্থভাৱে কাম কৰি আছে সেইসকল ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। লগতে ২০০৪-০৫ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰলৈ মোৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত মই কিমান কৃতকাৰ্য বা সফলতা লাভ কৰিছো সেয়া বিচাৰ কৰাৰ ভাৰ আপোনালোকলৈ এৰিলোঁ। ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি মোৰ দৃষ্টিগোচৰ হোৱা এটা বিশেষ দিশৰ প্ৰতি সমূহ ছাত্ৰ-ছাত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে মহাবিদ্যালয় সপ্তাহত চলা যিকোনো খেলতে সমূহ ছাত্ৰ-ছাত্ৰীয়ে যাতে ভৱিষ্যতে নিষ্ঠা আৰু একাগ্ৰতাৰে অংশগ্ৰহণ কৰে।

খেলা-ধূলাও শিক্ষাৰ এটা অপৰিহাৰ্য অংগ। কিয়নো খেল-ধেমালিয়ে সুস্থ আৰু সুন্দৰ শৰীৰ গঠন কৰাত সহায় কৰে। ইয়াৰোপৰি মানসিক উৎকৰ্ষ সাধনতো খেল-ধেমালিয়ে অৰিহণা যোগায়। সেয়েহে প্ৰতিটো দিশৰ পৰা খেল-ধেমালিৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে যেন উক্ত বিষয়টোৰ প্ৰতি অধিক মনযোগ দিয়ে তাৰ বাবে এই ছেগতে মই অনুৰোধ জনালোঁ।

বিভাগীয় সম্পাদক হিচাপে আমি উপলব্ধি কৰিছো যে ছাত্ৰ জিৰণি কোঠাটো ছাত্ৰ অনুপাতে বৰ সৰু। ই... উপৰিও কোঠাটোৰ ওপৰত চিলিঙৰ ব্যৱস্থা নো... হেতুকে গৰমৰ দিন কেইটাত তাত জিৰণি ল'বলৈ ... বন্ধুসকলৰ বৰ কষ্ট হয়। সেয়ে মই মহাবিদ্যালয় কৰ্তৃ... কোঠাটোৰ উন্নতিৰ বিষয়ে মন দিবলৈ অনুৰোধ জনা...

গ্ৰাম্যাঞ্চলৰ মহাবিদ্যালয় বুলি ক'লে কিছুমান সমস্যা... জৰ্জৰিত হোৱাটো স্বাভাৱিক। তথাপিও বি. এইচ. ... মহাবিদ্যালয় আনবোৰ গ্ৰাম্যাঞ্চলৰ মহাবিদ্যালয়তকৈ ... পৰ্যায় হ'লেও আগবঢ়া বুলি ক'লে ভুল নহ'ব। সম... সকলোতে থকা তথাপিও সমস্যাক নেওচি আমি অ... কৰ্তব্য অটুট ৰাখিব লাগিব।

মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় কৰা শ্ৰীযুত ম... কাকতি চাৰ আৰু লগতে বি. এইচ. বি. মহাবিদ্যাল... শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ ধন্যবাদ যাচি... তাৰোপৰি মোৰ কাৰ্যকালত বিশেষভাৱে উপদেশ ... বন্ধু ৰাতুল আৰু নিপনলৈ অশেষ ধন্যবাদ যাচিছো।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ... ক্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি বি. এইচ. বি মহাবিদ্যাল... উত্তৰণ কামনা কৰি প্ৰতিবেদন ইয়াতে সামৰিলোঁ।

'জয়তু বি, এইচ, বি, মহাবিদ্যালয়।'

কুলদীপ ডেকা (দিগ...

****

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰে এই দেশ মাতৃৰ বাবে বুকুৰ তেজ দি শ্বহীদ হ'ল সেইসকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলী নিবেদি এগছি বন্তি জ্বলালো। লগতে যিসকল গণ্য-মান্য ব্যক্তিৰ আত্মত্যাগৰ ফলত আমাৰ দৰে অঞ্চলত 'ভবানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়' গঢ় লৈ উঠিলে আৰু ৰাষ্ট্ৰীয় মূল্যায়ণ আৰু প্ৰত্যায়ণ পৰিষদ (NAAC) ৰ দ্বাৰা "B" গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈ পৰিল সেইসকল ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও সন্মান জনাইছো।

লিখনিৰ পাতনিতে মই ক'বলৈ লজ্জাবোধ কৰিছো যে এনেকুৱা এখন মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত আয়োজিত বিভিন্ন খেলত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ। মোৰ কাৰ্যকালত মই কিমান দূৰ আগুৱাই যাব পাৰিলো আৰু কাম-কাজবোৰ সুকলমে চলাই নিব পাৰিলো নে নাই সেয়া বিচাৰৰ ভাৰ চাৰ-বাইদেউ, ছাত্ৰ-ছাত্ৰীসকলৰ হাতত। মোৰ তত্বাবধায়িকা শ্ৰীযুতা দিপ্তি কলিতা বাইদেউ, মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে যিসকল শুভাকাংক্ষীয়ে মোক বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱাৰ লগতে উৎসাহ-উদ্দীপনা যোগাইছে তাৰ বাবে সকলোকে অশেষ ধন্যবাদ জনালো। মই বিশেষকৈ সেইসকল বন্ধু-বান্ধৱীৰ ওচৰত চিৰ কৃতজ্ঞ যিসকলে মোৰ কাৰ্যকালত আদিৰ পৰা অন্তলৈকে সহায়ৰ হাত আগবঢ়াইছে।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছো।

'জয়তু বি, এইচ, বি, মহাবিদ্যালয় ছাত্ৰ একতা সভা।'


*ধন্যবাদেৰে—*

**প্ৰজ্ঞা বৰুৱা**

****

B.H.B. College, Sarupeta

প্ৰ তি বে দ ন



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে জাতীয় সংগ্ৰামত কেঁচা শোণিতেৰে আহুতি দিয়া জাতীয় শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছোঁ। যিসকলৰ আৰ্থিক দান আৰু শ্ৰমৰ বিনিময়ত বি. এইচ. বি. মহাবিদ্যালয় নামৰ বিদ্যা মন্দিৰটো গঢ়ি উঠিছে সেইসকল মহান ব্যক্তিলৈ মই ভক্তি আৰু শ্ৰদ্ধা নিবেদন কৰিছোঁ। সমাজ সেৱা সম্পাদকৰ পদটো এটা অতি গুৰুত্বপূৰ্ণ পদ। এনেকুৱা এটা গুৰুত্বপূৰ্ণ পদত মোক নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু সাধাৰণ সম্পাদকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সমাজৰ জৰিয়তে গঢ়ি উঠে এখন ঠাই বা দেশৰ সভ্যতা। সেয়েহে সমাজ সেৱাৰ ক্ষেত্ৰখন বৰ বিশাল। মাথোন এটা বছৰৰ ভিতৰতেই সকলো সপোন বাস্তৱত ৰূপায়িত কৰাটো সম্ভৱপৰ নহয়। তথাপিও মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ প্ৰাকৃতিক পৰিবেশ ৰক্ষণাবেক্ষণত মুখ্যভাৱে গুৰুত্ব দিছিলো। কাৰ্যভাৰ হাতত লৈয়ে নৱবৰ্ষৰ প্ৰাৰম্ভনি আৰম্ভ হোৱাৰ আগে আগে মহাবিদ্যালয়ৰ পৰিৱেশ সৌন্দৰ্যময় কৰি তোলাৰ বাবে চাফাই কাৰ্যসূচী, বৃক্ষৰোপণ কাৰ্যসূচী আদি হাতত লৈছিলো। তাৰ পিছতে নৱাগত আদৰণি সভাৰ আগমুহূৰ্তত চাফাই প্ৰতিযোগিতা অনুষ্ঠিত কৰোঁ। আমাৰ কাৰ্যকালতেই মহাবিদ্যালয়খন 'NAAC'-এ পৰিদৰ্শন কৰে। তেতিয়া সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মোক দিয়া দায়িত্ববোৰ মই অতি সু-শৃংখলভাৱে পৰিচালনা কৰি যাওঁ। সেই সময়ছোৱাতেই আমাৰ বিদ্যালয়ৰ 'NSS' (ৰাষ্ট্ৰীয় সেৱা আঁচনি)-ৰ জৰিয়তে মহাবিদ্যালয়ৰ সম্পূৰ্ণ চৌপাশ আৰু স্কুলপেটা অঞ্চলৰ অধিকাংশ ঠাই পৰিষ্কাৰ কৰা কাৰ্যসূচী হাতত লোৱা হৈছিল। কিন্তু দেখিবলৈ পালো তাৰ পিছত 'NSS'-ৰ উদ্যোগত কৰিবলগীয়া কোনো কাম কৰ্তৃপক্ষই হাতত লোৱা নাই। এইখিনিতে মই কৰ্তৃপক্ষলৈ টানি অনুৰোধ জনাওঁ যে উক্ত 'NSS'-ৰ সহায়েৰে ভৱিষ্যতে মহাবিদ্যালয়ত কাম কৰাৰ সুবিধা দিয়ে যেন। পুনৰ চাফাই কা... হাতত লওঁ মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, শুভেচ্ছা... সভাৰ আগমুহূৰ্ততো। মোৰ কাৰ্যকালত মহাবিদ্যালয় স... সমূহ প্ৰতিযোগিতা সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে ... ত্ৰুটি কৰা নাছিলো।

মহাবিদ্যালয় এখন যিহেতু পবিত্ৰ জ্ঞানৰ মন্দিৰ ... মহাবিদ্যালয়ৰ চৌহদ অতি পৰিষ্কাৰ আৰু পবিত্ৰ হৈ থকা... নিতান্তই প্ৰয়োজন। সেয়ে এই ক্ষেত্ৰতেই মই অধিক গু... দিছিলো।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ স... কামতে সহায়-সহযোগিতাৰ লগতে মোৰ ওপৰত অৰ্পণ... দায়িত্বভাৰ চলাই নিয়াত সাধ্যানুসাৰে চেষ্টা কৰিছিলো। অ... কিমান সফল হৈছো সেইয়া আপোনালোকৰ বিচাৰ্যৰ বি...

মোৰ কাৰ্যকালত বিভিন্ন কাম-কাজত সহায়ৰ হা... আগবঢ়োৱা চাৰ-বাইদেউ, ছাত্ৰ একতা সভাৰ সমূহ সদ... সদস্যা, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকল... আন্তৰিক কৃতজ্ঞতা যাঁচিলো। আৰু বিশেষভাৱে সহা... সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ সাধাৰণ সম্পা... ডাঙৰীয়াৰ ওচৰত মই চিৰঋণী।

মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ মাৰ্জ... বিচাৰি বি. এইচ. বি. মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কাম... কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।


'জয়তু বি, এইচ, বি, মহাবিদ্যালয়।'

*ধন্যবাদে...*

**মনোৰঞ্জন তালুকদা...**

****

B.H.B. College Sarupeta



# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যিসকল ব্যক্তিৰ অশেষ প্ৰচেষ্টাৰ ফলত বি, এইচ্, বি, মহাবিদ্যালয়খন গঢ়ি উঠিছে সেই সকললৈ মোৰ শত সহস্ৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো। ২০০৪-০৫ ইং চনত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক তৰ্ক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ। তৰ্ক বিভাগৰ সম্পাদক হোৱাৰ পাছতে অধ্যক্ষ মহোদয় আৰু তত্বাৱধায়কৰ অনুমতি লৈ তৰ্ক-কুইজ আদি অনুষ্ঠিত কৰিছিলো। তাৰোপৰি এখন আন্তঃজিলা প্ৰাইজমাণি কুইজ প্ৰতিযোগিতাও পাতিছিলো। প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত মোক অগ্ৰজসকলে নানাধৰণে সহায়-সহযোগিতা আগবঢ়াইছিল। সেইসকল ব্যক্তিক মই আন্তৰিক শলাগ জনাইছো। ছাত্ৰ একতা সভাৰ সকলোবোৰ কামত নিঃস্বাৰ্থভাৱে সহায়-সহযোগিতা আগবঢ়োৱাতো আছিল মোৰ একমাত্ৰ কৰ্তব্য।

মোৰ কাৰ্যকলাপত নানা ধৰণৰ উপদেশ-পৰামৰ্শ আদি দি সহায় কৰা বি, এইচ্, বি, মহাবিদ্যালয়ৰ তত্বাৱধায়ক মাননীয় শ্ৰীযুত দুৰ্গেশ্বৰ বৰ্মনদেৱলৈ মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা যাঁচি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।


'জয়তু বি, এইচ্, বি, মহাবিদ্যালয়'।

*ধন্যবাদেৰে-*

ধ্ৰুৱজ্যোতি দাস

◆◆◆◆

B.H.B. College, Sarupeta



# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে মই মহাবিদ্যালয় প্ৰতিষ্ঠা তথা উন্নতিৰ ক্ষেত্ৰত যিসকল মহান ব্যক্তিৰ শ্ৰম আৰু প্ৰচেষ্টাৰ বাবে আমি আজি এনে এটা পৰ্যায়লৈ উন্নতি হ'ব পাৰিছো তেখেতসকলক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদকৰ পদত সেৱা আগবঢ়াবলৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে সুবিধা পোৱাৰ বাবে সৌভাগ্যৰ কথা বুলি ভাবো। মহাবিদ্যালয় এখনৰ লঘু খেল বিভাগৰ সম্পাদকৰ ওপৰত থকা সামগ্ৰিক গুৰুত্ব অতি বেছি আৰু জটিল। মই এই দায়িত্ব পালনত কিমান দূৰ সফল হৈছো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

মোৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়লৈ "NAAC"-ৰ প্ৰতিনিধিৰ দল আহে আৰু তাৰ বাবে মহাবিদ্যালয়ৰ খেলপথাৰখন ভালদৰে মেৰামতি কৰিবলগীয়া হৈছিল। মোৰ কাৰ্যকালত পোন প্ৰথমবাৰৰ বাবে বাস্কেটবল খেলৰ বাবে খেলপথাৰ নিৰ্মাণ কৰা হৈছিল। এই নিৰ্মাণ কাৰ্যত মোক মাননীয় শ্ৰীদিলীপ দাস, কুসুম দাস, ৰিদিপ দাস, নৃপেন চৌধুৰী আৰু বিপুল তালুকদাৰদেৱে বিশেষভাৱে সহায় কৰিছিল। তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

প্ৰত্যেক বছৰৰ দৰে এইবছৰো 'মহাবিদ্যালয সপ্তাহ' অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাবোৰত ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে অংশগ্ৰহণ কৰিছিল।

মোৰ কাৰ্যকালত মোক বিভিন্নভাৱে সহায়-সহযোগিতা আগবঢ়োৱা দিগন্ত বৈশ্য, ৰিদিপ দাস, নৃপেন চৌধুৰী, মণ্টু দাস, অৰূপ তালকদাৰ, মৃত্যুঞ্জয় দাসলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

বি. এইচ. বি. মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*ধন্যবাদেৰে—*

**শ্ৰীহৃদয় দাস**


... মোৰ কাৰ্যকালত পোন প্ৰথমবাৰৰ বাবে বাস্কেটবল খেলৰ বাবে খেল পথাৰ নিৰ্মাণ কৰা হৈছিল ...

••••

B.H.B. College, Sarupeta

ফটোগ্ৰাফাৰ প্ৰাণজিৎ কলিতাৰ লেন্সত...





B.H.B. College, Sarupeta



# বি, এইচ্, বি, মহাবিদ্যালয় আলোচনী



B. H. B. College, Sarupeta

**B. H. B. COLLEGE MAGAZINE**

EDITOR : ZULI TALUKDAR